# আকাশী পথেৰে বিদেশলৈ

শ্ৰীজ্ঞানবালা বৰুৱা
যোৰহাট

১৯৫৬

বেচ তিন টকা মাথোন

প্ৰকাশিকা—শ্ৰীজ্ঞানবালা বৰুৱা
যোৰহাট

কলিকতা
৮৫, অপাৰ চাৰকুলাৰ ৰোড, "ভাৰত মিহিৰ যন্ত্ৰত"
শ্ৰীঅতুলচন্দ্ৰ চক্ৰবৰ্ত্তীৰ দ্বাৰা মুদ্ৰিত।

# নিবেদন

“কি কি দেখা মোলৈ লিখি আনিবা”। এই কথাষাৰ যোৰহাটৰ "ৰবৈয়া" উৰাজাহাজ বন্দৰত আমাৰ যাত্ৰাৰ সময়ত আমাৰ বহুত বন্ধু-বান্ধৱ আৰু আপোন মানুহৰ পৰা বিদায় লোৱাৰ পাছত আমাৰ সুমলীয়া লৰা শ্ৰীমান্ জোনে মোক কৈ পঠাইছিল; লৰাটিৰ এই কথাষাৰেই মোৰ এই লিখাখিনিৰ উদ্যম।

এতিয়া এই লিখাখিনিকেই আনেও পঢ়ি ভাল পাব আৰু লৰা-ছোৱালীয়ে ইয়াৰ পৰা কিছু কথা শিকিব পাৰিব বুলি মোক বহুতে কোৱাত ইয়াকে ছাপা কৰি কিতাপ আকাৰে উলিয়াবলৈ মন কৰিলো; কিন্তু নানা বাধা-বিঘিনিত কিতাপখনি প্ৰকাশ কৰা মোৰ অনিচ্ছাসত্ত্বেও বহুত পলম হ'ল।

মোৰ এই উকা লিখাখিনিত শ্ৰীযুত বিৰিঞ্চিকুমাৰ বৰুৱা দেৱে "আগকথা" খিনি লিখি দি যেন—এটি অলঙ্কাৰ হে পিন্ধালে আৰু শ্ৰীযুত অম্বিকানাথ বৰা দেৱে উৎসাহ দিয়াত হে এই পুথি ৰাইজৰ আগলৈ উলিয়াবলৈ সাহ পালো। আৰু তেখেতেই ছাপা-কাৰ্য্যতো সহায় কৰি দিলে। সেইবাবে এখেত সকল দুয়োজনৰ ওচৰত মই কৃতজ্ঞ থাকিলোঁ।

শেষত মই ইয়াকে কব খোজো যে মই লিখিকা নহওঁ; বিদ্যা-শিক্ষাও মোৰ বিশেষ নাই। ইয়াত যি ভুল-ভ্ৰান্তি হৈছে সহৃদয় পাঠক পাঠিকাসকলে যেন সেই দোষ মাৰ্জনা কৰে।

বিনীতা—

**শ্ৰীজ্ঞানবালা বৰুৱা**

# —আগকথা—

দেশ ভ্ৰমণৰ আকাংক্ষা সৰুৰে পৰা সকলোৰে অন্তৰত জাগে। বাহিৰৰ জগতখনক জানিবলৈ উৎসুক হোৱা মানৱ মনৰ ধৰ্ম্ম। অৱশ্যে সেই স্পৃহা সম্পূৰ্ণ কৰিবলৈ সুবিধা আৰু সুযোগ সকলোৰে জীৱনত নঘটে। গতিকে ঘৰত বহি ভ্ৰমণ বৃত্তান্ত পঢ়িয়েই সৰহ সংখ্যক লোকে ভ্ৰমণৰ আনন্দ উপলব্ধি কৰিব লাগে। আনৰ ভ্ৰমণ কাহিনীয়ে ভ্ৰমণত ওলোৱা জনকো বিত চকুৰ দৰে সহায় কৰে। বিভিন্ন দেশৰ বিভিন্ন জাতিৰ সংস্কৃতি, সৌন্দৰ্য্য বোধ, জীৱনযাত্ৰাৰ পদ্ধতিয়ে বেলেগ বেলেগ মানুহৰ মনত বিভিন্নৰূপে ক্ৰিয়া কৰে। এই পিনৰ পৰাও ভ্ৰমণ কাহিনীৰ মূল্য আছে। এই পুথিৰ আগকথা লিখকে ১৯৪৭ চনত ইউৰোপৰ নানাদেশত ভ্ৰমি ফুৰোতে অধ্যাপক শ্ৰীযুত সুনীতি-কুমাৰ চট্টোপাধ্যায "ইউৰোপ—১৯৩৮" নামৰ ভ্ৰমণ পুথিখনি লগতলৈ ফুৰিছিল। সেই পুথিৰ বৰ্ণনাই লিখকক ইউৰোপৰ চহৰ, পুৰণি-স্মৃতি, গ্ৰন্থাগাৰ, যাদুঘৰ আদি তন্ন তন্নকৈ চোৱাত বিশেষভাৱে সহায় কৰে। কেতিয়াবা কোনো চিত্ৰগৃহত বা যাদুঘৰত প্ৰৱেশ কৰিয়েই কোনো প্ৰখ্যাত শিল্পীৰ চিত্ৰ অথবা ভাস্কৰ্য্য চাবলৈ ইচ্ছা জনাওতে ৰখীয়াগৰাকীয়ে তবধ মানিছিল। পুথিৰে পৰা পৰিচিত থকাৰ হেতু দৰ্শনীয় চিত্ৰ আৰু ভাস্কৰ্য্যৰ সৌন্দৰ্য্য উপলব্ধি সহজ হৈছিল। শ্ৰীযুত জ্ঞানাদিভিৰাম বৰুৱা দেৱৰ বাঁহীত প্ৰকাশ হোৱা বিলাতৰ চিঠিসমূহ ছাত্ৰাৱস্থাত পঢ়াৰ হেতুকে পিছৰ বিলাত প্ৰবাস কালত কেইবাটিও সৰু সৰু আচাৰ ব্যৱহাৰ সম্বন্ধীয় কথাত লঘু-লাঞ্চনাৰ পৰা হাত সাৰিবলৈ সক্ষম হৈছিলো।

সাধাৰণ 'গাইডবুক' বা ভূগোলৰ নৈৰ্ব্যক্তিক বৰ্ণনাতকৈ ব্যক্তিগত সুখ-দুখ, হৰ্ষ-উল্লাস, ভয়-ত্ৰাস, ঘৃণা-লাজ আদি অনুভূতিৰে লগত

ওতঃপ্ৰোতভাৱে জড়িত কাহিনীয়ে পাঠকৰ হৃদয় সমাধিক আকৃষ্ট কৰে। ভ্ৰমণ কাহিনীৰ লগতে ভ্ৰমণকাৰীৰ ব্যক্তিগত দৃষ্টিভঙ্গীৰ লগতো পৰিচয় হবলৈ সুবিধা হয়। বিলাতৰ চাহাবৰ ৰান্ধনী ঘৰত সোমাই এই ভ্ৰমণ কাহিনী লিখিকাৰ নিজ দেশৰ ৰান্ধনী ঘৰৰ সংস্কাৰৰ কথা মনলৈ অহাতে অসমীয়া তিৰোতাৰ মনৰ পৰিচয় প্ৰকাশ পাইছে। ( আকাশী পথেৰে বিদেশলৈ, পৃঃ ৫৮ )।

শ্ৰীযুতা জ্ঞানবালা বৰুৱাৰ "আকাশী পথেৰে বিদেশলৈ" ভ্ৰমণ কাহিনীৰ সহায়ত পুৰণি পৰিচিতৰ লগত মোৰ ন চিনাকী হল। তেখেতে বৰ্ণনা কৰা কেইখনমান চহৰ চাবলৈ মোৰ সৌভাগ্য ঘটিছিল —১৯৪৫ ৰ পৰা ১৯৪৭ ভিতৰত। পুৰণি পুথিৰ আখৰৰ দৰে তাৰ স্মৃতি মনৰ পৰা প্ৰায় মচখাওঁ খাওঁ; শ্ৰীযুতা বৰুৱাই মচখোৱা আখৰৰ ওপৰত যেন নতুন চিয়াহীৰ বোল দিলে। লিখাৰ ভঙ্গীমাৰে নেদেখা জনৰ সম্মুখত বিভিন্ন দেশৰ চিত্ৰ মূৰ্ত্ত কৰিব পৰাতোৱেই ভ্ৰমণকাৰীৰ সাৰ্থকতা। 'আকাশী পথেৰে বিদেশলৈ' পুথি সেই পৰীক্ষাত উত্তীৰ্ণ হৈছে বুলি মোৰ বিশ্বাস।

আমাৰ দেশৰ বহুজনে ইউৰোপ আমেৰিকা আদিত বহুল অভিজ্ঞতা সংগ্ৰহ আৰু অসীম সৌন্দৰ্য্য উপলব্ধি কৰি ঘৰলৈ ঘূৰি আহিছে। কিন্তু দুখৰ বিষয় তেওঁলোকৰ অফুৰন্ত সঞ্চয়ৰ কণামাত্ৰৰ পৰাও অসমীয়া পাঠক বঞ্চিত। শ্ৰীযুতা জ্ঞানবালা বৰুৱাই নিজৰ ভ্ৰমণ আনন্দক সমূহীয়া আনন্দত পৰিণত কৰাত অসমীয়া পাঠক তেখেতৰ ওচৰত কৃতজ্ঞ।

গুৱাহাটী
১ ফেব্ৰুৱাৰী, ১৯৫১।

শ্ৰীবিৰিঞ্চিকুমাৰ বৰুৱা



## যোৰহাতৰ পৰা লণ্ডনলৈ

১৯৫১ চনৰ ১৩ অক্টোবৰৰ দিনা আমি, শ্ৰীযুত বৰুৱা আৰু মই দুয়ো আমাৰ গোলাঘাটৰ ঘৰৰ পৰা ৰাবনা হৈ যোৰহাতৰ “ৰৌৰিয়া” উৰাজাহাজ থলিত উপস্থিত হলোঁগৈ। বহুত বন্ধু বান্ধৱ আৰু আপোন মানুহৰ পৰা বিদায় লৈ সেইদিনাই আমি গৈ কলিকতা পালোগৈ। তাৰ পৰা বিদেশলৈ যাবলৈ বুলি ১৫ অক্টোবৰৰ দিনা দিনৰ ১॥ দেড় বজাত কলিকতাৰ “ডমডম” (Dum Dum) উৰাজাহাজ বন্দৰ পালোগৈ, এয়েই আমাৰ বিদেশযাত্ৰাৰ আৰম্ভ। আমাক থবলৈ আমাৰ কলিকতালৈ ফুৰিবলৈ যোৱা জী-জোৱাই শ্ৰীমান ৰমণীকান্ত আৰু শ্ৰীমতী অমিয়া আৰু আমাৰ লৰা শ্ৰীমান বিভূতি আৰু দুই চাৰি জন বন্ধু বান্ধৱ গৈছিল। আমি শুল্কবিভাগৰ কৰ্ম্মচাৰী (Customs Officer)ক বাকচ দেখুৱাবলৈ সেই কোঠাত সোমোৱাৰ পাছত আৰু তেওঁবিলাকক লগ পাব নোৱাৰিলো, কাৰণ তাৰ পৰা ওলাই অহা নিয়ম নাই। আমাৰ বাকচ আদি খুলি দেখুৱাৰ পাছত সেইফালেই আমি গৈ বহল মুকলি ঠাইখনত ৰৈ থকা ৪টা ইঞ্জিনৰ বৃটিচ আৰু অষ্ট্ৰেলীয়ান যুটীয়া কোম্পানীৰ উৰাজাহাজ খন (Quntas Constellation)ত উঠিলোঁগৈ। উঠাৰ পাছত আমাক আগবঢ়াবলৈ অহা সকলৰ দূৰৈৰ পৰা হাতৰ জোকাৰণি হে দেখিবলৈ পালে। এতিয়া পৰম ঈশ্বৰক চিন্তা কৰি আমি আমাৰ নিজৰ নিজৰ ঠাইত বহিলো। কিছুমান পৰ “ষ্টাৰ্ট” কৰি তৰতৰকৈ থাকি জাহাজখন আকাশলৈ উঠিল। আমাৰ ডাঙৰ বাকচ কোম্পানীৰ হাতত গটাই দিছিলো, লগত উৰাজাহাজ কোম্পানীয়ে দিয়া একোটা ওলোমোৱা মোনা আমাৰ হাতত আছিল।

মোৰ হাতত এইটো মোনাৰ বাহিৰে মোৰ সৰু মোনাটো, বৰুৱাৰ হাতত এই মোনাটোৰ বাহিৰে এটা চামৰাৰ সৰু বাকচ। এই কেইটাকে হাতে কান্ধে লৈ আজি আমি উৰাজাহাজখনত উঠিছিলোঁ, জানিবা তীৰ্থযাত্ৰী হে। এতিয়া জাহাজ হো-হোৱাই সৰু সৰু টুকুৰা ডাৱৰৰ মাজে মাজে গৈ আছে। বহি বহি তললৈ চাই থোৱাৰ বাহিৰে একো কাম নাই; বৰ আজৰি পোৱা যেন লাগিছে, মই চিঠি দুখনকে ঘৰলৈ লিখিলো। এতিয়া আন কোনো ভাৰতীয বা পাকিস্থানৰ যাত্ৰী আমাৰ লগত নাই। উৰাজাহাজখন আমি ভাৰতবৰ্ষৰ ভিতৰত উঠা ডেকোটা নামৰ জাহাজতকৈ আহল-বহল। মানুহ কৰ্ম্মচাৰীৰে সৈতে ৫০ পঞ্চাচ জন মান ধৰে। গুমগুমনী বেছি নহয বাবে কানত তুলা ভৰোৱা নাই, আৰু ভৰাবলৈ দিয়াও নাই। কঁপনী বা জোকাৰণিও এতিয়া পোৱা নাই। পৰিচাৰক আৰু পৰিচাৰিকা (Steward আৰু Hostess) দুযো যাত্ৰীবিলাকৰ আল ধৰি গৈছিল। পৰিচাৰিকাই আবেলিৰ চাহ, বিস্কুট, কেক আদি আনি আমাৰ চকিৰ হাতোৰাৰ বুতাম টিপি দুদাল মাৰি উলিযাই ওপৰত একোখন "ট্ৰে' লগাই তাৰ ওপৰত দি দি গল। চাহ খাই উঠাৰ কিছু সময পাছত লাহে লাহে আন্ধাৰ হৈ আহিল। এতিয়া বাহিৰত আৰু একো নেদেখা হ'ল। আজি ৰাতি আমি কৰাচি পামগৈ। ৰাতিৰ খোৱা সময হ'ল। মই পৰিচাৰিকাক মোক নিৰামিষ আহাৰ দিবলৈ ক'লো। খোৱাখিনি বৰ ভাল আছিল। সকলোবোৰ খোৱা বস্তু আহেলীয়াত তৈয়াৰ কৰা হেনো। খোৱা শেষ হোৱাৰ লগে লগে আমি কৰাচি নগৰ দেখা পালোহি। লাহে লাহে জাহাজখনৰ গতিৰ বেগ কমি আহিল। কৰাচি পালোহি বুলি আমাক "লাউড স্পিকাৰে" (Loud-Speaker) শুনাই দিলে, বিজুলীৰ ৰঙা আখৰ "Fasten seat belt" অৰ্থাৎ "পেটিডাল বান্ধা" বেৰত ওলাই পৰিল। নগৰ চাবলৈ ভিতৰৰ চাকি দুটামান নুমাই দিলত তলত

কৰাচি নগৰৰ ৰঙা, নীলা চাকিৰ পোহৰবোৰ চকুত পৰিল। অলপমান পাছতে আমাৰ জাহাজ কৰাচি উৰাজাহাজ বন্দৰত নামিলগৈ। এতিয়া সকলো যাত্ৰীকে বিমান কোম্পানীৰ বাচেৰে এচোৱা নি এটা হোটেলত নমাই দিলেগৈ। এই হোটেলটো দীঘলীয়া দীঘলীয়াকৈ থকা এমহলীয়া ঘৰ কিছুমান! সোমাই যাওঁতে যাওঁতে দেখিলো এটা কোঠাত পাকিস্থানত তৈয়াৰী হোৱা সুন্দৰ সুন্দৰ বস্তু কিছুমান সজাই থোৱা আছে, বিক্ৰীও হয়। এতিয়া হোটেলৰ দুৱাৰ মুখতে এটি বাজিকৰে ব্যস্ত হৈ বাজি দেখুৱাই আছে। হোটেলৰ মানুহে আমাক এটা কোঠা দেখুৱাই দিলে। কোঠাটো ভালেই পাইছো, গা-ধোৱা ঠাইহে দূৰৈত দেখুৱালে। বাৰাণ্ডাইদি দহোটামান কোঠা পাৰ হৈ যাব লাগিব। যেইবা নহওক ৰাতিটোৰ কাৰণে নিশ্চিন্ত হ'লো।

১৬ অক্টোবৰ কৰাচি।

দোকমোকালিতে উঠি বাৰাণ্ডালৈ ওলায় চালো, অলপ মাত্ৰ পোহৰ ৰেঙাইছেহে, কুকুৰাৰ ডাক শুনা গল। ঠাইখন চাৰিউফালে মুকলি ফৰকাল যেন লাগিল। দূৰৈত সাগৰ আছে বুলি বুজিব পাৰি। গা পা ধুই আমি পোহৰ হোৱাৰ লগে লগে সাজু হ'লো। হাতত থকা মোনা কিটা লৈয়েই আমি চাহ খাবলৈ গলো, আৰু চাহ খোৱাৰ পাছত তাৰ পৰাই গৈ আমি আমাৰ বাচত বহিলোগৈ। কালি অহা বাটেই আমি আকৌ উৰাজাহাজ বন্দৰ পালোগৈ। জাহাজখন প্ৰায় ৭ মান বজাতে এৰিলে। ইয়াত পাকিস্থানৰ যাত্ৰীও ৩ জন উঠিল। অলপ সময়ৰ পাছতেই জাহাজ সাগৰৰ ওপৰেদি উৰি যাবলৈ ধৰিলে। আজি বতৰটো ভাল, ৰ'দ ওলাইছে। সাগৰখন দেখি বৰ ভাল লাগিছে,

পানীৰ বৰণ ঠায়ে ঠায়ে নীলা আৰু ঠায়ে ঠায়ে কলপতীয়া যেন দেখিছো। সাগৰৰ ঢৌ বোৰত ৰ'দৰ জিলিঙণী পৰি ঠিক ৰূপালী তৰাৰ দৰে জিলিকিছে। মাজে মাজে সাগৰৰ ফেন্ বিলাকৰ ড'ম বান্ধি বান্ধি থকা দৰে ওপঙি আছে, একোখন জাহাজ, সৰু সৰুকৈ দেখিবলৈ পাইছো। লাহে লাহে সাগৰ পাৰ হৈ পালোগৈ মৰুভূমিৰ বালি; বালিৰেই একো একোটা পৰ্ব্বত। অসমান জীৱহীন ঠাই! গছ-গছনিও লেশ মাত্ৰ নাই। মৰুভূমিৰ ওপৰেদি গৈ থাকোঁতেই শুনাই দিলে যে জাহাজ কিছু সময়ৰ কাৰণে "বেহেৰীন্"ত নামিব। এখন কাগজো দিলে; কাগজখন প্ৰথম যাত্ৰীজনৰ হাতত দি দিয়ে, তাৰ পাছত ই-হাত সি-হাত কৰি বাগৰি ফুৰে, তাত লিখা থাকে জাহাজৰ গতিৰ বেগ কিমান আৰু আকাশৰ কিমান ওখত আৰু কি কি ঠাই পাইছো ইত্যাদি। আজি জাহাজ হেনো ২৯,০০০ হাজাৰ ফুটৰ ওপৰত আৰু ঘণ্টাত ৩০০শ মাইলকৈ আহিছে। আকৌ অলপ পৰ সাগৰৰ ওপৰেদি যোৱাৰ পাছত জাহাজৰ বেগ কমিল আৰু লাহে লাহে গৈ "বেহেৰীন" নামৰ সৰু দ্বীপটোত জাহাজ নামিলেগৈ। আমি সকলো যাত্ৰী নামিলো। সৰু উৰাজাহাজৰ বন্দৰ। বালীয়া সমান মুকলি ঠাইখন। আমি ইফালে সিফালে ঘূৰি পকি চাই ফুৰিবলৈ ধৰিলো। তাতে এটা ডাঙৰ বেত-বাহৰ ঘৰো দেখিলো, ওচৰতে লাগি থকা ফুলনিখনত আমাৰ ইয়াত নেদেখা এজোপা ফুলগছ দেখিলো। ইয়াত এজন "গোৰা"ৰ মানুহ লগ পালো, এওঁ ডাক্তৰ। আমাৰ লগত চিনাকী হৈ কথা পাতিলেহি। কিছুমান আৰবদেশৰ মানুহ দীঘল দীঘল চোলা পিন্ধি ঘূৰি ফুৰিছে। দূৰৈত সাগৰৰ পাৰত খাজুৰি গছ আৰু ঘৰ-বাৰী দেখিছো; সিখিনি ঘৰ-বাৰী চকুত পৰিছে ডাঙৰ ডাঙৰ। ইয়াৰ পৰা "বেহেৰীন্" নগৰলৈ দূৰ। ইয়াতো এটা কোঠাত এই দেশৰ বস্তু কিছুমান সজাই থোৱা আছে, বিক্ৰীও কৰিছে। ইয়াতে চাহ-ঘৰত বহি আমি চাহ

খালো। ঘূৰা পকা কৰি যি পাৰিলো চালো। এই ঠাইতে "কুৱাইট্" (Kuwait) দেশৰ পেট্ৰল কঢ়িওৱা মটৰ-লৰী কেইখনমান দেখিবলৈ পালো। এতিয়া আমাৰ জাহাজত উঠিবলৈ আহ্বান আহিল। কিছু সময় কাওঁ কাওঁ শব্দ কৰি উৰাজাহাজ উৰি আকৌ আকাশী বাট্ ললে। মই আকৌ তললৈ চকু দিলো।

মৰুভূমিৰ অন্ত নাই! কেবল বালি বালি—ৰঙা বালি! এতিয়া আমাৰ হাতৰ চলিথকা ঘড়ী মতে প্ৰায় ৩॥ চাৰে তিনি বাজিল। এতিয়াহে বালিৰ মাজে মাজে শিলৰ পৰ্ব্বতবোৰ দেখি পাবলৈ ধৰিলো; লগে লগে ক'লা ফুট্ ফুটকৈ দেখিছো, সম্ভব খাজুৰিৰ গছ। এতিয়া আমি এখন জাননীত পালো যে আজি "কায়ৰ"ত জাহাজ নামেনে নেনামে ঠিক নাই। কাৰণ হেনো "কাইৰ"ৰ অবস্থা ভাল নহয়। অৰ্থাৎ এতিয়া ইজিপ্তৰ লগত বৃটিচৰ চুয়েজ খালটো বিৰোধ হোৱাৰ বাবে পৰিণতি অলপ গুৰুতৰ। সেইবা নহওক অলপ পাছতে অনা তাঁৰৰ বাতৰিলৈ "লাউড স্পিকাৰে" (Loud Speal er) কলে যে "কাইৰ"ত জাহাজ নামিব, আৰু বিশেষ ভয় নাই, বুলিও ক'লে। "কাইৰ"ৰ সময় আমাৰ সময়তকৈ ৩৷৭ ঘণ্টাৰ প্ৰভেদ সেইবাবে আজি আমি দুপৰীয়াৰ খোৱা খাওঁতে আমাৰ হাতৰ ঘড়ী মতে ৭ বাজিল। খোৱাৰ পাছত পৰিচাৰিকাই (Hostess) কোৱা মতে আমি সকলোৱে এতিয়া ঘড়ী মিলাই ললো। খোৱা আজি কেবা ঘণ্টাও বেলি হোৱাৰ বাবে গাটো বাঁই জাহ লাগিল। যদিও আন আন খোৱা বস্তু অলপীয়া কৰি মাজে মাজে দি আছিল। এতিয়া আমাক ডাঙৰ মাতে কণ্কণাই জনাই দিলে যে "কাইৰ"ত দেখুবাব লগীয়া কাগজপত্ৰ ঠিক্ কৰি লবলৈ। দেশে দেশে একোটা নিয়ম আছে। ইজিপ্তলৈ আহিবলৈ হলে এই দেশৰ আইনমতে যাত্ৰীবিলাকৰ শৌচ পৰীক্ষা কৰাই তাৰ কাগজ আনিব লাগে।

এওঁলোক বেমাৰৰ কাৰণে ইমান সাৱধান! এই শৌচ পৰীক্ষাৰ কাগজ আমাৰ আছে, অন্য কোনো দেশৰ কাৰণে দৰকাৰ নাই। পৰিচাৰিকাই আমাক কেখনমান কাগজদি গ'ল তাত আমাৰ নাম-ধাম ১৫ দিনৰ আগলৈকে ক'ত ক'ত আছিলো ইত্যাদি লিখিব লাগে। সকলো নিষ্কৰ্ম্মা যাত্ৰীয়ে অলপ কৰিবলগীযা কাম পালো, আৰু অলপ সময় সকলোৱে এই লিখা লিখিত ব্যস্ত হ'ল। আমি দুয়ো বেলেগে বেলেগে আমাৰ কাগজ লিখি ললো। উৰাজাহাজত চিয়াঁহি ভৰোৱা কলমৰ পৰা চিয়াঁহি পৰি যায়; কাৰণ জাহাজ ওপৰ উঠে কাৰণে ওপৰৰ বতাহ পাতল আৰু বতাহৰ হেচা কম, সেই কাৰণে কলমৰ চিয়াঁহি আৰু বটলৰপৰা "এচেন্স" বিৰিভি ওলাই পৰে। সকলো যাত্ৰীযে এই লিখা লিখিৰ কাগবিলাক পেঞ্চিলেৰেই কৰে। লিখা কাম হোৱাৰ পাছত আকৌ তললৈ চকু দিলো। চাওঁতে চাওঁতে শিলময় পৰ্ব্বতবোৰ ঘন হৈ আহিল, মাজে মাজে ৰঙা, ক'লা বালি। পৰ্ব্বতবোৰ যেন একোটা একোটা শিলেৰে সজাই শাৰী পাতিহে থৈছে। ইয়াৰ পাছত আমি "গালফ অব্ একুৱা" (Gulf of Aquaba) পাৰ হ'লো। পাছতে আকৌ শিলৰেই পৰ্ব্বত। আকৌ ডাঙৰ মাতে আমাক কলে যে জাহাজখন কোনোবা অকোৱা পকোৱা বাটে বাট লৈছে। উৰাজাহাজখন লৰিছে, মাজে মাজে অলপ কাটি-কুটাও কৰা গম পাইছো। প্ৰকাশ কৰা নাই যদিও মোৰ ভয়েই লাগিছে, কাৰণ পেটিডাল বান্ধিবলৈ ৰঙা পোহৰৰ আখৰ ওলাই আদেশ দিছে। সেইবা নহওক কিছু সময়ৰ পাছতে কঁপনি কমিল, আৰু ৰঙা আখৰো লুমাল। এতিয়া তললৈ চালো, আঃ! পৃথিবীখনৰ কি অপৰূপ ৰূপ, চিত্ৰবিচিত্ৰকৈ সজোৱা দেখা গৈছে। মাজে মাজে ওখ ওখ ঠাইৰপৰা অসংখ্য বালিৰ ধাৰা নৈৰ দৰে বাগৰি যোৱা দৰে গৈছে। আৰু সেই বালিৰ মাজত ফুট্ফুট কৰে বনকৰা কাপোৰৰ দৰে দেখা গৈছে;

অনুমান কৰিছো সেইবোৰ খাজুৰিৰ গছ। লাহে লাহে জাহাজৰ গতি কমিল, আৰু বালিৰ মাজে মাজে মানুহ, উট অহা যোৱা কৰা দীঘল বাট চকুত পৰিল। লাহে লাহে উৰাজাহাজ "কাইৰ"ৰ ওচৰ চাপি আহিল আৰু জাহাজ নমাৰ পাছতেই এই দেশৰ মানুহ আহি এটা বেমাৰৰ বীজাণু নষ্ট কৰা গ্যাচ ভৰাই থোৱা ব'মৰ পৰা গ্যাচ খুলি দিলে। জাহাজৰ ভিতৰত সোমাই এই গ্যাচৰ গোন্ধ মোৰ বৰ বেয়া লাগিছিল। যেইবা নহওক আমি নামিলো আৰু আমাক মিছৰীয় স্বাস্থ্যৱতী সুন্দৰী পৰিচাৰিকা এগৰাকীয়ে আগবঢ়াই নিলেহি। এতিয়া যাত্ৰীবিলাক দীঘলিয়া শাৰী (queue)হৈ ঠিয় হ'ল। ইয়াতে আমি চৰাইৰ জাকৰ দৰে অসংখ্য উৰাজাহাজ পৰি থকা দেখিছো, এইবোৰেই বোধকৰোঁ যুদ্ধ-বিগ্ৰহৰ চিন! আমি আহি ইজনৰ পাছত সিজনকৈ প্ৰথমেই পুলিচ কৰ্ম্মচাৰী, স্বাস্থ্যবিভাগৰ কৰ্ম্মচাৰীক কাগজ দেখুৱাই শেষত শুল্কবিভাগৰ কৰ্ম্মচাৰীৰ আগত বাকচ আদি খুলি দেখুৱাবলৈ সকলো যাত্ৰী আহি ঠিয় হ'লোহি, আৰু মাল কাঢ়িৱা মানুহে আনি আমাৰ বাকচ ওচৰত যতাই দিলেহি। এজন ইংৰাজযাত্ৰীৰ বাকচ পৰীক্ষাৰ পাছত আমাৰ লগত থকা মোনাটোহে মোক খুলি দিবলৈ ক'লে। খুলি দিওঁতে হাতৰ আঙুলী কেইটা অলপ সুমুৱায়েই মঞ্জুৰ কৰি দিলে। আমি আমাৰ ডাঙৰ বাকচ তল-ওপৰ কৰে বুলিহে ভাবিছিলো, সি যেইবা নহয়ক ইমানতে যে শেষ কৰি দিলে বৰ ভালপালো। গতি দেখি ভাব ভাল যেন বুজিব পাৰিলো। আজি কেৱল আমিয়েই ভাৰতীয় আছিলো। ভাৰতীয় বুলিয়েইনে কি নাজানো আমাক বিশেষকৈ মোক পুলিচৰ পৰা আৰম্ভ কৰি সকলোৱেই চাইছিল, ওলাই যোৱা বাটটো নম্ৰভাবে মোকে প্ৰথমে পুলিচে দেখুৱাই দিলে। কোম্পানীৰ বাচত আমাক

“হেলিঅ’-প’লিচ প্যালেচ” (Helio-polis Palace) হোটেললৈ নিলে। ই উৰাজাহাজ বন্দৰৰপৰা ৬ মাইলমান দূৰৈত। বাটত উঠাৰ পাছত আমাৰ কোম্পানীৰ কামকৰা এগৰাকীয়ে কলে “যাত্ৰীবিলাক যেন ক’তো নুযুৰে এতিয়া ইযাত ভয় আছে।” বাটত আহোতে



হেলিঅ’ প’লিচ্ প্যালেচ্ হোটেল

পুলিচৰ পহৰাও দেখিলো। পাঁচ মহলীয়া হোটেলটো আহি পালে। আমি তিনি মহলাত এটা কোঠালি পালো। হোটেলটো খুব সজোৱা-পৰোৱা। বিজুলী চাকিবিলাক একোটা একোটা ব্ৰঞ্জৰ সাপৰ মুখে মুখে লগোৱা। ম’তে ত’তে ইযাত সাপৰ চিন, বেছি দেখিছো, কোৱা শুনিছো অতীতৰ মিচৰীয়বিলাকে সাপক দেৱতা জ্ঞান কৰিছিল। হোটেলৰ বেহেৰাবিলাক এই দেশীয়। বৰ সভ্য। দীঘল একোটা চোলা পিন্ধা, প্ৰকাণ্ড একোটা মানুহ। দুই এটা ইংৰাজী কথা কব পাৰে। আমি চাহ খাই লৈয়েই নগৰ চাবলৈ যাবৰ মন কৰিলো, কাৰণ উৰাজাহাজৰ পৰা নগাৰ পাছৰ পৰাই গি দেখিলো তাৰ পৰা বুজিলো যে আমাৰ প্ৰতি তেওঁলোকৰ ভাব ভাল। আমাৰ ফুৰিবলৈ যাবলৈ অলপো ভয়লগা নাছিল। যাত্ৰীবিলাকক নগৰখন

দেখুউৱা কাম আমাৰ উৰাজাহাজ কোম্পানীৰে আছিল ; কিন্তু সুধিলত জানিব পাৰিলোঁ তেওঁলোকে দেশৰ পৰিস্থিতিৰ বাবে যাবলৈ ভয় কৰে, আৰু আমি গলেও আমাৰ দায়িত্ব নলয় বুলি হাঁহি হাঁহি কলে। আমি তাতে এখন চেক্ ভঙ্গাই মিচৰীয় টকা কৰি ললোঁ। তাত টকাক "পিয়াচ্ টাচ্" বোলে। আমি এখন টেক্সি ভাৰা কৰিলোঁ। আমাৰ লগত পাকিস্থানৰ যাত্ৰীকিজন আহি যোগ দিয়াত ভালেই পালোঁ। এজন গাইডো ওলাল। ই-কেইজনৰ এজন পঞ্জাবী, এজন দক্ষিণ আফ্ৰিকাৰ আৰু এজন হে কৰাচীৰ মানুহ। প্ৰথমেই "গিজা" (Gize) নামৰ ঠাইখনলৈ গলোঁহক। কিছু দূৰ। গিজা (Gize) পিৰামিডেই আটাইতকৈ তেনো ডাঙৰ। এই ঠাইৰ পৰাই আৰু বহুত পিৰামিড দেখিবলৈ পোৱা যায়। পৃথিবী-বিখ্যাত এই পিৰামিড যেন আকাশত লাগিহে আছে। ধোঁৱা-ৰঙৰ শিলেৰে তৈয়াৰী, বহুত ডাৰৰ। আমাৰ কথাবিলাক তাত প্ৰতিধ্বনিত হৈ তাৰ ভিতৰত কোনোবাই কথা পাতি থকাৰ দৰে শুনিবলৈ পাইছিলোঁ। বৰ গহীন ঠাইখন! এই "গিজা" পিৰামিড সাজোতে বোলে ২০ কুৰি বছৰ লাগিছিল ; আৰু ই এক-লক্ষ মানুহৰ দিন ৰাতিৰ পৰিশ্ৰমৰ ফল। আজি কালি কিন্তু ওচৰত মানুহ নাই ; ইয়াত মানুহৰ বসতি নাই ; শুকান, মৰুলি বালিময় বহল ঠাইখন! য'ত ত'ত মাত্ৰ খাজুৰিৰ গছবিলাক।

পিৰামিড চোৱাৰ হেঁপাহ মোৰ সৰু কালৰ পৰাই আছিল ; কিন্তু পিৰামিডৰ ওচৰ চাপি পিৰামিড দেখি মনটো বৰ উদাসহে লাগিছে। মৃত্যুৰ পাছত শটো খৃষ্টানসকলে কবৰত থয়, মোছলমানেও কবৰেই দিয়ে। পাচিসকলে শটো চা পাতি চৰাই শগুণে খাবলৈ ওপৰত তুলি থয়, আৰু হিন্দুৱে পোৰে। কিন্তু মিচৰীয় সকলে তেতিয়া শৱ গাত দৰৱ সানি "মমি" কৰি পিৰামিডত ভৰাই থৈছিল। তেওঁলোকে ভাবিছিল মানুহৰ প্ৰবৃত্তি আৰু ভোগ-লিপ্সাবিলাক মৃত্যুৰ

পাছতো থাকে। সেইবাবে লগুৱা, লিকচৌ, ধন-সম্পত্তিৰে সৈতে সকলো ব্যৱহাৰিক বস্তু এই পিৰামিডত ভৰাব দিয়ে। এই পিৰামিড আমাৰ আহোম ৰজাৰ "মৈডাম"ৰ আহিৰে কিছুদূৰ মিলে; যদিও "মৈডাম"বোৰ নিচেই সৰু আৰু মাটিৰ। এই পিৰামিডৰ ওচৰতেই "স্ফিংচ" (Sphinx) গাটো সিংহ আৰু মুখখন মানুহৰ দৰে কৰা এটা পৰ্ব্বতৰ সমান ডাঙৰ মূৰ্ত্তি। এই "স্ফিংচ" এজন মিচৰীয় ৰজাই কৰাইছিল; তেওঁৰ মুখখনকে মুখ কৰি গাটো সিংহৰ দৰে কৰি তেওঁৰ বল-বিক্ৰমৰ পৰিচয় দিবৰ চেষ্টা কৰিছিল। এই "স্ফিংচ" মূৰ্ত্তিৰ আগত থকা বাটটোৰ সি-দাতিয়ে "ৰোমান কেভ" (Roman Cave) আছে; য'ত অতীজত ৰোমদেশৰ মানুহবিলাকক খৰি দিছিল; শিলৰ পকা কিছুমান দিঘলীয়া চৌকা, আজিও ভাঙ্গি যোৱা নাই! আগৰ দিনত ৰোমানবিলাকক হিন্দুৰ দৰেই খৰি দিছিল বুলি বুজিলো। এই ঠাইখিনি, আমি গাড়ী এডোখৰ ঠাইত থৈ খোজকাঢ়ি গৈ চালো, এই



চলিমান পাছা স্কোৱাৰ—"কাইৰ'

ডোখৰ ঠাইত গাড়ী সুমুৱাবলৈ নিদিয়ে। ডাঙৰ ফুটীয়া শকান বালি, খোজকাঢ়িবলৈও বৰ টান। মযেই আটাইতকৈ পাছত লাহে লাহে

গৈ আছো ; গাইড্‌জনো মোৰ ওচৰে ওচৰে গৈছে। এই ঠাইখনতো পুলিচৰ পহৰা দেখিলো, ব'লা পোচাকেৰে দীঘল এজন পুলিচ আগবাঢ়ি আহিল। গাইড্‌ৰ লগত কথা পাতিলে, আৰু আমাৰ কথা গাইডেই কোৱা শুনিলো, তেওঁ কিছু বাট খোজকাঢ়ি গৈ, পাছত হে উভতি নিজৰ ঠাইত ঠিয় হৈ ৰ'লগৈ। এই ঠাইবিলাকত মানুহৰ বসতি কৰিবলৈ হেনো এতিয়া ইয়াৰ গবৰ্ণমেণ্টে অশেষ চেষ্টা কৰিছে। খেতিবাতিৰ উপযুক্ত কৰাৰ চেষ্টাত লাগিয়েই আছে। এই দেশখনে একমাত্ৰ নাইল্‌ নৈখনৰ পৰাই হে ৰস পাইছে। আমি তাৰপৰা ঘূৰি আকৌ নগৰলৈ আহিলো, সন্ধ্যা লাগি আহিল। নগৰখন ঘূৰি-পকি চালো। গাড়ী বাটতে ৰখাই ৰজাৰ কাৰেংটো চালো ; গাইডে ৰজাৰ কথা কৈ কৈ গ'ল। কেনেকৈ তেওঁ আগৰ ৰাণীক ত্যাগ কৰি আকৌ ৰাণী "নৰীমেন"ক বিয়া কৰালে। গাইডে নি আমাক এখন প্ৰসিদ্ধ দোকানত সুমুৱালে ; সৰু সুৰাৰ পৰা সকলো বস্তু এই দোকানত পোৱা যায়। এইদেশৰ পুৰণি চিন চাবেৰে তৈয়াৰী নানান বস্তু আৰু বহুত ৰকমৰ বাখৰৰ গহনাবিলাক বৰ চকুত লগা। মই এটা সৰু বস্তু কিনিলো এইদেশৰ চিন হিচাবে। তাৰ পাছত মহম্মদ আলিৰ মচজিদটো আমাক দেখুৱাবলৈ নিলে, সঁচাকৈয়ে ইয়াৰ কাৰুকাৰ্য্য চাবলগীয়া, এই মচজিদটো অতি পুৰণি। বহুত ভক্তই প্ৰাৰ্থনা কৰি আছে : আমাৰ লগৰ পৰাও দুজন গৈ প্ৰাৰ্থনাত যোগ দিলে। এই মচজিদৰ ওপৰৰ পৰা গোটেই কায়ৰো চহৰখন দেখি। দুটামান "কেচিনো" (Casino) ঘৰৰ আগে আমাৰ গাড়ী নিলে, এই "কেচিনো" বিলাক "ক্লাব" ঘৰৰ দৰে, মানুহ গোটখোৱা ঠাই ! ইয়াত নাচ, গান, সুৰাপানাদি পুৰামাত্ৰাই চলে। এই "কেচিনো" বিলাকত এতিয়া মানুহ ভৰি ভৰি আছে। আৰু নানাৰকমৰ বিজুলী চাকিৰ পোহৰে ৰাতিকে দিন যেন কৰি থৈছে। এখন ফলৰ দোকানৰ

আগত বৰুৱাই গাড়ী ৰখোৱালে, আৰু তাত সোমাই কিছুমান আঙুৰ, আপেল আৰু খাজুৰি কিনি আনিলত গাড়ীতে আটাইকিজনৰ সৈতে খোৱা হ'ল। খাজুৰিৰ গুটি কেটামান সচলৈ কাগজেৰে মেৰাই ললো। খাজুৰিবোৰ বৰ ডাঙৰ, ইমান ডাঙৰ খাজুৰি আমি দেখা নাই!



কাইৰ'ৰ এখন প্ৰসিদ্ধ বজাৰ

কাইৰ'খন দেখিবলৈ সুন্দৰ চাফ-চিকণ, ঘৰবিলাক ডাঙৰ মহলালৈকে আৰু নানান গঢ়ৰ, বাট পথবিলাক। আহল-বহল, ট্ৰামগাড়ী চলিছে, জমে জমে মানুহ ঘুৰিছে। তিৰোতা মানুহ আগৰ নিয়মেৰে থকা বিলাকে মৰত ওৰণাৰে সোঁ ক'লা বোৰখা পিন্ধিছে, পিছে মুখখনৰ

কাপোৰ ডাঙ্গি উলিযাই ফুৰাই দেখিছো, আজি-কালিৰ বিলাকৰ সাজ-পোচাক ইউৰুপীযানৰ দৰেই। প্ৰায বিলাক পোচাকতে গুণা-সূতাৰ কামকৰা, এইটোৱেই তেনো জাতীয় পোচাক। আজিকালিৰ মহিলাই বোৰ্খা ব্যৱহাৰ নকৰে। পুৰুষসকলৰ পোচাক হৈছে গাত দীঘল হলৌ চোলা, মূৰত বঙা "ফেজ্" টুপি। গণ্য-মান্যসকলে দিঘল হলৌ চোলাটোৰ ওপৰত আৰু এটা ঢিলা গাউনৰ দৰে পিন্ধে, বুকুত সূতাৰ কাম কৰা থাকে। এইটো এওঁলোকৰ জাতীয় পোচাক। কিন্তু ইউৰুপীযান পোচাকো বহুতেই ব্যৱহাৰ কৰে। ইযাৰ ভাষা আৰবী, কিন্তু য'তে ত'তে আৰবী আৰু ফৰাচী ভাষাত বাটৰ নাম আৰু যাতাযাতৰ নিৰ্দেশ আদি ফলকত লিখি থোৱা দেখা যায। এই দেশত বহুত বছৰৰ আগৰ মন্দিৰ আৰু স্তম্ভ বিছুমানৰ চিন আজিও আছে, তাৰ বিষযে স্তম্ভ আদিত লিখা আখৰবোৰ গছ, চৰাই, উট আদিকে আখৰ কৰি অৰ্থ কৰা। এইবিলাক পণ্ডিতসকলৰ ইতিহাসৰ তথ্য, আৰু গবেষণাৰ বস্তু, এই বিলাকৰ কথা বেছি বুজি নাপালো। সি যি কি নহওক ৰাতি হোৱাত আৰু হোটেলত খাবৰ সময হৈ অহাত গাইডক পাৰলগীযাখিনি দি বাটত বিদায দিলো, আৰু পাছি হোটেললৈ আহিলো। আমাৰ হোটেলৰ বাহিৰখন উলিযাত লৈ আমি পোনেই খোৱা ঘৰত সোমালো। বিৰাট ভোজ ঘৰ, খাওঁতে বুলি আমিও এঠাইত বহিলো বাহিৰে বাহিৰে প্ৰৱাহ আমি যে ঠাই এৰি যাব লাগিব, অতি প্ৰাচীন সভ্যতাৰ এই অদ্ভুত দেশখনৰ আপোন কথাবোৰ ভাবি মোৰ বহুত ৰাতিলৈকে টোপনি অহা নাছিল। হোটেলৰ কোঠাৰ ডাঙৰ খিৰিকিখনৰ ওচৰত বহি বিজুলী চাকিৰ পোহৰত পিৰামিড দেখা যায চাই আছিলো। বহুত ৰাতিলৈকে বাটত মানুহৰ সমাগম আৰু ট্ৰামগাড়ীৰ শব্দ শুনি আছিলো। হোটেলৰ ওচৰত বিছুমান আলতী গাজ ৰাতিলৈকে যোৱা গম পাইছিলো। নগৰখন শেষ ৰাতিহে নিস্তব্ধ হয।

১৭ অক্টোবৰ, কাইৰ'।

ৰাতিপুবাবৰ সময়তেই সাৰ পাই বাহিৰলৈ চাই দেখিলো; আকাশৰ এচুকে পোহৰৰ ৰেখা দেখা গৈছে, কুকুৰাৰ ডাক শুনিবলৈ পালোঁ। আমি তেতিয়াই গা ধুই সাজু হ'লো, আৰু হোটেলৰ তলৰ মহলালৈ নামি আহিলো। ইয়াতে চাহ খাই হোটেলৰ কৰিবলগীয়া কামখিনিৰ লেঠা মাৰি আগদিনা অহা সহযাত্ৰীসকলৰ সৈতে বাচত বহিলোঁহি। এতিয়া পোহৰ হৈ আহিল, আকৌ কালি অহা বাটেই উৰাজাহাজ বন্দৰলৈ যাত্ৰা কৰিলোঁ। ঠাইবিলাক উদং হৈ পৰি থকা বালিময় ঠাই, গছ-গছনিও বেছি নাই। মাজে মাজে হলৌ চোলা পিন্ধা গাৱৰ মানুহ আৰু ২।৪টা উট মাত্ৰ দেখিছো। বন্দৰৰ পৰা প্ৰায় ৬ বজাত জাহাজ এৰিলে। আমি প্ৰথমতে খেতিৰ মাটিবিলাক আৰু নাইল্ নৈ খন দেখি গলো। কিছু সময়ৰ পাছতে ভূমধ্যসাগৰৰ ওপৰেদি জাহাজ উৰিবলৈ ধৰিলে। এতিয়া আমাক ৯ বজাৰ খোৰা দিলেহি, আজি দুপৰীয়াৰ খোৰা বোলে "ৰোম' নগৰতহে দিবগৈ। এতিয়াৰ আকাশ চপৰাচপৰি ডাৱৰেৰে ভৰা, গোটেই চাট মাৰি আছে, ডাৱৰৰ লৰ চৰ নাই। ইও এক চাবলগীয়া দৃশ্য হ'ল, আমি যেন পৃথিৱীৰ পৰা এতিয়া ২য় স্বৰ্গত। সাগৰ এতিয়ালৈকে নেদেখিলোৱেই। এইদৰেই জাহাজ সাগৰৰ ওপৰে ডাৱৰৰ মাজে মাজে যাবলৈ ধৰিলে। "লাউড্ স্পিকাৰে" (Loud Speaker) কলে আমি কিছু সময়ৰ পাছত ৰোম নগৰ পামগৈ, আৰু তাত বোলে যি ৰোম নগৰখন চাব খোজে তেওঁলোকে লিখি দিয়ক বুলি পৰিচাৰিকাই কাড এখোখন দি গল। "পাচপৰ্ট" আৰু আন দৰকাৰী কাগজ-পত্ৰবোৰ উলিয়াই লৈ আমি সাজু হ'লো, লাহে লাহে উৰাজাহাজ ১॥ দেৰ বজাত ইটালীৰ ফালে সোমাই আহিল। এতিয়া ডাৱৰবোৰো আঁতৰিল, পৃথিৱীখন দেখিবলৈ পালো। প্ৰথমে

কেৱল খেতিৰ মাটি আৰু আঙুৰৰ বাৰীবোৰ চকুত পৰিল। পৰিপাটিকৈ সমান সমানকৈ আলি বন্ধোৱা ডাঙৰ একোখন পথাৰ; মাজে মাজে গৰাকীৰ একোটা ঘৰ। খেতিয়কৰ ঘৰ প্ৰত্যেকতে আমাৰ দেশৰ দৰেই একো একোটা খেৰৰ মেজি, খেতিয়কৰ হেনো এইবোৰ পামৰ ঘৰ। আমাৰ লগত কলিকতাৰে পৰা অহা দুজনমান ইংৰাজ যাত্ৰীয়ে আমাক এইবিলাক কথা কৈ আহিছে। এতিয়া আমাৰ জাহাজৰ গতিৰ বেগ কমিল, আৰু লাহে লাহে আহি ৰোম নগৰত নামিলহি। আমি নামি আহি দিঘলীয়া শাৰী পাতি আকৌ সেই পৰ্ব্বটো শেষ কৰিলো; অৰ্থাৎ পুলিচ কৰ্ম্মচাৰী, স্বাস্থ্যবিভাগৰ কৰ্ম্মচাৰী আৰু শেষত শুল্কবিভাগৰ কৰ্ম্মচাৰীক কাগজপত্ৰ আদি দেখুৱালোঁ, তাৰ পাছতেই এটাইকেইজন ৰোমনগৰ চাম বুলি লিখা যাত্ৰীৰ হাতে হাতে একোটা কাগজৰ মোনা (ভৰাই খোৱা খোৱা বস্তুৰে) দিলেহি; আৰু সেই মোনা লৈ আমি এখন বাচত উঠিলো। এজন ইংৰাজী জনা গাইড্ আমাৰ লগত দি আমাক নগৰ চাবলৈ পঠালে। সকলো যাত্ৰীয়ে মোনাৰ পৰা কাগজৰ থাল, গিলাচ, কমাল কাঠৰ কাটা চামুচ উলিয়াই ললে; এতিয়া আমাৰ খোৱা আৰু চোৱা দুয়োটাই চলিল। গাইডে আমাক "মাইকে"ৰে" চিক্ৰঁৰি বুজাই গ'ল। খৃষ্টজন্মৰ আগৰ আৰু খৃষ্টজন্মৰ পাছৰ ৰোমানবিলাকে তৈয়াৰ কৰা প্ৰসিদ্ধ প্ৰসিদ্ধ দেৱালয় (Temple) ঘৰ, ওখ পকাৰ বেৰ, ৰোমৰ প্ৰসিদ্ধ আলিটো চুকিয়াচুকি কৰি শিল বহুৱাই কৰা; আৰু পৰ্ব্বতৰ পৰা বোৱাই পানি অনা (Aquaduct) ওখ পকা দীঘল নলাটো আৰু তাৰ তলত খোটালি খোটালিকৈ পকা কৰা দলঙৰ ভগ্নাংৱশেষ। সেইদিনৰে সজা শনি (Saturn), বৃহস্পতি (Jupiter) আদিৰ মন্দিৰ দেখুৱালে; ৰোমানবিলাকে এইবিলাক বিশ্বাস কৰিছিল, আৰু তেতিয়া পূজাও কৰিছিল। এতিয়া ঘৰবিলাক মানুহে চাবৰ কাৰণেহে

হৈছে, আজিকালি পূজাও নাই, আৰু কোনো দেৱদেৱীৰ মূৰ্ত্তিও নাই। এটা কথাৰ মিল দেখি আচৰিত হ'লো, ৰোমানবিলাকে নিৰ্ম্মাণ কৰা ঘৰবাৰী আদি সকলোবোৰ সৰু সৰু ইটাৰে তৈয়াৰ কৰা, এনেকুৱা ইটাৰেই আমাৰো ৰংঘৰ, কাৰেংঘৰ আদি ৰজাৰ দিনত সাজিছিল। ৰোমনগৰৰ হৰেক-ৰকমৰ মূৰ্ত্তিবিলাকেই চকুত চমক্ লগোৱা, আজিৰ দিনটো ৰবিবাৰ কাৰণে জুমে জুমে মানুহ গীৰ্জালৈ যোৱা দেখিলো, এটা জুমৰ ভিতৰত এজোৰা দৰা-কইনাও পালো। হোটেলবিলাকৰ বাহিৰত চকি, মেজ দি মানুহক খাবলৈ দিয়া দেখিছোঁ। আমাৰ বাচখন য'তে ৰৈছে ত'তে মানুহে সৰু সুৰা বস্তু বেচিবৰ কাৰণে আনি দেখুৱাইছে। ইটালীৰ মানুহবিলাকৰ গঢ়-পিত ভাল। চকুবিলাকো উজ্জ্বল আৰু চুলিও কলা, বৰণতে ইংৰাজবিলাকতকৈ অলপ মাঠ। এওঁলোকৰ শিল্পৰ প্ৰতি অনুৰাগ বেছি। প্ৰায় দুঘণ্টা নগৰখন ঘোৰাৰ পাছত আমাক বাচে উৰাজাহাজ বন্দৰলৈ ঘূৰাই আনিলে, আহিয়েই নৰাগৰি কৰি পুলিচ কৰ্ম্মচাৰীৰ পৰা এৰি থৈ যোৱা "পাচপৰ্ট" ঘূৰাইলৈ জাহাজত উঠিলোহক। অলপ পাছতেই জাহাজ উৰিল। কিছু সময় ইটালীৰ ওপৰেদি যাবলৈ ধৰিলে। তলত ডাবৰ থকাত একো দেখা নাই, জানলীত জানিব পাৰিলো জাহাজ এতিয়া ফ্ৰান্সৰ ওপৰে উৰি গৈছে। কিছু সময়ৰ পাছতে এডোখৰ সাগৰ পালো, ডাৱৰো নোহোৱা হ'ল। এতিয়া সাগৰৰ ওপৰেই গৈ আছে। এই সাগৰ পাৰ হোৱাৰ আগে আগেই ইংলণ্ডৰ বগা পৰ্ব্বতবোৰ (Chalk Cliffs of Dover) আমাৰ চকুত পৰিল, আমাৰ লগত যোৱা ইংৰাজযাত্ৰী দুজনে বৰ আনন্দমনেৰে আমাক বগা পৰ্ব্বতবোৰ নৰাঙুলিকৈ দেখুৱালে। বায়োস্কোপৰ ছবিৰ দৰে সেইবোৰ পাৰ হোৱাৰ পাছতে শাৰি পাতি সজাই থোৱা পথাৰবোৰ আৰু ৰঙা চালৰ ঘৰবোৰ বহুত সময় দেখি যাবলৈ ধৰিলো। আৰোহী সকলৰ এলাইচ

ভাব এতিয়া নোহোৱা হ'ল। সকলো টন্‌টনীয়া হৈ উঠিল, আৰু ব্যস্ত হৈ পৰিল। যাত্ৰীসকলে উঠি মেলি জুপি-জাপি চাবলৈ ধৰিলে; সাজপাৰ পৰিপাটি কৰি কৰি ললে আমিও মুখ হাত ধুই সাজু হ'লো। চাহৰ সময় হৈ আহিল। এতিয়া চাহৰ লগত দিয়া বস্তু কেইটা বঢ়িয়া, বিদায়ৰ চাহ, সুন্দি-পুটি খুৱালে। পৰিচাৰক আৰু পৰিচাৰিকাই (Steward আৰু Hostess) ভাল একোটা পোচাক পিন্ধিলে। জাননীৰ ওপৰত জাননী দি গলহি। "লাউড্ স্পিকাৰে"কো-কোৱাই কোৱা কথাৰ অন্ত নাই! অলপ আগতে লণ্ডনত বৰষুণ হৈছিল বুলিও কৈছে। পৰিচাৰকে আমাক বস্তু-বাহানিবোৰ গটাই দিলেহি (সকলোবোৰ নি বস্তু তেওঁলোকৰ হাতত দিছিলো) লগতে লণ্ডনত বজাৰ কৰিবলৈ সুবিধা হব বুলি এখন কিতাপো দিলে। লাহে লাহে জাহাজৰ বেগ্ কমি আহিল, বঢ়া আখৰ ওলাই পেটি বান্ধিবলৈ আদেশ দিলে। তাৰ পাছত ৫ বজাত জাহাজ আহি লণ্ডনৰ উৰাজাহাজ বন্দৰত নামিল। অলপ পৰ বোৱাৰ পাছতে আমাৰ সকলো মালবস্তু আনি পালো। আমাৰ বাটত আৰু উঠিব লগা নহ'ল; কাৰণ আমাৰ ভাই শ্ৰীমান সত্যেন দত্ত আৰু তেওঁৰ ঘৈণীয়েক শ্ৰীমতী প্ৰীতি দত্ত এতিয়া ইয়াতে থকা ত তেওঁলোকেই আমাক নিবলৈ আহিল, তেওঁলোকক লগ পাই আমাৰ বৰ ভাল লাগিল। আমাৰ মালবস্তুবোৰ আনি তেওঁলোকৰ গাড়ীতেই হোটেলমুৱা হ'লো; এতিয়া আমাৰ ভায়েই আমাৰ গাইড্ হ'ল, তেওঁ ঠাইবোৰ চিনাই আমাক বুজাই গ'ল। উৰাৰ পৰা আমাৰ থকা ঠাইলৈ কেইমাইলমান দূৰৈ। গাড়ি ইয়াত বতৰ সেমেকা। অলপ আগতে ইয়াত বৰষুণ হোৱাটো হয়। ঠাইবিলাক তিতা দেখিছো। আমি আহি আমাৰ "ডিনকৰ্ট (Dean Court Hotel) নামৰ হোটেল পালোহি। হোটেলটো লণ্ডনৰ মাজ ঠাইত (South Kensington) ভদ্ৰ বসতি, বাট

ষ্টেশু, সুৰঙ্গৰেল (Under ground train)ৰ ষ্টেচন আদিৰ ওচৰ, আৰু ওচৰতেই এলবাৰ্ট মিউজিয়ামটো। এতিয়া হোটেলটোত ইৰাণৰ দুই এজন আৰু ইউৰুপৰ আন ঠাইৰো জন-চেৰেক আলহী আছে। মেনেজাৰ জন আগতে ভাৰতবৰ্ষলৈ আহিছিল বাবে তেওঁ ভাৰতীয় মানুহৰ কথা জানে। আমাক তেওঁ আৰু তেওঁৰ পৰিয়ালে ভাল ব্যৱহাৰ কৰিলে। এতিয়া আমি চাৰিও একেলগে চাহ খালো। বৰষুণ আকৌ কিন-কিনাইছে, আন্ধাৰো'হৈ আহিল। আজিকালি দিন চুটি, সোনকালেই আন্ধাৰ হৈ আহে। কিছুসময় কথা-বতৰা পতাৰ পাছত তেওঁলোকে বিদায় ললে। গেচৰ চিম্নিটোত ৬ ছয় পেনি পইচা ভৰাই জ্বলাই দিলত চিম্নিটো জ্বলি উঠিল। আমি তাৰ ওচৰতে বহিলো, বৰ ভাগৰ লাগিছে।

১৮ অক্টোবৰ লণ্ডন।

আজি বতৰ মুকলি, ৰ'দ দিছে। বতৰৰ মোল ইযাতহে অনুভব কৰিব পাৰি। ৰাতিপুৱাই সকলোৰে মুখত "ভাল দিন" "ভাল দিন" কথাষাৰ শুনিবলৈ পালো। আমি ৰাতিপুৱাই গা ধুই ৯ বজাত চাহ খাই আজৰি হ'লো। এই সময়ৰ খোৱাটো লণ্ডনত ভালকৈ দিযে, ভালকৈ খাই লব পাৰিলে দুটামান বজালৈকে টুপ্‌টুপীয়া হৈ থাকিব পাৰি। এতিয়া আমি "আন্তৰ্জাতিক চাহ-সঙ্ঘ" (International Tea Committee)ৰ চেক্ৰেটৰীৰ পৰা এটা "ফ'ন" (Phone) পালো, তেওঁ আমাক দুপৰীযাৰ আহাৰলৈ নিমন্ত্ৰণ কৰিছে। বেঙ্কৰ কাম থকাত আমি বেঙ্কলৈ গলো, তাৰপৰা ঘূৰি আহিযেই আমাৰ হোটেলতে চেক্ৰেটাৰীজনক লগ পালোহি। আমাক নিবলৈ আহিছে, তেখেত হৈছে মিঃ মৰিছন। তেখেতৰ সৈতে আমি এখন টেক্সিত

"ইউনাইটেড্ ক্লাব" নামৰ এটা হোটেললৈ গলো। হোটেলৰ বহা কোঠালিতে আৰু জনচেৰেক চিনাকি ভদ্ৰলোক বৰুৱাক লগ পাবলৈ বহি আছিল। কথা-বতৰা হোৱাৰ লগে লগে আমি আটাইকেইজনে একেলগে খালো, আজি কেবা সাঁজৰ মূৰত ইয়াত দুটামান ভাত পালো। খাই-বৈ আজৰি হওঁতেই ৩ তিনি বাজি গ'ল। ইযাৰ পৰা ওলাই আমি ঠাই চাই ঘূৰি পকি ফুৰিলো। গধূলিলৈকে যিমান পাৰিলো গাড়ীত আৰু খোজকাঢ়ি ফুৰাৰ পাচত ৰাতি হোটেললৈ ঘূৰিলো। ৰাতি আমাৰ ওচৰলৈ শ্ৰীমান দেবেন্দ্ৰ দাস (মাজু) আৰু শ্ৰীমান সত্যেন্দ্ৰ দাস (অৰুণ) দুয়ো আহিছিল। লৰাদুটিক পাই বৰ ভাল লাগিল। তেওঁলোকৰ মুখে তেওঁলোক এতিয়া আমাৰ ওচৰ চুবুৰীয়া বুলি জানিলো।

১৯ অক্টোবৰ লণ্ডন।

আজি ৰাতিপুৱাৰ আহাৰ খোৱাৰ পাচত আমি শ্ৰীসত্যেন দত্তৰ লগত "ইণ্ডিয়া হাউচ" (India House) (ভাৰতৰ ৰাষ্ট্ৰদূতৰ অফিচ)লৈ বুলি ওলালো। ইযাৰ মটৰ গাড়ীবিলাক ডাঙৰ বাটত (য'ত মানুহৰ সমাগম বেচি) তাত খোৱাৰ নিয়ম নাই। মানুহৰ চলাচল কম বাটতহে সকলো মানুহে নিজৰ নিজৰ গাড়ীবিলাক থৈ যায়। ইযাত বস্তু হেৰোৱাৰ ভয় সিমান নাই। বাটত পুলিচৰ পহৰা থাকেই, সেইবাবে মটৰ গাড়ীখন এঠাইত থৈ সুৰঙ্গ ৰেলগাড়ী (Tube বা Under Ground Train) মাটিৰ তলে তলে যোৱা ৰেলেৰে কিছু সময় গলো। চিৰি এটীয়ে নামি আমি এটা ষ্টেচনলৈ গলো, মাটিৰ তল বুলি বুজিবই নোৱাৰি, চাকিৰেই পোহৰ। এই ইলেক্‌ট্ৰিকৰ ৰেলগাড়ীখন এটা সুৰঙ্গই অহা-যোৱা কৰে। "লিফ্‌ট" (Lift)

( ইলেক্‌ট্ৰিকৰ চিৰি মুঠাকৈ টানি নিয়া ঘৰ ) বিলাক একোটা ঘৰৰ সৰু কোঠালিৰ সমান। আমি প্ৰথমেই এটা চলি থকা লোহাৰ চিৰিত ভৰি দিব লাগে তাক "এচ্‌কেলেটৰ্‌" (Escalator) বোলে। ইয়াত উঠি বৰ ভাল লাগে, সৰু সৰু লৰাছোৱালীয়ে বৰ ভাল পাব। এই চলি থকা চিৰিটোৱে ওপৰলৈ লাহে লাহে তুলি লৈ যায় আৰু তললৈকো সেইৰকমেই নমাই আনে। তাৰ পাছত টিকিট লৈ ৰেলত উঠিব লাগে। ৰেলখন বৰ শব্দ কৰি আহে, আৰু নিচেই অলপ সময় ৰয়; ৰোৱাৰ লগে লগে তাৰ দুৱাৰবোৰ নিজে নিজে মেল খায়, মানুহবোৰ হুৰহুৰাই নামে আৰু উঠে; দুৱাৰবোৰ নিজে জাপ খাই যায় আৰু ধুম-ধাম শব্দ কৰি খুব জোৰেৰে চলি যায়। বহা ঠাইবিলাক বৰ ভাল, ৰঙা কাপেট পৰা, পৰিষ্কাৰ "হিটাৰ" (Heater) গৰম ৰখা যন্ত্ৰ থকাত ঠাণ্ডাও নালাগে। ষ্টেচনৰ মেপ ওপৰতে আঁকা থাকে। বহুত কামৰ মানুহ এই ৰেলেৰেই অহা-যোৱা কৰে, একেলগে বহুত ওঠে; বহুত নামে, বহিবলৈ পালে বহে নাপালে ওলমাই থোৱা ফিটাত (Strap Hangers) ধৰি থিয় হৈ যায়। ইমান হুলস্থূলীয়া এটা কাৰবাৰ; কিন্তু কোনো গোলমাল নাই। সকলোৱে যন্ত্ৰৰ দৰে নিজৰ কাম কৰি যায়। নিজৰ ষ্টেচন পোৱাৰ আগৰ ষ্টেচনতে সকলো মানুহ নিজৰ ঠাই এৰি থিয় হৈ নামিবলৈ সাজু হৈ থাকে। ইয়াৰ মানুহবিলাক য'তে ত'তে বৰ ব্যস্ত হৈ ফুৰা দেখিছো; কেৱল লৰালৰি কৰি অহা-যোৱা কৰা দেখিবলৈ পোৱা যায়। মানুহবিলাক যদিও বেছি দেখিছো, ভাবিছো ইয়াৰ সকলোবোৰ মানুহেই ওলাই নিজৰ কামত ফুৰে, ভিতৰত সোমাই নাথাকে। ইমান মানুহ ফুৰে যদিও কোনো ডাঙ্গৰকৈ কথা-বতৰা পতা বা হাই উৰুমি একেবাৰেই নাই! এইটোৱেই লণ্ডনৰ ইংৰাজ জাতিটোৰ এটা মন

কৰিব লগা কথা। এওলোকে পৰাপক্ষত নিজৰ কাম নিজেই কৰে, আৰু নিজৰ দেশ ভালপাই কাৰণে আনেও ভালপাই যাওক, এইটোকে ইচ্ছা কৰে। পুলিচবিলাকে গহীন গম্ভীৰভাবে নিজৰ কাম কৰি থাকে, বাট দেখুৱা পুলিচে বাটৰ মাজত একে ঠাইতে ঠিয় হৈ নথাকে, অগা পিচাকৈ খোজ চলাই বাট দেখুৱাই থাকে, পুলিচৰ পোচাক ক'লা, পানীকোট থাকিলে বগা পানীকোট। পুলিচবিলাক বৰ সভ্য, সকলো মানুহক সহায় কৰে, কামত পিচে বৰ চোকা, সকলো মানুহে পুলিচলৈ বৰ ভয় কৰে।

আমি ঠিক সময়ত "ইণ্ডিযা হাউচ"ৰ ওচৰৰ এটা ষ্টেচনত নামি আকৌ সেই চলি থকা চিৰি এটাইদি উঠি বাটলৈ ওলায় আহিলো, আৰু খোজকাঢ়ি ৰাষ্ট্ৰদূতৰ অফিচলৈ গলো, এই অফিচটো ভাল ঠাইত। ঠাইখনৰ নাম "অল্ড্ উইচ্" (Aldwych), ওচৰে ওচৰে আন আন দেশৰ ৰাষ্ট্ৰদূতসকলৰ অফিচ আছে, আৰু প্ৰতিখন দেশেৰে নিজৰ নিজৰ চিন চাব ঘৰবিলাকৰ বাহিৰত দেখা যায়। আমাৰ ভাৰতৰ "ৰাষ্ট্ৰদূত"ৰ অফিচ ঘৰত দুৱৈৰ পৰাই বেৰত আঁকি থোৱা হাতী, গড়, ম'ৰাচৰাই আদিৰ ছবি দেখিলো; মহাত্মা গান্ধী আৰু সৰোজিনী নাইডু, নেহেৰু আৰু পেটেলৰ ছবিও দেখিলো। এই অফিচত ভাৰতীয মানুহ বহুত আছে। আমাৰ ছোৱালী কিছুমানো আছে, দেখি ভাল লাগিল। আমাৰ ৰাষ্ট্ৰদূত আন ঠাইলৈ যোৱাত তেওঁক লগ নেপালো। এল, আৰ, সিং "ট্ৰেডচ্ কমিচনাৰ" (Trades Commissioner)ক দেখা কৰা হ'ল। এটা ইউৰুপীয়ান পৰিচাৰকে আমাক চাহ এটোপা দিলেহি। বক্ৰাই দৰকাৰী কথা-বতৰা হোৱাৰ পাছত আমি আকৌ সেই যোৱা বাটেই প্ৰথমে ৰেলেৰে আৰু পাছত মটৰেৰে হোটেল পালোহি। আজিও আমাৰ হোটেলতে খোৱা হ'ল। মেনেজাৰ জন ভাৰতত থকা

কাৰণে তেওঁ আমাক ভাত আঞ্জাৰে আজি ভালকৈ এসাজ খুৱালে। পিচবেলা আমি ফুৰিবলৈ ওলাই গলোঁ। দোকানবিলাকত যি বস্তু পোৱা যায় সেই বস্তুৰ এটা এটা নমুনা বাহিৰৰ আলমাৰীত সজাই থোৱা থাকে ; ভিতৰবিলাকত ডাঙৰ, পোহৰ। এই দোকান-বিলাকত কাম কৰা প্ৰায়বিলাকেই গাভৰু ছোৱালী, এওঁলোকৰ ব্যৱহাৰ বৰ ভাল আৰু নম্ৰ। ডাঙৰ দোকানবোৰৰ মাটিৰ তলৰ মহলটো (Basement) বস্তু সেইদৰেই সজাই থোৱা থাকে। ওপৰৰ ঘৰেই নে তলৰ ঘৰ বুজিব নোৱাৰি, বিজুলী চাকিবোৰ দিনে-ৰাতিয়ে জ্বলিযেই থাকে, বৰুৱাই "ফ'টৰ" দোকানত সোমাই কেইটামান "চিনে ফ'ট ফিল্ম" কিনিলে।

ইয়াত দুপৰীযাৰ আহাৰৰ পাছত মানুহে বেছি কাম কৰিবলৈ সময় নাপায়। ৰাতিপুৱাৰ ভাগতে যি কাম কৰিব পৰা হয়, এতিয়া দিন চুটি, আৰু দোকানবোৰো ৫ বজাতে বন্ধ হৈ যায় আৰু আন্ধাৰো হৈ আহে। আমি খোজকাঢ়ি ফুৰা-চকা কৰি সন্ধ্যা হোটেললৈ উলটিলো, কাৰণ ৬ বজাত আমাক লগ পাবলৈ এগৰাকী ভদ্ৰমহিলা আহিব বুলি আজি দুপৰীয়া "ফ'ন" কৰি জনাইছিল, তেওঁলোক আমাৰ, আগৰ চিনাকী নাম মিচেচ্ উইলিযামচন। তেওঁ ৬ বজাতে পুতেকৰ সৈতে আহি আমাক লগ পালেহি, এওঁ আগতে গৃহস্থৰে সৈতে কলিকতাত বহুত দিন আছিলে, এতিয়াও তেওঁৰ মাজু পুতেক কলিকতাতে কাম কৰি আছে। লগত অহা ডাঙৰ পুতেকজনে লণ্ডনতে কাম কৰে। কলিকতাত কাম কৰা জনেই আমাৰ কথা তেওঁলৈ লিখিছিল। কিছু সময় তেওঁলোক বহি আমাৰ থকা ঠাই চাই কিবা অসুবিধা পাইছো নেকি খবৰ কৰি পিচদিনা চাহলৈ নিমন্ত্ৰণ কৰি গ'ল।

২০ অক্টোবৰ লণ্ডন

আজি বৰুৱাৰ চাহ-সঙ্ঘৰ সভাৰ কাম থকাত ৯ বজাতে ওলাই গ'ল। মোক শ্ৰীসত্যেনহঁতে আহি লৈ যোৱাত মই তেওঁলোকৰ লগতে গলো। বৰুৱাৰ খোৱাও আজি তাতে আছে; মই এওঁলোকৰ লগতে লণ্ডনৰ এটা ডাঙৰ হোটেল "কম্বাৰলেণ্ড হোটেল" (Cumberland Hotel) লৈ খাবলৈ আৰু চাবলৈ গলো। সোমোৱা তুৱাৰ এখন। বহুত মানুহে খাই আছে; অহা আহিছিল যোৱা গৈছিল। এই আলহীবিলাকৰ মন ভাল লগাবলৈ কেজনমান মানুহে এঠাইত বহী বেহেলাৰ ঐক্যতান বজাই আছে। ক'তো গোলমাল নাই। যন্ত্ৰৰ দৰে কামবিলাক সমাধা হৈ গৈছে। খাবলৈ অনা-নিয়া কৰা, খাবলৈ দিয়া, হিচাব-কিতাপ ৰখা সকলোবিলাক তিৰুতা মানুহ। বহিবলৈ ঠাই দেখুৱা আৰু চকু দি থকা মাত্ৰ কেজন-মান পুৰুষ "ডিনাৰ চুট" পিন্ধি ঘূৰি ফুৰিছে। এওঁলোকে এনেধৰণেৰে তদাৰক কৰি ফুৰিছে যে তেওঁলোকে যেন নিজৰ ঘৰৰ আলহী হে সোধপোচ কৰিছে। গাভৰুহঁতৰ হোটেলৰ পোচাক আৰু কাগজ পেন্সিল কঁকালৰ পেটিৰ পৰা ওলমাই লোৱা। খোৱা বস্তুৰ নাম মেজেপতি কাগজত (Menu) লিখা থাকেই; যাৰ যি ইচ্ছা তাকে খাব পাৰি। এই হোটেলবিলাকত দেখিছো যে খোৱা বস্তু আনোতে-মেলোতে কেতিযাবা বৰ পলম হয়, পিছে আলহিবিলাকে ধীৰ স্থিৰভাবে বহি অপেক্ষা কৰি থাকে। যেই সেই কথা তুবাৰ কাকো কব নালাগে, এবাৰ কোৱাই যথেষ্ট। য'তে ত'তে ধন্যবাদ (Thank You) কথামাৰেই শুনা যায়। আটাইতকৈ ভাল লাগে এইটোকে দেখি যে গাভৰুসকলৰ মুখত একোটা মিচিকিয়া হাঁহি; হাঁহি মুখেৰে সকলোৱে কাম কৰি ফুৰে। আমাৰ দেশত থকা ইউৰুপীয়ান মহিলাৰ আৰু ইযাত থকা মহিলাসকলৰ এইটোৱে প্ৰভেদ

দেখিলো যে এওঁলোকে য'তে ত'তে মুখামুখি হলে একোটা হাঁহি মাৰি যায় ; আমাক বিদেশী বুলি জানে। ২॥ আঢ়ৈ মান বজাত আমাৰ



লণ্ডনৰ অক্সফোৰ্ড ষ্ট্ৰীটত শ্ৰীসত্যেন দত্ত আৰু শ্ৰীমতী দত্তৰ সৈতে লেখিকা

হোটেললৈ উলটি আহিলো। ৪ চাৰি বজাৰ পাছত আমি মিছেছ উইলিয়ামছনৰ ঘৰলৈ যাবলৈ ওলালো। তেখেতসকল থকা ঘৰটো

আমি থকা ঠাইৰ পৰা বেছি দূৰৈ নহয়। ঘৰটোও ভাল, নিজে নিজে ৰান্ধি খাই থাকিব পৰা হোটেলৰ কোঠালি। এওঁলোকে একেটা ঘৰৰ ভিতৰতে তিনটা তিনটা কোঠালি আৰু একোটাকৈ ৰন্ধা কোঠালি লৈ মাক, পুতেক আৰু অবিবাহিতা এগৰাকী ভনীয়েক আছে। তিনিও একেঘৰতে আমাৰ কাৰণে বৈ আছে। আমাক পাই এওঁলোকে বৰ ভালপোৱা যেন লাগিল। বৰুৱাক কলিকতাত থকা পুতেকৰ কথা মাকে সুধিয়েই তত্ নাই! পুতেকৰ দুখন "ফ'ট" আনি "এইখনতকৈ বাৰু, এইখনত বেছি ভালহোৱা নাইনে?" বুলি সোধাত বৰুৱাই কলে "আপুনি মাক আপুনি বেছি বুজিব।" এওঁলোকৰ আমাক সহায় কৰিবলৈ বৰ ইচ্ছা; দোকান বজাৰ কৰিবলৈ লগত নিবলৈ ক'লে। আমাৰ চাহ খোৱা হ'ল; কিন্তু উঠিব নোৱাৰি, কথাৰ অন্ত নাই! বাই-ভনীৰ মৰম বুঢ়াকাললৈকে কিমান, নেদেখিলে বুজিব নোৱাৰি; দুই বুঢ়ীয়ে ঢেক্‌ঢেকাই হাঁহি হাঁহি পতা সৰল কথাবিলাক বৰ ভাল লাগিছিল। কলিকতাত থকা আগৰ দিনবিলাকৰ কথা ক'লে, হিন্দি কথাও কেইটামান কৈ কৈ শুনালে। ৭ সাত বাজিবৰ হ'ল। আমি বিদায় ললো, তেওঁলোকে কলে এতিয়া গধূলিৰ খোৱাৰ সময় হ'ল; আজি আমাৰ লগতে খাব লাগে। অলপ আগতে মাত্র কিছুমান খাই উঠিলো, ভোক মোৰ সমূলি নাই, যদিও নিমন্ত্রণ ৰক্ষা কৰিবলৈ বাধ্য হ'লো। তেওঁলোকে ক'লে যে "ওচৰতে এটা ইটালীয়ান হোটেল আছে, সৰু হোটেল যদিও খোৱা ভাল দিয়ে।" আমাক লৈ তেওঁলোক তিনিও হোটেললৈ ওলাল। আমি খোজকাঢ়ি হোটেলটি পালোগৈ। আমাক সুধি-পুছি তেওঁলোকে বস্তু অনাই খুৱালে। খোৱাৰ পাছত আকৌ তেওঁলোকৰ ঘৰলৈ নিলে। ৰাতি হোৱাত আমি তেওঁলোকৰ পৰা বিদায় লৈ এখন টেক্সি ধৰি হোটেললৈ ওলালো।

লণ্ডনত খোৱা বস্তুৰ কোনো অভাৱ দেখা নাই ! সকলো বস্তুৱেই প্ৰচুৰ পৰিমাণে দেখিছো, কণি হে কম যেন পাইছো, সদায় হোটেলত কণি দিয়া দেখা নাই। দুপৰীয়া হোটেলত কেবাদিনো ভাত পাইছো। এতিয়া লণ্ডন চহৰ শান্ত হোৱা যেন লাগিছে। ৪ বজাৰ সময়ত আমি বাটত যি ডলদোপ্—হেন্দোলদোপ্ দেখি গৈছিলো, এতিয়া কমিল। এতিযা দোকান বজাৰ সকলো বন্ধ হ'ল। হোটেল পালোহি। নিস্তব্ধ। ওচৰত থকা গীৰ্জাটোৰ ঘণ্টাহে টং টং কৰি কাণত পৰিছে !

২১ অক্টোবৰ লণ্ডন

আজিও বকুৱা চাহ-সন্থৰ সভাৰ কাম থকাত ৰাতিপুৱাই ওলাই গ'ল, দুপৰীযাৰ খোৱা তাতে আছে। মই আজিও শ্ৰীসত্যেন দত্তৰ লগতে "পিকাডিলি চাৰ্কাস" (Piccadilly Circus) নামৰ




পিকিডিলি চাৰ্কাস্

ঠাইত থকা "ৰিজেণ্ট পেলেচ্" (Regent Palace) নামৰ হোটেললৈ খাবলৈ আৰু চাবলৈ গলো। এই হোটেলটো বৰকৈ সজোৱা, আলহীও

বহুত ; ওপৰ মহলাৰ দৰেই মাটিৰ তল-মহলটো (Basement) অসংখ্য মানুহৰ খোৱা চলিব লাগিছে। ইয়াত খোৱাৰ পাছত আমি হোটেললৈ ঘূৰি আহিলো। বন্ধুৱাও আহি পালত আমি লৰালৰি কৰি "উইণ্ডচ'ৰ কেচল" (Windsor Castle) চাবলৈ ওলালো। ই লণ্ডনৰ পৰা ২১ একৈশ মাইল দূৰৈত ; আমি মটৰেৰেই ৰাওনা হ'লো। যাওঁতে আমি সিদিনা-উৰাজাহাজ বন্দৰৰ পৰা অহা বাটেই গলো। তাতকৈয়ো কিছুদূৰ পাৰ হৈ আমি "উইণ্ডচ'ৰ"ৰ ওচৰ পালোগৈ। এখন মুকলি পথাৰত কিছুমান খেলুৱৈয়ে "ৰাগ্‌বি" (Rugby) খেল আৰু আন এখন পথাৰত ফুটবল খেলি থকা দেখিবলৈ পালো। আমি নামি খেলুৱৈ সকলৰ খেলিথকা অৱস্থাত "মুভিক'ট" ললো ; আকৌ গাড়ীত উঠি অলপ গৈয়েই "কেচল" দেখিবলৈ পালো। ৩ তিনি বাজি গ'ল। "উইণ্ডচ'ৰ কেচ্‌ল্‌" এটা দুৰ্গ। প্ৰায় ৯০০ ন শ বছৰৰ আগেয়ে স্থাপন কৰা। ইয়াৰ চৌপাশে শিলেৰে গঁথা ওখ গড়ে ঘেৰা আছে। দুৰ্গৰ বাহিৰখন দেখিলে দিল্লীৰ "লালকিল্লা" বা "আগ্ৰাৰ কিল্লা" বা তাতকৈয়ো পুৰণা ইন্দ্ৰপ্ৰস্থৰ "পুৰাণা কিল্লা"ৰ লগত কিছু মিল যেন লাগে। এই দুৰ্গৰ ভিতৰত ভালেখিনি ঘৰ-বাৰী আছে। এই ঘৰবিলাক বহুত ৰজাই সময়ে সময়ে সজা। এই ঘৰৰ ওপৰত কেবাটাও ওখ "গম্বোজ" (Tower) আছে ; ইয়াৰ ভিতৰত "ৰাউণ্ড টাৱাৰ" (Round Tower)টোৱেই আটাইতকৈ ওখ। এলবাৰ্টৰ স্মৃতিৰ নিমিত্তে ৰাণী ভিক্টোৰিয়াই ইয়াত এটা গীৰ্জা (Chapel) সজায়। ইয়াতে সপ্তম এডোৱাৰ্ড আৰু পঞ্চম জৰ্জ্জৰ সমাধিৰ ঠাই আছে। ইয়াৰ বাহিৰেও আৰু এটা গীৰ্জা আছে "চেইণ্ট জৰ্জেছ চেপল্‌" (St. Georges chapel) এই গীৰ্জাটো লণ্ডনৰ "ওৱেষ্ট মিনিষ্টাৰ এবি"ৰ লগত মিলে। "উইণ্ডচ'ৰ কেচল" এখন ওখ শিলাময় ঠাইৰ ওপৰত থকা

বাবে দূৰৈৰ পৰা দেখা যায়। ইয়াৰ ভিতৰত "ৰাউণ্ড টাৱাৰ"ৰ ওপৰত আমি "ইউনিয়ন জেক্" (Union Jack) নিচানখন উৰি



"ট্ৰেফলগাৰ স্কোৱাৰ"ত শ্ৰীমান সত্যেন্দ্ৰ আৰু দেবেন্দ্ৰ দাসৰ সৈতে লেখিকা

থকা দেখিবলৈ পাইছো; শুনিলো যে ৰজা আহি এই প্ৰাসাদত থাকিলে এইটো নিচানখন গুচাই তাৰ ঠাইত ৰজাৰ নিজৰ "ৰয়েল ষ্টেণ্ডাৰ্ড"

(Royal Standard) খন লগায়। এই দুৰ্গৰ একাষে টেমচ্ নৈখন বৈ গৈছে; টেমচ্‌ৰ সিপাৰে ইটন (Eton) নগৰ দেখিবলৈ পালোঁ; আৰু বিখ্যাত "ইটন্ স্কুল"ৰ ঘৰ-বাৰীবোৰো চকুত পৰিল। ইয়াৰ ফুলনিখন বৰ সুন্দৰ কৰি সজোৱা। চাওঁতে চাওঁতে আন্ধাৰ হৈ আহিল; বিজুলী চাকিবোৰ জ্বলি উঠিল, দূৰৈৰ ইটন্ নগৰতো চাকি জ্বলা দেখিবলৈ পালো। আমি আৰু বেছি চাবলৈ নেপালো, আকৌ এদিন আহিম বুলি মনতে ভাবি তাৰ পৰা উলটিলো।

ইয়াৰ দোকানবিলাক দুপৰীয়া দেৰ ঘণ্টা বন্ধ থাকে, সেইবাবে ৰাতিপুৱা আৰু আবেলি দোকান বজাৰত মানুহৰ ভিৰ বেছি হয়। লণ্ডনত ৰাতি বাটত মানুহৰ সিমান ভিৰ নাথাকে। ৰাতি ১২ বাৰ বজাত সুৰঙ্গ ৰেলো বন্ধ হৈ যায়। লণ্ডনৰ মানুহ কামৰ মানুহ, সময় অলপো নষ্ট নকৰে। সকলোৰে গাত যেন একোটা ডাঙৰ দায়িত্ব আছে, সোনকালে খায় আৰু শোৱাৰ সময়ত শোৱে; কাৰণ ৰাতিপুৱাই আকৌ কামত লাগিবই লাগিব। থিয়েটাৰ, বায়স্কোপ্ আদিও ইয়াত সোনকালে বন্ধ হৈ যায়। লণ্ডনৰ বিজুলী চাকিৰ ঢাকনীৰ ৰং হালধীয়া, কলপতীয়া ৰঙৰ, কুৱঁলীৰ কাৰণে হেনো বৰণীয়া ঢাকনী লগাই এনেকুৱা পোহৰ কৰি ৰাখে; সেইবাবে লণ্ডনত চকুত চাতমৰা বিজুলি চাকিৰ পোহৰ নাই।

ৰাতি কুৱঁলীৰ মাজে মাজে হোটেল পালোহি, আমাক ৰাতি লগ পাবলৈ আগেযে আসামত কাম কৰি অহা মিঃ টনষ্টল আৰু শ্ৰীবাৰীন চৌধুৰী অহাত এতিয়াৰ সময়খিনি ভালকৈ কটাব পাৰিলো।

২২ অক্টোবৰ লণ্ডন।

ৰাতিপুৱাৰ আহাৰৰ পাছতে বৰুৱা ওলাই গ'ল; আজি মই এই বেলাটো ক'লৈকো নোলাওঁ বুলি ঠিক কৰিলোঁ। আমাৰ নিজৰ

কিছুমান কাম কৰিলো, মোৰ এই লিখাখিনিৰো কিছু কথা টুকি ৰাখিলো, ঘৰলৈকো আজি দুখনমান চিঠি লিখিলো। এতিয়া হোটেলৰ গৰাকীৰ সৰু ছোৱালী দুটী আহি মোক ভাৰতীয ডাক টিকট্ কিটা খুজি নিলেহি ; টিকট্ পাই অকণমান ছোৱালী দুটীয়ে বৰ ভাল পালে, মোক ধন্যবাদ দি গ'ল। আজি আমাৰ হোটেলতে দুপৰীয়াৰ সাঁজ খোৱা হ'ল। খাই উঠি আমি শ্ৰীদেবেন্দ্ৰ দাস আৰু শ্ৰীসত্যেন্দ্ৰ দাসৰ লগত লণ্ডন মিউজিয়ামটো (যাদুঘৰ) চাবলৈ গ'লো। বৰুৱাই "কেমেৰা"টোও "ফ'ট" তুলিবৰ কাৰণে ললে। আজি আমি খোজকাঢ়ি আৰু সুৰঙ্গ ৰেলেৰেই গ'লো, চোৱা-চিতা কৰিবলৈ যথেষ্ট খোজ কাঢ়িবই লাগে, কিন্তু মোৰ নিজৰ খোজকঢ়া সিমান অভ্যাস নাই। এইটোৱেই মই এতিয়া টান পাইছো, আৰু ভাগৰিও পৰিছো। কিন্তু এইটোও প্ৰমাণ পাইছো অলপ জিৰণি লব পাৰিলেই ভাগৰ পলায। আজি আমি এইবেলা মিউজিযামৰ মিছৰীয ভাগটোহে চাব পাৰিলো, "ফ'ট" ভিতৰত লোৱা নিযম নাই। বাহিৰৰ "ফ'ট" হে দুখনমান লোৱা হ'ল। মিছৰ দেশৰ পৰা অনা "মমি"বিলাক দেখিলো, "মমি"বিলাক হৈছে বহুত হাজাৰ বছৰৰ আগেয়ে মিছৰ দেশত মৰা মানুহবিলাকক কিবা দৰৱ সানি কবৰ দি থোৱা, আৰু তাৰ ওপৰতে পিৰামিড্ বিলাক সাজিছিল, এই পিৰামিড্ বিলাক বহুত হাজাৰ বছৰৰ পাছত খান্দে আৰু এই শুকান মৰা মানুহবোৰ দেশে দেশে মিউজিযামত থয। এইবিলাক চাই-চিতি বৰ আচৰিত লাগিল। গোটেই মহা শ্মশান হৈ আছে। নানাৰকমৰ "মমি"বোৰ। এজন ৰজা আৰু ৰাণীৰ দুটি "মমি" দেখিলো, তাৰ ওচৰতে "মমি" ভৰাই থোৱা দুটা কাঠৰ বাকচ আছে, বাকচকিটাৰ ওপৰত ৰজা আৰু ৰাণী গৰাকীক আঁকি থোৱা আছে, যেন জীৱন্ত মূৰ্ত্তিহে। শিল্পীৰ কি মাহাত্ম্য! এই ৰজা আৰু ৰাণী গৰাকী একেলগেই মৰিছিলেনে, নাই, ৰজা মৃত্যু হওঁতে

ৰাণীকো বধি "মমি" কৰি থৈছিল কোনে জানে! কাৰণ সেইদিনত কোনো কোনো ৰজাৰ মৃত্যু হওঁতে ৰাণীকো সিপুৰীত একেলগে থাকিব



"লণ্ডন মিউজিয়াম"ৰ দুৱাৰ মুখত শ্ৰীমান সত্যেন্দ্ৰ আৰু দেবেন্দ্ৰ দাসৰ সৈতে লেখিকা

বুলি বধ কৰি "মমী" কৰি লগতে থৈছিল বুলি শুনা যায়। সৰু লৰাৰ "মমি"ও দুটামান দেখিলো। বালিৰ তলত পোতখাই থকা কেবা হাজাৰো বছৰৰ আগৰ এজন মানুহৰ জঁকা এটা আইনাৰ আলমাৰীৰ ভিতৰত সুমাই থোৱা আছে, মূৰত অলপ পকা চুলিৰে সৈতে মানুহজন ভেকুলীটোৰ দৰে চেপেটা লাগি থকা অৱস্থাত আছে। "মমি"বিলাকৰ গাত পটী মেৰোৱাদি কাপোৰ মেৰাই মেৰাই থোৱা আছে। মুখখনত পাতল কাপোৰ লগাই থোৱা আছে। বোধকৰো এই কাপোৰতে কিবা দৰব লগাই থোৱা আছিল। মুখৰ গঢ় বেচ্ বুজিব পাৰি। কি সুন্দৰ নাক চকু! চাই বৰ দুখ লাগি যায়। এজন সুন্দৰ স্বাস্থ্যবান ডেকাৰ "মমি"টো মনত বৰ লাগিল। এই "মমি"বিলাক

ভৰাই থোৱা শিলৰ সঁফুৰা (Casket)বোৰৰ ওপৰত মৃতকৰ মূৰ্ত্তি কটা আছে। এই "কাচ্কেট"বোৰেই এচোৱা ঠাই ভৰি আছে। নানাৰকমৰ ডাঙৰ ডাঙৰ শিলৰ মূৰ্ত্তিবিলাক, শিলৰ কাৰুকাৰ্য্য আৰু ৰঙীন শিলৰ টুকুৰা লগাই কৰা প্ৰকাণ্ড প্ৰকাণ্ড একোখন ছবিয়ে বেৰ জুৰি আছে, এইবিলাকো বহুত হাজাৰ বছৰৰ আগৰ। সেইদিনৰ মিচৰীয় গহনা কিছুমানো দেখিলো, তাৰ নমুনা আজিও নতুন। প্ৰাচীন মিচৰৰ বহুত বস্তু পৃথিবীৰ গৰ্ভত সোমাইছিল, পিছত তাৰ পৰা উলিয়াই গোটেই পৃথিবীত সিঁচি পেলালে। এই মিচৰীয় মহলটো বৰ গহীন। স্কুলীয়া লৰা কিছুমান তাত সুমুৱাই মাষ্টৰে দেখুৱাই বুজাই ফুৰিছে। সৰু সৰু লৰাবিলাকে চাই চাই "মমি"বোৰৰ ছবি আঁকি নিছে।

এইডোখৰ চাই ফুৰোতে সময় হৈ আহিল, আমি ইয়াৰ পৰা ওলাবৰ সময় হ'ল। ওলাই আকৌ খোজ ললো। "টেলিভিচন্" (Television) কৰি থকা দেখি এঠাইত ভুমুকি মাৰিলো। "ৰেডিয়"ৰ কথা কোৱাৰ লগে লগে ছবিৰে সৈতে এখন পৰ্দ্দাত ওলাই আছে। এই "টেলিভিচন্" ৫০ পঞ্চাচ মাইল মানলৈকে হেনো যায়। লণ্ডনত আৰু বাহিৰত প্ৰায় মানুহৰ ঘৰতে এই "টেলিভিচন্"ৰ তাঁৰ লগোৱা আছে; এই তাঁৰ দালৰ ওপৰত এটা (H) বা (X) আখৰটোৰ দৰে তাঁৰ লগোৱা থাকে। এই চিনটো দেখিলে তাত "টেলিভিচন" আছে বুলি বুজিব পাৰি। আমি ইয়াৰ পৰা গৈ আকৌ সুৰঙ্গৰেলত উঠি আকৌ এচোৱা খোজকাঢ়ি গৈ আমাৰ হোটেল বাতি পালোগৈ। আজি এইদৰে খোজকাঢ়ি চাই ফুৰি বৰ ভাল লাগিল। অলপ বহি লৰা দুটি গলগৈ।

২৩ অক্টোবৰ লণ্ডন

আজি আগবেলা আমি মটৰেৰে "ট্ৰাফেলগাৰ স্কোযাৰ" পিকাডিলি চাৰ্কাচ", "নেলচনৰ স্মৃতিস্তম্ভ", "চেইণ্ট জেমচ্ প্যালেচ"



"ট্ৰেফেলগাৰ স্কোযাৰ ত থকা নেলচনৰ স্মৃতি স্তম্ভ

"বাকিংহাম প্যালেচ" (য'ত ৰজা থাকে) "কেনচিংটন পাৰ্ক", "মাৰ্বল আৰ্চ", "হোৱাইট্ হল" আদি ঠাই আৰু ঘৰবিলাক চাই আহিলো। ৰাজকাৰেৰ আগত মহাৰাণী ভিক্টোৰীযাৰ এটা ডাঙৰ মূৰ্ত্তি আছে। কিছুমান ফ'টও লোৱা হ'ল। পিচবেলা খাই উঠি আকৌ "লণ্ডন মিউজিযাম" যাদুঘৰ চাবলৈ গলো, আমাৰ হাতত সময় কম, বাবে চকু ফুৰাই লৰালৰিকৈ মাত্ৰ চাই হে গ'লো। লণ্ডন মিউজিয়ামৰ বিষয়ে লিখিবলৈ হলে সি এখন আন শাস্ত্ৰ হে হব, মোৰ

নিচিনা মানুহে কি লিখিব পাৰিম? চাওঁ বুলিলে এই মিউজিয়াম বহুত দিনেও চাই অন্ত কৰিব নোৱাৰি; শিকো বুলিলে ইযাত বহুত কথা শিকিবলৈ আছে। সময় হৈ আহিলত মিউজিযামৰ লাইব্ৰেৰীযো ওলাই আহিলো। এই বিভাগত আগৰ দিনৰ গ্ৰন্থকাৰবিলাকৰ নিজ হাতে লিখা "মেন্‌চক্ৰিপ" (Manuscript) কিতাপবোৰ আছে কিটচ, চেলি, ওৱৰ্ডচ্‌ ওৱৰ্থ, চেক্সপিযেৰ আদিৰ। মিউজিযামৰ এঠাইত অসমীযা মুগা ৰিহা মেখেলাও দেখিলো।



"কিউ গাৰ্ডন"ৰ ভিতৰত বৰুৱা

ইযাৰ পাছত আমি "কিউ গাৰ্ডেন (Kew Garden) নামৰ উদ্যানখনি অলপ চাই লওঁ বুলি গ'লো। নানান গছ-গছনিৰে বিতোপন কৰি সজোবা এই উদ্যান। ইযাত এটা হ্ৰদ (Lake থকাত উদ্যানৰ শোভা আৰু বাঢিছে। এটা ডাঙৰ আইনাৰ ঘৰ (Glass House) ইযাত আছে। ইযাৰ ভিতৰত গৰম দেশত হোৱা কিছুমান গছ-গছনি আছে। এটা সৰু আইনাৰ ঘৰ (Glass

House)ৰ ভিতৰত লাও, কোমোৰাও হোৱা দেখিলো। এই উদ্যানত ফুৰিবলৈ দলে দলে মানুহ লৰাছোৱালী লৈ আহিছে। সন্ধ্যা লাগি আহিল; আমি এখন টেক্সিলৈ আমাৰ হোটেললৈ উলটিলো। এতিয়া কিন্ কিন্কৈ বৰষুণ দিছে। আমি হোটেলৰ সমুখত নামি নবালৰিকৈ ড্ৰাইভাৰক ভাৰা আৰু বটা বা বকচিচ্ দি হোটেলমুৱা হৈছো, তেনেতে পিচৰ পৰা "চাৰ" বুলি মতা শুনিলো। ড্ৰাইভাৰে বকুৱাক কলে "চাৰ আপুনি মোক বেছি পইচা দিছে, মই ইমান পাব নোৱাৰো" বুলি অলপ পইচা ওলটাই দিলে। ড্ৰাইভাৰটিৰ এনে আচৰণত আমি অবাক হ'লো, তেওঁক ধন্যবাদ দি আমি হোটেল সোমালো। টেক্সি ড্ৰাইভাৰবিলাকে বটা বা বকচিচ্টোও এটা ইচাবমতেহে পায, এইটো ইয়াত এটা নিয়মৰ কথাৰ নিচিনাই।

২৪ অক্টোবৰ লণ্ডন।

আজি আমি দুপৰীয়া "কেণ্ট" (Kent) লৈ যাবলৈ ঠিক কৰিছো। তাত চাৰ কিঠ্ কেণ্টলি (আগতে আসামত ডেপুটি কমিচনাৰ আছিল) আছে; জোঁৱায়েক মিঃ হেইলিও (এৱোঁ অলপ দিনৰ আগলৈকে আসামত ডেপুটি কমিচনাৰ হৈ আছিল) তাতে আছে, আৰু তেওঁলোকৰ ঘৰতে আলহি হৈ আসামত প্ৰধান চেক্ৰেটৰী কাম কৰা চাৰ হেৰল্ড ডেনেহী আৰু তেওঁৰ পৰিবাৰ আছে। তেওঁলোকে আমাক লগ পাবলৈ বৰ ইচ্ছা কৰিছে আৰু চিঠি দি মাতিছে, বাটৰ এখন মেপো আজি পঠিয়াই দিছে।

ৰাতিপুৱাৰ আহাৰ খাই খোজকাঢ়ি "হাইড্ পাৰ্ক" (Hyde-Park) নামৰ উদ্যানখনৰ ফালে গ'লো। এই উদ্যানখন বাটৰ পৰা চালে কলিকতাৰ ময়দানৰ লগত কিছু মিল যেন দেখি। আজি কালি পাতসৰা (Falls) দিন। সৰাপাতবিলাক ইয়াত কিছুদিনলৈকে

কেচা পাতৰ বৰণ ধৰি থাকে। গোটেই দিনটো গছৰ তলবিলাক সৰা মানুহে কাঠৰ বুৰুজ লগাই অ'ত ত'ত সাৰি ফুৰাই দেখা যায়। আমি "পাৰ্ক"ৰ ভিতৰলৈ সোমাই গ'লো, ফুলনিৰ মাজে মাজে বাট। এই উদ্যানৰ মাজেদি এটা "চাৰপেনটাইন্" (Serpentine) নামৰ হ্ৰদ আছে। এডোখৰৰ ওপৰত এখন পকা দলঙো আছে। এই পাৰ্কৰে এচোৱাৰ নাম "কেনচিংটন গাৰ্ডেন" (Kensington Garden)। বহুত মানুহ উদ্যানত ফুৰি ফুৰা লগ পালো, চকি বেঞ্চ আদি সজাই পাৰি থোৱা আছে। ইযাকে চাই আমি আমাৰ হোটেললৈ ঘূৰিলো। ইয়াত বাটত মটৰগাড়ীবোৰ লাহে লাহে চলায়। যদিও অসংখ্য গাড়ী চলি থাকে, ক'তো এটা "হৰ্ণ"ৰ শব্দ শুনিবলৈ নাই, নিতান্ত দৰকাৰ নহলে ইযাত ক'তো হৰ্ণ নবজাই।

দুপৰীয়া খোৱাৰ পাছত আমি শ্ৰীসত্যেন দত্ত আৰু তেওঁৰ পৰিবাৰে সৈতে "কেণ্ট"লৈ ৰাওনা হ'লো। "কেণ্ট" ইযাৰ পৰা ৩৬ ছয়ত্ৰিচ মাইল দূৰৈ। প্ৰথমেই আমি লণ্ডনৰে কিছুমান ঢুমহলীযা একে আহিৰে সৰু সৰু ঘৰ দেখি দেখি গ'লো। ঘৰবিলাকৰ বেৰবোৰ সৰু সৰু শিলগুটি লগাই ভৰভৰীযা কৰি সজা। আকৌ একো একো ৰঙৰ শিল একো একোটা ঘৰত। এই একে আহিৰ এই শাৰীপতা ঘৰবোৰ হেনো ইয়াৰ গৱৰ্ণমেণ্টে সজাই দিয়া। এই ঘৰবোৰ দেখিবলৈ বৰ শুৱনী। আমাৰ দেশতো মানুহে ইচ্ছা কৰিলে এনেকুৱা ঘৰ সাজিব পাৰে; এনেকুৱা শিলগুটি আমাৰ তাতো ৰকমে ৰকমে পোৱা যায়। এতিয়া আমি গাওঁবিলাক আৰু গাৱঁৰ মানুহৰ ঘৰ বাৰী দেখি যাবলৈ ধৰিলো। ওখ, চাপৰ ঠাইবিলাক (Downs) সুন্দৰ বহল বাট। শৰৎকালৰ গছৰ শ্ৰী, নেদেখিলে শোভা বৰ্ণাব নোৱাৰি। গছ-পাতৰ ৰং ৰঙা, হালধীয়া আৰু তাম বৰণীয়া, গছবোৰো মজলীযা ধৰণৰ দেখিবলৈ শুৱনী। তলসৰা পাতৰ

ৰঙো হালধীয়া কাৰণ জাৰ কাৰণে ইয়াত বেগেতে পাত সুশুকায়! সৰাপাতৰ ৰং আমাৰ পকা পানখিলাৰ দৰে। একোখন "পাম" (Farm) আমাৰ ইয়াৰ সৰু সুৰা চাহ বাগিছা একোখনৰ দৰেই, ইযাত পাম ঘৰো আছে আৰু কল্-কাৰখানাৰ ঘৰো আছে। খেতিৰ নানাৰকমৰ বাগিছাবোৰত মানুহে কাম কৰি আছে। গৰু, ভেৰা, কুকুৰা, গাহৰি আদিৰ পামো দেখিছো, সকলোবোৰ পৰিপাটি। গৈ থাকোতেই এটা এমহলীয়া ঘৰ দেখিলো আগত এখন ফুলনিবাৰীৰে সৈতে; এই ঘৰটোত্ বোলে কোনো নথকা নিৰাশ্ৰয় বুঢ়া-বুঢ়ী মানুহক থাকিবলৈ দিয়ে; আৰু ইয়াৰ খৰচ গবৰ্ণমেণ্টে বহন কৰে। বাহিৰৰ ফুলনিত দুই-এজন বুঢ়া-বুঢ়ীক ফুৰা-চকা কৰা দেখিলো। মেপ চাই চাই গৈ আমি ওচৰ পালো, বাটতে বয়সিয়াল মানুহ এজন পাই সোধাত তেওঁ আমাক কেণ্টলি চাহাবৰ ঘৰ দেখুৱাই দিলে। ঘৰলৈ আমি মটৰেৰে সোমাই গলো, হাউলিটো (কম্পাউণ্ড) ডাঙৰ। ঘৰটো অতি পুৰণি। ৪০০ চাৰি শ বছৰৰ আগৰ বুলি কলে, চেক্সপিয়েৰৰ দিনৰ। ঘৰটো কিন্তু ভালে আছে। ঘৰৰ আহিটো পুৰণি ধৰণৰ; অ'ক (Oak) কাঠেৰে তৈয়াৰ কৰা, ওপৰত খাপৰি লগোৱা, চাপৰ দুমহলীয়া ঘৰ। ইয়াত পোক, পৰুৱা, এন্দুৰ, ডালশলীয়া, উইঁ আদিৰ কোনো উপদ্ৰৱ নাই কাৰণেই ইমান দিনীয়া ঘৰ আজিও ভালে আছে। বাৰীখনত বহুত আপেল, আঙুৰ আদি গুটি-থকা গছেৰে ভৰা, আমালৈ তেওঁলোকে বাট চাই ৰৈ আছিল। আমাক পালত তেওঁলোকে বৰ ভাল পোৱা যেন দেখিলো। আনন্দেৰে আটাই কেইজনে আপোন মানুহৰ দৰে চিঞৰি-বাখৰি কথা পাতিবলৈ ধৰিলে। যি দুই চাৰি আষাৰ অসমীয়া কথা কব জানিছিল, তাকো কৈ কৈ শুনালে! ঘৰত বহুত আসামৰ বস্তু ইফালে-সিফালে সজাই থোৱা দেখিলো। আৰু এটা বস্তু দেখি মোৰ আচৰিত লাগিল যে আজি

কিছুমান বছৰৰ আগতে আসামত মিঃ কেণ্টলিৰ পৰা বৰুৱাই এটা বস্তু পাইছিল, বস্তুটো হৈছে উটৰ এটা ভুৰু। দেখিবলৈ ডাঙৰ এটা কলহৰ দৰে। তাৰ কেইবছৰমানৰ পাছত তেখেতৰ জীয়েকে ( মিঃ হেইলিৰ ) আমাক ক'লে যে সেই বস্তুটো তেওঁৰ সৰু কালৰ, তেওঁ ইচ্ছা কৰাত আমি সেই বস্তুটো তেওঁক ওলটাই দিলো। আজি ইমান দিনৰ পাছত সেই উটৰ ভুৰুটো তেওঁলোকৰ বহা কোঠালিটোত গৈ দেখিবলৈ পালো, ভিতৰত এটা বিজুলি চাকি লগাই থৈছে। মিঃ কেণ্টলিয়ে এখন অঁকা শিৱসাগৰৰ ছবি আনি দেখুৱালেহি, তেওঁবিলাকৰ কথা-বতৰাত আমালৈ আৰু আসামলৈ বৰ হেঁপাহ হুটাহ দেখিলো। ইংলণ্ডৰ ক'ৰ এটা চুকত আজি বহুত অসমৰ গুণ গান শুনিবলৈ পালো। এওঁলোকৰ প্ৰত্যেকেই আকৌ এবাৰ আসামলৈ "যাম যাম" বুলি কলে। আগৰ দিনৰেই এখন ডাঠ কাঠৰ ফুলকটা মেজত আমাৰ খোৱা বস্তু সজাই থোৱা আছিল। কোনো চাকৰ-নাকৰ নেদেখিলো ; আমাৰ আলপৈচান তেওঁলোকে নিজে নিজেই ধৰিলে। চাহ কৰি আনিলে, সুধি-পুছি খুৱালে, খোৱা হলত থাল বাটি চপাই বুটলি নিলে। চাহ খোৱাৰ পাছত তেওঁলোকৰ ঘৰ-বাৰী আমাক নি দেখুৱালে। বহা ঠাইত আমাৰ তামুলি পিবাৰ দৰে সৰু সৰু ডুখন দেখিলো, তাত বহে (পুৰণি বস্তু)। ঘৰটোৰ ওপৰত "চ'টি" "বহিখোৱা" লগোৱা ; যেনেকুৱা আমাৰ কাঠ বাঁহৰ ঘৰত লগায়। ওপৰ মহলটো তেনেই চাপৰ, খাছিয়াৰ ঘৰৰ দৰে। আগৰ দিনৰ খাট পালেংবোৰ বৰ ডাঠ কৰি তৈয়াৰ কৰা, এওঁলোকে এতিয়াও সেইবোৰকে ব্যবহাৰ কৰি আছে। এওঁলোকে পুৰণা বস্তু বৰ ভাল পায়, আৰু খুব যত্ন কৰি ৰাখে ; আনক দেখুৱাইও গৌৰৱ কৰে। এটা চেক্সপিয়েৰৰ ঘৰৰ ডাঙৰ বাকচ দেখুৱালে, দেখিবলৈ আমাৰ আগৰ বৰ পেৰাৰ নিচিনা।

অৱশ্যে এইটো ফুলকটা, বস্তুটো বৰ ভালে আছে। আসামৰ পৰা নিয়া কাঠৰ গৰুগুৰ মুৰ বেৰত লগাই থোৱা আছে; কাঠৰ হেঙুল হাঁইতাল লগোৱা হাতী, শুৰত পদ্মফুলৰ সৈতে আছে। মিঃ হেইলিৰ পৰিবাৰে কিছু অসমীয়া কথা কব পাৰে, মই শুধিলো "এই শুৰত পদ্মফুল লৈ থকা হাতীৰ কথাটো জানানে?" তেওঁ কলে "হয় কীৰ্ত্তনত আছে নহয়নে?" এওঁলোকৰ ৰান্ধা ঘৰৰ ভিতৰখনহে আজি কালিৰ ধৰণৰ (Modern kitchen) কৰি লৈছে, সকলো ইলেক্‌ট্রিকৰ, কোনো অসুবিধাই নাই, এইবিলাক ৰন্ধা-বঢ়া কাম নিজেই কৰে। কাপোৰ ধোৱা, বাচনাদি ধোৱাও সকলো ইলেকট্রিকৰ সহায়ৰেই কৰে। আহিবৰ সময়ত এওঁলোকৰ ভাব গতি দেখি বেয়াই লাগিল। আমাৰ বহুত মানুহলৈ নমস্কাৰ পঠালে। ৰাতি প্রায় ৮ মান বজাত আমি তাৰ পৰা উলটিলো; কেই মাইলমান অহাৰ পাছত লণ্ডন নগৰৰ চাকিৰ পোহৰ আকাশত দেখিবলৈ পালো।

হোটেল আহি নিস্তব্ধ পালো; কিন্তু এটা কোঠালিত এটা দলে তাচ খেলি থকা দেখিলো।

২৫ অক্টোবৰ লণ্ডন।

আজি ৰাতিপুৱা ৯ বজাৰ পাছত আমি "ৰীজেণ্ট পাৰ্ক"লৈ গলো, লণ্ডন "জু" চাবলৈ বুলি। এইখন সিমান ডাঙ্গৰ জু নহয়; এখন ডাঙ্গৰ "জু" "হুইপচ্‌নেড্‌" (Whipsnade) অত আছে, ইয়াৰ পৰা কিছু দূৰৈ, তাত স্বাভাবিক অৱস্থাত জন্তু জানোৱাৰবোৰ থৈছে, সেইখন চাবলৈ এটা দিন খতি হব লাগিব বাবে এইখন "জু"কে আজি চাই লওঁ বুলি ভাবিলো। আমি গৈ ২ চিলিং ৬ পেঞ্চ কৰি টিকট্‌ কিনিলো; আৰু "জু"খন চাবলৈ এটা সৰু কিতাপো কিনিলো, ইয়াৰ

বিষয়ে কিতাপখনতে সকলো কথা লিখা আছে। আমি ভিতৰলৈ সোমাই গ'লো। কিতাপখনত এঠাইত লিখা দেখিছো "জেপ্-কটা" (Pickpockets)ৰ কাৰণে সতৰ্ক থাকিবলৈ! সি যি হওক ভিতৰত আমি সিংহ, বাঘ, জলহস্তী, জিৰাফ আদি জন্তুবোৰ দেখিবলৈ পালো। এটা "পেন্দা" (Panda) নামৰ ভালুকজাতীয় জন্তু দেখিলো; পানীত সাঁতোৰা ভালুকো আছে। বান্দৰ বহুত জাতীয় দেখিলো। "চিল" (Seal) এবিধ পানীত থকা জন্তু আছে। পহু, হৰিণা আদি আছে। আৰু "বিভাৰ" (Beaver) উদৰ লগৰ এবিধ জানোৱাৰ দেখিলো। মেকুৰী জাতীয় জন্তুবিলাক, আৰু চিকাৰী নানাৰকমৰ চৰাইবিলাক ভাটৌ, হুড়ু, আৰু অনেক গৰম দেশৰ চৰাই আছে; থকা ঠাইখন গৰম কৰি ৰাখিছে; সোমালে গা ঘামি যায়। মইনা চৰায়ো আছে, পেঙ্গুইন্ নামৰ চৰাই আছে (পানীত আৰু বামত বাস কৰে) সাপ, পোক পৰুৱাও বহুত থৈছে। আটাইত কৈ ইয়াত চাবলগীয়া দেখিলো "একুয়েৰিয়াম" (Aquarium) টো, ইয়াত সোমাবলৈ হলে আৰু ১ চিলিং দিব লাগে। এই "একুয়েৰিয়াম"টো মাটিৰ পৰা কেইফুটমান ওপৰত সাজিছে। আইনাৰ বাকচৰ দৰে দীঘলকৈ লগোৱা, সাগৰৰ পানী ভৰাই থোৱা। তপত পানী আৰু বতাহৰ নলী লগাই থোৱা আছে, ইয়াত বিধে বিধে মাছবিলাক আছে; খোৱা আহাৰৰ সৈতে সুন্দৰ কৰি সজায় সজায় থোৱা। এই "একুয়েৰিয়ামটো" ঠিয় হৈয়েই চাই যাব পাৰি বহুত মানুহে লৰা ছোৱালীৰ সৈতে "জু" চাই ফুৰা দেখিলো। লৰাছোৱালীয়ে ধেমালি কৰিবলৈ কিছুমান খেলো আছে আৰু কেচুৱা লৰা ফুৰাবলৈ ভাৰা কৰি লব পৰা গাড়ীও আছে। হোটেল আৰু সৰু সৰু দোকান কিছুমান আছে। এই বিলাকতে ঘূৰি ফুৰোঁতে খোৱাৰ সময় হৈ গ'ল, আমি ইয়াত থকা হোটেল এখনতে খাবলৈ সোমালো। খোৱা শেষ

কৰি আমি তাৰ পৰাই এখন মটৰগাড়ীৰ প্ৰদৰ্শনী (Motor Show) চাবলৈ গ'লো, কাৰণ আজিয়েই এই প্ৰদৰ্শনীৰ শেষ দিন। ইয়াত আমি পৃথিবীৰ নানান ঠাইৰ মটৰ গাড়ীবোৰ আৰু লগতে মটৰ গাড়ী চাই ফুৰা মানুহ দেখিবলৈ পালো। ইয়াত মটৰ গাড়ীৰ কাৰবাৰ কৰা আৰু কিনা মানুহেই বেচি। বহুত দূৰ দূৰ দেশৰ পৰা হেনো এই সকল আহিছে। প্ৰদৰ্শনীখন ডাঙৰ এটা ঘৰৰ তল মহলাটোত হৈছে, নাম "আৰ্লচ্ ক'ৰ্ট" (Earl's Court) ওপৰত খোৱা হোটেল অফিচ আদি নানা কাৰবাৰৰ কাম কৰা ঘৰ ; ওপৰ মহললৈ উঠি চালে মানুহবোৰ পৰুৱাৰ দৰে পিৰ্‌পিৰাই ফুৰা যেন দেখি, মই ইমান মানুহ একে ঠাইতে দেখা নাই।

মটৰ গাড়ী কিছুমান পীড়াৰ ওপৰত সজোৱা আছে। পীড়াখন বিজুলী শক্তিৰে ঘূৰাই গাড়ীবিলাকৰ আগপিচ দৰ্শকসকলক দেখুৱাই আছে, দুৱাৰ নিজে মেল খাইছে ; আকৌ জাপ গৈছে। কিছুমানৰ ওপৰৰ হুডখন মেল খাইছে আকৌ জাপ গৈছে, এই দৰেই আছে। এখন "হিলমেন মিংচ্" (Hillman minx) গাড়ীৰ নাম দিছে "এক্সৰে মিংচ" (X Ray minx) এই গাড়ীৰ ভিতৰত এটা বিজুলি চাকি জ্বলালে, বাহিৰৰ পৰা ভিতৰৰ কল কব্জাবিলাক দেখিবলৈ পায়। আৰু এখন "ৰ'লচ্ ৰয়চ্" (Rolls Royce) গাড়ী দেখিলো, গোটেই সোণ খটোৱা ; ভিতৰখনতো সোণৰ পানী চৰোৱা, বাহিৰত সোণৰ তৰা বচা। "ব'মপাৰ" কিডালতো সোণপানী চোৱা, শুনিলো গিৰিইঁতজনে এইখন গাড়ী তেওঁৰ পৰিবাৰৰ কাৰণে কৰিছে। তাত সোণোৱালী মুৰ আঁচোৰা আৰু পানীখোৱা সাজো আছে। "কেৰাভান" (Caravan) বোৰ দেখিলো ; এইবোৰ মটৰ গাড়ীৰ পাছত বান্ধি নিয়া জানিবা একোটা প্ৰবসুৱা মানুহৰ ঘৰ। আমাৰ ইয়াৰ একোখন বাচৰ ঘৰতকৈ আহল বহল, বিছনা, বন্ধা ইলেক্‌ট্ৰিকৰ

চৌকা আদি পৰিপাটিকৈ থোৱা আছে। এইবিলাক সুন্দৰ কৰি সজায় পৰায় বিক্ৰীৰ কাৰণে থৈছে। এইবিলাককে চাই অলপ ঘূৰাপকা কৰি ৰাতি হোটেললৈ ঘূৰি আহিলো।

২৬ অক্টোবৰ লণ্ডন।

আজি ৰাতিপুৱা আমি সুৰঙ্গ ৰেল (Under ground Train)ত উঠি "লণ্ডন টাৱাৰ" (London Tower) চাবলৈ গ'লো। ৰেলগাড়ী দুবাৰ সলোৱা হ'ল; তাৰ পাছতো কিছু বাট গৈহে আমি সেই ঠাই পালোগৈ। দুৰ্গৰ বাহিৰ দুৱাৰৰ মুখত "ক'লা নোমৰ দীঘল টুপি" (Bearskin) গাললৈকে লগোৱা পিতলৰ শকত শিকলিৰে সৈতে গাত দীঘল ধোৱাঁ বৰণীয়া চোলা পিন্ধা চিপাহীয়ে বন্দুক লৈ পহৰা (Guard) দি আছে। ভিতৰ সোমালো, ক'লাৰ ওপৰত ৰঙা কাপোৰ পোচাকেৰে গাইড্‌বিলাক একো জুম মানুহ লৈ ঘূৰি-পকি বুজাই ফুৰিছে। দলে দলে মানুহ আহিয়েই আছে, দেশ-বিদেশৰ মানুহ। স্কুলীয়া লৰাৰ এটা জাক লৈ মাষ্টৰো আহিছে, আৰু দেখুৱাই বুজাই ফুৰিছে। এই ৰাজপ্ৰাসাদটো প্ৰায় হাজাৰ বছৰৰ আগেয়ে তৈয়াৰী। ই এটা প্ৰাচীন দুৰ্গ, লণ্ডনৰ পূব অঞ্চল আৰু টেমচ্‌ নৈৰ পাৰত। দুৰ্গ সজা ঠাইডোখৰো ওখ ঠাই ইয়াক "টাৱাৰ্‌ হিল্" বোলে। প্ৰথমে এই দুৰ্গ ৰোমানবিলাকে স্থাপন কৰা বুলি কয়, পাছত নৰ্মান-বিলাকে ইংলণ্ড অধিকাৰ কৰোতে এই দুৰ্গৰ কিছু অংশ বঢ়ায়। এই দুৰ্গত আগেয়ে বহুত মানুহ ৰাজ আদেশত বন্দী কৰি থৈছিল; আৰু ইয়াৰ ভিতৰত বিচাৰ কৰি ফাঁচিও দিছিল। দুৰ্গৰ ভিতৰত এটা গীৰ্জাও আছে। ইয়াত অষ্টম হেনৰীৰ কেইবা গৰাকী ৰাণীক বধ কৰি কবৰ দিয়া আছে। এই প্ৰাসাদত অতীজতে কোনো কোনো

ৰজাও আছিল। এতিয়া ইযাৰ ভিতৰৰ ডাঙৰ ঘৰ দুটামানত সৈন্য থকা ঠাই কৰিছে। আৰু ইয়াৰে এটা ঘৰত ৰজা ৰাজপাটত বহোতে ব্যৱহাৰ কৰা ৰাজ-অলঙ্কাৰ (Crown Jewels) আছে। ইযাতেই ভাৰতৰ পৰা নিয়া "কহিণুৰ" হীৰাখনো আছে। এই ৰাজ-অলঙ্কাৰ আদি যাত্ৰীসকলে চাব পাৰে। তাকে চাবলৈ আমি যাওঁতে দেখিলো এই ঘৰৰ ভিতৰ সোমাবলৈ শাৰী (Queue) পাতি পাঁচ ছজন কৰি ২০ কুড়ি হাতমান দীঘল হৈ আছে। এই দলত সোমাই এই অলঙ্কাৰ চাবলৈ যোৱা দুটাহত আমাৰ বহুত বেলি হৈ গ'ল। "ব্লাডি টাৱাৰ" (Bloody Tower) বুলি নাম লিখা এটা ঘৰৰ কোঠালিত ১৩ তেৰ বছৰ বন্দী কৰি ৰখা "চাৰ ওৱল্টাৰ ৰেলী" (Sir Walter Raleigh)ৰ আজিও চিন্-চাব সেইদৰেই আছে। বন্দী অৱস্থাত তেওঁ এখন পৃথিবীৰ ইতিহাস লিখিছিল। সেইখনো তাতে থোৱা আছে। আৰু এটা কোঠা আছে তাত বন্দীবিলাকক থৈছিল। সৰু সৰু কিছুমান ছবি আৰু আখৰ শিলৰ বেৰত কাটি কাটি কৰা বন্দীবিলাকৰ হাতৰ চিন এতিয়াও আছে। "চাৰ ওৱল্টাৰ ৰেলী"ৰ শোৱা পালেংখনো আছে, অকণমান বাৰাণ্ডা এটুকুৰা আছে ; তালৈকে হেনো তেওঁক বন্দী অৱস্থাত ওলাবলৈ দিছিল। দুটি সৰু কোঁৱৰৰ এখন ছবি তাতে আঁৰি থোৱা আছে। তেওঁ-বিলাকক হেনো নিষ্ঠুৰ দদায়েক ৰজা তৃতীয় ৰীচাৰ্ডে এটা চিৰিৰ খোকত উসাহ নোপোৱাকৈ বন্ধ কৰি থৈ বধ কৰিছিল। তলমহলৰ এঠাইত দোষীবিলাকক বধ কৰা ঠাই আছে, তালৈ এখন লোহাৰ দুৱাৰে সোমাই যাব লাগে।

আন এটা ঘৰত যোদ্ধাৰ সাজবিলাক পিন্ধাই একোটা একোটা মানুহৰ মূৰ্ত্তি সাজি শাৰী শাৰী কৰি থৈছে। অশ্বাৰোহী সৈন্য কিছুমান ঘোৰাৰে সৈতে সাজি যুদ্ধৰ লোহাৰ পোচাক পিন্ধাই থৈছে। সেই

দিনত যেনেকুৱা লোহাৰ সাজ একোজন যোদ্ধাই বা ৰজাবিলাকে পিন্ধিছিল, আজিকালিৰ মানুহে পিন্ধিব পাৰিবনে? কব নোৱাৰি। এইবোৰ বৰ গধুৰ বস্তু। আমাৰ গৰম দেশত কেতিয়াও তেনে সাজ পিন্ধি যুদ্ধ কৰা কথা ভাবিব নোৱাৰি; সাজবিলাক একোটা একোটা লোহাৰ মানুহ যেনকৈ তৈয়াৰ কৰি থৈছে। আন এটা কোঠালিত যাঠি, জোং, দা, বন্দুক আদি নানা ৰকমৰ সজাই সেইবিলাকেৰেই ভৰাই থৈছে। বিচাৰ গৃহ দেখিলো। প্ৰকাণ্ড এটা চ'ৰা (Hall) ইয়াতো ঢাল, তৰোৱাল, বন্দুক, ৰাইফলৰ বাহিৰেও ৰজাসকলৰ ব্ৰঞ্জৰ মূৰ্ত্তিবিলাক থৈছে। আগৰ দিনৰ সোণ-খটোৱা পোচাকবিলাকো ইয়াতে থৈছে। বৰ গহীন এই কোঠালিবিলাক! যাত্ৰীবিলাকে গহীন গম্ভীৰ ভাবে মনে মনে এইবিলাক চাই ফুৰিছে, কথা পতাৰ ক'তো শব্দ নাই, কেৱল গাইড্‌ৰ মাতহে শুনা যায়। সেই দিনৰ বহুত বৰটোপ আছে। বাহিৰৰ চোতালতো অ'ত ত'ত বৰটোপবোৰ ভৰি আছে। এই বৰটোপ কিছুমানত কিবা-কিবি ছবি কাটি থোৱা আছে, মৰা মানুহৰ মূৰ্ত্তিও তাত খোদাই কৰা আছে। এটা বৰটোপৰ নলীত এটা "ড্ৰাগন" খোদাই কৰা দেখিলো। বাহিৰৰ বেৰাৰ ভিতৰ ফালে সঁজাত কেইটামান ঢোৰা কাউৰী সুমাই থোৱা আছে। এই দেশবিলাকত কাউৰী নাযেই। কি কাৰণে নো তাত কেৱল কাউৰী কেইটা ভৰাই থৈছে নুবুজিলো। "তাৰে এটা কাউৰী হেনো ভাৰত ইংৰাজৰ হাতৰ পৰা যাবৰ সময়ত মৰিল" তাৰ কোনো কোনোৱে উপকথা কয় বুলি এজনে কলে। মই কলো "মৰিল যদি কাউৰী বেজাৰত মৰা নাই, বুঢ়া হৈ বা বেমাৰতহে মৰিব প্ৰায়"। ইয়াত থকা গছবিলাক বহুত দিনীয়া পুৰণি, গছো ডাঙ্গৰ। তাত সৰু সৰু কিছুমান চৰাই জাক পাতি পৰি চিঁচিয়াই খলক লগাই আছে।

এইবিলাক চাই থাকোতেই প্ৰায় আঠ বাজিল। আমি দুৰ্গৰ বাহিৰ ওলালোঁ, আৰু ওচৰতে থকা এটা হোটেললৈ গ'লো। হোটেলটোত আলহী বৰ বেছি। "লণ্ডন টাৱাৰ আৰু টেমচ্ নৈৰ দলং চাবলৈ দিনে দিনে মানুহ বহুত আহে। হোটেলত খোৱা শেষ কৰি খোজকাঢ়ি ওচৰতে থকা টেমচ নৈৰ দলং চাবলৈ গ'লো। নৈৰ পাৰৰ পৰা ওখ টেমচ্ নৈৰ দলংখন চালো। পানীত নাওঁ,



"লণ্ডন টাৱাৰ" আৰু টেমচ্ নৈৰ ওপৰত "টাৱাৰ ব্ৰিজ"

জাহাজ, পানীবাচ (Water Bus) হি চথাই আছে। এখন কাঠৰ শাঁকো (Pier) নৈৰ এচোৱা মানলৈকে গৈছে, আৰু তাত নাবৰ ওপৰত ঘৰ সাজি থোৱা আছে ; ঠাতিয়ে ঠাতিয়ে বহিবলৈ বেঞ্চ পাৰি থোৱা আছে। বৰটোপ কিছুমান পাতি থোৱা আছে, সেইবোৰ এতিয়া শব্দ দিবলৈ ব্যবহাৰ কৰে, কোনো দৰকাৰত ফুটায়।

বেলি বুৰিবৰ হ'ল। আকাশে ৰঙচুৱা বৰণ ধৰিলে। আমি আমাৰ প্ৰবসুৱা ঘৰলৈ ঘুৰিলো। বাট বহুত, খোজকাঢ়ি আৰু সুৰঙ্গ ৰেলত উঠি যোৱা বাটেই আকৌ উলটিলো। ৰাতি বৰ ভাগৰি আহি হোটেল পালো।

২৭ অক্টোবৰ লণ্ডন।

আজি ৰাতিপুৱা আমি "পালিযামেণ্ট হাউচ" (Parliament House) আৰু "ওৱেষ্ট মিনিষ্টাৰ এবি" (Westminister Abbey) চাবলৈ ওলালো। আমি প্ৰায়েই "বাকিংহাম পেলেচ" (Bukingham Palace) ৰাজকাৰেঙৰ আগৰ বাটেদি যাওঁ, ৰজাৰ ঘৰৰ আগত সদায় বহুত মানুহ গোটখাই থকা দেখোঁ। কোনোবা বিশিষ্ট মানুহ বা ৰাজপৰিয়ালৰ কোনোবা অহা যোৱাৰ গম পালে মানুহ বেছি গোটখায়। কাৰেঙৰ বাহিৰ দুৱাৰৰ মুখত কিছুমান



পার্লিযামেণ্ট ঘৰৰ সন্মুখ উদ্যানত ( পার্লিযামেণ্ট স্কোৱাৰ )
শ্ৰীমতী প্ৰীতি দত্ত আৰু আমি

প্ৰহৰী খোজ চলাই থাকে। পোচাক, মূৰত দীঘল টুপি (Bearskin) পিতলৰ শকত শিকলীৰে সৈতে গালত লগোৱা, গাত ধোঁৱাবৰণীয়া দীঘল চোলা আৰু ভৰিত বুট জোতা, হাতত আগত জোং লগোৱা বন্দুক। আমি প্ৰথমে তাত নামিলো, ফ'ট লোৱা হ'ল। "বাকিংহাম

পেলেচ”ৰ সমুখতে মহাৰাণী ভিক্টোৰীয়াৰ শিলৰ মূৰ্ত্তি আছে, ওচৰতে পানীৰ উঁহ (Fountain) আৰু কিছুমান মূৰ্ত্তি সাজিথোৱা আছে। কাৰেণ্ডৰ হাউলি বৰ ডাঙ্গৰ। ৰজাৰ জীয়েক আৰু মাকৰ ঘৰ কিছু দূৰৈত, আৰু সেই দুই প্ৰাসাদ কিছু ওচৰা-ওচৰি। এইবিলাক আমি বাহিৰৰ পৰাই চোৱা আৰু ফ'ট লোৱাৰ পাছত “পালিয়ামেণ্ট হাউচ” (Parliament House) চাবলৈ গলো। ইয়াৰ গম্বুজটো বৰ ওখ; যেন আকাশত লাগিছে। ঘৰটোৰ বাহিৰে এতিয়া মেৰামতিৰ কাম কৰি আছে। এইকালৰ দেশত বাঁহ নাই, এই মেৰামতিৰ কাম কৰিবলৈ কৰা চাংবোৰ লোৰ চুঙা। এই গম্বুজৰ ওপৰতে বিখ্যাত ঘড়ী (BigBen) “বীগ্‌বেন্” আছে। এই ঘড়ী সজা মিস্ত্ৰিজনৰ নাম “বীগবেন” আছিল বাবেই এই ঘড়ীটোৰ নাম “বীগ্‌বেন্”। অলপ সময় বৈ চাই থকাৰ পাছত ১১ এঘাৰটাৰ ঘণ্টা মাৰিলে; আৰু টুং টাং কৰি বাজিলে, যিটো আমি ৰেডিয়ত শুনিবলৈ পাওঁ। তাৰ পাছত আমি “ওৱেষ্ট মিনিষ্টাৰ এবি” (West minister Abbey) চাবলৈ সোমালো। “ওৱেষ্ট মিনিস্টাৰ এবি” হৈছে পুৰণি গীৰ্জা আৰু লগতে কবৰস্থান। সোমাই গৈ মনটো বেয়া লাগিল। প্ৰকাণ্ড গীৰ্জাৰ অৰগেন্‌টো কৰুণ সুৰে বাজি আছে, আৰু জুমে জুমে মানুহে গহীন গম্ভীৰভাবে মনমাৰি লাহে লাহে খোজ চলাই ঘূৰি-পকি কবৰবোৰ চাই ফুৰিছে। দেখিলো “বেভিন”ৰ সিদিনাৰ কবৰ—কবৰত তেখেতক পুৰি ছাই হে থৈছে, ওপৰত এসোপা ফুল পেলাই থৈছে। ইয়াৰ কবৰবিলাক ইংলণ্ডৰ বিখ্যাত মানুহৰ, আৰু তাৰ ওপৰত শিলৰ নানাৰকমৰ কৰুণ ভাবথকা ডাঙ্গৰকৈ মূৰ্ত্তিবিলাক সাজি বহুৱাই থোৱা আছে। কোনোটোত মৃতক জনৰেই মূৰ্ত্তি আছে, এঠাইত মৃতকৰ মৃত্যুৰ দৃশ্য, আৰু এগৰাকী গাভৰু তিৰুতাৰ কন্দা-দৃশ্যৰ লগতে এজন ডেকাৰ উত্ৰাৱল হোৱা দৃশ্য ওচৰত এটি লণ্ডৱাৰে

সৈতে আছে। এই সাজিথোৱা মূৰ্ত্তিৰ ভাব আৰু আমাৰ শঙ্কৰ গুৰুৱে লিখি থৈ যোৱা কবিতাৰ ভাব একেই যেন লাগিল মোৰ মনত পৰিল—

অথিৰ ধন জন, জীৱন যৌৱন
অথিৰ এহি সংসাৰ।
পুত্ৰ পৰিবাৰ, সবহি অসাৰ
কৰবো কাহেৰি সাৰ॥

কোনোবাই কান্দিছে আৰু স্বৰ্গৰ দূত আহি নিছেহি, মূৰ্ত্তিবিলাকত নানান ৰকমৰ শোকৰেই চিন! চাই অন্ত কৰিব নোৱাৰি। এঠাইত এজন মৃতকে সুদা গা, সুদা ভৰিৰে আমাৰ মানুহৰ দৰে সেৱা কৰি ঈশ্বৰৰ ওচৰত আশ্ৰয় বিচাৰিছে। এনেধৰণৰ বহুত মূৰ্ত্তি। গীৰ্জাৰ বেদীৰ পোনে পোনে এঠাইত হৈ যোৱা যুদ্ধত মৃত্যুহোৱা এজন অজান (Unknown Warrior) ইংৰাজ সৈন্যক কবৰ দি থৈছে; আৰু চাৰিউফালে ৰঙা ফুলেৰে ঘেৰি থৈছে, মাজত অজান সৈনিকজনৰ বিষয়ে লিখা আছে, এই কবৰটি তিকুতা মানুহবিলাকে ছল-ছলিয়া চকুৰে চাই চাই গৈছে।

আমি হিন্দু, মানুহৰ মৰিশালীলৈ যোৱা আমাৰ সিমান আগ্ৰহ নাই; কাৰণ আমাৰ বিশ্বাস জীৱ পঞ্চভূতত লীন হৈ যায়, আৰু নিৰ্ব্বাণ বা পুনৰ্জন্ম হয়, কিন্তু তেওঁলোকৰ বিশ্বাস মৃতক তাতেই থাকে, বিচাৰৰ দিন এটালৈ অপেক্ষা কৰি, সেইবাবেই তেওঁলোকৰ কবৰস্থানলৈ এটা টান থাকে বাবে অহা-যোৱা কৰি থাকে। মই নিজে ইমান মৰিশালীৰ মাজত আগেয়ে কেতিয়াও সোমোৱা নাছিলো। এনেবিলাক ঠাইত সোমালে মানুহৰ মনৰ ভাব পবিত্ৰ হয়। যদিও বহুত দিনৰ আগৰ পৰাই ইয়াত বাচি বাচি দিয়া কবৰেৰে ভৰি আছে আৰু চোৱা মানুহ, আৰু গীৰ্জাত প্ৰাৰ্থনা কৰা মানুহ বহুত আছে

তথাপি যেন মহা নিজান আৰু গহীন। গীৰ্জাৰ বেদীত বৰ সুন্দৰ এখন কাপোৰ পৰা আছে। আমাৰ গোসাঁই থাপনাত দিয়া কাপোৰৰ দৰেঁই এই গীৰ্জাবিলাকত একোখন কাপোৰ থাকে। বৰ শকত দীঘল মমবাতিবোৰ জ্বলাই থৈছে। ঘৰটো তিনিমহলীয়া, আমি এইবিলাককে ঘুৰি-পকি চাই মৃতকবিলাকৰ হৈ ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰি ওলাই আহিলো, আৰু তাৰপৰা ২॥ আঢ়ৈ বজাৰ পাছত হোটেল পালোহি। জুৱাই শঁতাই ৫ বজাত আমি যোৰহাট চাহ কোম্পানীৰ ডিৰেক্টৰ "লেঃ কৰ্ণেল ৰবাৰ্টচ (Lt. Colonel F. W. S. Roberts)ৰ তালৈ চাহৰ নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ ওলালো। তেওঁবিলাকৰ ঘৰটো লণ্ডনৰ ঘৰবিলাকৰ দৰেই। এটা ডাঙৰ পাঁচমহলীযা ঘৰ, মানে এই ঘৰৰ ভিতৰত ভাগে ভাগে (Flats) মানুহে লোৱা কোঠালিবোৰ গোট খুৱাই এটা ডাঙৰ ঘৰ কৰি থোৱা। তেওঁলোকৰ থকা ঠাইখনৰ নাম "কেড'গান্ প্লেচ্" (Cadogan Place) তেওঁলোকক গৈ লগ পালো। লৰাছোৱালী হাল "টেলিভিচনৰ" ছবি চাই বহি আছে। আৰু আসামৰ বাগিছাত কাম কৰা এজন ভদ্ৰলোকো বহি আছে। "ৰবাৰ্টচ"ৰ পত্নীক মই "এইটো ঘৰ তোমালোকৰ নে?" বুলি সোধাত তেওঁ কলে "এইটো আমাৰ হয়াৰ ঘৰ আমাৰ গাৱঁতো এটা ঘৰ আছে, আমি মাজে মাজে তাত থাকোঁগৈ"।

সকলো ইংৰাজ মানুহেই খেতি-পথাৰ আৰু গাৱঁৰ ঘৰ ভাল পায়, এজন ইংৰাজ ভদ্ৰলোকে আমাক কৈছিল "বুঢ়াকালত এখন পামত ঘৰবাৰী সাজি খেতি-পথাৰ কৰোৱাটোৱেই আমাৰ ইংৰাজ জাতিটোৰ এটা সপোন", গাৱঁৰ ঘৰ থকাটো তেওঁলোকৰ গৌৰৱৰ কথা!

"ৰবাৰ্টচ"ৰ পত্নীয়ে ডিঙ্গিত অসমীয়া মণিধাৰৰ সমান ডাঙৰ এধাৰ সোণৰ মণি পিন্ধি আছে, মই দেখাত এওঁলোকেও কম অলঙ্কাৰ

ব্যৱহাৰ নকৰে। অলঙ্কাৰত চকুও দিয়ে, হেপাহ আমাৰদৰেই, কম নহয়।

সি যি কিনহওক আমি চাহ খাই কথা বতৰাতে ৰাতি ভালেখিনি হৈ গ'ল, তেওঁলোকৰ ঘৰ দেখুৱালে, কামকৰা ছোৱালী এজনী দেখিলো। এওঁলোকৰ ঘৰবাৰীত আমি আটাইতকৈ চাবলগীয়া এইটোৱে যে সকলো অতি পৰিষ্কাৰ পৰিচ্ছন্ন, ঘৰবোৰ দৰকাৰী বস্তু আৰু কম বস্তুৰে সজোৱা, সকলো কাম চমুৱাই কৰিব পৰা বৰি লয়। ৰাতি তেওঁলোকৰ পৰা বিদায় লৈ হোটেললৈ উলটি আহিলো।

২৮ অক্তোবৰ লণ্ডন।

আজি বন্ধ দিন। দোকান বজাৰ সকলো বন্ধ বাবে আজি আমি মটৰ গাড়ীৰেই এখন ঠাই চাই আহিবৰ মন কৰিলো। আজি বতৰটো ব ভাল। আমি ৯ বজাত চাহ খোৱাৰ পাছত শ্ৰীসত্যেন দত্ত থকা হোটেললৈ ওলাই গ'লো, আৰু তেওঁলোককো লগতলৈ আমি চাৰে এঘাৰটাৰ পাছত লণ্ডনৰ পৰা ৬৫ পয়ষষ্ঠি মাইল দূৰৈৰ "ইষ্টবৰ্ণ" (Eastbourne) নামৰ ঠাই (সাগৰৰ পাৰত) লৈ যাত্ৰা কৰিলো। গাৰ্ড়ীৰ মাজৰ বহল বাট আৰু শৰৎ কালৰ সুন্দৰ দৃশ্য চাই লাহে লাহে যাবলৈ ধৰিলো। প্ৰায় চল্লিশ মাইল মান যোৱাৰ পাছত গাৰ্ড়ীৰ এটা সৰু হোটেলত দুপৰীয়াৰ আহাৰৰ কাৰণে সোমালো, সৰু হোটেল যদিও খোৱা বস্তুখিনি ভাল আছিল। এই হোটেলতহে এজন ডেকা ল'ৰাহে খাবলৈ আনি দিছিল। অন্য হোটেলত আমি ছোৱালীৰ বাহিৰে ল'ৰাই দিয়া এতিয়ালৈকে পোৱা নাই। হোটেলটিত মাত্ৰ পোন্ধৰ জনহে খাব পৰা ঠাই আছে, কিন্তু ঠাই উদং হ'বলৈ পোৱা নাই। আহি আহি মানুহে খাই গৈ আছে, কিছুদিনৰ পাছত যে ই এটা ডাঙৰ হোটেল হ'বগৈ বেচ বুজিব পাৰি। খাই বৈ আকৌ যাত্ৰা,

বাটতে দুই এঠাইত গাড়ী ৰখাই ফ'টো লোৱা হ'ল, আমি প্ৰায় তিনি বজাৰ সময়ত "ইষ্টবৰ্ণ" সাগৰৰ পাৰ পালোগৈ। ইয়াৰ ঘৰবোৰ চাৰি পাঁচ মহলা, পিচে চাফচিকুণ। লণ্ডনত বহুত কল কাৰখানা থকাৰ কাৰণে ঘৰ বিলাকত সোনকালে ধোঁৱাৰ চাট লাগে; সেই



ইষ্টবৰ্ণৰ সাগৰৰ পাৰত শ্ৰীমতী পি ডি দত্ত আৰু আমি

কাৰণে লণ্ডনৰ ঘৰৰ বাহিৰবোৰ পৰিষ্কাৰ নহয়। কিন্তু ই হৈছে সাগৰৰ পাৰ, ইয়াত তেনে ধোঁৱাৰ চাটপৰা ঘৰ ক'তো দেখা নাই। সাগৰৰ পাৰে পাৰে ৰং বেৰং বিজুলী চাকিবোৰ মালাধাৰৰ দৰে গাঁঠি থৈছে। ইয়াত সাগৰৰ বৰণ কলপতীয়া, ঢৌবে ঢপ্ঢপাই আছে। দূৰৈত কেবাখনো জাহাজ দেখিলো। বহুত মানুহে পানীত নামি গৈ শামুক বুটলি ফুৰিছে। শামুক কেইটামান আনিবলৈ মোৰো মন গৈছিল, পিচে নামিবলৈ সাহ নহ'ল, বৰ চেচা আৰু সোঁত। সাগৰৰ পানীৰ ওপৰত সজা "ক্লাব" ঘৰ, খেলঘৰ, আৰু নাচকৰা ঘৰ চাবলগীয়া, বাৰাণ্ডাবিলাকত বহিবলৈ সুবিধা কৰি থৈছে, বাটিয়ে কাষৰে নানা তৰহৰ ফুলবিলাক। এঠাইত "বেণ্ড" বাজনা

হৈছে ; বহুত মানুহে বহি চাই আছে। হাত জোকাৰি থকা "বেণ্ড" মাষ্টাৰজনক হে চাবলৈ ভাল লাগিল, তেওঁৰ বেচ গা উঠিছে! গানৰ চেৱে-চেৱে নচাই নাচিছে, স্ফূৰ্ত্তি কৰাই স্ফূৰ্ত্তি কৰিছে, মই এইবোৰ গান গতৰ অৰ্থ নাপাওঁ শ্ৰীযুত মিত্ৰদেব মহন্তদেৱে পুথিত লিখা কথাষাৰৰ দৰে

"ঢোলোক্ ঢোল্ তবলা খোল
ভোৰ তালৰ উঠে ৰোল।
বুজা বোৰে বুজে মোল
নুবুজা বোৰৰ জোঠা ভুল॥"

গি ৬ওক শুনি আৰু চাই ভাল লাগে। সাগৰৰ ওপৰত গঙ্গা চিলনী (Sea gull) বিলাক জাকে জাকে উৰি ফুৰিছে। আমি খেলঘৰ বিলাকত সোমালো, ইযাত বহুত ৰকমৰ খেল আছে ; লৰাবপৰা বাপলৈকে খেলিব পৰা। কিছুমান খেল পইচা ভৰাই দিলেই নিজে নিজে কামবোৰ কৰি যায। এটা সাজি থোৱা মানুহৰ ওচৰত "ভবিষ্যত কব পাৰে" (Fortune teller) বুলি লিখা আছে, ফুটা এটাই একপেনি পইচা ভৰাই দিলতে মানুহটোৱে কাণ মূৰ জোকাৰি উঠিল ; চকু ঘূৰবালৈ ধৰিলে, মুখখনো ইহাৰ দৰে মেলিবলৈ ধৰিলে লগে লগে হাতেৰে বাজনাও এখন বজালে, তাৰ পাছত এটা ছপা কাৰ্ড সৰি পৰিল, আৰু তেৰোঁ আগৰ দৰে থব হ'ল, কাৰ্ডখনত কিবাকিবি ভবিষ্যতৰ কথা লিখি থোৱা। খেলবোৰ প্ৰায় এনেকুৱাই। এখন মেজৰ ওচৰত আমি বহুত মানুহৰ মাজত বহিছিলো, খেলত জিকিলে একোটা বস্তু পায। আমি খেলটো নজনাৰ কাৰণে, আৰু ৰোধকৰো বিদেশী মানুহ বুলি জানি দুজন খেলৰ মানুহ আমাৰ ওচৰতে ঠিয় হৈ খেল শিকাই দিছিল, আমি দুবাৰমান খেলিলো, পিচে একোৱেই নাপালো। এই বিলাককে চাই ফুৰোতে গধূলি হৈ

আহিল, এতিয়া সাগৰৰ পাৰৰ নানা ৰঙৰ বিজুলী চাকিবোৰ জ্বলিল ; দূৰৈৰ সক সক কৈ দেখা সাগৰৰ জাহাজ বিলাকতো চাকি দেখিবলৈ পালো। আমি আজি লণ্ডন পাওঁতে বহুত ৰাতি হবগৈ বাবে গধূলীৰ আহাৰ ইয়াৰ এটা হোটেলতে খাই আজৰি হৈ যাবলৈ ভাবিলো, আৰু আমি মটৰেৰে এটা হোটেললৈ গ'লো, হোটেলৰ প্ৰত্যেক মেজৰ চিগাৰেটৰ চাই পেলোৱাটো একোচটা সাগৰৰ শামুক, দেখিবলৈ বৰ ভাল। আমি খোৱাৰ পাছত তাৰপৰা উলটিলো, ৰাতি আহি আমাৰ হোটেল পালোহি। লণ্ডন নিসাৰ-সাৰ। মানুহ শুই নিঃপালি দিলে। আমাৰ হাতত থকা হোটেলৰ চাবিৰে দুৱাৰখন মেলি আমি ভিতৰ সোমালো।

২৯ অক্টোবৰ লণ্ডন।

আজি ৰাতিপুৱা দহমান বজাত আমি ৰাজকাৰেং আৰু বিশিষ্ট ঠাইত থকা প্ৰহৰী বদলি কৰা কামখিনি "হোৱাইট্ হল"ৰ "হৰচ গাৰ্ডচ্ বিল্ডিং"ৎত চাবলৈ গলো। ইযাত সপ্তাহত এদিন গাৰ্ড বদলীৰ কামখিনি কৰে। বাকি কেইটা দিন বাকিহাম পেলেচৰ (ৰাজকাৰেং) আগত হয়। প্ৰত্যেক দিনেই এই গাৰ্ড বদলিৰ "কুচ কাওৱাজ" হয়। প্ৰথমেই কিছুমান ৰঙা দীঘল চোলা হাত সোণোৱালী কাম কৰা আৰু মূৰত নোমৰ ক'লা দীঘল টুপী (Bearskin)ৰে কিছুমান প্ৰহৰী হাতত তৰোৱাল লৈ মুখামুখিকৈ ঠিয হয়, আৰু তেওঁলোকৰ নিযম কিবাকিবি কৰে আৰু খোজ দি দপ্‌দপাই ফুৰে। তাৰ পাছতে আহে এটা "বেণ্ড"ৰ দল, কেনোবা এটা বাটৰে আহে (এই দলটোক "ক'ল্ডষ্ট্ৰিম্ গাৰ্ড" (Coldstream Guard) বোলে) আৰু "বেণ্ড" বজাই বজাই

দুৱাৰেদি (Gate) সোমাই যায়। গৈ শাৰীপাতি এটি এটিকৈ ঠিয় হয়। তাৰ অলপ পাছতে আৰু এটা ডাঙৰ বাজনাৰে বেণ্ড বজাই দল এটি আন ফালৰ দুৱাৰে (Gate) সোমাই আহে, আৰু নিজৰ



"হোৱাইট্ হল"ৰ "হৰচ্ গাৰ্ডচ্ বিল্ডিং"ৰ আগত আমি

ঠাই লয়গৈ। তাৰ পাছতে এটা অশ্বাৰোহী সৈন্যৰ দল খট্‌খটাই আহে আৰু তাতে যোগ দিয়েহি। এই কামবিলাক খুব শৃঙ্খলাৰে হয়, আৰু কিছু সময়ো লাগে, তেওঁলোকৰ বহুত নিয়ম আছে, সেইবিলাক কৰে, "মাৰ্চ" কৰে চেলাম দিয়ে একোটা চিএৰ মাৰে আৰু মাজে মাজে "বেণ্ড" বজাই থাকে। বহুত মানুহ এই প্ৰহৰী বদলোৱা কাম চাবলৈ যায়।

আমি এতিয়ালৈকে আমাক কোনোবাই বিদেশী বুলি অন্য ভাবেৰে চোৱা বা কোনো ৰকম অসম্মানজনক ব্যৱহাৰ অকণো ক'তো পোৱা নাই! সকলোতে আমি আনৰ দৰেই ব্যৱহাৰ পাইছো। আজি যি ঠাইলৈ দৰ্শকসকলক যাবলৈ দিয়া নাছিল, পুলিচ পহৰা দি আছিল;

বৰুৱাই ফ'ট লোৱাৰ কথা ক'লতে তেখেতক যাবলৈ দিছিল, অৱশ্যে আৰু বহুতো ফ'ট লোৱা দৰ্শক আছিল তেওঁলোকে সোধাও নাছিল আগৰ পৰা গৈ ফ'ট লোৱাও নাছিল ; আমাক বিদেশী বুলি জানিয়েই, বোধকৰোঁ এই সুবিধা দিছিল। এইবিলাক চোৱাৰ পাছত আমি হোটেললৈ ঘূৰিলো। দুপৰীয়াৰ আহাৰ খোৱাৰ পাছত "এলবাৰ্ট হল" (Albert Hall) আৰু "এলবাৰ্ট মেমৰিয়েল" (Albert Memorial) চাবলৈ ওলালো। ইয়াৰ বাটত মটৰ গাড়ীৰে সোনকালে যাব নোৱাৰি ; তথাপিও ইয়াঁৰ মানুহবিলাকে যে ঠিক ঘড়ীৰ সময় লৈ কাম চলায় এইটোৱেই ভাবিবলগীয়া, যিমান সময়ত দৰকাৰ থাকে তালৈ হাতত সময় ৰাখিহে বাটলৈ ওলায়! মটৰ গাড়ীবোৰ লানি লাগি পকৱাৰ দৰে পিৰপিৰাই ফুৰা যেন দেখি। ক'তো "হৰ্ণ" বজোৱাৰ শব্দ নাই ; গাড়ীৰ ঘৰঘৰণীও নাই। মটৰ গাড়ীবোৰ মজলীয়া ধৰণৰ, ডাঙৰ গাড়ী ইয়াত বেচি নাই। বাটৰ মাজে মাজে পুলিচৰ হাতৰ ঠাৰত দহ মিনিটমানৰ ভিতৰত মটৰ গাড়ীবোৰ এমাইলমান দীঘল শাৰী হৈ পৰে, ৰঙা বিজুলী চাকি (Traffic Light Signal)ও বাটত ওলাই গাড়ী ৰখায়, দীঘল বাটত এই ৰঙা চাকী বৰ ঘন ঘন। আমি মটৰ, বাচ চলাচলৰ এটা "মুভি" ফ'ট (Movie Photograph) লৈ গৈ "এলবাৰ্ট মেম'ৰিয়েল" পালোগৈ। এলবাৰ্টৰ এইটো স্মৃতি চিন। এই "মেম'ৰিয়েল" বৰ ওখ আৰু মাজতে ক'লা শিলৰ "এলবাৰ্ট"ৰ মূৰ্ত্তি বহুৱাই থৈছে। ইয়াৰ চাৰিওফালৰ ভেটাৰ চুকে চুকে ইংৰাজে জয় কৰা দেশবিলাকৰ চিন থকা মূৰ্ত্তিবিলাক যেনে ভাৰতৰ ওৰণীলোৱা মহিলা এগৰাকী, এটা হাতী, আৰু এজন ভাৰতীয় ৰজাৰ মূৰ্ত্তি ; আফ্রিকাৰো তেনেকৈয়ে উট আৰু আৰৱ মানুহৰ মূৰ্ত্তি, এইদৰেই দেশে দেশে চিনবিলাক সাজি থোৱা আছে। ইয়ালৈকো ফুৰাবলৈ কিছুমান স্কুলৰ লৰা অনা দেখিলো। ইয়াৰ

পাছত আমি "এলবার্ট হল" চাবলৈ গ'লো। এই ঘৰটোৰ বাহিৰে বেৰত কিছুমান ছবি আঁকি থোৱা আছে, ঘৰটো চাকোলা, দ'লৰ আকৃতিৰ। ইয়াত মাজে মাজে গান-বাজনা হয়। ইয়াকে চাই আমি তাৰপৰা হোটেললৈ ঘূৰি আহিলো।

গধূলি আমি "লণ্ডন কেচিন" (London Casino)ত এটা "হৰেকৰকম দৃশ্য" (Variety Show) চাবলৈ গ'লো। "হল"টো বেচ ডাঙৰেই ; দৰ্শক হে গোটেই ঘৰ ভৰা নেদেখিলো। ইযাত বিজুলী চাকি "চিন" (দৃশ্যপট) বিলাকৰ জাকজমক বৰ বেচি। একোটা বিজুলী চাকিৰ পোহৰে ভাৱৰীয়াৰ মুখ আৰু হাতৰ ৰঙো বেলেগ কৰি দেখুৱায়। পোচাকবিলাকো বৰ দামী। বহুত ৰকমৰ দৃশ্য দেখুৱালে, ফুচুৰি ভাবো ওলালে, পুতলাৰ নাচো দেখুৱালে। "লেটিন কোৱার্টাৰ (Latin-Quarter) নামৰ এটি সৰু অভিনয় কৰিও দেখুৱাইছে। ইযাত আগৰ দিনত ইউৰোপত হোৱা ঘটনা, নাচ, গান, সুৰাপান আদিৰ চিনবিলাক আৰু আগৰ দিনৰ শিল্পীয়ে সাজিথোৱা বিখ্যাত মূৰ্ত্তি কিছুমান গাভৰু ছোৱালীবিলাকেই ঠৈ ঠৈ দেখুৱাইছে। ইয়াৰে কিছুমান দৃশ্য মই ভাল নেদেখিলো। থিয়েটাৰৰ বাজনা বাহিৰতে বজায়, শেষ হওঁতে সকলো ভাৱৰীয়া-ভাৱৰীযাণী ওলাই দেখা দিলে ; মুগ্ধ দৰ্শকে ভাৱৰীযা-ভাৱৰীযাণীলৈ কিছুমান ফুলৰ টোৰা দলিয়ালে। দৰ্শকবিলাকৰ ভিতৰত অকণো হাই-উৰুমি নাই ; কিন্তু মাজে মাজে বজাই থকা চাপৰীৰ ডাউৰীত হে কাণ তাল মৰায়।

ইয়াৰ পৰা, শেষ হলত হোটেললৈ ঘূৰি গ'লো।

## কলচেষ্টাৰ আৰু কেম্ব্ৰিজ

৩০ অক্টোবৰ

আজি দুপৰীয়া আহাৰৰ পাছত বকৰাৰ ভাৰতৰ ৰাষ্ট্ৰদূত (High Commissioner)ক লগ পাবলগা থকাত আমি "ইণ্ডিয়া হাউচ" লৈ ওলালো। আমি আমাৰ এজন বন্ধু মিঃ নিকলচ (Mr. E. J. Nicholls, C. B. E.)ৰ তালৈ যোবাৰ বন্দবস্তু আছে। ৰাতিপুৱা আমি আমাৰ বাকচ কাপোৰ আদি ঠিক্ কৰি থৈছিলো, এতিয়া লগত এটা বাকচ ললো, বাকী মাল বস্তু হোটেলৰ মালিকজনৰ হাতত দিলো, কাৰণ আমি তাত দুৰাতি থাকিম। দুপৰীয়া বন্ধবস্তু কৰি থোৱামাতে তেওঁ আহি "ইণ্ডিয়া হাউচ"ৰ পদুলিৰ পৰা আমাক লিভাৰপুল ষ্টেচনলৈ নিলে। তযাত আমি ৰেলত উঠি পঞ্চাশ মাইল বাট ৰেল গাড়ীৰে তেওঁৰ তালৈ ৰাৱনা হ'লো। এই ৰেলগাড়ীখন কয়লাৰে চলোৱা। আৰু পঞ্চাশ মাইল ঠাই চাই যাব পৰা মোৰ ভাগ্যত ঘটিল। মোলৈ তেওঁখেতে এটা ছবিৰ কিতাপ আনি চাই যাবলৈ দিলে, এইবিলাক ছবিৰ কিতাপ আমাৰ ভাতো চাবলৈ পাওঁ, ভদ্ৰতাৰ খাতিৰত কিতাপখন ললো যদিও মোৰ অৱস্থা "বহা ভাতৰ পাটত, চকু আলিবাটত", বগলীৰ ফাকিৰ দৰে হ'ল, চকু মোৰ বাহিৰত। গাওঁ-ভূঁই খেতি-পথাৰবোৰ চাই যাবলৈ ধৰিলো। লণ্ডনৰ বাহিৰৰ বাটবিলাকত কিছুমান মটৰ গাড়ীৰ পিছফালে লগাই লোৱা একোটা ঘৰৰ দৰে "কেৰাভান (Caravan) মাজে মাজে দেখিবলৈ পালোঁ। ইঠাই, সিঠাইলৈ যোৱা মানুহৰ, তাতে ৰন্ধা বঢ়াৰ আৰু শোৱাৰ সকলো বন্ধবস্তু আছে"। এইদৰেই আমি গৈ গধূলি "ক'লচেষ্টাৰ" (Colchester) নগৰৰ ষ্টেচন পালোগৈ। ইযাতে ৰাতিপুৱা এৰি থৈ যোৱা তেওঁৰ গাড়ীত উঠি তেওঁৰ গাৰঁৰ ঘৰ পালোগৈ। তেওঁ ইযাৰ পৰা দিনো লণ্ডনলৈ এইদৰেই অহা-যোৱা কৰি আন

কাম চলায়। ইয়াত তেওঁৰ এখন ডাঙৰ পাম (Farm) আৰু বাগিছা আছে। আমি ৬॥ চাৰে ছয় বজাত তেওঁৰ ঘৰ পালোগৈ, ৰাতিয়েই হ'ল। তেখেতৰ গৃহিণীয়ে আমাক নিচেই আপোন মানুহৰ দৰে ব্যৱহাৰ কৰিলে। বৰ সাদৰী মানুহ গৰাকী! ঘৰটো মজলীয়া, দুই মহলা, অতি পৰিষ্কাৰ আৰু যত্ন কৰি ৰখা। ঘৰটোত আসামৰ পৰা নিয়া এটা টুপ্ লগোৱা "সৰুদৈয়া" জাপি থৈছে। এখন বৰ কাঁহী থৈছে, ব্ৰহ্ম (Burma) দেশৰ পৰা নিয়া এটা ডাঙৰ কাঁহৰ জপাও ঘৰৰ আগবাৰাণ্ডাতে থোৱা আছে। ঘৰত দুটা কুকুৰ লৈ এওঁলোক দুয়ো থাকে। এটি পুতেক বিয়া কৰাই কিছু দূৰত এটি সৰু ঘৰ লৈ আছে, এটিযে কলিকতাত কাম কৰে, সৰু লৰাটি "কেম্‌ব্ৰিজ"ৰ কলেজত পঢ়ে। ৰাতি আমাৰ খোৱাৰ পাছত তেওঁৰ ৰান্ধনী আৰু আন এজনী চাকৰণী ছোৱালী, ঘৰলৈ গলগৈ, আকৌ ৰাতিপুৱাই আহি কামত লাগিবহি। খোৱা-বোৱাৰ বিষয়ে আগতেই আমাৰ কোৱা আছিল, আৰু সেই মতেই দিছিল। ৰাতি খোৱাৰ পাছত মই তেওঁলোকৰ ৰান্ধনী ঘৰটো চালো। তাত ক'ক (Coke) কয়লাৰে ৰন্ধা-বঢ়া কৰা এটা ডাঙৰ লোহাৰ চৌকা আছে, ইলেক্‌ট্ৰিকৰ চৌকাও দেখিলো। এওঁলোকৰ ৰন্ধা-বঢ়া কৰাৰ কোনো কষ্ট নাই। জুইৰো কোনো আহুকাল নাই, বন্ধাবিলাকো বেচি যত্ন কৰিব নলগা, আৰু ৰান্ধনী ঘৰবিলাকো ঘৰৰে একোটা কোঠালি। এইবিলাক দেখি ভাবিলো আমাৰ দেশত এনেকুৱা সুবিধা থকাহেতেন আমি নানাৰকমৰ ৰান্ধি বাঢ়িও আন বহুত কাম কৰিবলৈ সময় কৰিব পাৰিলোহেতেন। লাহে লাহে দেশৰ উন্নতিৰ লগে লগে আমাৰ দেশতো এনে সুবিধা হব বুলি আমি আশা কৰি আছোঁ। খোৱাৰ পাছত বহা কোঠালিতে বহি আমাৰ দেশৰ কথা বহুত পতা হ'ল। মিঃ নিকলচ বহুত বছৰ আসামত আছিল, আমাৰ বহুত মানুহক চিনি পাই।

৩১ অক্টোবৰ　　　　　ক'লচেস্টাৰ।

ৰাতিপুৱাতে উঠিলো, আজি আকৌ ইয়াত কুকুৰাৰ ডাক শুনিবলৈ পালো। গা ধুই ৮ আঠ বজাতে ৰাতিপুৱাৰ আহাৰ খালো, খাই উঠি তেওঁৰ ফুলনি-বাৰী আৰু আপেল, বাৰ্লি আৰু ঘেঁহুৰ বাগিচা চালো, এইবিলাক খেতি তেওঁৰ ২৫০ দুশ পঞ্চাশ একৰ মাটিত আছে। জোক জেলুক, সাপ, পোক, পৰুৱা নোহোৱা ঠাই! গুচৰৰ তেওঁৰ হাবিত ডৰিক চৰাই আছে, দূৰৈৰ পৰা আমাক দেখুৱালে, ডৰিক ইয়াৰ গুচৰৰ বজাৰতো হেনো বিক্ৰী হয়। বাগিচাখন অলপ চোৱাৰ পাছত তেওঁৰ কলঘৰলৈ গৈ কলকজাবিলাক চালো। কিছুমান বগা বীট জমা কৰি গৈছে। এই বগা বীটৰ পৰা চেনি তৈয়াৰ হয় আৰু বীট চেনিহে ইংলণ্ডত ব্যৱহাৰ হয়। আপেলবোৰ দিনে ইয়াৰ পৰা বাকচ ভৰাই ভৰাই বিক্ৰীলৈ পঠায়। কলবিলাক হৈছে আপেল ডাঙৰ সৰু বচা, বিট খুন্দা, ঘেহুবাৰ্লি আদি গুড়ি কৰা; আৰু চৰাই খেদোৱাও এটা কল আছে, সি ধুপ-ধাপ শব্দ কৰি থাকে। হালবোৱা মাটি মইযোৱাও কল কেইটামান আছে। এইবিলাক চোৱা হ'লত আমাক "কলচেষ্টাৰ" নগৰখন দেখুৱাবলৈ মটৰ গাড়ীৰে নিলে। নগৰত কিছুমান অতি পুৰণি ঘৰ এতিয়াও খুব যত্ন কৰি ৰখা দেখিলো, পুৰণি গীৰ্জা কেইটামানো দেখিলো। তেখেতে কলে "এইখন বৰ পুৰণি ঠাই"। ৰোমানবিলাকে সজা এটা দুৰ্গও আছে। বজাৰ দোকান আদি চাই আমি ১১ এঘাৰ বজাৰ পাছত ঘূৰি তেওঁৰ ঘৰলৈ আহিলো। এতিয়া ফুলনিত তেওঁৰ মালীযে কাম কৰিছে। ঘৰটো আৰু ডুকুনী-মানে সৰাকে সাৰিছে, মচাকে মচিছে। ফুলনিখনৰ এদাঁতিয়ে এটা আইনাৰ ঘৰ সাজি তাত চাহ গছ ৰুইছে, আৰু আমাৰ তাৰ পৰা অনা তৰুৱা কদমৰ গুটিও নি বৰ যত্নৰে গছ কৰিবলৈ চেষ্টা কৰিছে। অকণ অকণ পুলি হৈছে যদিও তাৰ চেহেৰা ভাল নেদেখিলো।

১১॥ চাৰে এঘাৰটাৰ পাছত আমি আৰু তেওঁলোক চাৰিউ কেম্‌ব্ৰিজলৈ যাত্ৰা কৰিলো। কেম্‌ব্ৰিজ ইযাৰ পৰা ৫০ পঞ্চাচ মাইল দূৰ, বাট ভাল, ঘৰ-বাৰী, গছ-গছনি, গাওঁবিলাক দেখি গৈছো। তেওঁলোকে আমাক ৰঙচুৱা বিচ্ (Beech) গছবোৰ আঙুলিয়াই দেখুৱাই গৈছে, সঁচাকৈয়ে এতিয়া এই গছৰ ৰং দেখিবলৈ বৰ ভাল হৈছে। তেওঁবিলাকে ঠাই-বিলাকৰ কথা সকলো বুজাই বুজাই গৈছে। আমি কেমব্ৰিজ পালোগৈ, আৰু প্ৰথমেই এটা হোটেললৈ গলো, ইযাতে তেখেতসকলৰ পুতেক ডেভিদ আৰু গোৰহাটৰ আমাৰ ওচৰচুবুৰীয়া শ্ৰীদীননাথ বৰুৱাক লগ পালো। বৰুৱাক লগ পাই বৰ ভাল পালো। ইযাতে আমি ৬ ছজনে একেলগে খালো, আৰু আটাইবিনিয়ে মিলি কেম্‌ব্ৰিজ বিশ্ববিদ্যালয় চাবলৈ গ'লো। প্ৰসিদ্ধ "কিং চ কলেজ" (Kings College) চাবলগীয়া, ৬০০ ছশ বছৰৰ আগতে এই কলেজ স্থাপন কৰা। ভিতৰৰ বেৰৰ ওপৰত আগৰ বিখ্যাত বক্তা-প্ৰাণীৰ ছবিবিলাক ৰঙীন আইনা (Stained Glass)ৰে কৰি থোৱা আছে, বৰ সুন্দৰ। এই ছবিৰ আইনাবোৰ যুদ্ধৰ সময়ত নষ্ট হয় বুলি আন দেশলৈ বোলে পঠাই দিছিল, এতিয়াতে আকৌ আনি তেনে লগাইছে। "কিংচ কলেজৰ গীৰ্জা"ও আছে। গীৰ্জাৰ বেদী পতা আছে। প্ৰত্যেক কলেজতে এটা "চেপেল্ (Chapel) বা গীৰ্জা আছে, কাৰণ অতীজতে এই শিক্ষাৰ কেন্দ্ৰবিলাক প্ৰায়েই "মনেষ্টেৰী" (Monastery) বা ধৰ্ম্মযাজকসকলৰ আশ্ৰম বা সত্ৰৰ নিচিনা আছিল। এই কথা ভাবিলে আমাৰ আগৰ ঋষি মুনিসকলৰ আশ্ৰমৰ কথা মনত পৰে, আমাৰো সেই আশ্ৰমবিলাক তেতিযাৰ শিক্ষাৰ কেন্দ্ৰ আছিল। "কিং চ কলেজ"ৰ গীৰ্জাৰ ভিতৰত বিখ্যাত লিখক কেবাজনৰো কবৰ আৰু তাৰ ওপৰত তেওঁলোকৰ মূৰ্ত্তি বগা শিলেৰে কৰি থোৱা আছে। এই ঘৰৰ ওপৰৰ চাটুখনো নানান্ কাৰুকাৰ্য্য কৰা। "কিং চ" আৰু "কুইনচ্" কলেজৰ

দাঁতিয়েদি "কেম্" (Cam) নৈখন বৈ গৈছে। "কেম্" নৈখন ডাঙৰ নৈ নহয়। ডাঙৰ এটা জানৰ সমান। ইয়াত বনৰীয়া হাঁহ কিছুমান উৰি উৰি পৰাহি দেখিলো, মানুহলৈ অলপো ভয় নকৰে।



কেম নৈৰ পাৰত নিকলচ পৰিয়ালৰ সৈতে লিখক

ছাত্ৰবিলাকে কেবা ৰকমৰো "গাউন" পিন্ধি ফুৰিছে, ইয়াৰ ছাত্ৰবোৰক গ্ৰেজুৱেট্ নহয় মানে মটৰ গাড়ীত উঠিবলৈ নিদিয়ে বাবে ইয়াত চাইকেল বৰ বেচি, চাইকেলৰ দোকানো বেচি। বাকী কলেজৰ ভিতৰত "ক্ৰাইষ্টচ্ কলেজ" (Christs-College) লৈ গ'লো, এই কলেজত ডেভিদ্ পঢ়ে। মহাকবি "মিলটন" (Milton) তেনো এই কলেজতে পঢ়িছিল তেওঁৰ থকা ঠাইডোখৰো ডেভিদে আমাক দেখুৱালে। ইয়াৰ পাছত আমি বিখ্যাত "ট্ৰিনিটি কলেজ" (Trinity College) লৈ গ'লো। এই কলেজতে ৰজা ৬ষ্ঠ জৰ্জ্জে পঢ়িছিল। এই কলেজ চাই "মডেলেন্ কলেজ" (Magdelene College) দেখিবলৈ পালো, তাৰ পাছত মটৰ গাড়ীৰে নগৰখন চোৱা হ'ল। কেম নৈৰ পাৰৰ কিছুমান ঠাই অতি পুৰণি ডাঙৰ গছ-গছনিৰে ভৰা

দেখিলে এখন আশ্ৰম যেন লাগে। কলেজৰ পিচফালৰ কেমনদীৰ পাৰৰ ঠাইডোখৰক "বেক্স" (Backs) বোলে বুলি ক'লে। ঠাইডোখৰ সঁচাকৈয়ে মনোৰম। কেমব্ৰিজত ফুৰিবলৈ অহা এটি চীনদেশৰ পৰিয়ালো লগ পালো। আমি হোটেললৈ গৈ আবেলিৰ চাহ খাই প্ৰায় ৬ ছটা বজাত কেমব্ৰিজ এৰিবলৈ ওলালো। শ্ৰীদীননাথ বৰুৱাৰ পৰাও আমি এইখিনিতে বিদায় ললো। মিঃ নিকলচৰ ল'ৰাটিয়েও বিদাই ললে, আজিৰৰ সময়ত মাকে পুতেকক কলে "আজি যেন তোমাক গধূলি ভাল আহাৰ দিয়ক" সেইষাৰকে শুনি বাপেকে মাত লগালে "আৰু সেইখিনি তোমাৰ জীণ যাওক", আকৌ মাকে কলে "ডেভিদ্ ভাল বাপেৰে ভাল চিন্তাই কৰে"। এওঁবিলাকে লৰাক মৰম কৰা দেখি মোৰো বহুত দূৰত থকা লৰাছোৱালী কেইটালৈ মনত পৰিল। সি যি হওক আমি এতিয়া কেমব্ৰিজ নগৰ এৰিলো, ৰাতি আহি তেওঁলোকৰ ঘৰ পালোহি। ৰাতিখোৱাৰ পাছত বহি কথা-বতৰা হওতে তেওঁলোকে সুধিলে "লণ্ডন কেনেকুৱা লাগিছে" গি যাৰ কথা আমাক লগপোৱা সকলোৱেই সুধিছিল, আমি "ভালেই লাগিছে" বুলি ক'লো। কি কি চোৱা হ'ল বুলি সোধাত তাকো কোৱা হ'ল, পিচে মই সিদিনাৰ "লণ্ডন কেচিন" (London Casino)ত দেখা কিছুমান ভাও ভাল নেদেখিলো বুলি কৈ পেলালো। আৰু শ্ৰীমতী নিকলচক সুধিলো "আপোনালোকে সেইবিলাক দৃশ্য ভাল পায়নে"? তেওঁ মোক উত্তৰ দিলে যে "মইয়ো নিজে সেইবোৰ পছন্দ নকৰো" তেতিয়া মিঃ নিকলচে মোক কলে যে "সেইবিলাক বিদেশী মানুহ, আমাৰ ইংলণ্ডৰ মানুহ নহয় আৰু এইটো লণ্ডনত ১৯৩৯ চনৰ পৰাহে চলাইছে, যোৱা মহাযুদ্ধৰ বিদেশী সৈন্যবিলাকৰ কাৰণে, আগৰ নহয়"। তাৰ পাছত তেওঁলোকে আন আন ভাল থিয়েটাৰ আদিৰ নাম কাগজত চাই মোক দিলে, আৰু

সেইবিলাক চাবলৈ অনুৰোধ কৰিলে। ৰাতি হ'লত বহাৰ পৰা আমি উঠিলো। তেওঁলোকৰ কুকুৰ দুটাও শুবলৈ গ'ল, সিহঁতৰ বিচনাখন ৰন্ধা ঘৰৰ চৌকাৰ ওচৰত ; বোধকৰো কোঠালিটো গৰম থাকে গুণে।

১ নবেম্বৰ ক'লচেস্টাৰ।

আজি ৰাতিপুৱা আহাৰ খাই উঠি আমি তেওঁলোকৰ ঘৰৰ পৰা আহিবলৈ ওলালো। তেওঁলোকে এটা বহী আনি দি আমাৰ নাম কেইটা তাত লিখি দিবলৈ কলে, আমি তাতে তেওঁলোকক ধন্যবাদ দি



কলচেষ্টাৰৰ ঘৰত নিকলচ দম্পতিৰে সৈতে লিখিক।

আমাৰ নাম লিখি দিলো, আমি আহি ইয়াত আলহী থকাৰ এইটোৱেই চিন থাকিল। আমি তেওঁলোকৰ পৰা বিদায় ললো, এওঁলোকে কৰা আদৰ-যত্ন আমি পাহৰিব নোৱাৰো। মটৰ গাৰীৰ পৰা দেখালৈকে তেওঁলোকে দুযোখন হাত জোকাৰি আমাক বিদায় দিছিল। আমি আকৌ সেইদৰেই ৰেলগাৰীত আহি দুপৰীয়া লণ্ডনৰ আমাৰ হোটেল

পালোহি। দুপৰীয়াৰ সাজ হোটেলতে খাই আমি শ্ৰীসত্যেন দত্ত থকা ঠাইলৈকে যুবিবলৈ ওলায় গ'লো। তাৰপৰা তেওঁলোকৰ লগতে গৈ মাছ, পশুৰ দোকানবোৰ চালো। লণ্ডনত বজাৰ দি মানুহ নবহে, দোকানে দোকানে শাক, পাচলি, মাছ, মাংস সদাই সজাই থোৱা থাকে। মাছ, মাংস ইযাত সোনকালে নেগেলে, মাখিৰো কোনো উপদ্ৰৱ নাই, কাৰণে মাছৰ দোকানত গুছাই বাচি মাছবোৰ সুন্দৰ কৰি সজাই থয, নানাৰকমৰ সাগৰৰ মাছ, শামুকো বিক্ৰী হয, শামুকবোৰ ফালি ফালি সজাই থয। ইয়াঁৰে কিছুমান শামুক (Oyster) কেচাই খায, খোৱা মানুহে খাবলৈ হেনো বৰ ভাল পায। ইযাত ৰান্ধনীৰ কোনো অসুবিধা নাই। এই মাছবোৰ কিনি নিয়েই ৰান্ধিব পাৰে, কুটা বচাৰ আহুকাল নাই। শহাপহু, হাঁহ, কুকুৰা আদি বখলিযাই শাৰী পাতি সজাই ওলোমাই থয, গোন্ধ ভাপ নাই! বস্তু বিক্ৰীকৰা মানুহৰ কোনো ডাঙৰ মাত শুনা নাই, কেৱল বাটৰ মাজে মাজে কাগজ বিক্ৰী কৰা মানুহৰ মাত হে অ'ত ত'ত মাজে মাজে শুনা যায। গাখীৰ ইযাত ঘৰে ঘৰে বটলত ভৰাই দি যায। গিৰিহঁতে গাখীৰ লৈ সুদা বটল পইচাৰে সৈতে হোটেলৰ বাহিৰত থৈ দিযাও দেখিলো।

আমি ক'লচেষ্টাৰলৈ যোৱাৰ আগদিনা মিঃ নিকলচৰ ঘৰত কামকৰা কৰ্ম্মচাৰী এগৰাকীৰ গিৰিযেক আৰু একেটি ১৭ সোতৰ বছৰীযা পুতেক লৰী খুন্দা খাই দুযো মৰিল বোলা শুনিবলৈ পাইছিলো, আজি লণ্ডনৰ কাগজত এই বাপেক পুতেক হালিৰ ছবিৰে সৈতে ঘটনাটো ওলাযছে, আমি এই ঘটনাটোৰ কথা শুনাৰ বাহিৰে এইকেইটা দিনত এদিনো ক'তো মৰা মানুহ নিযা দেখা নাই। কলিকতাত দিনটোত এটি নহয় এটি চকুত পৰেই। সকলোৱে কয় "কলিকতা মহানগৰী, তাত মৰা দেখা পাবই"। কিন্তু এইবোৰ দেশতো

লোকসংখ্যাতো কম নহয়। ইয়োতো এখন মহানগৰী, ইয়াৰ কাৰণ কি? ইয়াৰ মানুহে আয়ুষ দীঘল পায়, আৰু যথেষ্ট বয়সলৈকে চলা-ফুৰা কৰি ফুৰিব পাৰে। ইয়াত য'তে ত'তে বুঢ়া-বুঢ়ী মানুহ ফুৰা-চকা কৰি ফুৰা দেখিবলৈ পাইছো।

সি যি কি নহওক, আজি গোধূলিটো বাটে বাটে ঘূৰি ফুৰি ৰাতি হোটেললৈ ঘূৰি আহিলো।

২ নবেম্বৰ লণ্ডন।

আজি আগবেলা আমি শ্ৰীদেবেন্দ্ৰ দাস আৰু শ্ৰীসত্যেন্দ্ৰ দাসৰ সৈতে "চেইণ্ট্ পলচ্ কেঠিড্ৰেল" (St. Pauls Cathedral) চাবলৈ বুলি গ'লো। প্ৰথমে খোজকাঢ়ি, তাৰ পাছত সুৰঙ্গ ৰেলগাৰীত উঠি আকৌ খোজকাঢ়ি সেইখিনি ওলালোগৈ। এইটো এটা পুৰণি গীৰ্জা, আৰু কবৰস্থান; কাৰণ প্ৰসিদ্ধ মানুহক এনেবিলাক ভাল ঠাইত থয়, মাটিৰ তলৰ মহলটো কবৰেৰেই ভৰা, কবৰবিলাকৰ ওপৰেই খোজ চলাই যাব লাগে, ইয়াৰ কবৰ কিছুমান মাটিৰ সৈতে সমান কৰি নাম লিখি থৈছে, ওপৰত কোনো মূৰ্ত্তি নাই! কিছুমান ওখ ওখ কৰি সাজি থৈছে, নানান ৰকমৰ মূৰ্ত্তি। "নেলচন"ৰ কবৰটোৰেই আটাইতকৈ ডাঙৰ দেখিলো। কিছুমান কবৰত কোনোবাই ফুল দি গৈছেহি। শিলৰ মূৰ্ত্তিবিলাক কোনো কোনোটোত স্বৰ্গৰ পৰী আহি মৃতকক যেন ডাঙি ধৰিছে, কোনোটোত কবৰৰ ওপৰত কোনোবা পৰি কান্দি থকাৰ দৃশ্য, এনেবিধৰে বেজাৰৰ মূৰ্ত্তিৰ চিনবিলাক। এটা কবৰত ভাৰতবৰ্ষৰ এজন আগৰ শাসনকৰ্ত্তা ঠিয় হৈ

থকা মূৰ্ত্তি আছে, তেওঁৰ তলত ওৰণীলোৱা এগৰাকী ভাৰতীয় নাৰীমূৰ্ত্তি, এজন মালা ( ৰুদ্ৰাক্ষৰ ) পিন্ধা ফকিৰৰ ওপৰলৈ খোপা বন্ধা মূৰ্ত্তিও আছে। নানা ৰকমৰ ভাব থকা শিলৰ মূৰ্ত্তিবিলাক চাই অন্ত কৰিব নোৱাৰি। মাজৰ মহলৰ মাজত গীৰ্জাৰ বেদী আৰু ভকত বহা ঠাই। গীৰ্জাৰ অৰগেনটো টুং টাং কৰি বাজি আছে। সোণৰ শেনচৰাই থকা এটা খুটাৰ ওপৰত এখন "বাইবেল" শাস্ত্ৰ মেলা আছে এওঁলোকে ঠিয় হৈ পঢ়ে। নিমাত নিতাল মাৰি বহুত মানুহে এইবিলাক চাই ফুৰিছে। ইয়াৰ কবৰবিলাকি বৰ পুৰণি। ইমান দিনীয়া, মানুহৰ খোজৰ ঘঁহনিত মজিয়াখনৰ শিলো ক্ষয় গৈছে। যদিও ইয়াত মানুহ ভৰি আছে, তথাপি নিস্তব্ধ, উৰুঙ্গা। চুকে কাণে কবৰবোৰ, মোৰ কেনেবাখন লাগি যায়, অতি পুৰণি কালৰ ৰজা-ৰাণীৰ ভচৰাভচৰি কবৰৰ দাঁতিযেদি আমি ওলাই আহিলো, ক'লা শিলৰ ৰজা-ৰাণীৰ মূৰ্ত্তি তেতিয়াৰ দিনৰ পোছাকেৰে ওপৰত শুৱাই থোৱা আছে। ইয়াৰ পৰা আমি ওলাই আহিলো, আৰু এটা ভাৰতীয় হোটেললৈ খোজকাঢ়ি গলো, হোটেলৰ বাহিৰত এটা ভাৰতীয় দাৰোৱান সৰত পাগুৰি বান্ধি ঠিয় হৈ আছে। হোটেলটো চিলেটীয়া মানুহৰ, ইয়াৰে দুজনমান কৰ্ম্মচাৰীয়ে আমাৰ লগত কথা পাতিলেহি, কলে "আমিও অসমৰে আছিলো"। ইয়াত খোৱা ভাল, পিছে দামো ভাল। যি হওক ৰসগোল্লা, জিলাপি, দৈ আদিও পোৱা যায়। বহুত ইউৰোপীয়ানকো খোৱা দেখিলো। ভাৰতীয় মানুহো ভালেখিনি দেখিলো। আমি চাৰিও তাতে খাই বৈ তাৰপৰা খোজকাঢ়ি "ট্ৰেফেল্‌গাৰ স্কোয়াৰ" (Trafalgar-Square) লৈ আহিলো। এই ডোখৰ লণ্ডনৰ এডোখৰ বুৰঞ্জী-বিখ্যাত ঠাই। মুকলি, ফুৰিব পৰা, পানীৰ উঁই আৰু শিলৰ মূৰ্ত্তি আছে। ইয়াত বহুত পাৰ চৰাই আছে, পাৰক খুৱাবলৈ আহাৰ বিক্ৰী হয়, ইয়াত লৰাছোৱালী ভালেমান

গোট খায়। এই মুকলি ঠাইখিনিত বক্তৃতা আদি মাজে মাজে হয়, ইয়াত "নেলচন"ৰ এটা ডাঙৰ মূৰ্ত্তি আছে, আমি চাই ফুৰোঁতেই দেখিলো মূৰ্ত্তিৰ তলত ঠিয় হৈ এজন নেতাই বক্তৃতা আৰম্ভ কৰিলেহি। তেওঁৰ বক্তৃতা চলিয়েই আছে, মানুহৰ মনযোগ হে বৰ দেখা নাই।

"ট্ৰেফেল্‌গাৰ স্কোয়াৰ"ৰ পৰা আমি এটি চিত্ৰগৃহ "নেচনেল গেলেৰী" (National Gallery) চাবলৈ গলো। বহুত বছৰৰ আগতেই এই শিল্প প্ৰতিষ্ঠানটো সজাবলৈ বহুত শিল্পীয়ে আঁকি থৈ যোৱা ভালেমান ছবি উপহাৰ দি যায়, আৰু কোনো কোনো চহকী



লণ্ডনৰ বিখ্যাত নেচনেল গেলেৰী

মানুহে কিছুমান ছবি বহুত দামত কিনি ইয়াত দান কৰি প্ৰতিষ্ঠানটোও চহকী কৰি যায়। ইয়াত বিখ্যাত শিল্পীৰ ছবিবিলাকেই সজাই থোৱা আছে, বহুত দিনৰ আগৰ ছবিবোৰো আছে। একো একো গৰাকী সুন্দৰী গাভৰুৰ ছবি আজিও গাভৰু, যেন সজীৱ; শিল্পীজন কোন কালানিবাই বুঢ়া হৈ ঢুকাল। ছবিবিলাকত শিল্পীসকলৰ সেই ভাব

সেই ভাষা সোমাই আছে। যদিও শিল্পীসকল এতিয়া নাই। আমাৰে নিচিনা দেশ-বিদেশৰ যাত্ৰীবিলাক জাকে জাকে ঘূৰি এই ছবিবিলাক চাই ফুৰিছে, কিন্তু ভৰিৰ খোজ শব্দ নোহোৱাকৈ পেলাইছে, আৰু ফুচ-ফুচ কৰি কথা পাতি বৰ ভাব লৈ চাই ফুৰিছে। এই বিৰাট শিল্পানুষ্ঠানটো বহি ভাগৰ মাৰি মাৰি চাওঁতে ৫ পাঁচ বাজিবৰ হ'ল। আমি ভিতৰৰ পৰা ওলাই দাঁতিৰ এটা কোঠালিলৈ গ'লো, ইয়াত স· সৰু ছবিৰ কার্ড আৰু অলপ ডাঙৰ ছবি বিক্ৰী হয়। আমি দুখনমা· কার্ড ছবি কিনি ইয়াতে লাগি থকা এটা হোটেললৈ চাহ বিচাৰি গ'লো। আমি চাৰিও ইয়াতে চাহ খাই এইবাৰ আমাৰ প্ৰবস্তুৰা ঘৰ হোটেললৈ আহিবলৈ ওলাই আহিলো। আহোঁতেও দেখিলো সেই নেতাজনে এতিয়াও সেই চিৰিটোৰ ওপৰত ঠিয় হৈ বক্তৃতা দিবই লাগিছে। আমাৰ হোটেল পাওঁতে ভালকৈয়ে আন্ধাৰ হ'ল, দাসইঁত আমাৰ পৰা বিদাই লৈ গ'ল। আজি ৰাতি আমাৰ চিনাকী পঞ্জাবী ভদ্ৰলোক শ্ৰীঅৱতাৰ সিং আনন্দৰ ঘৰত নিমন্ত্ৰণ আছে। আনন্দৰ সকলো আপোনমানুহ নিজৰ দেশৰ পৰা গৈ বৰ্ত্তমান অসমতে আছে, এখেতে ইয়াত ভাৰতৰ ৰাষ্ট্ৰদূতৰ অফিচত কাম কৰি আছে। আমি ৭ সাত বজাত তেখেতৰ ঘৰলৈ গ'লো, আজি ইয়ালৈ ভালেখিনি ভাৰতীয় মানুহ নিমন্ত্ৰিত হৈ আহিছে, এগৰাকী মাত্ৰ ইংৰাজ মহিলা, এওঁ জন ভাৰতীয় ডেকাৰ গৃহিনী। ৰন্ধাবঢ়াখিনি সকলো আমাৰ ধৰণৰ আৰু ঘৈণীগৰাকীয়ে নিজে ৰন্ধা। ৰন্ধা-চৌকা গেচৰ আৰু ইলেক্‌ট্ৰিকৰ। সহায় কৰা লিগিৰি আজিকালি যে পাবলৈ টান এই কথা এওঁলোকৰ পৰাও শুনিলো। গি কেইগৰাকী মহিলা লগ পাইছিলো, তেওঁলোকে সকলো ঘৰৰ কাম নিজেই কৰে বুলি ক'লে, অৱশ্যে ইয়াত কাম কৰিবলৈ সুবিধাও যথেষ্ট। খোৱাৰ পাছত ঘৈণী-গৰাকীয়ে আৰু আন এগৰাকীয়ে দুটামান গান গাই শুনালে।

ভাৰতীয় ডেকাজনে তেওঁৰ ইংৰাজ পত্নীৰে সৈতে দুয়ো অফিচৰ কাম কৰি কেনেকৈ তেওঁৰ ঘৰখন চলায় অৰ্থাৎ কিমান কাম কৰিব পাৰে আমাক কলে আৰু তেওঁৰ ঘৰখন এবাৰ চাবলৈ আমাক মাতিলে। ৰান্ধি-বাঢ়ি তেওঁৰ ঘৈণীয়েক বোলে তেওঁতকৈ আগতেই অফিছলৈ যায়। গধূলিৰ খোৱা তৈয়াৰ কৰিবলৈকো কেতিয়াবা সময় নাপায়, তেতিয়া তেওঁ নিজেই কৰে ইত্যাদি কথা কলে ; মই কলো "ইয়াৰ ঘৰ-সংসাৰবোৰ চমু, আমাৰ ঘৰুৱা সংসাৰৰ লগত মিলাব নোৱাৰি কাৰণ আমাৰ একোখন ঘৰ চলোৱা, এখন সৰু দেশ চলোৱাৰ দৰে, কাৰণ আমাৰ ৰন্ধা-বঢ়াৰ বাহিৰেও গাখীৰৰ কাৰণে দুজনীমান গৰু ৰাখিব লাগে, ধানখেতিও প্ৰায় মানুহেৰে থাকে, কাপোৰ ববৰ কাৰণে সকলো অসমীয়া মানুহৰ ঘৰত তাত শাল থাকে, দৈনিক কাম আমাৰো সৰহ, আমিও ঘৰত যথেষ্ট কাম কৰিব লাগে।" পাছত তেওঁ মোৰ কথাত হয় দিলে।

আমাৰ আহিবৰ সময় হ'ল, সকলো আলহীৰ শেষত হে তেওঁলোকে আমাক বিদাই দিলে। আমি যেতিয়া ভাৰপৰা উলটিলো, বাটত মানুহৰ চলাচলেই নাইকিয়া হ'ল, কিছুদূৰ খোজকাঢ়ি এখন "টেক্সি" পাই তাতে উঠি হোটেললৈ আহিলো।

৩ নবেম্বৰ লণ্ডন।

আজি ৯টাৰ পাছত আমি ওলাই গ'লো। বতৰটো আজি ভাল নহয়, বৰষুণ কিন্‌কিনাই আছে, তাতে জাৰ। প্ৰথমে সুৰঙ্গ ৰেল-গাড়ীৰ ষ্টেচনলৈ গৈ তাৰ পৰা গাড়ীত উঠি "মেৰিলি ব'ন" (Marylebone Road)ৰ ওচৰত নামি তাত থকা প্ৰসিদ্ধ "মেডেম টুঁচ"

(Madame Tussand) একজিবিছন বুলি যিটো ঘৰ সজাই থোৱা আছে তাত উপস্থিত হ'লোগৈ। এই ঘৰত মম্ বা মৌ-সিতাৰে মানুহৰ হুবহু মূৰ্ত্তি সাজি মেডেম টুঁচ নামৰ এগৰাকী ফৰাচী মহিলা শিল্পীয়ে সজাই গৈছে। সোমায়েই আমি প্ৰত্যেকে ৩ শিলিং কৰি দি বুজিবৰ কাৰণে এখন কিতাপ কিনি ললো। যি গৰাকী গাভৰুৰ পৰা আমি কিতপটো কিনি ললো সেই গাভৰু গৰাকীৰ দাঁতিতে তেওঁৰ দৰেই পোচাক পিন্ধা এগৰাকী গাভৰু ঠিয় হৈ আছে, আমি যিমান পৰ আছো সিমান পৰেই তেওঁ লৰচৰ নকৰা দেখি চাই বুজিব পাৰিলো যে তেওঁ এটা সাজি থোৱা মূৰ্ত্তিহে। তাৰ পাছত আমি কিতাপখন মেলি লৈ ওপৰৰ মহলালৈ উঠি গ'লো, আধা চিৰিৰ চুকতে ক'লা চুট, জোতা, মোজা, মূৰত টুপিৰে সৈতে এজন ভদ্ৰলোক ঠিয় হৈ আছে, মই তেওঁক কেবাবাৰো মানুহ হয় নহয় বুলি চাই হে জানিব পাৰিলো যে এইটোও এটা সাজিথোৱা মূৰ্ত্তি। প্ৰথমে আমি ডাঙৰ চ'ৰাটোত সোমাই গৈ ভাল লাগিল। দুৱাৰ মুখতে নগামানুহৰ দৰে পোচাক পিন্ধা হাতত দীঘল টাঙোনেৰে এটা সাজিথোৱা প্ৰহৰী ঠিয হৈ আছে। কোঠালিটোৰ ভিতৰত এটা এটা এটা ভেটি আছে, প্ৰথম ভেটিৰ ওপৰত ইংলণ্ডৰ বিখ্যাত বিখ্যাত মানুহৰ মূৰ্ত্তিবিলাক সুন্দৰকৈ, চুট, কোট, জোতা, মোজা, কমাল আৰু "নেকটাই" কামিজৰ বুতাম আদিৰে সৈতে যিজন মানুহ সদাই যেনে দৰে থাকে তেনেদৰেই, মূৰৰ চুলিবিলাকো যাৰ যেনেকুৱা পকা কেচা তেনেকুৱাই, কোনোজনক বহুৱাই, কাকো ঠিয় কৰাই, কোনো জনৰ ভৰি কিহবাত দি সজাই থোৱা আছে, সাইলাখ জীযাই থকা মানুহ যেন দেখি। চাবলৈ অহা বগা মানুহবিলাকৰ সৈতে একে যেন লাগি যায়। ভেটিৰ দাঁতিত একোডাল শকত ৰচিৰে বেৰা দিয়া আছে। এই ভেটী পাৰ হৈ চুকৰ ফালে পৰ্দাৰ পৰা ওলাই থকা দি "উইণ্ডচ'ৰৰ ডিউক" আৰু "ডাচেজ্"

(Duke and Duchess of Windsor) আছে, এওঁ বৰ্ত্তমান ৰজাৰ ককাযেক, আৰু সিংহাসন এৰি যোৱা ৮ম এডোৱাৰ্ড। তাৰ পাছৰ ডাঙৰ ভেটিত ৰজা আৰু ৰাণী ৰাজ-আসনৰ আগত ঠিয় হৈ আছে, ৰাণীৰ মুখত লাগি থকা হাঁহিটিৰে একালে জীযেক জোৱাযেক, একালে সৰু জীযেক, "কেণ্টৰ ডাচেজ্" (Duchess of Kent) "গ্লস্টাৰৰ ডিউক" (Duke of Glochester) কেজনমান চণ্টৰীৰে সৈতে আছে। ৰাজপৰিয়ালক সকলো মানুহে সন্মানৰ চকুৰে চাইছে। এই কোঠালিটোত বিজুলী চাকিৰ পোহৰ যথেষ্ট আছে. তাৰ পাছৰ ভেটাটোত দেশ-চলোৱা মন্ত্ৰীসভা (Cabinet) ইংলণ্ডৰে, কিছুমান এতিযা জীযাই থকা আৰু কিছুমান মৃত্যু হোৱা, এওঁলোকে এখন ডাঙৰ মেজৰ চাৰিউফালে যেন সভা কৰি বহিছে, দূৰৈৰ পৰা কথাবাৰ্ত্তা পতা যেন লাগি যায ; কাৰো কাৰো হাতত কলম কাগজ আদি আছে এওঁলোকৰ নাম আৰু এওঁলোকৰ বিষযে জানিবলগা কথা এই কিনি লোৱা কিতাপখনতে আছে। সেই নম্বৰ চাই পঢ়ি গলেই সকলো বুজিব পাৰি। এই ভেটি পাৰ হৈযেই দেখিলো এগৰাকী মহিলা নাম "মেডেম চেণ্ট এমাৰে'থ" (Madame St Amarauthe) টোপনিত থকাৰ দৰে শুৱাই থৈছে। মিহি ক'লা সেৰেঙ্গা নেট্ কাপোৰ এখনেৰে ঢাকি থৈছে। অতি সুন্দৰী তিৰুতা। নামটোও তাত "স্লিপিং বিউটী" (Sleeping beauty) ( শুইথকা সুন্দৰী ) বুলি লিখা আছে। এওঁৰ বিষযে লিখা আছে যে এওঁ ১৬শ লুই (Louis XVI)ৰ গা-ৰখীযা কৰ্ণেল এজনৰ তিৰুতা আছিল, কৰ্ণেল জন ১৭৯২ চনৰ ১০ আগষ্টত "টুইলাৰি" (Tuilleries) যুদ্ধত মৰা পৰাত এওঁ বিধবা হয। এওঁ ফৰাচী দেশৰ ভিতৰতে সুন্দৰী তিৰুতা আছিল বাবে ৰজা "ৰবচ্ পিযেৰে" (Robes Pierre) বিযা কৰাৰ খুজিছিল, অমান্তি হোৱাত এওঁক কিবা দোষ উলিযায বলি দিয়ায। তেতিয়া

এওঁৰ বয়স ২২ বছৰ। এই শুই থকা সুন্দৰী গৰাকীয়ে যন্ত্ৰৰ দ্বাৰা উশাহ লৈ থকাৰ দৰে কৰি থৈছে, কোঁচ কোঁচাই যেন উশাহহে লৈ আছে। দৰ্শক সকলোবিলাক বৰ গহীন গম্ভীৰ, মাত বোল নাই! মাজে মাজে মোৰ সাজিথোৱা মূৰ্ত্তিবিলাকৰ লগত দৰ্শকবিলাক গোলমাল লাগি যায়। চাই চাই ভাগৰি মাজত পাৰি থোৱা বেঞ্চত বহা তিনিজন মানুহ দেখিলো। এগৰাকী বুঢ়ী মানুহ, আৰু একাষে এহাল ডেকা গাভৰু, গাভৰু গৰাকীৰ ভাগৰ লাগিযেই নেকি, বেঞ্চৰ আওজা ঠাইতে মূৰ থৈ চকু মুদি আছে। প্ৰথমেই মই উশাহ লোৱা মানুহ গৰাকীৰ উশাহটো বৰ মনযোগেৰে চাই আছিলো; মোৰ দৰেই আন এজনেও চাই আছিলে, এই চাই থকাজনক মন কৰি লাহে লাহে বুজিব পাৰিলো যে এইটোও এজন সাজিথোৱা কোনোবা মানুহৰ মূৰ্ত্তিহে। চকুৰ ওপৰতে মোৰ বিশ্বাস হেৰাল। "চহাই বেহা দেখা" অৱস্থা হ'ল। ওপৰত উল্লেখ কৰা বেঞ্চখনলৈ চকু পৰিল, তাত চকু-মুদি থকা মানুহ গৰাকী দেখি মূৰ্ত্তি বুলি ভাবি, লৰচৰ কৰিছেনে নাই তবধ লাগি চাবলৈ ধৰিলো। মোৰ চোৱাৰ অৰ্থ বোধকৰো ডেকাজনে বুজিলে, তেওঁ যোকোটা মাৰি গাভৰু গৰাকীক জগাই দিয়াত মোৰ হাহি উঠিল! তেওঁলোকেও দুয়ো হাহি হাহি উঠি গ'ল; কিন্তু বুঢ়ী গৰাকী হ'লে বহিয়েই থাকিল, বুজিব পাৰিলো তেওঁ সাজিথোৱা বুঢ়ীহে। আৰু যে কিমান কি দেখিলো; মোৰ পক্ষে লিখা অসম্ভৱ কাৰণ লিখন কিতাপ আমি কিনি লৈছিলো, সেইখনেই এখন মজলীয়া কিতাপ। এই ডাঙ্গৰ কোঠালিটোতে ইংলণ্ডৰ ধৰ্ম্মযাজক, সাহিত্যিক, কবিসকলৰ, এমেৰিকাৰ প্ৰেচিডেণ্ট আদিৰ মূৰ্ত্তিবিলাক আছে, আৰু ইংলণ্ডৰ প্ৰধান মন্ত্ৰী মিঃ চাৰ্চিল আৰু আমাৰ ভাৰতৰ প্ৰধান মন্ত্ৰী শ্ৰীজহৰলাল নেহেৰু, মিঃ জিনা আৰু আবিছিনীয়াৰ ৰজা হেইলি চিলা-চিকো সাজি সাজি থোৱা আছে।

এই কোঠালিটো চাই চিতি ভালেই লাগিল। ইয়াৰ পাছত আৰু এটা ডাঙৰ চ'ৰাত সোমালোঁগৈ। ইয়াত মহাৰাণী ভিক্টোৰীয়া, তেওঁৰ পুতেক, বোৱাৰীয়েক, নাতিনীয়েক সকলোবিলাক সুন্দৰ সুন্দৰ অলঙ্কাৰ আৰু সাজ পোচাক পিন্ধি বহি আৰু ঠিয় হৈ আছে। ইংলণ্ডৰ আগৰ ৰজা অষ্টম হেন্‌ৰি আৰু তেওঁৰ ছ গৰাকী সুন্দৰী তিৰুতা আছে। আগৰ বহুত ৰজা-ৰাণী আৰু পৰিয়ালবৰ্গ আছে; সেইদিনৰ দামী বাখৰৰ সৈতে গহনা আৰু কিৰীটিবিলাক এতিয়াও যেন নতুন হৈ আছে। কোনো কোনোজন ৰজাৰ গাত যুদ্ধত পিন্ধা লোহাৰ পোচাক আছে। মহাৰাণীয়ে এখন নেট্ কাপোৰ ওৰণীৰ দৰে লৈ আছে। ইয়াৰে কিছুমান কোঠালিত বৰ্ত্তমান আৰু আগৰ শিল্পী আৰু নামকৰা ভাৱৰীয়া-ভাৱৰীযাণী, নানাৰকম খেলৰ বিখ্যাত খেলুৱৈসকল সেইদৰেই সজাই পৰাই থোৱা আছে। এই চ'ৰাটোৰ একাষেই পৃথিবীৰ জন-কল্যাণকাৰীসকলৰ মাজত আমাৰ মহাত্মা গান্ধীৰ বহি থকা এটা মূৰ্ত্তি আছে, কিছু কম বয়সৰ। ইয়াৰ পাছত আমি ৩য় চ'ৰাটোলৈ যাওঁ।

এই চ'ৰাটোৰ চাৰিউফালে কোঠালিৰ দৰে কৰি কৰি থোৱা আছে, আৰু সেইবোৰত হে বিজুলী চাকি আছে, মাজৰ চ'ৰাত চাকি নাই। এটা কোঠালিত ফৰাচী দেশৰ শেষৰ ৰজা-ৰাণী ১৬শ লুই, মেৰী এনটোৱানে (Louis XVI, Marie Antoinette) এহালী সুন্দৰ লৰাছোৱালীৰে সৈতে আছে। ৰজা-ৰাণী দেখিবলৈ শুৱনী, গঢ়িত, ৰাণীৰ ডিঙ্গিত এধাৰ বহল মণিয়ে তিৰ্‌বিৰাই আছে। পাছফালে 'জোৱান অব্ আৰ্ক"ৰ (Joan of Arc) মূৰ্ত্তি যুদ্ধৰ লোহাৰ সাজেৰে হাতত নিচান লৈ ঠিয় হৈ আছে। এই ৰজা-ৰাণীক লৰাছোৱালী হালৰ সৈতে ফৰাচী বিপ্লবৰ সময়ত বলি (Guillotine) দিছিল, দেখি বেয়া হে লাগিল। "জোৱান্ অব্ আৰ্ক" কো পুৰি মাৰিছিল। ইয়াৰ পাছৰ কোঠালিটোত বিজুলী চাকি নাই। সাজিথোৱা যেন একুৰা বিজুলীৰ (Electric) জুই,

তাৰেই পোহৰ। ইয়াত বেৰা দিয়া এটা ওখ ভেটী, তাৰ চাৰি চুকে সেই দিনৰ পোচাকেৰে হাতত ডাঙ্গৰ দা লোৱা চাৰিজন প্ৰহৰী। ভেটীৰ মাজত এখন বলিশাল। তাতে স্কটলেণ্ডৰ ৰাণী "মেৰী"ক বলি দিবলৈ তলমূৰ কৰি বান্ধি থোৱা হৈছে। ৰাণী গৰাকীৰ দিঘল "গাউন" চোলাটো মাটিলৈকে বাগৰি আছে, কোমল পিঠিটো ওলাই আছে কটোৱালে যম মূৰ্ত্তিৰে চকুকিটা বান্ধি দা ডাঙ্গি আছে। ওচৰত এজন ধৰ্ম্মযাজকে "বাইবেল"খন যেন পঢ়ি আছে, আৰু মৰৰ ওচৰত এদাল "ক্ৰচ" চিন্ থৈছে। চাৰিউফালে অ'ত ত'ত কিছুমান ৰখীয়া ঠিয় হৈ হৈ আছে। তিনি গৰাকী তিকতা মানুহো আছে, এগৰাকীয়ে যেন কান্দিছে, এগৰাকী মূৰ্চ্ছা হৈ যোৱাদি হৈছে। সেই দিনৰ পোচাক-বিলাকেৰে সৈতে মানুহ প্ৰায় ১৮।১৯ জন মানেই এই ঠাইত আছে। এইটো এটা গাৰ নোম শিয়ৰি উঠা দৃশ্য। এওঁক ইংলণ্ডৰ ৰাণী এলিজাবেথৰ দিনত এইদৰে বলি দি বধ কৰা হৈছিল, ১৫৮৭ খৃষ্টাব্দত।

ইয়াৰ পাছৰ কোঠালিত মৃত্যুৰ পাছত "নেপলিয়ান" শুই থকা দৃশ্যটো দেখুৱাইছে, পোহৰ আগৰ দিনৰ এটা লেমচাকিৰ। ইয়াৰ পাছৰ দৃশ্যটো আন এটা কোঠালিত দেখিলো ইয়াত "নেলচন"ৰ মৃত্যুৰ সময়ৰ দৃশ্যটো দেখুৱাইছে। কোঠালিটো যুদ্ধৰ জাহাজৰ কোঠালিৰ দৰে তৈয়াৰ কৰা। এটা ঘূৰণীয়া লেমচাকি ধৰি এজন সৈনিকে "নেলচন"ৰ মৃত্যু-কাতৰ মুখখনলৈ বিষাদমনে চাই আছে আৰু চাৰিজন সৈনিকে তেওঁক শুশ্ৰূষা কৰি আছে, হাতত নাড়ী টিপি ধৰ বেজাৰ আৰু অস্থিৰভাবে চাই থকা যেন দেখি; ওচৰতে এটা চৰিয়া'ত এচৰীয়া কৰি থোৱা বৰ্‌ডা তেজ আছে। আন এটা কোঠালিত এহাল লৰা-চোৰালীক প্ৰহৰীয়ে ধৰি আনি বিচাৰকৰ ওচৰত ঠিয় কৰিছে। বিচাৰক এখন ডাঙ্গৰ মেজৰ দাঁতিত আৰু দুজন মানৱ সৈতে বহি আছে। লৰাচোৱালী হালৰ পোচাক তেতিয়াৰ দিনৰ। লৰাটিক প্ৰশ্ন কৰিছে যে "ইয়াৰ আগত কেতিয়া

বাপেৰৰ লগত দেখা হৈছিল?" ছোৱালীজনীয়ে কান্দিছে আৰু ওচৰতে এগৰাকী তিৰুতাই অস্থিৰ হৈ বুকুত হাত দি ঠিয় হৈ আছে। এইটি এটা ইংৰাজ সৈনিকৰ পৰিয়াল, বিপক্ষ দলে সৈনিকক বিচাৰি নাপাই তেওঁলোকক ধৰি আনিছে। এই দৃশ্যটো দেখি আমাৰ জয়মতী কুঁৱৰী আৰু লাই লেচাইৰ কাহিনীলৈ মনত পৰিল!

ইযাৰ পাছত এটা কোঠালিত "গাই ফ'কছ্" (Guy Fawkes) নামৰ আগৰ দিনৰ ডাঙৰ বিদ্ৰোহী এজনৰ মূৰ্ত্তি আছে। তেওঁ লগত এসোপাদলৰ মানুহ লৈ আন্ধাৰ ৰাতি লণ্ডনৰ "পালিয়ামেণ্ট" ঘৰটোত জুই দিয়া দৃশ্য দেখুৱাইছে, তেওঁৰ হাতত একুৰা জোৰ বিজুলীৰ (Electric)ৰ জুই কু-কুৰাই জ্বলা নিচিনা দেখি, ওচৰত কিছুমান খৰি কাঠ গোটাই লোৱা আছে। সেই দিনত এই বিদ্ৰোহী বীৰজনে এইটো বৰ ডাঙৰ ঘটনা ঘটাবলৈ চেষ্টা কৰিছিল, পিচে ধৰা পৰিল। সেই ঘটনাৰ পাছৰ পৰা এতিয়াও বছৰি "পালিযামেণ্ট" ৰজাই মুকলি কৰিবৰ দিনা ঘৰটো পুলিচে চোৰা এটা নিযম হ'ল, আৰু বছৰি এই দিন পৰা দিনটোত গধূলি গোটেই লণ্ডনৰ ঠায়ে ঠায়ে "গাই ফ'কছ্" দিন পালন কৰে অৰ্থাৎ নানাৰকমৰ ফটকা আদি ফুটায আৰু ফটা কাপোৰ কানী পোৰে। সেইদিনাও এই দিনটো পৰিছিল, বহুত ৰাতিলৈকে আমি ধূম-ধাম শব্দ শুনিবলৈ পাইছিলো। সেইদিনা আমি ফটকা ফুটুৱা চাওঁগৈ বুলি ভাবি ৰাতি এখন মটৰ গাড়ী ফ'ন (Phone) কৰি অনালো। পিছে গাড়ী আনি ড্ৰাইভাৰে আমাক বুজাই কলে যে "সেইবোৰ দূৰ ঠাইত গাৱৰ কালে হৈছে, তোমালোক এতিয়া গৈ আৰু বেছি দেখিবলৈ নেপাবা। ড্ৰাইভাৰেই আমাক বুজাই যোৱাটো বন্ধ কৰি গাড়ী ঘূৰাই লৈ গ'ল। সি যি হওক আমি এতিয়া এই মায়াপুৰীত হে সোমাই আছো। আমি এতিয়া ইয়াৰ পাছৰ চ'ৰাটোলৈ বুলি তলৰ এটা মহললৈ নামি গ'লো। এই মহলটোৰ নাম "হৰৰ চেম্বাৰ"

"ভয় লগা দৃশ্যৰ কোঠালি" (The chamber of Horross)। নামি যোৱা চিৰিৰ মুখত লিখা আছিল "সহ্য কৰিব পাৰিবা নে?" বুলি খটখটিটো ঠেক আমাৰ ৰজাদিনীয়া ঘৰৰ নিচিনা। পিচে, একোচটা একোচটা শিলেৰেই ইটা গথাঁদি গঁথা। এই মহলটো চাপৰ। পোহৰ কেৰাচিন তেলৰ টিপ চাকিৰ সমান। বেৰবোৰ ওখোৰা-মোখোৰা শিল লগাই লগাই শকত শকতকৈ কৰা কাম। বৰণো লেটেৰা হোৱা ৰং। প্ৰথমে চিৰি নামিয়েই দেখিলো এটা খোঁকত পাঁচজন মানুহ আৰু এগৰাকী তিৰুতা মানুহ ঠিয় হৈ আছে, আগত এখন "ডেক্স" আছে, বুকুলৈকে ওলায় আছে। এওঁলোকৰ দাঁতিয়ে দাঁতিয়ে বেৰত নম্বৰ লিখি থোৱা আছে। এই নম্বৰ মতে আমাৰ হাতৰ কিতাপখনতে তেওঁলোকৰ বৃত্তান্ত পোৱা যায়; তেওঁলোকৰ নাম-ধাম, কি অপৰাধ কৰি কোন তাৰিখে ধৰা পৰিছিল আৰু কোন তাৰিখে ফাঁচি দিয়া হৈছিল ইত্যাদি সকলো লিখা আছে। ইয়াৰ আটাই কেইজনেই নৰবধী। প্ৰথমে দেখাজনেই মাকক বধ কৰিছিল, আজি এই ঘৰত তেওঁ প্ৰথম স্থান পাইছে; কাৰণ পৃথিবীত মাতৃবধীয়েই হে কম। তেওঁৰ কিন্তু মুখৰ চেহেৰা চালে অলপো বুজিব নোৱাৰি তেওঁ যে ইমান নৃশংস এটা কাম কৰিছিল, পোচাকো পৰিপাটি। দাঁতিত থকা তিৰুতা মানুহ গৰাকীয়ে ওচৰত ঠিয় হৈ থকা জনেৰে লগলাগি তেওঁৰ গিৰিয়েকক বধ কৰিছিল। ইয়াৰ পাছৰ খোঁকটোত এইদৰেই কেজনমান ফাঁচি যোৱা মানুহৰ মূৰ্ত্তি। পোচাক-পৰিচ্ছদে আৰু মুখৰ চেহেৰাৰ পৰা এওঁলোককো নৰবধী বুলি বুজিব নোৱাৰি। ইয়াৰ পাছৰ খোঁকটোত সৰু সৰু পুতলাৰ দৰে সাজি আগৰ ইউৰোপত দিয়া শাস্তিবোৰৰ নমুনা দেখুৱাইছে যেনে ওখ দুৰ্গৰ পৰা মানুহ বগৰাই তললৈ পেলাই মাৰিছে, ৰছিৰে ডিঙ্গিত বান্ধি ওলোমাই মাৰিছে, লোহাৰ চকাত বান্ধি শূলৰ ওপৰত চকা চলাই দিছে, জুইৰ ওপৰত তেল নে পানীয়েই গৰম কৰি

তাত মানুহ পেলাই দিছে ইত্যাদি। ইয়াৰ পাছৰ খোক্‌টোত আৰু তাৰ পাছৰ দুয়োটাত কেজনমান পুৰুষ আৰু কেগৰাকীমান তিকতা মানুহ ঠিয় হৈ আছে। তিকতা কেই গৰাকীৰ পোছাক আগৰ দিনীয়া মানে কোট পিন্ধা নাই, গাউন চোলাৰ ওপৰত উলৰ একোখন কাপোৰ লোৱা আছে। মানুহ কেজনমানৰ চকুত চচ্‌মা আছে, এজনৰ চকু-কিটা বৰ ডাঙৰ, এওঁৰহে চেহেৰাটো অস্বাভাৱিক যেন দেখিলো। চেহেৰাটো কঠুৱা, "নেকটাই" দাল খহি বুতামটো ওলাই আছে। এওঁ কেবাগৰাকী ঘৈণীযেকক বিহ খুৱাই মাৰিছিল, আৰু আন দুগৰাকী তিকতা মানুহ আছে তেওঁলোকে দুযো লগলাগি এজন বিশিষ্ট ভদ্ৰ মানুহক বধিছিল আৰু এগৰাকীয়ে আনৰ পৰা টকা পইচা লৈ কিছুমান মানুহৰ সৰু সৰু লৰাছোৱালীবোৰ বধ কৰি ফুৰিছিল; এনেকুৱা ঘটনাও পৃথিবীত ঘটে। এওঁলোকৰ চেহেৰা দেখিলে ইমান নিষ্ঠুৰ বুলি বুজিব নোৱাৰি। মই ভাবিছো এওঁলোকৰ চেহেৰা কিজানি সময় লৈ বদলি হয়। এই চ'ৰাটোত পোহৰ বেচি নাই। মানুহো ভৰ্ত্তি। ইফালে সিফালে কি আছে বেগেতে তত্‌ ধৰিব নোৱাৰি, আমি যাত্ৰীবিলাকৰ লগত শাৰী পাতি গৈ আছো। ইয়াৰ পাছত দেখিলো এটা খোক্‌ত চাৰিউফালে ওখকৈ এখন মইলা নিচিনা ৰঙৰ পৰ্দা লগাই থোৱা আছে, আৰু ওপৰত "কেৱল ডাঙৰ মানুহে চাব" বুলি লিখা আছে। এই পৰ্দাখন ডাঙি যি দৃশ্যটো দেখিলো মোৰ গাৰ নোম শিঁয়ৰী ভৰি হাত সিৰ্‌সিৰাই গ'ল, আগতে ইউৰোপত এইটো শাস্তি দিয়াৰো বিধান আছিল। ইয়াত এজন মানুহক বৰশীত দি ওলোমাই থোৱা আছে, কোঠালিটোত চাৰিউফালে তেজ ৰঙা, ক'লা, পনীয়া বৰণৰ যেন পৰি আছে। পেটটো বৰশীডালেৰে ফুটাই সৰকাই থোৱা আছে, মুৰটো উভতি চুলিবোৰ ওলমি বিভৎস চেহেৰা হৈ বৰশীত ওলমি আছে। এনেকুৱা এটা ডেকাৰ মূৰ্ত্তি, চাই থাকিব নোৱাৰি। পৰ্দাৰ

বাহিৰতে অলপ সময় নিতাল মাৰি ৰৈ থাকি আন তিৰুতা মানুহেনো কেনেকৈ চাই তাকে চাবলৈ ধৰিলো। এনেতে এগৰাকী মহিলা গিৰিয়েকৰ লগত আহি পৰ্দা ডাঙ্গি দিলত চকুকিটা মুদি দিয়া দেখিলো আন এজন মিলিটেৰী অফিচাৰ এগৰাকী তিৰুতাৰ সৈতে ধৰাধৰি কৰি আহিছিল, পদা ডাঙ্গি দিলত তিৰুতাগৰাকীয়ে হাত এৰি আন ফালে বেগাই গুচি গ'ল, তেওঁ হাহি হাহি পাছত হে লগ ধৰিলেগৈ। মই এই লীলা-খেলা চাই থাকোতে মোৰ লগবোৰ আগবাঢ়ি গ'লগৈ। ময়ো তাৰ পৰা আঁতৰি যাওঁ বুলি এখন নতুন ছবি দেখি চাবলৈ গ'লো, ছবিত দেখিলো এজন শকত আৰত বলিষ্ঠ মানুহক এগৰাকী তিৰুতা মানুহে ৰেপি ৰেপি ডিঙ্গিতো কাটিছে আৰু আন এগৰাকীয়ে মূৰটো হেচা মাৰি ধৰি তেওঁক সহায় কৰিছে, কোনোবা ঠাইৰ যুদ্ধলৈ যোৱা সেনাপতিজনক বিপক্ষদলৰ পৰা এই দুগৰাকী তিৰুতাই বুদ্ধি কৰি লিগিৰি কামত শিবিৰত সোমাই তেওঁক সেইদৰে হত্যা কৰি সেই দেশখন ৰক্ষা কৰিছিল। ইযাৰ পাছৰ কোঠালিত এজনে খাকি কাপোৰ পিন্ধা বুটজোতা মোজাৰে সৈতে মানুহক এটা ডাঙৰ চকাত তুলি চকাটো ঘূৰাই দিয়া শাস্তিটো দেখৱাইছে, ইযাৰ দাতিৰ কোঠালিত দুজন মানুহক বেত্ দিয়া দৃশ্য দেখুৱাইছে, বেত খোৱাৰ পাছত আধামৰা হৈ থকাৰ দৃশ্য! মোৰ আৰু চোৱাৰ ধৈৰ্য্য নাইকিয়া হ'ল; গম নগৰখনহে দেখা যেন লাগিছে। সঁচাকৈয়ে ইমান সুসভ্য জাতি এটাৰ মাজত যে এদিন এনেকুৱা বৰ্বৰ শাস্তিৰ ব্যৱস্থা আছিল ভাবিব নোৱাৰি। মই অলপ আঁতৰি আনফালে যাওঁ বুলি আঁতৰোতে চকুত পৰিল লোহাৰ গৰালৰ ভিতৰত এটা আগৰ দিনীয়া লোহাৰ লেম চাকিৰ ওচৰত এজন সুন্দৰ মানুহ বন্দী অৱস্থাত বহি আছে। আৰু ৰুমালেৰে যেন চকু মুছি আছে; এইজন বন্দীৰ মুক্তি নোপাওঁতেই বন্দী অৱস্থাতে জ্বৰ হৈ মৃত্যু ঘটিছিল। তাৰ দাতিতে আন এটা গৰালত

আন এজন বন্দীক হাত-ভৰিত শিকলি লগাই বান্ধি থোৱা আছে। তেওঁ চকু কোচাই জোৰেৰে হাতৰ ওপৰত হাতখন দি বহি আছে। জানিবা বলবান এটা সিংহক হে বান্ধি থোৱা হৈছে। আন এটা খোকত হিটলাৰ, মুছলিনী, গোৰ্যেৰিং, হেৰ হেচ্ আদি সকলৰ মূৰ্ত্তি আছে। এওঁবিলাকৰ মূৰ্ত্তি দেখোন ইয়াতে হে হৈছে। তাৰ পাছৰ এটা খোকত টাকৃশালত ( টকা কৰা ) টকা তৈয়াৰ কৰি ধৰা পৰা পৰিয়াল এটাৰ দৃশ্যটো দেখুৱাইছে, এজনে টকা তৈয়াৰ কৰিছে, এজনে সহায় কৰিছে, তিৰোতা গৰাকীয়ে টোপনিয়াই বহি আছে আৰু এজন মানুহে জুপি চাই আছে। এই চ'ৰাটোৰ মাজতে এখন ফাঁচিশাল আৰু এখন বলিশাল। পোহৰ বেছি নথকাত আগতে ততকে ধৰিব নোৱাৰিছিলো, দৰ্শকৰ লগত এই মানুহৰ মূৰ্ত্তিবোৰ মিলি যায়, পোহৰো যেন ৰাতিৰ পোহৰ। ফাঁচিশালত দেখিলো এজন মানুহক ফাঁচি দিবলৈ প্ৰস্তুত কৰিছে, অপৰাধীজন নিৰ্ব্বাকৰ দৰে চকিত বাহ আছে আৰু দুজন বিষয়াৰ আদেশ মতে যেন এজনে ডিঙ্গিত জৰিগছ লগাব খুজিছে। ইয়াৰ পাছত বলিশালখনলৈ চকু গ'ল। এজন সুন্দৰ সাজপাৰ পিন্ধা মানুহক ওভোটাই পেলাই হাত পিচফালে বান্ধি ডিঙ্গিটো শালত সুমুৱাই দিছে; মোৰ বৰ তিতা লাগিল! মই আৰু এইবোৰ নেচাওঁ বুলি উপায়হীন হোৱাৰ দৰে এইবাৰ ওপৰলৈ চাবলৈ ধৰিলো; কিন্তু আকৌ কেইটামান দৃশ্য হে চকুত পৰিল। একো একোজন অপৰাধীৰ বলি দিয়া একোটা একোটা মূৰ, খটাৰ ওপৰত তেওঁলোকৰ নাম লিখি লিখি থৈ দিছে, তেজবোৰ বাগৰি আছে। বলিশালখনৰ দাঁতিতে এজন অপৰাধীৰ মুখখন কাপোৰেৰে আধা ঢাকি এখন চকিত বহুৱাই হাত ভৰি শিকলিৰে বান্ধি থৈছে, আৰু ওচৰতে এটা গা ধোৱা টৌ (Bath tub) থৈছে। এওঁ হেনো কেইবা গৰাকী তিৰুতাক এটা এটা কৰি বিয়া কৰাই এই টৌতে গা ধোওঁতে নাকত টেপা দি মাৰিছিল,

আৰু গোটেই শৰীৰটো কিবা দৰৱ ( এচিড ) দি গলাই পানী কৰি পেলাই দিছিল। তাৰে শেহৰ গৰাকীৰ বোলে লগোৱা দাঁত আছিল, আৰু সেই দৰবে সেই দাঁত হেনো গলাব নোৱাৰিলে। আৰু সেইটোৰ পৰাই বহুত দিনৰ পৰা সন্দেহ আৰু শুং বিচাৰি ফুৰা চোৰাংচোৱাই (C. I. D ) তেওঁক ধৰা পেলায়। কিছুমান চাবলগীয়া বাদ দি আমি ইয়াৰ পৰা ওলালো আৰু দিনৰ পোহৰ দেখিবলৈ পালো। ইয়াৰ পাচত এই ঘৰৰে এটা ডাঙৰ কোঠালিত সোমালোগৈ, ইয়াত খেল ধেমালিৰ কিছুমান বস্তু থোৱা আছে। হাঁহি উঠা কিছুমান আৰ্চিও আছে, নিজৰ শৰীৰটোৱেই আৰ্চিত পৰি যিটোহে ভাজ লয়, হাঁহি উঠি যায়। এই কোঠালিত সৰু লৰাছোৱালীবোৰক মাক বাপেকে এৰি যায়, সিহঁতেও ৰং মনেৰে খেল ধেমালিত লাগি থাকে। ইয়াতে অলপ সময় থাকি মনটো পাতল কৰিলো, আৰু এই মায়াপুৰীৰ পৰা ওলালো। আজি আমাৰ দিনৰ বেছি সময় এই চোৱাতেই গ'ল, দুপৰীয়াৰ আহাৰ খোৱাৰ সময়ো অতীত হ'ল। ওচৰৰ হোটেল এটালৈ আমি খোজ ললো, ইয়াতে অলপমান কিবাকিবি খাই ললো। অলপমান সময় দোকান দুখনমান চাই ফুৰি, গধূলি যোৱা বাটেই ঘূৰি আমাৰ হোটেল পালোহি।

ভাবিছো এই মায়াপুৰীৰ নিচিনা এটা অনুষ্ঠান আমাৰ দেশতো কৰিব পাৰে। আমাৰ বুৰঞ্জীতো কত দিনৰ কত ঘটনা আছে, আমিও সেইবোৰ সজাই পৰাই দেখুৱাব পাৰিলে দেশ বিদেশৰ দৰ্শকৰ অভাব নহ'ব।

৪ নবেম্বৰ লণ্ডন।

আজি বতৰটো ভাল নহয়, বৰষুণ কিনকিনাই আছে। আমি চাৰে দহমান বজাত ওলাই গ'লো। আন দেশলৈ যাবলৈ আমি আকৌ নতুন "পাৰপত্ৰ" (Visa) ল'বলগীয়া হ'ল আৰু আকৌ "ফ'ট"ৰো দৰকাৰ হোৱাত তাকো তোলা হ'ল। এইবিলাক কামৰ কাৰণে বৰুৱা আহোতে যাওঁতে কেবাবাৰো খবৰ কৰিবলগা হৈছিল; তথাপিও সময়মতে আমাৰ "পাচপ'ৰ্ট"ৰ কাম হৈ নুঠাত আমি আন দেশলৈ যোৱা দুদিন পিচুৱাই দিবলগা হৈছিল।

খোৱাৰ সময়ত আমি হোটেললৈ ঘূৰি আহিলো। আৰু পিচবেলা আজি আমি "এলবাৰ্ট মিউজিয়াম" যাদুঘৰ (Albert Museum)ৰ ভাৰতীয় বিভাগটো চাবলৈ গ'লো। ইযাত বৰ ডাঙৰ ডাঙৰ বুদ্ধমূৰ্ত্তি আছে, এটা তিনি শ বছৰৰ আগৰ ভাৰতীয় কাঠৰ ঘৰৰ আগফালৰ খণ্ডটো পৈছে, ঘৰটোৰ কাঠত গোটেই কাৰুকাৰ্য্য কৰা। শিলৰ মূৰ্ত্তিবিলাক আছে। যক্ষ, গন্ধৰ্ব্বৰ মূৰ্ত্তিও দেখিলো। ভাৰতীয় বহুত ৰকমৰ কাপোৰ কানি আছে। বৰ ডাঙৰ এখন শিলৰ তোৰণ আছে। গহনাৰ ভাগটোত বৰ মূল্যবান গহনাবিলাক আছে, দেখিবলৈ অসমীয়া গহনাৰ দৰে বাখৰ পতা। আইনাৰ দৰে কিছুমান সেই যুগত ভাৰতত তৈয়াৰ কৰা বাচন বৰ্ত্তন আছে, দেখিবলৈ অতি শুৱনি, বৰ মিহি কাম আৰু ওপৰত বাখৰ পতা। এইবোৰ বস্তু যে এসময়ত ভাৰতত তৈয়াৰ হৈছিল, ভাবিবই নোৱাৰি। নিজৰ দেশৰ এই আপুৰুগীয়া বস্তুবোৰ আজি বিদেশৰ মিউজিয়ামত হে দেখিবলৈ পালো, যি হওক সাত সাগৰ তেৰ নদী পাৰ হৈ আমাৰ বস্তু কিছুমান এতিয়াও অজৰ অমৰ হৈ আছে। ৰণজিৎ সিংহৰ সোণৰ ৰাজ আসন এখন আছে, তাৰ দাঁতিত ম'ৰা পাখী লগোৱা দুটা চোৰঁৰ আছে। মিহি মিহি

কাম কৰা হাতী দাঁতৰ মেজ চকি কিছুমান আছে, ভাৰতীয় ৰজাই পিন্ধা চোলা আছে। অযোধ্যাৰ শেষ ৰজা-ৰাণীৰ পোচাক এটা আছে, কোন ৰজাৰ নাম লিখা নাই। অযোধ্যাৰ শেষৰ ৰজাৰ বুলিহে লিখা আছে। ৰাজদণ্ড আছে। নানান ভাৰতীয অস্ত্ৰ, শস্ত্ৰ, বন্দুক, বৰটোপ্ আছে। অকণমান এফুটমান দীঘল সেই অনুপাতে দহল এখন সোণৰ খাটত নাঙঠ বগা মাৰ্বলৰ সোণৰ জোতা পিন্ধা কেচুবাৰ মূৰ্ত্তি এটি শুৱাই থোৱা আছে, লিখা আছে "যীশুখ্ৰীষ্ট" বুলি। ভাৰতত সেই দিনত পোৱা বস্তু যেতিয়া মোৰ বুৰঞ্জীৰ জ্ঞান সমলি নাই যদিও মোৰ হলে এই মূৰ্ত্তিটি শ্ৰীকৃষ্ণৰ মূৰ্ত্তি যেন হে লাগিল। মই ৰখীযাজনে শুনাকৈয়ে কৈ পেলালো, "এইজনা কৃষ্ণহে খ্ৰীষ্ট নহয"। সৰু সোণৰ পালেংখনৰ আড়ৰাৰ তলত সোণৰ অকণ অকণ খেলা বস্তুবোৰ ওলমাই থোৱা আছে, দেখিবলৈ বৰ সুন্দৰ। আমি ইটো সিটো বস্তু চাই আগবাঢ়ি গ'লোগৈ, দূৰৰ পৰা ঘূৰি চকু পৰিল ৰখীযাজন গৈ সেই কৃষ্ণ নে খ্ৰীষ্টজনৰ ওচৰত ঠিয হৈ একান্তমনে চাই আছে। মোৰ বৰ হাঁহি উঠিল! ভাৰতীয ৰজাৰ যুদ্ধৰ লোহাৰ সাজ কিছুমান দেখিলো। কেইটামান চোলা আছে বাহিৰে চাতিন কাপোৰ আৰু ভিতৰ ফালে লোহাৰ শিকলিৰে মিহিকৈ গোঠা। কিছুমান বাদ্যযন্ত্ৰ আছে, টোকাৰি, তাল, মৃদঙ্গ, ডবা, কাঁহ, ঢোল ইত্যাদি অসমৰ পৰা নিয়াও আছে। সাৰেঙ্গা, চেতাৰ, তবলা, বাদ্যশঙ্খ নানান ৰকমৰ আছে। এফালে বন্ধ থকাত আমি আজি সেই ভাগটো চাব নোৱাৰিলো।

এই মিউজিযামকে ঘূৰি পকি চাই তাৰ পৰা ওলালো, আৰু ওচৰৰ ঠাইতে খোজকাঢ়ি ফুৰিবলৈ গ'লো।

৫ নবেম্বৰ — লণ্ডন।

আঁজি আমি ৰাতিপুৱা ৰাজকাৰেং ( বাকিংহাম পেলেচ )ৰ আগত হোৱা প্ৰহৰি বদলি (Changing of the Guards)ৰ কামখিনি চাবলৈ গ'লো। ইয়াৰ আগৰ বাৰ আমি এই প্ৰহৰি বদলোৱা



"বকিংহাম পেলেচ'ৰ আগত নিশিক

কামখিনি "হোৱাইট্ হল"ৰ "হৰচ্ গাড়চ্ বিল্ডিং"ত (White Hall Horsus Guards Building) চাইছো। সপ্তাহত এদিন সেই ঠাইত হয়, বাকী কেইটা দিন এই ৰাজকাৰেঙৰ আগত কৰে।

ই এটা চাবলগীয়া দৃশ্য, এইবিলাক কাম বৰ শৃঙ্খলামতে হয়, চাই বৰ ভাল লাগে। "বেণ্ড" বাজনাও বহুত পৰ ৰৈ ৰৈ বজাই থাকে। দৰ্শক বহুত গোট খায়। বাটত পুলিচ পহৰা দি ঘূৰি ফুৰে।

যাওঁতে আমি "টেক্সি" কৰি গৈছিলো। আহোঁতে এডোখৰ খোজকাটি, সুৰঙ্গ ৰেলগাড়ীৰ ষ্টেচনলৈ আহিছো, এতিয়া চাৰে এঘাৰ বাজি গ'ল। বাটৰ দাঁতিৰ তলসৰা পাতবোৰ সাৰি এতিয়াও অন্ত

কৰিব পৰা নাই ! মানুহ খোজকঢ়া বাটৰ মাজে মাজে গছবোৰ আছে, তিতা পাতবিলাক গছকি গছকি আমি খোজকাঢ়ি আহিছো। একোখন মটৰ লড়ীৰে বাটটো সাৰি সাৰি গৈছে, গাড়ীখনৰ তলফালে কিছুমান বাঢ়নী আছে. সেইবিলাকে সাৰিছে, আৰু লগে লগে জাবৰবোৰ তুলি তুলি গৈছে। এই সময়টোতে গছ পাত বেছি সৰে ; দিনৰে দিনটো অ'ত ত'ত ঠাইসৰা মানুহ দেখিবলৈ পোৱা যায়, সোতাবিলাকত কাঠৰ মাৰি লগাই সাৰে।

আজি আবেলি আমাক চাহ সভাৰ চেক্ৰেটৰী মিঃ মৰিছনে চাহ খাবলৈ মতাত, তেওঁৰ তালৈ যাব লাগিব, আমি সুৰঙ্গৰেলেৰেই আমাৰ ওচৰৰ ষ্টেচনলৈ ঘূৰি আহিলো, দুপৰীয়াৰ আহাৰ খোৱাৰ পাছতে আমি তেওঁৰ তালৈ যাবলৈ ওলালো। তেওঁৰ থকা ঠাই কিছু দূৰৈ। আমি গৈ তেওঁৰ ঘৰৰ নম্বৰ বিচাৰি বিচাৰি কোনোমতে হে উলিয়ালো, যি হওক চাহ খোৱা হ'ল। কথা-বতৰা পাতোতে আমাৰ "কেমব্ৰিজ" চোৱাৰ কথা ওলালত মই তেওঁক সুধিলো "কেমব্ৰিজত থকা অতি পুৰণি "কিংচ কলেজ"ক কিয় কিংচ কলেজ বোলে।" এইষাৰ কথা মই তাতো দুজনমানক সোধাত কব নোৱাৰিলে. তেৰোঁ কথাষাৰ শুনি হাঁহি হাঁহি তৎক্ষণাত উঠি আলমাৰী খুলি এটা কিতাপ উলিয়াই পঢ়ি হে মোক কলে যে "অষ্টম হেনৰি" (Henry VIII)ৰ দিনতে তেওঁৰ নামেই এই কলেজৰ নাম "কিংচ-কলেজ" দিয়া হৈছিল। আমাৰ আজি লেঠা বেছি থকাত সোনকালে তেওঁৰ পৰা বিদাই ললো, আৰু তাৰপৰাই আমি "মিছেছ উইলিয়ামছন"ৰ তালৈ ঘূৰি আহিলো। এওঁলোকৰ তাতো আজি আমাৰ চাহৰ নিমন্ত্ৰণ আছে, এওঁলোকে আমাৰ সুবিধামতে সময় লৈ আহিবলৈ কৈছিল, আমি বেলিকৈ তেওঁলোকৰ ঘৰ ওলালোহি, কিন্তু তেওঁলোকে চাহৰ মেজখন সজাই আমাৰ কাৰণে বৈ আছে। ওচৰত থকা বয়সস্থা আবিবাহিতা ভনিয়েক

আৰু পুতেকো বহি আছেহি। এটা ভাল "কেক" আমালৈ কৰা বুলি মেজত দেখুৱালে, এওঁলোকৰ লগত কথা-বতৰা পাতি বৰ ভাল লাগিল, নিচেই যেন আপোন মানুহ। চাহ খাওঁতে তেওঁলোকে মোক আমাৰ মাংস ৰক্ষাৰ বিষয়ে সকলো সুধি ললে, এওঁলোকে ভাৰতীয় মানুহে ভাল ৰন্ধা বঢ়া কৰিব জানে বুলি বিশ্বাস কৰে। কথা-বতৰা পাতি থাকোতে ৰাতি হৈ আহিল, আমি তেওঁলোকৰ পৰা বিদাই ললো, আৰু আমাৰ হোটেললৈ ঘূৰি আহিলো।

আজি আমাৰ থিয়েটাৰ চোৱাৰ বন্দৱস্ত আছে। অলপ সময় হোটেলতে কটাই আমি এতিয়া থিয়েটাৰলৈ ওলালো, আমাৰ লগতে হোটেলৰ মালিকজনো ওলাল। থিয়েটাৰখন হৈছে "সেক্সপিয়েৰ"ৰ "অথেল" নামৰ নাটকখন, "অৰচন ওৱেল্চ" নামৰ বিখ্যাত ভাৱৰীয়া জনেই "অথেল" হৈছিল। নায়িকা 'ডেচডিমোনা" হোৱা গৰাকী অতি শুৱনি কোমল একনা ছোৱালী, নায়ক "অথেল" এজন প্ৰকাণ্ড মানুহ; "ডেচডিমোনাক" মাৰোতে চৰাই এটা মৰাদি মাৰিলে। আজিৰ এই "অথেল" চাই বৰ ভাল লাগিল। প্ৰত্যেকটি ভাৱৰীয়াই নিখুঁত। পোছাকবিলাকো সেই চেক্সপিয়েৰৰ দিনৰ আহিৰ। থিয়েটাৰৰ বাজনা বাহিৰতে বজায়, দৰ্শক "হল" ভৰ্ত্তি কিন্তু নিমাত নিস্তব্ধ। বিজুলী চাকিৰ সাজ-সজ্জা বৰ বেছি। ভাগোতে সকলো ভাৱৰীয়াই ওলাই দৰ্শকসকলক অভিনন্দন জনায় আৰু ফুলৰ টোৰা দলিওৱা আৰু হাত চাপৰীৰ জাউৰি উঠে। মাজে মাজে ইয়াতে চাহ, বিস্কুট, কফি আদি বিক্ৰী কৰি ফুৰে।

আগৰাতিতে থিয়েটাৰ ভাগিল আৰু হোটেল-মুৱা হ'লো। ৰাতিৰ লণ্ডন চোৱা আজিয়েই আমাৰ শেষ দিন। বাটত মই কলো "অদ্য ৰজনী আমাৰ শেষ ৰজনী", মানে পিচদিনা আমি লণ্ডন এৰি ফ্ৰান্সৰ পেৰিচ নগৰলৈ যামগৈ আৰু ইয়ালৈ উভতি নাহো

বৰুৱায়ো কলে "এই কেইটা দিন ইযাত আছিলো কাইলৈ এৰি যাবলৈ বেয়া লাগিব, সচাকৈ মোৰো বেয়া লাগিছিল। ইযাত মানুহৰ আচাৰ ব্যৱহাৰেই এটা মাযা সুমুৱাই, আপোন যেন কৰি পেলায। যাৰ যাৰ ওচৰত আমি বিদাই লৈছিলো তেওঁলোকে কৈছিল "আকৌ নিশ্চয় আহিবা আৰু এইবাৰ বসন্তকালত আহি ইংলণ্ড চোৱাহি বৰ ভাল লাগিব"। সি যি হওক জাৰত সেঙ্গেতা লাগি আমি হোটেল সোমালোহি।

## ফ্ৰান্সত

৬ নবেম্বৰ লণ্ডন।

আজি ৰাতিপুৱাৰ পৰা আমি যোৱাৰ কাৰণে প্ৰস্তুত হৈছো। আমাৰ চিনাকী আপোন আটাইকেইজন এজন এজনকৈ আহি আমাক মাত লগাই গ'লহি। বৰুৱা হোটেলৰ হিচাব আদি কৰি দিযাত আৰু আন দেশলৈ যোৱা কাগজ-পত্ৰ ঠিক কৰাত ব্যস্ত হৈ আছে। আমি অন্য দেশৰ পৰা বাহিৰে বাহিৰে ভাৰতলৈ গাওঁনে আকৌ ঘূৰি লণ্ডনলৈ আহো হোটেলৰ মালিকজনক কোৱা হোৱাই নাছিল। তেওঁ আহি কলেহি যে "সাত নং কোঠালিটো খালি হৈছে, তোমালোক ঘূৰি আহি এইবাৰ সেইটোতে থাকিবা, অলপ বদলি কৰি থাকিবলৈ ভাল পাবা নহয জানো?" মই মাত্ৰ হাহিলো, ভাবিলো কোনে জানে কেতিয়া আকৌ আহি তোমাৰ সেই সাত নম্বৰ কোঠালিত থাকিবহি পাৰো। বৰুৱাই তেতিয়া তেওঁক আমি আকৌ ঘূৰি নহাৰ কথা ক'লে। আজি এই হোটেলৰ মালিক "মিঃ এন্দ্ৰুজ" (Mr Andrews) বহুত কথা পাতিলে। তেওঁৰ ঘৰৰ মাটিৰ তলৰ

মহলটো মই চাবলৈ ইচ্ছা কৰাত সকলো নি দেখুৱালে, ৰন্ধা ঠাযো চালো। ইলেক্ট্ৰিকৰ চৌকা, ৰন্ধা বঢ়াৰ কোনো অসুবিধা নাই। খোৱাৰ পাছত আমি "এন্দ্ৰুজৰ পৰিবাৰ আৰু ছোৱালী তিনিজনীৰ পৰা বিদাই ললো। আজি এওঁলোকক এৰি যাম, মনটো বেযা লাগিল! এই দেশৰ মানুহৰ ব্যৱহাৰেই মানুহৰ মন আকৰ্ষণ কৰে। কালি ৰাতি "মিচেচ্ উইলিযামচনে" মোক এটা ফুলৰ টোৰা উপহাৰ দিছিল, তাকে আমাৰ কোঠালিৰ মেজৰ ওপৰত সজাই থৈ মালবস্তুবে সৈতে কোঠালিটো উদং কৰি আমি ওলাই আহিলো আৰু উৰা-জাহাজ অফিচলৈ যাত্ৰা কৰিলো। বতৰটো এতিযা ভাল নহয। ওমাগোমা। অফিচত মালবস্তু ওজন কৰাৰ পাছত এখন "বাচ" আহি আমাক সকলো পেৰিচ যাত্ৰীক উৰা-জাহাজ বন্দৰলৈ লৈ গ'ল। লাহে লাহে এতিযা ৰ'দ ওলাই আহিল, অলপ সময ইযাত আমাৰ মালবস্তু পৰীক্ষা কৰাৰ পাছত প্ৰায চাৰেচাৰিমানৰ জাত আমি এখন ফৰাছী উৰা-জাহাজত উঠিলো। উৰা-জাহাজ উৰাৰ পাছত বেলি ৰঙা হলেই, আৰু লাহে লাহে আন্ধাৰো হৈ আহিল। আমি লণ্ডনৰ মাত্ৰ বিজুলীৰ চাকিবোৰহে দেখিবলৈ পালো। জাহাজৰ ভিতৰত থকা ফৰাছী পৰিচাৰক জনে জাহাজ উৰাৰ সমযত ফৰাছী ভাষাৰে কিবাকিবি কিছুমান কথা কলে। আমি একো বুজি নেপালো, দৰকাৰ পৰিলে সুধি লম বুলি ভাবি থাকিলো, পিছে একো দৰকাৰ নহ'ল। আমি প্ৰায সাতমান বজাত পেৰিচ নগৰৰ উৰা-জাহাজৰ বন্দৰ পালোহি। পেৰিচ পোৱা কুৰি মিনিট মানৰ আগৰ পৰাই আমি পেৰিচৰ বিজুলী চাকিৰ তিৰবিৰণি দেখিবলৈ পাইছিলো, এই শোভা চাবলৈ জাহাজৰ ভিতৰৰ বিজুলী চাকি বন্ধ কৰি দিছিল, এখন চাকি থোৱা ৰঙা, নীলা, হালধীযা মণিৰ ৰাজ্যৰ ওপৰেদিহে জানিবা এই উৰা-জাহাজখন উৰি আহিছে। পেৰিচৰ সময লণ্ডনৰ সমযতকৈ এঘণ্টাৰ আগ। আমি

ইযাৰ পৰা "বাচেৰে" অফিচলৈ গ'লো। আমাৰ মালবস্তুখিনি গোটাই লৈ আৰু ইয়াতে টকা কিছু "ফ্রেঙ্ক" কৰি লৈ এখন ভাৰা মটৰগাড়ী লৈ আমাৰ আগতে বন্দবস্ত কৰি থোৱা হোটেল "নৰমানদি" (Hotel Normandy) লৈ আহিলো। ৰাতি আকাশৰ ওপৰত কেইটামান চাকি জ্বলি থকা দেখিবলৈ পাইছো। শুনিলো ই পৃথিবীৰ ভিতৰত এটা ওখ সাজি থোৱা লোহাৰ ( ৰং তামবৰণীয়া ) দ'ল। নাম "ইফেল্ টাৱাৰ" (Eiffel Tower) এইটো পেৰিচৰ য'ৰে ত'ৰে পৰা দেখিবলৈ পোৱা যায়। ৰাতি তাৰ ওপৰত চাকি কেইটামান জ্বলি থাকে।



পেৰিচৰ "ইফেল টাৱাৰ"

আমাৰ হোটেলটি পেৰিচৰ মাজ ঠাইত। আমি তাত পাঁচ মহলাৰ ওপৰত কোঠালি পালো। হোটেলত থকা মানুহ দুজনমানে ইংৰাজী কথা কব পাৰে, কিছুমানে অলপো বুজি নাপায়। মালবস্তু থৈ মেলি

আমি ৰাতিৰ খোৱা খাবলৈ গ'লো, লণ্ডনত সকলো ঠাইতে যেনেকৈ "থ্যাঙ্ক ইউ" (ধন্যবাদ)টো শুনিবলৈ পোৱা যায়, বা কোৱা এটা নিয়ম, ইয়াত "মাৰ্চি" (Marci) শব্দষাৰতে শুনিবলৈ পালোহি। কথাবিলাক কিন্তু শুনিবলৈ বেযা নহয়!

৭ নবেম্বৰ পেৰিচ।

আজি ৰাতিপুৱা ন' বজাৰ পাছত আমি ইয়াৰ চাবলগীয়া ঠাই-ঠাই চাবলৈ যাবলৈ সাজু হ'লো। হোটেলৰ মানুহে বুজাই দিয়ামতে আমি এইবিলাক চোবাৰ সুবিধা কৰি দিবৰ কাৰণে এটা বাচ অফিচলৈ "ৰু, ডি, ৰিভ'লি" (Rue de Rivoli) বাটেৰে খোজকাঢি গ'লো। অফিচটোৰ নাম "ৰেপিড্ পুলমেন" (Rapid-



প্লেচ্ ডি পিৰামিডচ্ (Place des Pyramides)ৰ "জোৱান অব অৰ্ক"ৰ Joan of Arc সোণোৱালী মূৰ্তি—পেৰিচ

Pullman) আৰু ঠাই ডোখৰৰ নাম "প্লেচ, ডা, পিৰামিডচ্" (Place des Pyramides) তাত গৈ আমি গাইপতি ছ শ ফ্ৰেঙ্ক

কৰি দি তুখন টিকট ল'লো। তেওঁলোকে আমাক এখন বাচত বহা ঠাই ঠিক কৰি দিলে। আগত ড্ৰাইভাৰ আৰু "মাইক" লৈ গাইডজন বহিল। ইয়াত মানুহ ত্ৰিশ জনমান বহিবলৈ আটে। এই বাচ কোম্পানীবিলাকে বহুত বাচ এইদৰেই দেশচোৱা যাত্ৰী ভৰায় ভৰায় পঠায়, দেশচোৱা যাত্ৰী বৰ বেছি। এই দেশবিলাকত বিদেশী আলহী সুধিবলৈ হোটেলবিলাকে সদায় সুবিধা পায়। গাইডবিলাকে পুৰুষানুক্ৰমে এইবিলাক দেখুৱাই বুজায়েই খাই লৈ আছে। আৰু মটৰ বাচ কোম্পানীবিলাকে এইবিলাক সুবিধা সদায় পাই আছে। এই ফালৰ দেশবিলাকে বিদেশৰ নানাৰকমৰ আলহীবোৰৰ পৰা উপাৰ্জ্জন আৰু উন্নতিৰ বহুত সুবিধা পাইছে। এইফালৰ দেশৰ মানুহবিলাকে বহুত বছৰৰ আগৰ পৰাই পৃথিবীৰ নানাদেশৰ মানুহৰ সৈতে ঘনিষ্ঠতা হৈ হৈ মানুহবিলাকৰ সকলোৰে প্ৰতি এটা সংগত ভাব আৰু ভাল ব্যৱহাৰ কৰাটো স্বাভাবিকতে হৈ উঠিছে। এহেজাৰ বছৰৰ আগৰ শিল্পীসকলে নিজানত বহি মূৰ্ত্তি গঢ়ি সুন্দৰ ঘৰ বাৰীত মনোহা দৃশ্য কৰি দেশখন ধুনীয়াকৈ গঢ়ি গৈছে, তেতিয়াৰ দিনত মানুহে সুকুমাৰ কলা ভাস্কৰ্য্য কামত দোপতদোপে আগবাঢ়ি গৈছিল; এতিয়া তাৰ উত্তৰাধিকাৰীসকলৰ বিজ্ঞানৰ সহায়ত আন শিল্প আৰু ব্যৱসায়ৰ ফালে মন ঢালখোৱা দেখা যায়। ফৰাছী মানুহবিলাক লণ্ডনৰ মানুহৰ দৰে ব্যস্ত হৈ ফুৰা দেখা নাযায়। ইংৰাজ মানুহবিলাকে সাধাৰণতে কথা কম কয়, এওঁলোকে কিন্তু আমাৰ মানুহৰ দৰেই বেচ কথাবাৰ্ত্তা পাতি দেখিছো, মানুহবিলাকো ভাল যেনেই লাগিছে। প্ৰায় বিদেশৰ মানুহেই ইংৰাজী ভাষা নেজানে। গাইডবিলাকে কিন্তু কেইবাটাও ভাষা জানে।

এতিয়া আমাৰ বাচখন চলাৰ লগে লগে আমাৰ গাইডজনে এবাৰ ইংৰাজী ভাষাত, এবাৰ ফৰাছী ভাষাত আৰু এবাৰ জাৰ্ম্মান ভাষাত

দেশৰ কথাবোৰ বুজাই গ'ল। যি যি ঠাইত চাবলগীয়া আছে, তাত বাচ ৰখায় আৰু সকলোবোৰ দেখুৱাই বুজাই দিয়ে।

আমি বাচত উঠিবলৈ অহা অফিচৰ আগতে "জোৱান অব্ আৰ্ক" (Joan of Arc)ৰ সোণৰ পানী চৰোৱা ঘোৰাৰ ওপৰত দীঘল নিচান উঠিগক্ৰা এটা ডাঙৰ মূৰ্ত্তি সাজিথোৱা আছে। পেৰিচখন সজাই পতা নগৰ। আলি পদুলি আৰু কিছুমান ঠাই চাই এনেকুৱা লাগে যেন আমাৰ "নিউ দিল্লী"খনে পেৰিচৰ কিছু আহি লৈছে।

আমি প্ৰথমেই এখন উদ্যান চাই গ'লো, এতিয়া জুমে জুমে মানুহ ফুৰিছে, লৰাছোৱালীবোৰে ধেমালি কৰি আছে, আৰু নানাৰকমৰ শিলৰ মূৰ্ত্তিবিলাক মাজে মাজে সজাই থোৱা আছে। ইযাৰ পাছত গৈ পালো এখন মুকলি কৰি থোৱা ঠাই! মাজতে ইজিপ্তদেশৰ এটা স্তম্ভ (Obelisk) পুতি থোৱা আছে। এই ঠাইখনৰ নাম "প্লেচ, ডি, লা, কঙ্কৰড্" (Place de La Concorde) এই ঠাইখনত অলপ নামি আমি "বুলেভাৰ্ড ডা কেপুচিন" (Boulward des Capucines) বাটেদি এইবাৰ এটা অতি পুৰণি গীৰ্জালৈ গ'লো। গীৰ্জাটোৰ নাম "মেডেলিন্ চাৰ্চ" (Madeleine Church) এই গীৰ্জা ঘৰটোৰ চাৰিউফালে শকত খুটা (Piller) বিলাকেৰে সজোৱা আছে, ভিতৰখন বৰ সুন্দৰ। বেদীৰ ওপৰত যীশু আৰু মাকৰ মূৰ্ত্তি আছে, সকলোবিলাকতে সোণ খটোৱা। কাঠৰ আৰু শিলৰ কাৰুকাৰ্য্য চাবলগীযা। বহুত মানুহে গীজাৰ ভিতৰত প্ৰাৰ্থনা কৰি আছে। এই গীজাৰ পৰা নি আমাক দেখুৱালে নগৰৰ ডাঙৰ ঘৰবাৰীবিলাক, থিয়েটাৰ ঘৰ "নেচনেল অপেৰা হাউচ" (National opera House), ফ্ৰান্সৰ ৰাষ্ট্ৰপতি থকা ঘৰ "ইলিচি পেলেচ" (Elysees Palace), তাৰ পাছত দেখিলো এখন তোৰণ, নাম "আৰ্চ অব ট্ৰায়মফ্" (Arch of Triumph), দেখিবলৈ আমাৰ নিউ দিল্লীত দেখা প্ৰথম ডাঙৰ




"মেডেলিন•চার্চ"ৰ চো◌ালত দেশ চোৱা যাত্ৰী সহ আমি

যুদ্ধৰ স্মৃতি তোৰণৰ লগত মিলে আৰু নিউ দিল্লীত দেখাৰ দৰে বহুত দূৰৈৰ পৰা চকুত পৰে ; পিচে এই তোৰণৰ তলৰ পৰা বাৰটা বাট ওলাই গৈছে তৰাটোৰ দৰে। এই তোৰণৰ তলতে এটি অজান ফৰাচী সৈনিকক কবৰ দি থৈছে, ফুলেৰে সজাই থৈছে। এই তোৰণৰ ওচৰতে আৰু এখন বিজয় তোৰণ আছে নাম "আৰ্ক ডু কেৰোচেল" (Arch de Carrousel), এই তোৰণৰ ওপৰত চাৰিটা ব্ৰঞ্জ ধাতুৰ চেকুৰি থকা ৰথৰ ঘোৰা আৰু তিনিটি সাৰথিৰ মূৰ্ত্তি আছে। এই দুয়োখন তোৰণেই নেপ'লিয়ানৰ বিজয় তোৰণ। এই তোৰণ থকা ঠাইতে আগতে বলিশাল আছিল আৰু তাতে ফৰাচী বিপ্লৱৰ সময়ত ৰজা-ৰাণীক বলি দিছিল, যি ৰজা-ৰাণীৰ মূৰ্ত্তি সিদিনা লণ্ডনৰ "মেডেম টুচ' একজিবিছনত দেখি আহিছো। ইযাৰ পাছত গৈ থাকোতেই বাটতে বিখ্যাত ফৰাচী-লিখক "ভিক্তৰ হিউগ"ৰ মূৰ্ত্তি দেখিলো। প্ৰসিদ্ধ "ইফেল টাৱাৰ" (Eiffel Tower)টো ইযাৰ পৰা ওচৰ। এই ওখ "ইফেল টাৱাৰ" টোৱে জানিবা দৈত্যৰ দৰে গোটেই পেৰিচখন পহৰা দি আছে। ১৮৮৯ চনত পেৰিচ নগৰত হোৱা প্ৰদৰ্শনীৰ নিমিত্তে "ইফে'ল' নামৰ এজন ইঞ্জিনিয়াৰে এইটো তৈয়াৰ কৰায়। ই ওখ ৯৮৪ ফুট। ই পৃথিবীৰ ভিতৰতে ওখ আছিল, পাছত "নিউ ইযক" (এমেৰিকা)ত "ক্ৰাইচলাৰ টাৱাৰ" (Chrysler Tower) সজাৰ পাছত হে ই তাইকৈ চাপৰ হয। ইয়াৰ ওপৰত এটা ডাঙৰ কোঠালি আছে, তাত বোলে আঠ শ মানুহ ধৰে। এই "ইফেল টাৱাৰ" আজি কালি অনাৰ্তাৰৰ কেন্দ্ৰ কৰি ব্যৱহাৰ কৰে আৰু তাৰ ওপৰৰ পৰা গ্ৰহ নক্ষত্ৰও চায়।

ইয়াৰ পাছত আমাক এটা অতি পুৰণি গীজালৈ নিলে, নাম "নট্ৰাৰ ডাম" (Notre Dame) আঠ শ বছৰৰ আগত তৈযাৰী। ফৰাচী বিপ্লৱৰ সময়ত উন্মত্ত জনতাই ইযাত সোমাই ইয়াৰ মূৰ্ত্তি আদি বহুত

ধ্বংস কৰে। এই গীৰ্জাটো চীন নৈৰ মাজৰ এটি সৰু মাজুলীত আছে। চূড়াটো চাৰি শ পঞ্চাশ ফুটমান হেনো ওখ। চূড়াটোৰ পৰা নামি অহাৰ দৰে কৰি কেইটামান ব্ৰঞ্জ ধাতুৰ মূৰ্ত্তি আছে, পানী বাগৰি যাবলৈ মগৰৰ মুখ কৰি কৰি দিয়া আছে, সকলোবোৰ গাইডে দেখুৱাই যায়। এই গীৰ্জাতে "নেপ'লিযান" আৰু "জোজোফাইন"ক ৰজা-ৰাণীৰ মুকুট পিন্ধাইছিল। এই গীৰ্জাৰ আগফালটোতকৈ পিছফালটো হে দেখিবলৈ শুৱনি। ভিতৰখনো নানান কাৰুকাৰ্য্য কৰা। খুটা-বিলাক আন গঢ়ৰ, বেৰত আইনা লগাই সুন্দৰ সুন্দৰ ৰঙীন ছবি থৰা আছে। তেতিযাৰ দিনতে যে ইমান সুন্দৰ শিল্পৰ জ্ঞান আছিল, নেদেখিলে বুজিব নোৱাৰি। গীৰ্জাৰ ঘাই বেদী বৰ ডাঙৰ। চুকে চুকে সৰু সৰু বেদীও সজাই থোৱা আছে। এই গীৰ্জাতেই এজন মহাত্মা (Saint)ৰ কবৰ আছে। সুন্দৰ কফিনটোও কবৰৰ ওপৰতে থোৱা আছে। বৰ গহীন যেন লাগে। সকলো দৰ্শকে এই কবৰটোৰ চাৰিউফালে প্ৰদক্ষিণ কৰিলে। আজি দেখা দুযোটা ডাঙৰ গীৰ্জাৰ বেদীৰ আগে আগে এচোৰা উঠি যাব পৰা খট্‌খটা দেখিলো, ত্ৰিবান্দ্ৰামৰ মছজিদবিলাকৰ লগত মিলে। এই গীৰ্জাতে "ডিউক অব উইণ্ডচৰে" (Duke of Windsor) যুদ্ধত মৃত্যু হোৱা সৈনিকৰ বাবে এটা ডাঙৰ দ্ধাৰ দিছে, ইয়াং ভৰাই মমবাতি জ্বলাই থোৱা আছে।

এতিয়া এই আগবেলা চোৱা আমাৰ ইমানতে শেষ হ'ল। আমি যোৱা বাটেই অফিছলৈ ঘূৰি আহিলো। আঢ়ৈ বজাত আকৌ যোৱাৰ বন্দবস্ত কৰি আমি হোটেললৈ উলটিলো। সোনকালেই খোৱা-বোৱা কৰি আমি খোজকাঢ়ি আকৌ অফিছত উপস্থিত হ'লোহি! "জোৱান অব্ আৰ্ক"ৰ এই মূৰ্ত্তিটোৱে আমাক বাটৰ চিন হিচাবে সহায় কৰিলে। তেওঁকে চকু ৰাখি আমি ইফাল-সিফাল কৰিবলৈ সুবিধা কৰি ললো।

এইবেলা প্ৰথমেই বাচে আমাক ৰাতিপুৱাৰ যাত্ৰী বন্ধু সোপাৰে

সৈতে নি আগৰ তিনিপুৰুষীয়া ৰজাৰ ঘৰৰ আগত ঠিয় কৰোৱালে। এই কাৰেংটো এজন ৰজাৰ দিনত যিমান ডাঙৰ দীঘল আছিল, পিছৰ জনৰ দিনত আৰু সিমান ডোখৰ দীঘল ডাঙৰ কৰিছিল, তাৰ পিছৰ জনেও সেইদৰে আৰু এছোৱা বঢ়ালত এই বিৰাট কাৰেংটো তৈয়াৰ হৈছিল। এই কাৰেং চাৰি মহলৰ, আৰু ওপৰৰ চাটৰ দাঁতিযে দাঁতিযে দহ হাতমানৰ অন্তৰে একো একোজন আগৰ প্ৰসিদ্ধ মানুহৰ মূৰ্ত্তি আছে। শ শ বছৰ ধৰি ব'দে বৰষুণে সম্পদে বিপদে সেইদৰেই ঠিয় হৈ আছে। এইটোৱেই বৰ্ত্তমান পেৰিচৰ "লুভ" (Louvre) মিউজিযাম ; ইযাতেই "হেলেনৰ মূৰ্ত্তি" আৰু "ম'নালিচা"ৰ ছবি আছে। এই মিউজিয়ামৰ ভিতৰ দেখুৱা এইজন গাইডৰ কাম নহয়, আৰু ই সোনকালে চাব পৰা কথাও নহয়! আজি আমি অতীজৰ ৰজাঘৰ বুলি বাহিৰৰ সৌন্দৰ্য্যখিনিকে চালো, পিছদিনা মিউজিযম চাবলৈ ভাবি থ'লো। এতিয়া এই কাৰেঙৰ কিছুমান কোঠালিত অফিছাদি বহে। ইয়াৰ পিছত আমাক "নেপ'লিযানৰ টুম্ব" (Tomb of Nepoleon) চাবলৈ নিলে। এই কবৰ থকা ঘৰটো এটা গীৰ্জা। নাম "লা ইনভেলিদচ" (Les Invalides) নেপ'লিযানক ইংৰাজবিলাকে "চেইণ্ট হেলেনা" (St. Helena) দ্বীপত বন্দী কৰি থৈছিল ; বন্দী অৱস্থাতেই তেওঁৰ মৃত্যু হয। বহুত বছৰ নেপ'লিযানৰ কবৰ "চেইণ্ট হেলেনা" দ্বীপত আছিল। তাৰ পৰা ফৰাচীবিলাকে তেওঁৰ কবৰ নিজৰ দেশলৈ খুজি আনে, আৰু ইযাত আনি অতি সুন্দৰ কৰি সজোৱা গীৰ্জাঘৰত তেওঁৰ কবৰ তুলি আনি ৰাখেহি। কবৰটো ঘৰটোৰ মাজ ঠাইত, চোৱা ঠাই ওপৰৰ মহলটোৰ পৰাহে দিছে। ওপৰৰ মহলৰ পৰা কবৰ থকা ঠাই ডোখৰ ঘূৰণীয়া বৰ বহল এটা পকা বেৰ দিয়া নাদৰ দৰে দেখি। ইয়াৰ কাৰণ হেনো তেওঁ জীয়াই থাকোতে যেনেকৈ তেওঁৰ ওচৰত মানুহে মূৰ দোঁৱাই ছিল ; এতিয়া

তেওঁৰ কবৰো সেইদৰে মুৰ দোঁৱাইহে চাব পাৰে। কবৰৰ ওপৰখন মুগা ৰঙৰ মাৰ্ব্বল পাথৰে সুন্দৰ কৰি সাজি থৈছে। চাৰিউকালে বাৰটা শকত খুটাত (Piller) বাৰ গৰাকী স্বৰ্গৰ পৰীয়ে তেওঁক বেৰী থকাৰ দৰে মূৰ্ত্তি সাজি থৈছে। নেপ'লিয়ানৰ কবৰ ইয়ালৈ অনাৰ এশ বছৰৰ পাছত তেওঁৰ পুতেক দ্বিতীয় নেপ'লয়ানৰ কবৰো "ভিয়েনা"ৰ পৰা আনি এই গীৰ্জাৰ এটা কোঠালিত থৈছি। নেপ'লিয়ানৰ কবৰ থকা এই গীৰ্জাৰ আৰ্হিটো আমাৰ মন্দিৰৰ নিচিনা।

ইয়াৰ পৰা ওলাই গৈ আমি "মাৰ্চেল্ গেলিএনি" (Marshel Gallieni)ৰ মূৰ্ত্তি দেখিলো, এওঁ প্ৰথম মহাযুদ্ধত ১৯১৪ চনত জাৰ্ম্মানীৰ বিপক্ষে ঠিয় হৈ পেৰিচ ৰক্ষা কৰি আছিল। ইয়াৰ পাছত আমি ফৰাচী পৰৰাষ্ট্ৰ মন্ত্ৰীৰ দপ্তৰখানা দেখিবলৈ পালো। আৰু তাৰ পাছত দেখিলো "জৰ্জ ক্লেমেন চু" (Gorge Clemen Ceau)ৰ মূৰ্ত্তি।

এইখিনি চোৱাৰ পাছত গাইডে নি আমাক এখন চাহ কফিৰ দোকানত সুমুৱালে। ইয়াতে আমি চাহ খাই, ওচৰত থকা দোকানখনলৈ গ'লো ইয়াত এই দেশৰ চিন চাবেৰে বহুত সৰু সুৱা বস্তু বিক্ৰীৰ কাৰণে থৈছে।

প্ৰায় ৬টামান বজাত আমি বাচেৰে অফিচলৈ ঘূৰিলো। অফিচৰ পৰা "ৰু, ডি, ৰিভ'লি" (Rue de Rivoli) নামৰ বাটটোৰ ওপৰৰ দোকান বজাৰ খোজকাঢ়ি চাই ফুৰি ৰাতি ৰব ভাগৰি হোটেললৈ ঘূৰি আহিলো।

৮ নবেম্বৰ — পেৰিচ।

আমি থকা হোটেলৰ পৰা "লুভ" (Louvre) মিউজিয়াম বেচি দূৰ নহয়। আমি ৰাতিপুৱা খোৱাৰ পাছত, হোটেলৰ মানুহক সুধি, তেওঁলোকে বুজাই দিয়া বাটে মিউজিয়াম চাবলৈ খোজ ললো। পিছে,

অলপ দূৰ গৈ আচল বাটতো উলিয়াব নোৱাৰি এজন মানুহক সুধিব লগা হ'ল। সুধিছোহে হয়, কিন্তু মানুহজনে একো কথা নুবুজেই! গি হওক তেওঁ মাত্র "লুভ" (Louvre)টো বুজি পালে। তেওঁ আমাক ইঙ্গি-ভঙ্গিকৈ "মোৱা যাওঁ আহা" বুলি আগ বাঢ়িল। এটা ...ঙ্গৰ খবৰ মাজে আমাক সৰকাই নিযাত আমি কালি দেখা মিউজিযাম ঘৰ দেখিবলৈ পালোঁ। তেওঁ তাতে আকৌ হাত-পাত জোকাৰি বিদাই ললে, আমিও অকৰা মানুহৰ দৰে তেওঁক বিদাই দিলো।

মিউজিযাম ঘৰলৈ আমি সোমাই গ'লো; লাহে লাহে আৰু বহুত দর্শক আহি গোট খালেহি। আমি মিউজিযাম চোৱা টিকট কিনি ল'লো, আৰু ইফালে সিফালে ঘূৰি পকি চাই গাইড অহালৈ বাট চালো, এই কোঠালিটোত মিউজিযামত থকা বস্তুৰ সৰু সৰু ছবি আৰু মূর্ত্তি বিক্রী কৰে। গাইডজন আহি পালত কর্ম্মচাৰী গৰাকীয়ে এটা টিলিঙা বজাই দিলে, আৰু আমি এটা ডাঙ্গৰ দল গাইডৰ ওচৰ চাপিলো। প্রথমতে এইবেলা গাইডে আমাক অতি চাবলগীয়া কিছুমান দেখুৱাম বুলি খলে। নানাৰকম পুৰণি কালৰ বস্তুৰ মাজেদি চকু ফুৰাই গৈ ত্রিশটামান খটখটি উঠি মাজ ঠাইত এটা শিলৰ মূর্ত্তি ১০০ বছৰৰ আগৰ, তাৰ ওচৰত ঠিয় কৰোৱালে। এইটো গ্রীক্ শিল্পীৰ প্রকাণ্ড এগৰাকী পাখীথকা তিকতাৰ মূর্ত্তি; নাৱৰ টিঙত উঠি থকা, কিন্তু মূৰটো নাই, ভগা। এই মূর্ত্তিৰ নাম "নাইক" (Nike) এগৰাকী বিজয়ৰ দেৱী। গ্রীকবিলাকে মিচৰ দেশ জয়কৰা নৌ যুদ্ধৰ চিন। এই মূর্ত্তি এনেকুৱাকৈ দেখুৱাইছে যেন প্রচণ্ড ধুমুহা বতাহ বুকু পাতি ৰখাইছে, বতাহৰ কোববিলাক এই শিলৰ মূর্ত্তিত ইমান সুন্দৰ কৰি কাটি কাটি দেখুৱাইছে যে তাক গাইডে আমাক ঘূৰাই পকাই দেখুৱাই বুজালে।

ইয়াৰ পাছত আৰু নানাৰকমৰ শিলৰ মূর্ত্তিবিলাক চাই চাই গৈ

আমি প্ৰসিদ্ধ "ভিনাচ্ ডি মিলো'" (Venus de Mello) মূৰ্ত্তিটোৰ ওচৰত ৰ'লোগৈ। গ্ৰীকশিল্পীয়ে এই মূৰ্ত্তিটো তৈয়াৰ কৰিছিল। আমি এওঁক "ৰম্ভাই" বুলিমনে, "তিলোত্তমাই" বুলিম ভাবি নেপালো। আজিলৈকে হেনো এই মূৰ্ত্তিটোৰ নিচিনা ধুনীয়া কৰি কোনো শিল্পীয়ে আৰু কৰিব পৰা নাই। মূৰ্ত্তিৰ কিন্তু হাত দুযোখন ভগা। ধুনি ঘূৰি ভিনাচক বহুত সময় চালোঁইক।

ইযাৰ পাছত "মাইকেল্ এঞ্জেল'" (Michelangelo) ৰ্স্ কৰা কিছুমান মূৰ্ত্তি আৰু আন আন নামথকা শিল্পীৰো কিছুমান মূৰ্ত্তি চোৱা হ'ল। এইবিলাক চাই চাই আৰু বহুত কোঠালি পাৰ কৰাই আমাক ছবিৰ বিভাগটোলৈ লৈ গল। দুই ফালে অতীজৰ বহুত শিলৰ মূৰ্ত্তি দেখি গ'লো, এইবিলাকৰ শিলো ক্ষয় গৈছে। আগৰ দিনৰ ৰাণী-সকলৰ যৌতুকত দিয়া কিছুমান বৰ পেৰাও শাৰী পাতি সজাই থোৱা দেখিলো। ছবিৰ বিভাগটোত সৰু ছবিৰ পৰা ১৮ ফুট ২১ ফুট ডাঙৰ ছবিলৈকে এই ভাগটো ভৰা। আমি গৈ পৃথিৱী বিখ্যাত "মোনালিচা", (Monalisa)ৰ ছবিখনৰ ওচৰত ঠিয় হ'লোগৈ। এই ছবিখন বিশাল ডাঙৰ নহয়। এই বিখ্যাত ছবিখনৰ দৰে এতিয়ালৈকে কোনো শিল্পীয়ে আৰু তেনেকুৱা বুজিব নোৱাৰা হাহিঁৰে (Inscrutable Smile) আঁকিব পৰা নাই। গাইডে কলে "এই ছবিখন এসময়ত চুৰি হৈছিল; কোনো ৰকমেহে উদ্ধাৰ কৰা হ'ল"। এতিয়াও তেই ছবিখনৰ ওচৰত কেবাজনো শিল্পীয়ে চাই চাই এই ছবি আঁকি আছে। এই ভাগটোৰ বিখ্যাত ছবিৰ ভিতৰত ইংলণ্ডৰ ৰজা প্ৰথম "চালচৰ" ছবি "ভেণ্ডাইকে" (Van Dyck) অকা, "ৰেমব্ৰেণ্ট"ৰ (Rembrandt) অঁকা "চেইণ্ট মেথিও" (St. Mathew)। "মিলেট" (Millet)ৰ "এঞ্জেলাচ" (Angelus) আৰু "গ্লীনাৰ্চ" (Gleaners) আদি কিছুমান ছবি। কিছুমান ছবি বৰ ডাঙৰ, ইমান নিখুঁতকৈ

আঁকিছে যে মূৰ্ত্তিয়েই নে আঁকা ছবি তত্ ধৰিব নোৱাৰি। বেছি ভাগ ছবিয়েই খৃষ্টধৰ্ম্ম সম্পৰ্কীয়, তাত মেৰী (যীশুৰ মাক) আৰু কেচুৱা যীশুখৃষ্টৰ বহুত ৰকমৰ দৃশ্য আছে। বহুত ছবিৰ একো অৰ্থই বুজি নেপাওঁ, শিল্পীসকলেহে ইয়াৰ মোল বুজিব। ইয়াতে ঘূৰি ফুৰি চাই দুপৰীয়া যোৱা বাটেই হোটেললৈ ঘূৰি আহিলো। দুপৰীয়া খাই উঠি আকৌ সেই বাটেই তালৈকে খোজ ললো। টিকট দুটা কিনি গাইডৰ লগ লৈ মিউজিয়ামৰ ভিতৰ সোমাই গ'লো। ইয়াতো এটা মিচৰীয় বিভাগ আছে, আৰু প্ৰাচীন মিচৰ দেশৰ নানাৰকমৰ বস্তুবিলাক আৰু ধাতুৰ, শিলৰ আৰু সোণ-ৰূপৰ নানা তৰহৰ গহনাবিলাক আছে।

এটা মহলাত অতি পুৰণি কালৰ তৈয়াৰী মাটিৰ বাচন-বৰ্ত্তন আৰু অতীতৰ ঘৰসজা সৰঞ্জাম আদি আছে। পৃথিবীৰ আন আন ঠাইৰো নানাৰকমৰ আচৰিত হব লগা বস্তুবোৰ আছে, এইবিলাক অলঙ্কাৰ, ব্ৰঞ্জ ধাতুৰ, মিনাকৰা বস্তু, হাতীদাঁতৰ বস্তু আৰু ছবি তুলি (Tapestry) বোৱা নানাৰকমৰ কাপোৰ ইত্যাদি আছে। এনেবিলাক বস্তুকে ঘূৰি পকি চাই আমি গাইডৰ লগ এৰা দি সোনকালে ইয়াৰ পৰা ওলাই আহিলো। ইয়াৰ পৰা বাহিৰে বাহিৰেই আমি "প্লেচ ডি লা কঙ্কৰড" (Place de Las Concorde) নামৰ মুকলি সজোৱা ঠাইখনৰ ফালে ফুৰিবলৈ গ'লো। ইয়াত এতিয়া ফুৰিবলৈ অহা মানুহৰ আৰু গাড়ীৰ বৰ ভিৰ, সুন্দৰ সুন্দৰ মূৰ্ত্তিৰে পানীৰ উঁহ কিছুমানো আছে, গধূলি হ'লতে গোটেই চাকি জ্বলি ৰমক-জমক হৈ পৰিল। ফুৰি চাকি এটা "চাহ-ঘৰ"ত সোমাই এটোপা সেৰেকা চাহ খালো, ইয়াত চাহ খাই ভালপোৱা নাই, বৰ পনীয়া চাহবিলাক। ৰাতি আমি হোটেললৈ ঘূৰি আহিলো।

৯ নবেম্বৰ — পেৰিচ।

আজি আগবেলা আমি ডাঙৰ দোকান থকা "ৰু ডি ৰিভ'লি" (Rue de Rivoli) নামৰ বাটটোলৈ ওলালো। দোকান চাই ফুৰি সৰু সুৰা দুটামান বস্তু আৰু ছবিথকা কাৰ্ড কেইখনমান কিনিলোঁ। পেৰিচত আমি এতিয়ালৈকে ভাৰতীয় মানুহ এজনো দেখা নাছিলো আজিহে দোকানত দুগৰাকী ভাৰতীয মানুহৰ লগত দেখা হ'ল: এওঁলোক বম্বেৰ মানুহ।

পিচবেলা ঠাই চোৱাৰ বন্দবস্ত কৰি দুপৰীয়া হোটেললৈ ঘূৰি আহিলো। খোৱা-বোৱা কৰি ঘৰলৈ লৰা-লৰিকৈ দুখন চিঠি লিখি আমি ইযাৰ পৰা ১৬ মাইল দূৰত থকা "ভাৰচাই" (Versailles) চাবলৈ যাবলৈ সাজু হ'লো।

এতিয়া অফিছৰ মুখৰ পৰা আমি ২টা বজাত এজন গাইডৰ সৈতে বাচত উঠি "ভাৰচাই"লৈ ৰাওনা হ'লো। প্ৰথমে পেৰিচ নগৰখন পাৰ হৈ যোৱাৰ পাছৰ পৰাই আমি খেতি-বাতি গৰু-গাহৰিবোৰ-গাওঁবিলাক দেখিবলৈ পালো, গাৱঁৰ মানুহবিলাক কাম কাজত লাগি আছে। আমি এতিয়া চিন নৈৰ পাৰে পাৰে গৈ আছো। এঠাইত নৈৰ মাজত এটা সৰু মাজলী জুৰি "ৰেণল্ট" (Renault) মটৰ গাড়ী তৈযাৰী কৰা কাৰখানা দেখিলো। গাইডে কলে ইযাত হেনো মাহে ৮৫০ খন মটৰ গাড়ী তৈয়াৰ হয় আৰু এই বছৰ বোলে ১০০০ এহেজাৰখন মাহে কৰিবলৈ স্থিৰ কৰিছে; আৰু অলপ বাট যোৱাৰ পাছতে এটা ডাঙৰ কাৰখানা দেখিবলৈ পালো। এইটো এটা "প'চেলীন" (Porcelin)ৰ বাচন-বৰ্তন তৈয়াৰ কৰা কাৰখানা। এই ঠাইডোখৰৰ নাম "চেভাৰ্চ" (Sevcres), আৰু এখন চহৰ দেখিলো, এই ঠাইৰ কথা গাইডে কলে যে "আজি কেই বছৰমানৰ আগতে এই ঠাই নিচেই

পিছপৰা আছিল, ইমান সোনকালে যে এই ঠাইখনে উন্নতি কৰিলে, কল্পনাই কৰিব নোৱাৰি। মানুহবিলাক এতিয়া চহকি হ'ল, আৰু লোকসংখ্যাও বাঢ়িল"। এই ঠাইৰ প্ৰায় মানুহৰ ঘৰত "টেলিভিচন"ৰ যন্ত্ৰ লগোৱা আছে। লাহে লাহে গৈ আমি "ভাৰচাই"ৰ ৰাজ-প্ৰাসাদৰ ওচৰ পালোগৈ। এই প্ৰাসাদটো এডোখৰ বৰ ওখ ঠাইত, গোটেই বাটৰ পৰা শিলেৰে বন্ধোৱা ঠাইখন। এই প্ৰাসাদটো বহুত দূৰৰ পৰা দেখা যায়। বাহিৰ দুৱাৰৰ আগত আমাৰ বাচখন ৰখালে, আৰু আমি নমাৰ পাছতে এজন "ফ'টগ্ৰাফাৰে" আমাৰ ফ'ট ললেহি। ইয়াৰ পাছত আমি প্ৰাসাদৰ ভিতৰলৈ সোমাই গ'লো। এই ৰাজ প্ৰাসাদটো এতিয়া জাতীয় মিউজিয়াম কৰি ৰাখিছে। এটা এটাকৈ ঘৰৰ ভিতৰৰ কোঠালি চাই চাই গাইডৰ কথা মন্ত্ৰ শুনাদি শুনি গৈ আছো। ৰজা বহা, আলহীক লগপোৱা, আলহীৰ সৈতে খোৱা-বোৱা কৰা, নাচ-বাগ কৰা, আদি বহুত সজোৱা কোঠালি। নানান ৰূপ সোণ অৰ্নি যেন ঢালিহে লৈছিল। গাইডে কলে "ইয়াত অসংখ্য ৰূপৰ সৰঞ্জাম আছিল, কোনোবা ৰজা এজনৰ দিনত যুদ্ধৰ সময়ত ৰূপৰ বস্তুবিলাক ভঙাই ৰূপবিলাক উলিয়াই লৈছিল। ঘৰৰ ভিতৰৰ ওপৰখন কোনো কোনো শিল্পীযে অকা ঐশ্বৰিক ভাবৰ ছবিবিলাকেই চকোখন আৰি থোৱা চন্দ্ৰাতপ যেন হৈ আছে। এই ছবিবিলাকৰ দাতিত এহাতমান বহল কৰি ছবিৰ বাও লগোৱাৰ দৰে কৰি তাত সোণৰ লতা ফুল পাত কাটি থোৱা আছে। ৰংবিলাক আৰু সোণৰ ৰঙে ছবিবিলাক বৰ জকমকাই আছে, ওপৰলৈ মুখ তুলি চাওঁতে ডিঙিৰ বিষ ধৰি যায়। বেৰবিলাকতো এনেকুৱা ছবিবিলাক আছে; কিন্তু ওপৰৰ ছবিবোৰ একোটা মানুহৰ সমান ডাঙৰ কৰি অঁকা। ৰজা-ৰাণীসকলৰ আঁকি থোৱা ছবি আৰু মাৰ্ব্বল শিলৰ মূৰ্ত্তিবিলাক ঠায়ে ঠায়ে সজাই থোৱা আছে। এজন কোঁৱৰৰ পত্নীৰ এটি মাৰ্ব্বল




“ভেৰচাই প্ৰাসাদ”ৰ (Palace of Versailles) সমুখত যাত্ৰী সহ আমি

শিলৰ মূৰ্ত্তি আছে, আৰু তেওঁ ভালপোৱা এগৰাকীৰ এখন ছবিও ওলমাই থোৱা আছে। কোঁৱৰৰ বিবাহিতা পত্নী বোলে সিমান সুন্দৰী নাছিল, যি হওক কোৱৰে সুন্দৰী গৰাকীক ভাল পাইছিল যদিও বিয়া কৰোৱা নাছিল হেনো। ৰাণীৰ গান-বাজনা কৰা এটা কোঠালি আছে, বাদ্যযন্ত্ৰ থোৱা ঠাইখন সুদ্ধা হৈ আছে। কোঠালিয়ে কোঠালিয়ে বেঞ্চ পাৰি থোৱা আছে, ওপৰত বৰ্ডা মখমল আৰু কাঠৰ ওপৰত সোণ-পানী চৰোৱা, দৰ্শকবিলাক ভাগৰিলে তাতেই বহি জিৰায়। আমি বহোতে এজন এই দেশৰ ভদ্ৰলোকে মোক হাহি হাহি ক'লে "আমি ক'ত বহিছো জানানে? আমি চতুৰ্দ্দশ লুইৰ আসনত বহিছো"। এওঁলোকে ইংৰাজ জাতিৰ সমান সাঁচি ৰাখি কথা কোৱা মানুহ নহয়। এনেধৰণৰ কথাবোৰ এওঁলোকে মাজে মাজে পাতি থাকে।

ইয়াৰ বস্তুবিলাকৰ সোণ-ৰূপবিলাক চিকচিকিয়াকৈ ৰাখিছে, এইবিলাক ৬০০।৭০০ বছৰৰ আগৰ বুলি ভাবিবই নোৱাৰি। ৰজাৰ ভিতৰুৱা কোঠালিবিলাক অতিকৈ সজোৱা, ৰাজ-আসন থোৱা ঘৰ এডোখৰ ঠাই আছে। এডোখৰ ঠাই দেখুৱাই কলে "এইডোখৰলৈকে লগুৱা-লিকচৌ আহিব পাৰিছিল আৰু এইখিনিতে সোণ-পানী চৰোৱা এখন বেৰ আছে। কিছুমান দুৱাৰত তেতিয়াৰ দিনৰে কেইখনমান পৰ্দা আৰু মেজৰ কাপোৰ পাৰি থোৱা আছে। ৰজা-ৰাণীয়ে আগফালে দেখা দিব পৰা এটি সৰু বালাখানা (Balcony) আছে। গাইডে কলে প্ৰজাবিদ্ৰোহৰ সময়ত ইয়াৰ পৰাই ৰাণীয়ে উন্মত্ত বিদ্ৰোহী প্ৰজাবিলাকক কৈছিল যে "আমি নিজে ধৰা দিম, আমাক বধ নকৰিবা" পিছে, এই ঘৰৰ পৰাই তেওঁলোকক সপৰিয়ালে ধৰি নি এজন এজনকৈ লৰাচোৱালীৰে সৈতে বলি দিয়ে। বলি দিয়া ৰজাজন ষোড়শ লুই (Luis XVI) আৰু ৰাণী মেৰী এনটইনেট্ (Mary

Antoinette) যাৰ মূৰ্ত্তি সিদিনা লণ্ডনৰ "মেডেম টুঁচ" একজিবিছনত দেখিছিলো। ইয়াৰ ভিতৰুৱা কোঠালি কিছুমানত কাপোৰ একোখন বেৰৰ সমান কৰি লগাই থোৱা আছে, এই কাপোৰবিলাক ছবি তুলি বৈ যোৱা, ছবিবিলাকো তেওঁলোকৰ বুৰঞ্জীমূলক। অৰ্থাৎ কোনো ৰজাৰ মুকুট পিন্ধাৰ দৃশ্য, কোনো জনৰ বিয়া পতা, এনে ধৰণেৰে। এই ছবি তুলি বোৱা কাপোৰ (Tapestry) বিলাক কেনে ধৰণৰ শিল্পীৰ দ্বাৰা তৈয়াৰ হৈছিল ভাবিবই নোৱাৰি, একোখন কাপোৰতে ইমান সুন্দৰ কৰি ছবি কৰি বব পাৰিছিল, দেখি বৰ আচৰিত লাগিল। এটা ডাঙৰ চ'ৰা আছে, বেৰবিলাক আচিৰ, চ'ৰাটোৰ নাম "হল অব্ মিৰৰচ্" (Hall of Mirrors). এইটোত সোমাই আগ্ৰা দুৰ্গৰ "চিচ্ মহল"ৰ কথা মনত পৰিল, কিন্তু এই চ'ৰাটো বৰ আহল বহল, আচিত চা পৰাত এগুণ মানুহক দুগুণ যেন লাগে। এই কোঠালিতেই এখন মেজ আছে ; মেজখন ইমান ডাঙৰ নহয় ! কিন্তু এই মেজখনৰ ওপৰত বৰ ডাঙৰ কাম সমাধা হৈছিল, অৰ্থাৎ এই মেজৰ ওপৰতে ১৯১৪ চনত লগা প্ৰথম ডাঙৰ যুদ্ধৰ শান্তিপত্ৰ (Treaty of Versailles) চহি কৰা হৈছিল। ইয়াৰ পাচত আমি ওপৰ মহলৰ চোৱা শেষ কৰি তলৰ মহললৈ আহিলো। ইয়াতো ৰজাৰ ঘৰ সজোৱা নানাৰকমৰ মূৰ্ত্তিবিলাক সজাই থোৱা আছে। নামথকা শিল্পীৰ ছবিবিলাকো বেৰত ওলমাই ৰাখিছে। সকলোতে যেন শান্তিৰ চিন ; ইয়াতেই যে এদিন নানান অশান্তিযে বাঁহ লৈছিল, ভাবিব নোৱাৰি। আমি কাৰেঙৰ পৰা ওলালো আৰু বাহিৰৰ বাৰী, ফুলনি চাবলৈ গ'লো। এই ঠাইতে আমাক সোমাবৰ সময়ত তোলা ফ'টবিলাক বিক্ৰী কৰিলেহি। ফুলনিত সোমালো, বৰ সুন্দৰ কৰি সজোৱা। সেইদিনত এই ঠাইত পানীৰ বৰ অসুবিধা আছিল বাবে পানীৰ উহ (Fountain) আৰু পুখুৰী কেইবাটাও

দেখিলোঁ। ঠায়ে ঠায়ে পিতলৰ, ব্ৰঞ্জ ধাতুৰ মূৰ্ত্তিবিলাকেই এতিয়া যেন এই নিজান ঠাইত ৰখীয়া হৈ আছে। ফুলনিশন বৰ ডাঙ্গৰ, চাওঁতে ভাগৰেই লাগি যায়। ইয়াৰ পাচত আমি গুটিলগা গছৰ বাগিচা চা— গ'লো। এই বাগিচাৰ একাষে থাকে থাকে বন্ধাই কৰা এটা পানী নথকা পুখুৰীৰ নিচিনা আছে; তলখন শুকান। তেতিয়াৰ দিনত হেনো ইয়াত নাচগান আদি খেল হৈছিল; সেই গানবাজনাৰ মাতৰ ধ্বনি ভালকৈ উঠিবলৈ আৰু শুনিবলৈ শুৱলা হ'বলৈ চাপ-বিলাকৰ থাকে থাকে এহাত এবেগেতৰ অন্তৰে ডাঙ্গৰ ডাঙ্গৰ কড়িবোৰ লগোৱা আছে। এতিয়া আৰু সেই গানৰ ধ্বনি উঠা ঠাইত দিনৌ মাত্ৰ গাইডৰ মাতৰ ধ্বনিহে উঠে। কড়িবোৰ বগা বগা হৈ ওলাই এটা শোভা হৈ আছে। ইয়াতে চোৱা শেষ কৰি আন্ধাৰ হবৰ হ'লত আমি ইয়াৰ দুৱাৰ ওলালো, আকৌ বাচখনত আহি উঠিলো, অলপ দূৰ বাট গৈ যে এটা সৰু হোটেলৰ আগত বাচ ৰখাই দিলে। আমি সকলো যাত্ৰী হোটেলত সোমালো। সেৰেকা চাহ এটোপা খোৱাৰ পাচত আকৌ বাচত বহিলোহি।

লণ্ডনত ৰাতি বেছি হলে বিজুলী চাকি আৰু আন গোলমাল কমি শান্ত হৈ পৰে। কিন্তু পেৰিচ নগৰে গধূলি হলে যেন নতুন সাঁজ পিন্ধি লৈ ৰমক্-জমক হৈ পৰে। ৰাতি চাৰিটা ডাঙ্গৰ "ক্লাব" ঘৰত বোলে হাজাৰে হাজাৰে মানুহ গোট খায়, আৰু ৰাতিটোৰ ভিতৰত বহুত মদ ধ্বংস হয়। গাইডৰ মুখে আমি যদিও মদ ধ্বংসৰ বৃত্তান্ত শুনিছো আৰু এই চেঁচা দেশত কম-বেচি পৰিমাণে মদ খাই বুলিও জানো, তথাপিও এতিয়ালৈকে ক'তো এজনো মতলীয়া হোৱা মানুহ চকুত পৰা নাই! এইটোহে ডাঙ্গৰ কথা যেন পালো। ৰাতিৰ এই স্ফূৰ্ত্তি কৰা "ক্লাব"বিলাকলৈ মানুহ ৯টামান বজালৈকে যায়। আমি যাৰি আহোতে চাৰিউফালে নীলা ৰঙা বিজুলী চাকিৰ চকুত ছাটমৰা

তিৰবিৰণি আৰু মটৰ গাড়ীৰ দৌৰাদৌৰি দেখিবলৈ পাইছো। পেৰিচ-খনে যেন বহুত ৰাতিহে আজৰি পায। শেষ ৰাতিহে নগৰখন কিছু নিস্তব্ধ হয।

আমি বাচৰপৰা অফিচৰ মুখত নামি ৰাতি খোজকাঢ়ি হোটেললৈ আহিলো।

১০ নবেম্বৰ পেৰিচ।

আজি আমি এই আগবেলাটো খোজকাঢ়ি কিছুমান ফুৰিলো, চীন নৈৰ পাৰলৈও গ'লো। বৰ ভাগৰ লগাত এটা চাহ ঘৰত বহি এটোপা চাহ খালোগৈ, ইযাত চাহ খোৱাৰ সুখ নাই! চাহপাতবোৰ ভাল নহয, নিচেই ৰেং-ৰেঙীয়া চাহৰ পানী। এই ঠাইত চাহৰ প্ৰচলন বেচি নাই। কফি হে বেচি চলে। "কফি ঘৰ" (Cafe) বহুত আছে; "চাহঘৰ" বৰ কম। যি আছে তাতো ভাল চাহ পোৱা নাযায। ইযাত "ক'কা ক'লা" (Coca-cola) নামৰ এবিধ পানীয়ৰ প্ৰচলন বেচি।

পিচবেলা খোৱাৰ পাচত এখন মটৰ গাড়ীত নগৰখনত কেইটামান পাক দি চাই আবেলিতে ঘূৰি হোটেললৈ আহিলো। আজি গধূলি আমি এটা "ক্লাব" ঘৰত "বেলে" (Ballet) নাচ চাবলৈ যোৱাৰ ঠিক কৰা আছে। গধূলিৰ আহাৰ খাই ৭॥ বজাত আমি মটৰ গাড়ীৰে সেই ঠাইলৈ গ'লো। এই ঘৰটোৰ প্ৰথম সোমাই পোৱা কোঠালি-টোৱেই পানী-ভুনি খোৱাৰ ঠাই। বহুত মানুহে ঠিয়-ঠিয় কৈ যাৰ যি ইচ্ছা নানাৰকমৰ মদ আদি খাই আছে। এই কোঠালি পাৰ হৈ ভিতৰৰ চ'ৰাটোলৈ আমি সোমাই গ'লো, আৰু আমাৰ ঠাইত বহিলো। ইযাৰো বাজনা বাহিৰতে বজায়। নাচ আৰম্ভ হ'ল; নানাৰকমৰ নাচ চলিল। এই "বেলে" (Ballet) নাচটো গাভৰুসকলে ভৰীৰ বুঢ়া

আঙুলি দুটাৰ ওপৰত ঠিয় হৈ হৈ নানান লয়লাসেৰে নাচে। পিচে, এইবোৰ নাচৰ আৰু মুদ্ৰাৰ আমি অৰ্থ নাপাওঁ। এটি "মূক অভিনয়"ও হ'ল, ইয়াতো নাচেই বেচি। আন নুবুজিলেও নাটকখন যে মিলনান্তক আছিল, তাকে বুজিলোঁ বিজুলী চাকিৰ নানাৰকমৰ পোহৰ নাচৰ লগে লগে নচুৱাই থাকে। এই ভাৱৰীয়া ভাৱৰীয়াণীসকলৰ পোচাকবোৰ বৰ দামী আৰু জাকজমকীয়া আৰু দৰ্শিকাসকলৰো পোচাক বৰ চকুত লগা, সকলোৱেই বৰ স্ফূৰ্ত্তি আৰু আগ্ৰহেৰে এইবিলাক চাইছে। চাপৰীৰ কোবত হে কাণ তাল মাৰি যায়। মাজে মাজে দৃশ্যপট পৰিলে মানুহৰ কথাপতাৰ গোৰগোৰণি কিছু শুনা যায়; লণ্ডনৰ নিচিনা একেবাৰে নিগাত-নিতাল নহয়। চাপৰী মোৰ বাহিৰে কিজানি সকলোৱেই বজাইছিল; ইমান ঘূৰা-ঘূৰীৰ ভাগৰত মোৰ চাপৰি জোৱাৰ উৎসাহ নাছিল। মোৰ ওচৰত এজন ভদ্ৰলোক বহিছিল; তেওঁ এবাৰ ভালকৈয়ে চাপৰীৰ কোব দিয়াত পাছত আৰু নজোৱা নাছিল। মই হে ভাবিছো ওচৰতে মই বহি চাপৰি নবজোৱাত তেৰোঁ কিজানি বজাবলৈ ভাল পোৱা নাই।

ভাৱৰীয়াণী বহুতক ফুলৰ টোৰা দৰ্শকৰ মাজৰ পৰা দলিয়াই দি আছিল, সেই ফুলবোৰ তেওঁলোকে হাঁহি হাঁহি নাচি নাচি বুটলি মূৰ দোৱাই লৈছে। শেষ হওঁতে সকলো ভাৱৰীয়া ভাৱৰীয়াণী ওলাই সকলোকে মূৰ দোৱালত চাপৰীৰ জাউৰী বৰকৈ উঠিল আৰু কিছু সময় চলিল। দৰ্শকৰ মাজে মাজে কেই গৰাকীমানে খোৱা বস্তুবোৰ বিক্ৰি কৰিছিলে হি, আৰু জিৰণিৰ সময়ত দৰ্শকবিলাক উঠি উঠি খোৱা ঠাইলৈ গৈছিল। প্ৰায় ১॥ মান বজাত নাচৰ ওৰ পৰিল, আমি হোটেললৈ উলটিলো।

ইয়াত আজিয়েই আমাৰ শেষ ৰাতি, কাইলৈ আমি এই ঠাই এৰি চুইজাৰলেণ্ডলৈ ৰাওনা হম।

১১ নবেম্বৰ পেৰিচ

আজি ৰাতিপুৱা অলপ সময়ৰ কাৰণে আমি ওলাই গ'লো, গাড়ী বাটত ৰখাই ৰখাই বৰুৱাই ফ'ট কেইখনমান মাত্ৰ তুলি আনিলে। আমি আহি চুইজাৰলেণ্ডৰ জেনিভা নগৰলৈ যাবলৈ প্ৰস্তুত হ'লো। হোটেলৰ দিবলগীয়া হিচাব কৰি দিয়া হ'ল। দুপৰীয়াৰ আহাৰ অলপ সোনকালে খাই আমি চিনাকি কেইজনক মাত লগাই বিদায় ললো। আমাৰ হাতত অলপ ফৰাচী "ফ্ৰেঙ্ক" আছিল ; হোটেলত খুচুৰা পইচা নলয় বাবে আমাক কৰ্ম্মচাৰীজনে কলে "সেইখিনি আপোনালোকৰ হাততে থাকক, আকৌ আহিব নহয়, তেতিয়া কামত লাগিব"। আমি হাঁহিলো, ভাবিলো আমাৰ নিচিনা মানুহে এইবোৰ ঠাইলৈ জীৱনত কেইবাৰ আহিব পাৰিম !

আমি উৰাজাহাজ অফিচলৈ এখন মটৰ গাড়ীত গ'লো। আজি বতৰটো ভাল নহয় , সিম্ সিম্‌কৈ বৰষুণ দি আছে। অফিচত মাল-বস্তু ওজন কৰাৰ পাছত বাচ এখনত উৰাজাহাজ বন্দৰলৈ গ'লো। বন্দৰ পাই আকৌ বাকচ খলি দেখুৱা "পাৰপত্ৰ" (Pasport) দেখুৱা কাম আৰম্ভ হ'ল। সকলো যাত্ৰীয়ে এতিয়া দীঘলীয়া শাৰী (queue) পাতিলে। সকলো কাম হৈ গ'লত আমি এখন ফৰাচী উৰাজাহাজত উঠিলো, চাওঁতে চাওঁতে জাহাজ উৰি জেনিভা মুৱা হ'ল। এতিয়া প্ৰায় ৩৷৷০ বাজিল। মোৰ চকু আকৌ এৰি থৈ অহা পৃথিৱীখনলৈ পৰিল। প্ৰথমেই অকোৱা-পকোৱা চীন নৈখন আৰু বঙা চালিৰ ঘৰবোৰ এৰি এৰি আহিলো। এনে দৃশ্যকে কিছুপৰ দেখি যোৱাৰ পাছত আৰু একো নেদেখা হ'লো। ডাৱৰে চাটি পেলালে। চুইজাৰলেণ্ড পৰ্ব্বতীয়া ঠাই , বৰফ ডাৱৰেই ভৰা। ডাৱৰৰ কাৰণে জাহাজখনো অলপো জোকাৰি জোকাৰি গৈছে, আৰু এই উৰাজাহাজখনে "হৰ্ণ"

বজোৱাও শুনিছো। কিছু সময়ৰ পাছত পৰিচাৰিকা গৰাকীয়ে এখন থালৰ ওপৰত কফি, এটা ডাঙৰ বিস্কুট আৰু এটা পেৰিচৰ কোমল চিনি দি গ'লহি। এতিয়া ডাৱৰ অলপ পাতলা যেন দেখিছো, আকৌ পৃথিবীখন দেখিবলৈ পাইছো। প্ৰকৃতিৰ ইযো এটা ৰূপ, শাৰী শাৰী বৰফেৰে ঢকা পৰ্ব্বত, জীৱ, জন্তু, গছ-গছনি নোহোৱা ঠাই। ৰ'দ পৰি পৰ্ব্বতৰ মূৰে মূৰে বৰফবোৰ ৰূপ ঢালি থোৱাৰ নিচিনা হৈছে, বৰ সুন্দৰ, জানিবা মোৰ ভাবৰ চন্দ্ৰলোক হে দেখিবলৈ পাইছো।

এই চোখৰেই উৰাজাহাজৰ ভয়ৰ ঠাই! ইয়াতে কেইবাবাৰো দুৰ্ঘটনা হৈছে। আমি ৫॥০ বজাত জেনিভা নগৰ পালোগৈ, কিন্তু উৰাজাহাজ বন্দৰৰ পৰা অফিচলৈ ভালেখিনি দূৰৈ বাবে বাটত আহোতে কিছু সময় লগে। অফিচৰ পৰা এখন মটৰ গাড়ীত আমি হোটেল "ইডেন" (Hotel Eden)লৈ আহিলো। ৰাতিও হৈ আহিল, হোটেলৰ মানুহে আমাৰ মালবস্তু নি আমাৰ কোঠালি দেখুৱাই দিলে। হোটেলটো দেখিবলৈ সুন্দৰ, পিছে পেৰিচৰ হোটেলতকৈ বহুত সৰু। "লিফ্ট" (Lift) (ওপৰলৈ উঠা-নমা কৰা ইলেক্‌ট্ৰিকৰ সজা) খনত যাবৰ দৰকাৰ হয়, নিজে নিজেই উঠা-নমা কৰি ব্যৱহাৰ কৰে। হোটেলত মানুহ যথেষ্ট আছে। যেমাৰ দেখুৱাবলৈ অহা গুজৰাট আৰু মাদ্ৰাজৰ মানুহো কেইজনমান আছে।

হোটেলৰ কৰ্ম্মচাৰীজনে কথা কৈ থাকোঁতে কলে "আপোনালোকৰ চদাৰ পেটেলো আহি আমাৰ ইয়াতে আছিলেহি, তেখেতৰ বস্তু এৰি গৈছিল, আমি পাছত ভাৰতলৈ পঠাই দিছিলো"। পেৰিচৰ দলদোপ্ হেংগুলদোপ্ দেখি আহি এই ঠাইখন বৰ নিজান যেন লাগিছে।

১২ নবেম্বৰ জেনিভা।

ৰাতিপুৱাই উঠি বাহিৰখন চালো, আজি বতৰটো ভাল। ঠাইখন সঁচাকৈয়ে নিজান, বাটত মানুহ এটি দুটি দেখিছো, আৰু ট্ৰামগাড়ী চলিছে। আমি ৰাতিপুৱা খাই উঠি এখন মটৰ গাড়ী [illegible] নগৰ চাবলৈ বুলি ওলালো। বৰুৱাই কেমেৰাটো ললে, কাৰণ ফ'টো লবলৈ এনেকুৱা ভাল বতৰ পোৱা টান। প্ৰথমে গাড়ীত উঠোতেই ড্ৰাইভাৰে মোক কলে "মোক ক্ষমা কৰিব, মই আজি দাড়ি খুৰুৱা নাই"। অ' মই আগতে তেওঁৰ দাড়ি কিদাল খুৰাইছেনে নাই মন কৰা নাছিলো, এতিয়াহে দেখিলো।



হ্ৰদৰ পাৰত জেনিভা নগৰ

এইবিলাক দেশৰ গাৰোৱান, কাচোৱানৰ পৰা সকলো মানুহেই বিদেশী মানুহক কি কি দেখুৱাব লাগে আৰু কি কি বুলি বুজাব লাগে জানে, এই ড্ৰাইভাৰটিয়ে ইংৰাজী কথা কব পৰাত আমাৰ সুবিধা হ'ল, তেওঁ আমাৰ গাইডৰ কাম নিজে নিজেই কৰি গ'ল।

ইয়াত এতিয়া জাৰ লণ্ডনৰ দৰেই পাইছো। গাড়ীত "হিটাৰ" (Heater) (গাড়ী গৰম ৰখা যন্ত্ৰ) থকাত গাড়ীখনৰ ভিতৰখন গৰম হৈ আছে। আমাক বহুত ঠাই ঘূৰাই-পকাই দেখুৱাই ফুৰিলে।

চুইজাৰলেণ্ডখন ইউৰোপৰ মাজ ঠাইত, আৰু ই বহুত সৰু সৰু ৰাজ্য গোট খাই হৈছে। চুইজাৰলেণ্ডৰ প্ৰাকৃতিক সৌন্দৰ্য্য যে খুব সুন্দৰ মই তাক আৰু নিলিখিলেও হব, ইয়াক গোটেই পৃথিবীৰ মানুহেই জানে। জেনিভাৰ সৌন্দৰ্য্য বঢ়াইছে এটা ডাঙৰ হ্ৰদে (Lake), এই গোটেই জেনিভাৰ হৃদয় জুৰি আছে। হ্ৰদটোৰ নাম "লেমান হ্ৰদ" "জেনিভা হ্ৰদ"। ইয়াৰ পাৰ বন্ধোৱা আৰু তাৰ দাঁতিত সুন্দৰ বাট, আৰু ঠায়ে ঠায়ে বহিবলৈ বেঞ্চ আদি পৰা আছে। পানী নীলবৰণীয়া, পৰিষ্কাৰ; ওচৰত সাগৰ থকাত পানী নাচি থাকে। পানীৰ ওপৰত নানাৰকমৰ কল লগোৱা সৰু ডাঙৰ নাও, "ব'ট", সৰু জাহাজ, পালৰবাচ আদি ভৰি আছে। এইবিলাকো নাচনি পানীত সদায় নাচি থাকে। অসংখ্য পানীৰ চৰাই হাঁহ, ঘিলা শৰালীৰ দৰে আৰু "চোৱন" (Swan) (ৰাজহাঁহতকৈ ডাঙৰ) বগা আৰু ক'লাবিলাক আছে। এইবিলাক মৰাৰ নিয়ম নাই বাবে তাঁহতৰ বংশ বৃদ্ধি হৈ হৈ পানী ফুট-ফুটীয়া হৈ আছে। পাঁচ হাতমান দীঘল গোটোং গোটোং নাও কিছুমানো এপাৰে শিকলী লগাই বান্ধি থোৱা আছে। হ্ৰদৰ পাৰত হোটেল আদি আছে। হ্ৰদৰ এটা পাৰে দূৰৈত কিছুমান ঘৰবাৰীও চকুত পৰে, আৰু আনফালে বৰফেৰে ঢকা পৰ্ব্বতবোৰ চকুত পৰে।

মাজে মাজে এইবিলাকত নামি নামি চালো, আৰু ফ'টও লোৱা হ'ল। চুইজাৰলেণ্ডৰ সৌন্দৰ্য্য অবাক হৈ চাই ফুৰোতে সময়ৰ লগে লগে মটৰ গাড়ীৰো "মিটাৰ" (Metre) (টকা হিচাব ওলোৱা যন্ত্ৰ)টিও টিকুটিকাই বাঢ়ি গৈ আছে। প্ৰায় ২টা বজাত আমি হোটেললৈ ঘূৰি আহিলো।

সকলোৰে এই ঠাইখন আন দেশতকৈ সস্তা বুলি কয়, কিন্তু মটৰ গাড়ীৰ ভাড়া ইযাত বেচি। এইবিলাক ঠাইতকৈ আমি লণ্ডনেই সকলো ফালে সস্তা যেন পাইছিলো। আমি গাড়ীভাড়া আমাৰ টকাৰে ৩০৲ ত্ৰিচ টকামান দিবলগা হ'ল। পাউণ্ডৰ পৰা চুইচ টকা হোটেলতে ভঙায় ড্ৰাইভাৰক দি বিদাই দিয়া হ'ল।

পিছবেলা খোৱাৰ পাছত তিনিমান বজাতে আমি খোজকাঢ়ি ওলাই গ'লো। গৈ গৈ আকৌ সেই হ্ৰদৰে এটা দাতি পালোগৈ। গধুলি সময়ত দেশ চাবলৈ যোৱা দুজন মাদ্ৰাজৰ ভদ্ৰলোক পালো, আৰু এটি গুজৰাটী পৰিযালো পালো। গুজৰাটিৰ মানুহজনে ইয়ত "ট্ৰেড কমিচনাৰ"ৰ অফিচত কাম কৰে। এওঁলোকৰ লগত কথা-বতৰা পাতি ভাল লাগিল। এওঁলোকে মহাত্মা গান্ধীৰ কথা উলিয়াইছিল, আৰু আসামৰ ভূমিকম্পৰ কথাও সুধিছিল। আমি আন্ধাৰৰ পাচলৈকে হ্ৰদৰ পাৰে পাৰেই ফুৰিলো। গধুলিৰ জেনিভাই ৰঙা, নীলা, হালধীয়া বিজুলী চাকিৰ পোহৰে পানীৰ ওপৰত পৰি নতুন এটা দৃশ্য দেখুৱাইছে। শান্তিময় নিজান ঠাইখন! ৰাতিৰ জেনিভা আৰু শান্ত। ৰজোগুণী পেৰিচৰ পৰা আহি সত্বগুণী যেন লাগিছে।

হ্ৰদৰ এই পাৰৰ পৰা সিপাৰলৈকে যোৱা এখন দল আছে, আৰু এইখিনিতে "ৰোন" নদীখন আহি হ্ৰদৰ লগ লগাত ইপাৰৰ পৰা সিপাৰ বৰ বহল হৈ পৰিছে। এই দলংখনৰ নাম "মোঁ, ব্লাঁ, ব্ৰিজ" (Mont Blaue Bridge) ইয়াৰ ওপৰে মটৰ গাড়ী, চাইকেল আদি অহা-যোৱা কৰি আছে। হ্ৰদৰ দাঁতিয়ে দাঁতিয়ে ৰাষ্ট্ৰদূত সকলৰ ঘৰ, নিজ নিজ দেশৰ পতাকা উৰি আছে, ভাৰতৰ ৰাষ্ট্ৰদূতৰ হাউলিয়ো ইয়াতে আমাৰ ভাৰতৰ পতাকাও দেখিবলৈ পালো।

চুইজাৰলেণ্ড অহিংস দেশ, আজি দেৰ শ বছৰে হেনো কোনো এজন মানুহে নিজৰ দেশৰ হৈ প্ৰাণ দিবলগীয়া হোৱা নাই।

আমি এতিয়ালৈকে গিবিলাক মানুহ লগ পাইছো, বুজিব পাৰিছো যে ইয়াঁৰ মানুহবিলাক বৰ ভাল। এওঁলোকৰ বেছি ভাগেই জাৰ্ম্মান ভাষা কয়, আৰু কিছুমানে ফৰাছী আৰু ইটালীয়ান ভাষা কয়, ইংৰাজী ভাষা প্ৰায়ে নাজানে। দোকানীবিলাকৰ দুই একজনে আৰু হোটেল সমূহৰ কৰ্ম্মচাৰী কিছুৱে ইংৰাজী ভাষা অলপ জানে।

আমি কাইলৈ ঠাই চাবলৈ যোৱাৰ বন্দবস্ত কৰি ৰাতি প্ৰায় ৮ বজাত হোটেল সোমালোহি।

১৩ নবেম্বৰ জেনিভা

আজি ৰাতিপুৱা আমি হোটেলৰ মুখতে ৰোৱা এখন ট্ৰামগাড়ীত উঠি "ৰু, ডি, মঁ, ব্লাঁ" (Rue de Mont Blaue) নামৰ বাটে বাবনা হ'লোঁ। গি ডোখৰ ঠাইত গৈ নামিলো, ইয়াৰ পৰা বৰফেৰে ঢকা আল্পচ পৰ্ব্বতৰ শৃঙ্গটো ভালকৈ দেখিবলৈ পায। আমি ইয়াৰ ওচৰতে থকা বাচৰ অফিচটোলৈ গ'লো, ইয়াত বাচ দুখনমান আৰু গাইড আছে। আমি আৰু প্ৰায ২৫ জনমান যাত্ৰীৰে সৈতে এখন বাচত বহিলো, আমাৰ লগত একজন ইংৰাজী ভাষা জনা গাইড উঠিল। আমাক প্ৰথমেই জাতি সম্মিলিত সংঘ (League of Nation)ৰ ঘৰ-বাৰী দেখুৱাবলৈ নিলে; ইয়াতে পৃথিবীৰ সকলো ঠাইৰ প্ৰতিনিধি গোট খাই পৃথিবীৰ শান্তি ৰক্ষাৰ বিধান কৰে, প্ৰথমে ইয়াতে এই সভা স্থাপন কৰে সম্প্ৰতি ইয়াত এটা শাখা ৰাখি এমেৰিকাত "লেক্ চাক্সেচ্" (Lake-Success)অত ঘাই সভাৰ ঠাই কৰিছে। ইয়াৰ পাছত আমি আন্তৰ্জাতিক শ্ৰমিক সংঘ (I. L. O.) চাবলৈ গ'লো; এই ঘৰত পৃথিবীৰ শ্ৰমিক সকলৰ অৱস্থাৰ উন্নতিৰ অৰ্থে ব্যৱস্থা কৰে। ইয়াৰ পাছত আমি এখন উদ্যান (Park) লৈ গ'লো। ইয়াত ফুৰিব পৰা বাট আদিৰে সজোৱা নানাৰকমৰ গছ

ফুলেৰে ভৰা। কিছুমান গছৰ ঠাল গছৰ গুড়িটোৰ পৰা ওলাই লেটিয়াই পিন্ধা কাপোৰৰ নিচিনা হৈ আছে। এই উদ্যানৰ এটা ফাল গৈ হ্ৰদৰ পাৰত লাগিছে। ইয়ালৈ সোমোৱা দুৱাৰৰ দাঁতিৰ দেৱালত এজন মানুহৰ নাম লিখা আছে; সেই মানুহজনেই প্ৰথম



জনিভ হ্ৰদৰ পাৰত নির্মিত জাতি সঙ্ঘৰ প্ৰাসাদ
(U N O Palace

প্ৰথমে এই সজোৱা ফুলনিখনৰ এছোৱা বাইজৰ কাৰণে দান কৰিছিল। পিছৰ পুৰুষত তেওঁৰ উপযুক্ত পুতেকে তাৰ লগতে লগাই আৰু এছোৱা ঠাই সুন্দৰ কৰি ফুলনি পাতি বাইজক দান কৰিছিল। তেওঁৰ নাম ইজনৰ তলত আছে, তেওঁৰো আকৌ পুতেকে বাকী আৰু এছোৱা সেইদৰেই সজাই পৰাই দি গৈছে, তেওঁৰ নাম তলত লিখা আছে।

এই তিনি পুৰুষীয়া দানী বীৰ কেইজন জগতৰে আদর্শ পুৰুষ, ইয়াৰ পৰাই বুজিব পাৰি বাইজক দান দিয়া ধৰ্ম্ম কিমান বছৰৰ আগতে কৰিছিল।

ইয়াৰ পাছত আমি ইয়াৰ মিউজিয়ামটো ওপৰে ওপৰে চালো, মিউজিয়ামৰ কেবাটাও বিভাগ আজি বন্ধ, এই মিউজিয়ামটোও এজন ভদ্ৰলোকে তেওঁৰ পত্নীৰ নামত দিয়া।

এঠাইত গৈ দেখিলো চুইজাৰলেণ্ডৰ লগত জেনিভা ৰাজ্য মিলন হোৱাৰ চিন স্বৰূপে দুগৰাকী তিৰুতা মানুহৰ ব্ৰঞ্জ ধাতুৰ মূৰ্ত্তি সাজি ওখকৈ তুলি থৈছে, এয়েই জেনিভা ভনিটীৰ চুইজাৰলেণ্ড ৰায়েকৰ লগত মিলন হোৱা চিন নাম "মনুমেণ্ট ন্যাশনেল্" (Monument National)। ইয়াৰ পাছত আমি গৈ এখন ফল ফুল আদিৰ বাগিচাত সোমালো; ইয়াত ওখকৈ এখন পকা বেৰ সাজি তাত চাৰিজন খৃষ্টান ধৰ্ম্মসংস্কাৰকৰ মূৰ্ত্তি বেৰৰ ওপৰতে লগাই সাজি থৈছে। এই বেৰখনৰ নাম "ওৱল্ অব্ ৰিফৰমেশ্যন" (Wall of Reformation) তাৰ এজন "কেলভিন", এজন "নক্স" (স্কটলেণ্ডৰ) বাকী আৰু দুজন। এওঁলোকে কেথ'লিক ধৰ্ম্ম সংস্কাৰ কৰিবলৈ জেনিভাতে আহি বসতি কৰিছিলেহি, এওঁলোকেই কেথ'লিক্ ধৰ্ম্ম সংস্কাৰ কৰি "প্ৰটেষ্টাণ্ট" ধৰ্ম্ম প্ৰচাৰ কৰে. তথাপিও কেথ'লিক ধৰ্ম্মৰ মানুহেই বেছি যেন লাগে। কেথ'লিক ধৰ্ম্মই আদি ধৰ্ম্ম। এই দুই ধৰ্ম্মৰ কিছুকথা আমাৰ বৈষ্ণৱ আৰু শাক্ত ধৰ্ম্মৰ লগত মিল যেন লাগে।

এইবেলা আমি এইখিনিকে চাই আহোতে হোটেলৰ আগতে নামিলো। আৰু খোৱাৰ পাছত পিছবেলা আকৌ ৰাতিপুৱা যোৱাৰ দৰেই গৈ অফিছৰ আগত উপস্থিত হ'লোগৈ। এইবেলা বাচে প্ৰথমেই "ৰেডক্ৰচ" (Red Cross)ৰ এটা ডাঙৰ ঘৰ দেখুৱালে, ই হৈছে আন্তৰ্জাতিক ৰেডক্ৰচৰ কেন্দ্ৰ।

ইয়াৰ পাছত "অব্জাৰ ভেটাৰি" চাবলৈ গ'লো, ই সময় নিৰ্ণয় কৰা বিজ্ঞান-মন্দিৰ। ইয়াৰ পাছত আমাক ঘূৰাই-পকাই নগৰখন দেখুৱালে। এটা বাটৰ ডাঙৰ ঘৰবিলাক দেখুৱাই কলে "এইবোৰ

ঘৰত ঘড়ী তৈয়াৰ হয়, আৰু গোটেই পৃথিৱীলৈ ইয়াৰ পৰাই ঘড়ী পঠোৱা হয়"। আৰু কলে এই ঘড়ীৰ কাৰবাৰত পঞ্চাচ হাজাৰমান মানুহে কাম কৰি জীৱিকা উপাৰ্জ্জন কৰে।

ইয়াৰ পাছত আমি হ্ৰদৰ মাজৰ নিচেই সৰু এটি মাজুলীত থকা "ৰুচ" (Rousseau)ৰ মূৰ্ত্তি চাবলৈ গ'লো। দলঙেদি গৈ সেই অকণমান মাজুলীটো পাযগৈ, এওঁ প্ৰথমেই ৰাষ্ট্ৰবিপ্লৱৰ বিষয়ে লিখে - এওঁৰ লিখা কিতাপ-পত্ৰই ফৰাচী ৰাষ্ট্ৰবিপ্লৱৰ উদগনি দিয়ে। এওঁৰ



জেনিভ হ্ৰদত পানীৰ উঁহ

মূৰ্ত্তিটো হাতত এখন কিতাপ লোৱা আৰু ভৰিও সুদা, জোতা নাই! এই মাজুলীটিলৈ যোৱা দলঙৰ তলত নানাবিধ হাঁহ আৰু পানীৰ চৰাইৰ গঁৱাল সাজি দিছে, আৰু আহাৰো দি থৈছে। ইয়াত ৰাজহাঁহ, পাতিহাঁহ, চীনাহাঁহ, চোবন আদি দেখিলো আৰু আন আন কিছুমান পানীৰ চৰাইয়ো আছে। দলঙৰ ওপৰত জাক পাতি ঘনচিৰিকা চৰাই

আৰু পাৰচৰাইবোৰ আছে, ঘনচিৰিকা চৰাই আৰু পাৰবোৰ আমাৰ তাৰ দৰেই।

আবেলি এই হ্ৰদৰ পাৰতে নামি খোজকাঢ়ি ফুৰি ৰাতি হোটেললৈ ঘূৰি আহিলো।

১৯ নবেম্বৰ জেনিভা।

আজি ৰাতিপুৱা আমি আজৰি হৈ ওচৰতে ৰোৱা ট্ৰামগাড়ীখনত উঠি বজাৰৰ ফালে গলো, ইয়াৰ ট্ৰামগাড়ীবোৰ কলিকতাৰ পুৰণা ট্ৰামগাড়ীৰ নিচিনা আৰু একেনিয়া।

এছোৱা বাট গৈ আমি নামিলো, আৰু বজাৰ সোমালো, এই চোখৰ ইয়াৰ ভিতৰত কাৰবাৰী ঠাই! "ক, ডি, মোঁ, ব্লাঁ" বাটৰ ওপৰত। প্ৰথমে আহি টকা ভঙাবলৈ বেঙ্কলৈ গ'লো। জেনিভাত সকলো দেশৰে টকা ভঙাই দিয়ে। আজি এক পাউণ্ডত ১৩।০ অনা হৈছে, ইয়াত পাউণ্ড নচলে।

আমাৰ বহুত দোকান সোমোৱা হ'ল, আৰু হৰেকৰকমৰ ঘড়ীকে এই বেলা চাই ফুৰিলো, যদিও গোটেই পৃথিবীৰ পৰা বিধে বিধে মানুহ ঘড়ী কিনিবলৈ ইয়ালৈ আহে, তথাপিও ইয়াত ইংৰাজী ভাষা জনা মানুহ বৰ কম। এনেবোৰ দোকানত আমাৰ সোমোৱাই মিছা, কথা বুজাবলৈ বৰ টান। সেইবাবে "ইংৰাজী কব পাৰে" (English is spoken) বুলি লিখা দোকান চাই চাই হে পাছত সোমাব লগা হ'ল। ঘূৰাঘূৰি কৰি দোকানবোৰত ঘড়ী চাওঁতেই এই বেলাটো যাবৰ হ'ল; "অধিক মাছত বগলীকণা"ৰ দৰে ঘড়ী এতিয়া কিনাই নহ'ল। পাছত আহি কিনিম বুলি আমি দুপৰীয়াৰ আহাৰৰ কাৰণে হোটেললৈ আহিবলৈ ওলালো। আমি আহি ট্ৰামগাড়ী ৰোৱা ঠাইত ৰলোহি, এইখিনিতে আমি কোন নম্বৰৰ বাটত যাম ভাবিবলগীয়া

হ'ল, সুধিবলৈকো ইংৰাজী নজনা মানুহ, তথাপি অলপ ইফালে-সিফালে চাই এগৰাকী ইংৰাজ মহিলা যেন দেখি তেওঁক সোধাত তেওঁ 'আমাক সৌ "লাইন"ৰ বাচত যাবা বুলি দেখুৱাই দিলে আমি তেওঁক ধন্যবাদ দি সেই ট্ৰামগাড়ীৰ "লাইন"ৰ দাঁতিত ঠিয় হৈ ৰলোগৈ। অলপ পাছতে তেওঁ আহি থকা এখন ট্ৰামগাড়ীৰ আগেদি আমাৰ ওচৰলৈ দৌৰি আহিল, আৰু কলে "তোমালোক ৫ নং বাচত উঠিবা", কথাষাৰ কৈ তেওঁ দৌৰি গৈহে নিজৰ ট্ৰামগাড়ীখনত কোনোমতে উঠিল। তেওঁৰ এই ব্যৱহাৰত আমি মুগ্ধ হ'লো, সৰু সৰু কথা একোটাৰ পৰাই মানুহক মানুহে চিনিব পাৰে। ইংৰাজ মানুহবিলাক বৰ বিশ্বাস যোগ্য, আৰু সহায়কাৰী। ইংলণ্ডৰ পৰা অহাৰ আগত আমাৰ যি ইংৰাজ বন্ধুবান্ধৱ আছিল তেওঁলোকে কোৱাৰ বাহিৰেও আমাৰ ভাৰতীয় বন্ধুবান্ধৱসকলে কৈছিল "বিদেশ ফুৰোঁতে কোনো বিপদ-আপদ হলে ইংৰাজ মানুহৰ বুদ্ধি পৰামৰ্শ লবা" বুলি।

আমি আহি দুপৰীয়া হোটেল পালো। আজি জুৰিক (Zurich) নগৰৰ পৰা "চাহ প্ৰচাৰ সঙ্ঘ"ৰ কৰ্মচাৰী এজন আহি তেওঁলোকৰ তাত চাহৰ প্ৰচলনৰ কামৰ কথা বৰুৱাৰ লগত আলোচনা কৰিবহি বুলি কালিয়েই খবৰ দিছিল, বৰুৱাযো জুৰিকৰ উপৰিও আন্তৰ্জাতিক নগৰ জেনিভাত আৰু এটা চাহ প্ৰচাৰৰ কেন্দ্ৰ স্থাপন কৰাৰ উদ্দেশ্যে তেওঁৰ লগত পৰামৰ্শ কৰিবলৈ বিচাৰিছিল, চুইজাৰলেণ্ডত মাত্ৰ জুৰিক নগৰতহে চাহ প্ৰচলনৰ কাম-কাজৰ অফিচ আছে, আমাৰ জুৰিকলৈ যোৱা নহ'ব বাবে কৰ্মচাৰীজন আহি দৰকাৰী কথা ইযাতে পাতিবহি। সেইবাবে এইবেলা আমাৰ ঘড়ীৰ চিন্তাটো ঘূৰিল, তেওঁৰ কাৰণে বাট চাবলগা হ'ল।

কিছু সময়ৰ পাছত তেওঁ জুৰিক নগৰৰ পৰা আহি পালেহি, বৰুৱাৰ বহুত সময় তেওঁৰ লগত কামৰ কথা আৰু কাগজপত্ৰ চোৱাতে

গ'ল ; ময়ো এচুকে বহি চিঠি দুখনমানকে লিখিলো। ভদ্ৰলোকজনে তেওঁৰ কামৰ কথা শেষ হ'লত আমাৰ লগত বহুত কথা-বতৰা পাতিলে, আহাৰ সময় হ'ল, ভাৰতীয় মানুহ দুজন এগৰাকী মহিলাও আহি বহিলেহি, আমি আঠাইকেইজনে একেলগে চাহ খালো। দেশৰ কথা তেওঁ উলিয়ালে, চুইজাৰলেণ্ডৰ কথাই তেওঁ কলে "আমাৰ দেশত মাটি বেছি নাই, বহুত মাটি পৰ্বতে ঢাকখাই আছে, তাৰ উপৰিও বৰফত বহুত ঠাই সদায় পোত গৈ থাকে, সেইবাবে আমাৰ আহাৰৰ দুগুণ ভাগ আমি অন্য দেশৰ পৰা কিনিব লাগে। কলকব্জা সজাত আমাৰ দেশৰ মানুহ বৰ নিপুণ। যদিও কলকব্জা সজা ধাতুও আমি অন্য দেশৰ পৰা কিনি আনিহে সাজিব লাগে, কিন্তু আমাৰ দেশৰ কল আদি সজা আৰু ঘড়ীৰ কাৰবাৰটোৰ পৰাই আমি বিদেশবিলাকৰ পৰা বহুত টকা পাওঁ, আৰু আমাৰ আনদেশৰ কিছুমান ঠাইত কাৰবাৰ আছে, সেইবোৰৰ পৰাও টকা আহে, তাৰ উপৰিও আমাৰ দেশলৈ অহা আলহীবোৰৰ টকাৰেও আমাৰ দেশ ভাল অৱস্থাৰে চলিছে"।

এইটো সচাঁকৈয়ে ভাবিবলগীয়া কথা যে চুইজাৰলেণ্ডৰ নিচিনা এখন দেশে এইদৰেই সুখ-স্বচ্ছন্দতাৰে এখন স্বাধীন দেশ হৈ চলিব পাৰিছে, তাৰ প্ৰধান কাৰণ হৈছে, ইয়াৰ মানুহ অহিংস আৰু শান্তিপ্ৰিয়। এই অহিংস ভাবৰ কাৰণেই গোটেই পৃথিৱী জ্বলা-কলা কৰা দুখন মহা সমৰেও তেওঁবিলাকক টলাব নোৱাৰিলে। যুদ্ধ-বিগ্ৰহৰ আহিলা-পাতি, আৰু চিপাহী চণ্টৰীত এওঁবিলাকৰ খৰচ অতি কম। দেশলৈ বিদেশৰ পৰা যি টকা আহে তাৰেই আটি যায়। এওঁবিলাকৰ শান্তিৰ আদৰ্শৰ কাৰণেই বোধকৰো এই জেনিভাতে আন্তৰ্জাতিক শান্তিৰ সংঘ (U. N. O.) প্ৰথমেই স্থাপন হয়। এই আদৰ্শৰ কথা শুনি আমাৰ বৰ ভাল লাগিল, কাৰণ এই অহিংস আৰু শান্তিৰ আদৰ্শই আমাৰ ভাৰতৰো আদৰ্শ। আৰু মানুহজনৰ কথাৰ পৰা এইটোও

বুজিলো যে দেশ-বিদেশৰ আলহীৰ পৰাও এখন দেশে বহুত সহায় পাব পাৰে। মই পৰিচিত দেখিয়েই ভাবিছিলো যে নানান দেশ-বিদেশৰ আলহীৰ পৰা দেশখনে উন্নতিত সহায় পাইছে।

আৰু এটা ভাল কথা শুনিবলৈ পালো যে জেনিভাত ১৬ বছৰলৈকে লৰাছোৱালীক জনসাধাৰণক দেখুৱা যেনে তেনে "চিনেমা" লৈ যাবলৈ নিদিয়ে।

সুইচ মানুহবিলাকৰ বিশ্বাসো যে একমাত্র শিক্ষাই হে মানুহক স্বাধীন কৰি ৰাখে, শিক্ষাৰ ওপৰত এওঁলোকৰ আস্থাও বেছি, আৰু সকলো মানুহকে হেনো ইয়াৰ চৰকাৰে শিক্ষালাভ কৰিবলৈ সুবিধা দিয়ে।

পাছত মানুহজনে বিদায় লোবাৰ সময়ত আমাক সুধিলে "আমাৰ জেনিভা আপোনালোকৰ নো কেনে লাগিছে?" ৰকবাই টপৰাই উত্তৰ দিলে "আমাৰ জেনিভানো কিয় বুলিলে? জেনিভা আমাৰো, কাৰণ ই আন্তৰ্জাতিক নগৰ (International City) তেওঁ হাঁহিলে আৰু কলে "সচা কথা"!

অতীজতে এই জেনিভা নগৰেই ধৰ্মৰ ফালৰ পৰা লৈ আন্তৰ্জাতিক নগৰ হয়, অর্থাৎ "কেলভিনে" ( যাৰ শিলৰ মূৰ্ত্তি সিদিনা দেখিলো ) ৰোমান কেথ'লিক ধৰ্ম্মসংস্কাৰ কৰাৰ লগে লগেই আন আন দেশৰ সেই সংস্কাৰ মনা মানুহবিলাকে নিজৰ দেশৰ কেথ'লিক ধৰ্ম্মৰ মানুহৰ দৌৰাত্ম্যৰ পৰা ৰক্ষা পাবলৈ আহি ইয়াতে আশ্ৰয় লয়হি। এইদৰেই অন্য দেশৰ মানুহ আহি ইয়াত বসতি কৰি এই ঠাইক আন্তৰ্জাতিক ভাবাপন্ন কৰি তোলে। এই ভাবৰ কাৰণেই ইয়াৰ মানুহৰ বিদেশী মানুহলৈ আগ্ৰহ, আদৰ আন ঠাইতকৈ বেছি। এইবিলাক কাৰণেই জেনিভাতে প্ৰথমে আন্তৰ্জাতিক শান্তিৰ সংঘ, আন্তৰ্জাতিক শ্ৰমিক সংঘ আৰু আন্তৰ্জাতিক "ৰেডক্ৰশ" সেৱা সংঘ স্থাপন হয়।

চুইজাৰলেণ্ডৰ জাতীয় পতাকাৰ চিন্ ৰঙাৰ ওপৰত বগা "ক্রচ" চিন; আৰু জেনিভাৰ নিজৰ পতাকাৰ চিন্ বগাৰ ওপৰত ৰঙা "ক্রচ" চিন, এই জেনিভাৰ পতাকাকে "ৰেড ক্রশ"ৰ পতাকা কৰে।

আন্ধাৰ হৈ আহিল। বৰষুণ কিন্ কিনকৈ দিবলৈ ধৰিছে। কথাৰ গধুৰে মোৰ গাটোও গধুৰ কৰিলে, মোৰ আৰু এতিয়া ওলাবৰ মন নগ'ল। বকৰুাই বৰষুণত তিতিয়েই জুৰিকৰ পৰা অহা ভদ্রলোক-জনৰ লগত ওলাই গ'ল। দুঘণ্টা মানৰ পাছত "ফ'ট-ফিল্ম" কেইটামান লৈ ঘাৰ আহিল।

১৫ নবেম্বৰ জেনিভা।

আজি ৰাতিপুৱা আমি কালি যোৱা বজাৰখনলৈ গ'লো, বতৰটোও আজি ভাল। আজি আমাৰ ঘড়ী কিনা হ'ল। যেনেকৈ গঙ্গালৈ গলে মানুহে গঙ্গাজল আনে, তেনেকৈ চুইজাৰলণ্ডলৈ অহা মানুহে সকলোৱে ঘড়ীকেহে নিয়ে। ইয়াত সকলো মানুহে ঘড়ীটোলৈহে চকু দিয়া দেখো। এই বেলা বজাৰ ঘূৰি দুপৰীয়া হোটেললৈ আহিলো। খোৱাৰ পাছত খোজকাঢ়ি সেই উদ্যানখনলৈ গ'লো। ইয়াতে ফুৰি-ফুৰা ভাৰতীয় মহিলা দুগৰাকীক লগ পালো। এওঁলোকে লৰা-ছোৱালী লৈ ফুৰিছে। এগৰাকী এই দেশীয় বুঢ়া মানুহে এঠাইত গছৰ মাজত সোমাই কেৰকেটুৱা কেইটামানক কিবা আহাৰ খুৱাবলৈ বৰ চেষ্টা কৰি থকা দেখিলো। উদ্যানৰ একাষেদি গৈ গৈ পালোগৈ সেই হ্রদ। পাৰ সুন্দৰ কৰি বন্ধোৱা আৰু পাৰত হোটেলো আছে। আন পাৰৰ বৰফেৰে ঢকা পৰ্ব্বতবোৰ ইয়াৰ পৰা বৰ ভালকৈ দেখি। উদ্যানৰ মাজতে এখন সভা হৈছে; বক্তৃতা দিয়া কেইজন এখন ওখ কৰি পতা ঠাইত ঠিয় হৈছে; বাকী মানুহ সকলোবিলাক ঠিয়া-ঠিয়ি কৰি আছে। আমিও ওচৰ চাপি গ'লো, আৰু "হোলাৰ ভাই মোলা" হৈ

তেওঁলোকৰ আমি একো অৰ্থ নোপোৱা ভাষাটোকে কিছু সময় শুনিলোঁগৈ। আজি ফ'টও খনচেৰেক তোলা হ'ল। গধূলি কৈ আহিলত হোটেললৈ ঘূৰি আহিলো আৰু ইয়াত আজি ফুৰা শেষ কৰিলো, কাৰণ কাইলৈ ৰাতিপুৱাই আমি এই ঠাই এৰি ইটালীৰ "ভেনিচ" নগৰলৈ যাত্ৰা কৰিম।

আমি ৰাতিয়েই হোটেলৰ দিবলগাখিনি দি মালবস্তু সকলো ঠিক কৰি থলো।

১৬ নৱেম্বৰ ভেনিচা

আজি ৰাতিপুৱা সোনকালে শাহ উঠি, এই কেইদিনৰ চিনাৰ। কেজনক মাত লগাই আমি ইটালীৰ ভেনিচ নগৰলৈ যাবলৈ প্ৰস্তুত হ'লোঁ।

ইয়াৰ পৰা ভেনিচলৈ সদাই উৰাজাহাজ নাথাকে কাৰণে আমাৰ ইয়াৰ পৰা ভেনিচ নগৰলৈ ৰেলগাড়ীৰে যোৱাৰ আগতে বন্দবস্ত কৰা আছিল। সেইবাবে আমি এতিয়া ৰেল ষ্টেচনলৈ যাবলৈ ওলালো।

হোটেলৰ মেনেজাৰ জনে "কালে" মটৰ গাড়ীৰ ভাৰা বেছি ল'ব. আপোনালোকে ট্ৰেম গাড়ীতে যাওক আৰু মানুহবোৰ মাল নিয়া গাড়ীৰে আমাৰ মানুহে দি আহক"। আমি কিবা আহুকালত পৰো বুলি মালবস্তুৰে সৈতে একেলগেই যাওঁ বুলি এখন মটৰ গাড়ীকে বন্দবস্ত কৰিলো আৰু তাৰ পৰা এতিয়া আমাৰ উপকাৰ হে হ'ল। কাৰণ ড্ৰাইভাৰজনে অলপ ইংৰাজী ভাষা জানে। আমি ষ্টেচন পালোহি। ইয়াত ইংৰাজী ভাষা জনা মানুহ এজন মাত্ৰ আছে. আমি তেওঁৰ ওচৰ চাপিলো। পিচে, এইখিনিতে এটা লেঠা ওলাল। এই ভদ্ৰলোকজনে আমাক কলে যে "ইটালীৰ কালে বৰ পানী

বাঢ়িছে, আৰু পানীয়ে ৰেলগাড়ীৰো "লাইন" বেয়া কৰাত ৰেলগাড়ী এতিয়া বহুত ঘূৰি যাবলগা হৈছে, তোমালোক সেইফালে ঘূৰি যাবা জানো ?" আমি আজি বাতিপুৱা ন'টাৰ গাড়ীত গৈ ক'তো নৰমাকৈ পোনে পোনেই ভেনিচ ৰাতি ন' বজাত গৈ পোৱাৰ কথা আছিল। এতিয়া আমি অকোৰা-পকোৰা বাটে গলে ৰাতিপুৱা সাত বজাত হে ভেনিচ পামগৈ, তাৰ উপৰিয়ো তিনি ঘাইত গাড়ী সলনি কৰিব লাগিব। যি কি হওক আমি ভাবি ঠিক কৰিলো যে আমি ফুৰা মানুহ, ফুৰিবই লাগিব আৰু ৰাতি নেপালেও ৰাতিপুৱা পামগৈ, চুইজাৰলেণ্ডৰ বেছি ঠাই চাই যাব পাৰিম "অঘৰীৰ বাটে বাটেই ঘৰ।"

ইয়াৰ পাছত আমাৰ বাকচ তেওঁলোকক গতাই দিয়া হ'ল, তাতো আকৌ এজনে কলে "ইটালীৰ সীমাত বৰ গণ্ডগোল, বাকচ 'ইনচিয়ৰ কৰক"। এওঁ বোধকৰো "ইনচিয়ৰ" কোম্পানীৰ লগত কোনো সম্বন্ধ থক। যি হওক আমি ইয়াৰ টকাৰ হিচাবমতে চাৰি হাজাৰ ".ফ্ৰঙ্ক" ( চুইচ )ত বাকচ "ইনচিয়ৰ" কৰিলো।

ইয়াৰ পাছত মালে সৈতে আমি শুল্কবিভাগৰ কৰ্মচাৰীৰ কোঠালিলৈ গ'লো। ভৰা-গৰা মানুহ দুজন ঠিয় হৈ আছে, পিছে ইংৰাজী কথা এষাৰো কব নোৱাৰে। আমি বাকচৰ চাবিটো উলিয়াওঁতে তেওঁ-লোকৰ এজনে নিজৰ কোটটো জোকাৰি জোকাৰি মূৰটো দুপিয়ালে অৰ্থাৎ বুজালে যে "বাকচত পিন্ধা কাপোৰেই নে ?" অলপ ভাবি বুজি পাই আমিও মূৰ দুপিয়াই "হয়" বুলি কোৱাত বাকচৰ ওপৰত কিবা লিখি মঞ্জুৰ কৰি দিলে।

এইখিনিতে মোৰ কাগজ চেপা মৰা আলপিন এটাৰ দৰকাৰ হোৱাত আৰু এওঁলোকৰ মেজতে বহুত দেখি অকৰাৰ দৰে "ময়ো এটা লওঁনে" বুলি সুধিলত, তেওঁলোকে হাহি হাহি মূৰ দুপিয়ালে। এইবিলাক কামৰ পৰা আজৰি হৈ আমি ঈশ্বৰক চিন্তি আমাৰ

ৰেলগাড়ীখনত উঠিলোগৈ। হঠাতে "লাইন" বেয়া হোৱাত বৰ হুলস্থূল যেন দেখিছো। লাহে লাহে আমাৰ বিজুলী শক্তিৰে চলা ৰেলগাড়ী চলিল। ইয়াৰ ৰেলগাড়ী বিজুলী শক্তিৰেই চলে কাৰণ চুইজাৰলেণ্ডত কয়লা নাই! ইয়াত পৰ্ব্বতীয়া জান-জুৰিৰ সোঁতৰ জোৰত কল চলায়, এই শক্তিৰ জোৰতে বিজুলী উলিয়াই ৰেলগাড়ীও চালায়। গাড়ীৰ ভিতৰৰ বহা ঠাই বৰ ভাল। বহা ঠাইৰ তলত "হিটাৰ" (Heater) (গাড়ী গৰম ৰখা যন্ত্ৰ) থকাত ভিতৰখন গৰম। বাহিৰখন কিন্তু বৰ চেঁচা। আমি আইনা তুলি ল'লো। কোঠালিটোৰ ভিতৰত ছবি কেইখনমান আৰিথোৱা আছে, খিৰিকিতো পৰ্দা লগোৱা আছে। ভালকৈ বহি লৈ এতিয়া বাহিৰখন চাই যাবলৈ ধৰিলো—হ্ৰদৰ পাৰে পাৰে এতিয়া ৰেলগাড়ীখন চলি গৈছে, পাৰৰ সুন্দৰ সুন্দৰ গছ-গছনি পৰ্ব্বত আৰু দূৰৈৰ বৰফে ঢকা পৰ্ব্বত আৰু জুৰিবিলাক আৰু খেতিৰ ঠাই আড়ৰৰ নাৰীবিলাক দেখি গৈছো। ইযাৰ গছবোৰ মজলীয়া ধৰণৰ; বৰ শকত ডাঙৰ গছ ক'তো দেখা নাই। নানাৰকমৰ খেতিবোৰ দেখিছো। পথাৰবোৰত পুৰুষ মহিলাই কাম কৰি আছে। ঠায়ে ঠায়ে খাঁৰহি গৰুবিলাক বেৰাৰ ভিতৰত চৰি আছে, লোদৰ-পোদৰ গৰুবিলাক, বৰ চকুত লগা। ঘাহ কটা দেখিছো, দীঘল ঘন কোমল ঘাহ, ঠিয় হৈ হৈ কাটিছে, লাঠিৰ আগত বেকা কৰি লগোৱা ডাঙৰ কাঁচিৰ সৈতে। কটা ঘাঁহবোৰ ঘোৰাৰ গাড়ীত ভৰাই ভৰাই নিছে। গৰুৱে খোৱা এবিধ শস্যৰ নাৰীবোৰ দেখিছো, দূৰৈৰ পৰা ফুলকবিৰ গছ যেন দেখি। এতিয়া আমি কেইবাটাও ষ্টেচন পাই পাই গৈছো, আৰু একোখন সৰু-সুৰা চহৰো দেখি দেখি গৈছো। হ্ৰদ এতিয়া শেষ হৈ আহিল, আমি হ্ৰদ এৰিলো আৰু কিছু সময়ৰ পাছত আমি বাৰ্ণ নগৰ পামগৈ, আৰু তাত আমি গাড়ী সলনি কৰিব লাগিব। বাৰ্ণ (Berne)ৰ আগতে পো

ষ্টেচনটোত আমাৰ কোঠাতে এজন তুৰস্ক দেশৰ মানুহ উঠিলেহি, দেখাত ইউৰোপৰ মানুহৰ দৰেই, পাছত চিনাকী হৈ জানিলো এওঁ আৰ্মেনিয়ান মানুহ—ঘৰ তুৰস্কত। মানুহজন বৰ ভাল, আৰু ইংৰাজীও অলপ কব পাৰে। কথাটো সুধিলে ভাবি ভাবি ভুলে-শুদ্ধই উত্তৰ দিয়ে। এওঁ "মিলান্" (Milan) নগৰত নামিব। এওঁক পোৱাত আমাৰ সুবিধা হ'ল; কাৰণ মাল কঢ়িওৱা মানুহবিলাকে সমূলি অন্যাৰ কথা বুজি নেপায়, আমিও একো নুবুজো। এই ঠাই ডোখৰত জাৰ্মান ভাষাকে বোলে চলে। কিছু সময়ৰ পাছত আমি বাৰ্ণ নগৰৰ ডাঙৰ ষ্টেচন পালোহি। বাৰ্ণ হৈছে চুইজাৰলেণ্ডৰ ৰাজধানী। ইয়াত আমি গাড়ী সলনি কৰিলো, আৰু সেই ভদ্ৰলোকজনৰ লগতে একেলগেই গৈ আন খন গাড়ীত উঠিলো। ৰেলগাড়ী আকৌ চলিল। এতিয়া আমি বাৰ্ণ নগৰখন দেখি দেখি গৈছো। নগৰ বৰ ডাঙৰ, ঘৰবিলাক ডাঙৰ মহললৈকে। পৰিষ্কাৰ।

আমি দুপৰীয়াৰ আহাৰ গাড়ীৰ খোৱা কোঠালিতে গৈ খাই আজৰি হৈ বহিলোহি। এতিয়া দেখিবলৈ পাইছো পৰ্ব্বতৰ পাছত পৰ্ব্বত-বিলাক, ওখ চাপৰ অসমান ঠাইবিলাক। এতিয়া ৰেলগাড়ী পৰ্ব্বতৰ সুৰঙ্গ (Tunnel) একোটা একোটা পাৰ হৈ গৈছে। সুৰঙ্গত সোমালে তেনেই আন্ধাৰ হৈ পৰে, মাথো বিজুলী চাকিৰ হে পোহৰ। ডাঙৰ সুৰঙ্গবিলাক পাৰ হওঁতে কিছু সময়ো লাগে। পৰ্ব্বতৰ পৰা কেনে-কেনেকৈ জোৰেৰে পাগৰি অহা নৈবোৰ দেখিছো।

এতিয়া আকৌ দেখিবলৈ পাইছো খেতিবাতিৰ পথাৰ আৰু গাওঁ-বিলাক। পৰ্ব্বতৰ নামনিত থুপ্ থুপ্ কৈ ঘৰবিলাকত মানুহৰ বসতি। একো একোখন গাওঁৰ মাজে মাজে একো একোটি গীৰ্জা, আৰু তাৰ দাঁতিত কবৰস্থান। এনে সৰু গাওঁ আৰু সৰু সৰু গীৰ্জা বহুত দেখি আহিছো, দূৰৈৰ পৰা একোখন ছবি যেন লাগে, মাজে মাজে একোখন

পৰ্ব্বতীয়া নৈ। এই সৰু গাঁৱৰ ঘৰবিলাক সজাৰ ধৰণ প্ৰায় একে, ওপৰত খাপৰীৰ চাল, কিছুমান খেৰৰ চাপৰ দুমহলীয়া ঘৰ; এনেকেখন চালেই তললৈকে ওলমি পৰা। সৰু সৰু ঘৰবিলাক আমাৰ শিলঙৰ গাৱঁৰ খাচীয়া মানুহৰ ঘৰৰ দৰে। ওপৰৰ সৰু সৰু বাৰাণ্ডাত কাপোৰ মেলি থৈছে। তলৰ চাঙৰ তলত খৰি কাঠ গোটাই গোটাই থৈছে, হাঁহ, কুকুৰা, গাহৰি, গৰু আদি পুহিছে, পথাৰত কাম কৰিছে, শস্য গোটাই আনিছে। গৰুগাড়ীও দেখিলো, আমাৰ দৰেই, মাত্ৰ পাছফালে সৰু জখলা এটা বন্ধা থাকে। মাটিবোৰ ক'লা, বৰ সাৰুৱা যেন লাগে, সকলো শস্যই লহ্-পহ্ কৰি থোৱা দেখিছো। খেতিয়ক-খেতিয়কনি-বিলাকে ডাঠ চামৰাৰ বুটজোতা পিন্ধি কাম কৰি আছে, বোকা-চোকা লাগি আছে। কাপোৰ কিন্তু লেটেৰা নেদেখি, বগা কাপোৰৰ ব্যৱহাৰ এই ফালৰ দেশবোৰত বেছি নাই। ৰঙীন কাপোৰহে পিন্ধে। বণুৱা মানুহবিলাকে নীল বৰণীয়া (Navy blue) কাপোৰ বেছি ব্যৱহাৰ কৰে। ঠায়ে ঠায়ে ঘৰে ঘৰে খৰী কাঠৰ দ'মবিলাক দেখিছো, এইবিলাক ঠাইৰ মানুহে বোধকৰো খৰিহে ব্যৱহাৰ কৰে, দেখিলেই বুজিব পাৰি, তাতো কয়লা নোহোৱা দেশ। এইডোখৰ সাধাৰণ খেতিয়কৰ বসতি ঠাই। এতিয়া আমি বেছি পৰ্ব্বতীয়া ঠাই পাইছোহি, আৰু ইটোৰ পাছত সিটোকৈ বহুত সুৰঙ্গ (Tunnel) পাৰ হৈ হৈ আহিছো, বাহিৰখন এতিয়া আৰু চেচা। ৰৰফে ঢকা পৰ্ব্বতবোৰৰ বৰ ওচৰ চাপি আহিছো। ৰ'দ পৰি বৰফবোৰ জিলিকি পৰিছে।

লাহে লাহে বেলি ভাটি দিলে, সকলো গৃহস্থই নিজৰ নিজৰ সংসাৰ সামৰাত ব্যস্ত দেখিছো। গাড়ী-ঘোৰালৈ কামকৰা মানুহ ঘৰলৈ ঘূৰিছে। আমি আহি আহি এতিয়া "লুচাৰ্ণ" নগৰৰ ষ্টেচন পালো, আকৌ এটা ডাঙৰ হ্ৰদ চকুত পৰিল, এই হ্ৰদৰ নাম লুচাৰ্ণ হ্ৰদ। নগৰখন ডাঙৰ। এতিয়া নগৰত চাকি-চুকা জ্বলিল। আমি ইয়াত

গাড়ী আকৌ সলনি কৰিলো। এইবাৰো আৰ্মেনিয়ান ভদ্ৰলোকজন আমাৰ লগতেই উঠিলেহি, আমিও পথিক-বন্ধুক এৰা নাই।

এইডোখৰেই ইটালীৰ সীমান্ত। ইয়াতে আমাৰ মালবস্তু পৰীক্ষা কৰিব, আৰু ইয়াৰ পৰা ৰেলগাড়ী ইটালীৰ মানুহে হে চলাব।

আন্ধাৰ হোৱাৰ পাছত আমাৰ কোঠালিতে আহি চুইচ শুল্ক বিভাগৰ কৰ্ম্মচাৰী এজনে সুধিলেহি "চিগাৰেট কিমান আনিছা ?" চিগাৰেট চায়েই তেওঁ সন্তুষ্ট হ'ল, আৰু একো নেচালে। গটাই দিয়া বাকচ ইটালীৰ মানুহে চাব খুজিলে আমি যে খুলি দেখুৱাব লাগিব, পিছে এতিয়ালৈকে আমাক কোনো খবৰ দিয়া নাই।

ৰাতি হৈ আহিল, বাহিৰত বিজুলী চাকিৰ বাহিৰে একো নেদেখা হ'ল। কেইবাটাও বৰফে ঢকা পৰ্ব্বতৰ ওপৰে ওপৰে বিজুলী চাকিৰ শাৰীবিলাক আৰু ওখ শৃঙ্গবিলাকৰ ওপৰে ওপৰে বিজুলী চাকি জ্বলি থকা দেখিলো। সেই চাকিবিলাক উৰাজাহাজৰ কাৰণে এনেকৈ লগাই থৈছে বুলি শুনিলো।

ৰেলখন আহি সুৰঙ্গৰ পাছত সুৰঙ্গ পাইছে, আৰু বৰ চেঁচা লগা পাইছো।

এই সময়ত মই মোৰ এই লিখা-লিখি কামখিনি কৰি লবলৈ ধৰিলো। এনেবিলাক সুবিধা লৈয়ে মোৰ লিখাখিনি আগবাঢ়িছে; নহ'লে সময় আমাৰ একেবাৰেই নাছিল। অৱশ্যে উৰাজাহাজত বহি বহি লিখি যাবলৈ মই বেছিকৈ সুবিধা পাইছিলো।

আমি প্ৰায় ৰাতি ন' বজাত ডাঙৰ ৰেলৰ কেন্দ্ৰ মিলান নগৰৰ ষ্টেচন পালোগৈ, আমি তাত তিনি ঘণ্টা থাকিব লাগিব। ৰাতি বাৰ বজাতহে আকৌ ৰেলগাড়ীত উঠি ৰাতিপুৱা সাত বজাত ভেনিচ নগৰ পালোগৈ।

ৰেলগাড়ী সলায় সলায় আমনি লাগি গৈছে, "পকৰাই পোৱা"

যেনহে লাগিছে, ৰাতিপুৱা হৈ ভেনিচ পালেহে আজৰি পোৱা যেন লাগিব।

সময়বোৰ গৈ আছে; চাওঁতে চাওঁতে আমি মিলানৰ ওচৰ চাপিলোঁ। ষ্টেচনৰ শাৰীপতা বিজুলি চাকিবোৰ চকুত পৰিল, আৰু মিলান ষ্টেচনত আহি গাড়ী ৰ'লহি। সচাকৈয়ে বৰ ডাঙৰ ৰেলগাড়ীৰ কেন্দ্ৰ, গাড়ী অহা আহিছে যোৱা হৈ আছে। আমি ইয়াত নামিলোঁ। ইয়াতে আমাৰ পথিক-বন্ধুজনে আমাৰ পৰা বিদায় লৈ গ'লগৈ।

আমি প্ৰথমেই ইফাল-সিফাল ঘূৰি এটা হোটেল বিচাৰিলোঁ, ইয়াত আমাৰ লৰালৰি নাই, কাৰণ আমি তিনি ঘণ্টা ইয়াত থাকিব লাগিব। আমি ষ্টেচনৰ ওচৰতে থকা এটা ডাঙৰ হোটেললৈ গ'লোঁ। হোটেলৰ মাজৰ কোঠালিটোৰ দাঁতিতে এগৰাকী অলপ ইংৰাজী জনা তিৰুতাই আলহীবিলাকৰ বস্তু ৰখোৱাৰ কাম কৰি আছে, আমাৰো মোনা দুটা সৰু বাকচটি কেমেৰাটোৰ সৈতে তেওঁৰ হাতত গটাই তেওঁৰ পৰা এখন কাগজ লৈ হোটেলৰ প্ৰকাণ্ড চ'ৰাটোলৈ সোমাই গ'লোঁ। বহুত দিনৰ চিনাকীৰ দৰে দুজন ভদ্ৰলোক আহি আমাক আদৰ সাদৰ কৰি বহুৱালে।

লণ্ডনত য'তে ত'তে হোটেলবিলাকত তিৰুতা মানুহহে বেছি দেখিলোঁ, এই ঠাইবিলাকত কিন্তু পুৰুষ মানুহেইহে বেছি দেখিবলৈ পাইছোঁ। সকলো ঠাইতে এইটো মন কৰিলোঁ যে হোটেলবিলাকত খাওঁতে যথেষ্ট সময় হয়, মেজে মেজে মানুহবিলাকে জুৰণি লৈ লৈ খায় আৰু বস্তু অনা-মেলা, দিয়া থোৱা বহুত পলম হলেও শান্ত শিষ্ট হৈ বহি থকা দেখা যায়। আমাৰ খোৱাৰ পাছত পাৰলগীয়াখিনি হোটেলত দি বস্তুৰখীয়া গৰাকীকো অলপ পুৰস্কাৰ দি ওলাই আহিলোঁ। কিছুপৰ ঘূৰা-পকা কৰি যি পাৰিলোঁ ঠাইখন চালোঁ। তাৰ পাছত কোনো দৰকাৰী কথা বুজাই দিয়া অফিচ (Enquiry

Offi.·e)টোলৈ গ'লো। ইযাত মাত্র এজন ইংৰাজীজনা কৰ্ম্মচাৰী আছে। 'আমি তেওঁক উঠিবলগা ৰেলগাড়ীৰ বিষযে সকলো কথা সুধি ল'লো, আৰু তেওঁ কোৱামতে ৰেল· ষ্টেচনৰ দাতিৰ বহা ঠাইত বহি গাড়ীলৈ বাট চালো।'

মানুহৰ ভীৰ বৰ বেছি। ৰেলগাড়ীৰ "লাইন" বেযা হোৱাত মালবস্তুও বহুত গোট খাইছে। দুচকীযা মালৰ গাড়ী মুটিযাবোৰে চলাই আনি গাড়ীযে গাড়ীযে মাল ভৰাই দিছে। মানুহবিলাকে বিং বিং বাং বাংকৈ কিবোৰ কৈছে, অলপো বুজিব নোৱাৰি। "ভেনিচ"কো "ভিনিজিয়া" (Venezia) বুলি তে উচ্চাৰণ কৰে।

গাড়ী আহিলত আমাৰ মালকেইটাৰে সৈতে আমি উঠি বহিলো; এজন ৰেলৰ কৰ্ম্মচাৰীযে কোঠালিটো চাই-চিতি দিলে আৰু কিবা-কিবি কিছুমান কলে, হাত মূৰ বৰ বৰকৈ জোকাৰিলে, জোকৰাতে যি বুজিলো, কথা হলে এষাৰো বুজি নেপালো। কোঠালিটোত আৰু দুজন আৰোহী দুৱাৰ জপাই পদা পেলাই শুই গৈছে, আমিও ৰাতিটোৰ কাৰণে নিশ্চিন্ত হৈ সোমালো।

"ভেনিচ" পোৱাৰ আগত বহুবাৰ কেইবাজনো ৰেলৰ কৰ্ম্মচাৰীৰ লগত দেখা হওঁতে সুধিছিলো "কিমান সমযত 'ভেনিচ' পামগৈ" ইয়াৰ উত্তৰ এজনেও দিব পৰা নাছিল, কিন্তু নিজৰ ঘড়ীটোৰ কাটাদাল দেখুৱাই বুজাই দিছিল। সি যেইবা নহওঁক এজন অলপ ইংৰাজী কব জনা জাৰ্ম্মান মানুহ আমাৰ লগত অহাত এষাৰ দুষাৰ কথা তেওঁৰ লগত পতা হৈছিল।

পোহৰ হৈ বাহিৰখন ৰিণিকি ৰিণিকি দেখা হ'লত তেওঁ আমাক প্ৰসিদ্ধ "লিট'ৰিয" দলং (Littorio Bridge)খন দেখুৱাই দিলে। এইখন সাগৰৰ ওপৰত সজা ডাঙৰ দলং। ভেনিচৰ পৰা ইটালীৰ আন আন ঠাইলৈ এই দলংডেদি অহা-যোৱা কৰিব পাৰি।

১৭ নবেম্বৰ ভেনিচ্।

পোহৰৰ লগে লগে আমি ভেনিচ সোমালোহি। আৰু প্ৰায সাত বজাত ভেনিচৰ ষ্টেচনত গাড়ী ৰ'লহি। আমি নামি ষ্টেচনতে লাগি থকা হোটেলটোত মাত্ৰ একাপ কৰি চাহ খালো।

ইটালীত "লীৰা" (Lira) চলে। পাউণ্ড নচলে। এতিয়া এক পাউণ্ডত ১৭০০ "লীৰা"। এতিয়া এক পাউণ্ডত আমাৰ টকাৰ ১৩।০ থাকে। এই ১৩।০ অনাতে ইয়াত এই ১৭০০ "লীৰা"ৰ সোপা সোপে কাগজবোৰ দিযে। সেইবাবে আমাৰ দুকাপ চাহৰ দাম হ'ল ১৪০ "লীৰা"। প্ৰথমে চক্ খাই উঠিলো, ভাবি চাই হে ১৪০ লীৰাৰ মল্যটো বুজিব পাৰিলো।

ইযাতে আমি থাকিবলৈ বন্দবস্ত কৰা হোটেলৰ নাম টুপিত লিখা মানুহজনক লগ পালো। তেওঁ আমাক কলে "আপোনালোক এতিযা "গণ্ডোলা"তহে যাব লাগিব, ইযাৰ "টেক্সি" এইবোৰেই"। "গণ্ডোলা" মানে নাও। আমি ষ্টেচনৰ পিছফালে ওলাই আহিলো, আৰু এখন সাগৰৰ দৰে দেখিলো। এইটো এটা ডাঙৰ খাল। নাম "গ্ৰেণ্ড কেনেল্" (Grand Canal) ইযাত অসংখ্য নাও, জাহাজ, মটৰ ব'ট, পানীবাচে উপচি আছে। আমি গৈ সৰু সুৰা বস্তু কেইটাৰে তাৰে এখন নাৱত উঠিলো। আউজি বহি যাব পৰা ঠাই; ছজনমান বহিব পাৰি, চকি পাৰি থোৱা আছে। এই ডাঙৰ খালটোৰেদি এতিযা আমাক নাৱে লৈ গ'ল। নাৱৰ পৰাই আমি ভেনিচৰ অপৰূপ সৌন্দৰ্য্য দেখি যাবলৈ ধৰিলো। এই সৌন্দৰ্য্যৰ কাৰণেই ইযাক "আদ্ৰিযাটিকৰ ৰাণী" (Queen of the Adriatic) বা "মিষ্ট্ৰেচ্ অৱ্ ডি আদ্ৰিযাটিক" (Mistress of the Adriatic) বোলে। ৰাতি-পুৱাৰ নিযৰ আৰু পানীৰ ভাপৰ মাজে মাজে নাৱত আহি আমাৰ

কালি দিন ৰাতিৰ ভ্ৰমণৰ ভাগৰ যেন আতৰি গ'ল। গাত নতুন বল পোৱা যেন লাগিল। খালৰ দাঁতিয়ে দাঁতিয়ে ৫।৬ মহলীয়া বিৰাট বিৰাট একোটা ঘৰ। ঘৰৰ বেৰবোৰেই খালৰ সীমা। পানীৰ চৌবে ঘৰৰ বেৰবোৰত কোবাই আছে। ডাঙৰ খালটোৰ পৰা আমি সৰু



ভিনিচৰ গ্ৰেণ্ড কেনাল (Grand Canal)

দ'ৰে চৰ্চৰ পাৰ দ

খালৰ ভিতৰ সোমাই গ'লো। এই সৰু খালটোৰ ওপৰত মাজে মাজে কুজা কুজা সাকো। সাঁকোৰ তলে এই সৰু "গণ্ডোলা" নাওবোৰ আৰু সৰু সৰু মটৰ ব'টবিলাক অহা-যোৱা কৰে। ডাঙৰ জাহাজ আৰু পানীবাচবোৰ "ডাঙৰ খাল" (Grand Canal)ত হে চলি ফুৰে।

ই এখন অদ্ভুত দেশ। এই ঠাইখনত বহুত নৈ আহি সাগৰত পৰেহি। নৈত উটি অহা যাবৰ ভেবেৰাবোৰ সাগৰত পৰা ঠাইত গোট-াই খাই কিছুমান বোকা জমা হয়, সেই বোকাতে কাঠৰ গোঁজ

মাৰি মাৰি অতীজতে এই দেশৰ মাটিবোৰ সেইদৰেই কৰি হেনে৷ পাছত এই নগৰ তৈয়াৰ কৰে। ইয়াৰ বাটবোৰ এই খালবোৰেই. পানী বৰ পৰিষ্কাৰ। এনেকুৱা অসুবিধাজনক ঠাইও যে ইমান উন্নত হব পাৰে ভাবিবই নোৱাৰি। একো একোটা সৰু সৰু চুবুৰি আৰু তাৰ চাৰিউফালে খাল। খালৰ ওপৰে ওপৰে কুজা কুজা সাঁকোবোৰ। সাঁকোবোৰ দেখিবলৈ আমাৰ শিৱসাগৰৰ নামডাঙ্গৰ সাঁকোৰ লগত কিছু মিলে। এইখন খাল আৰু দলঙৰ দেশ, ইয়াত হেনো দলং" চাৰি শ মানেই আছে। ইটো চুবুৰীৰ পৰা সিটো চুবুৰিলৈ নাৱে নহ'লে সাঁকোয়েদিও যাব পাৰি, কিন্তু কিছুমান ঠাইলৈ খালে নগলে খোজকাঢ়ি যোবাৰ উপাই নাই।

আহি আহি আমি আমাৰ হোটেল "লিউনা" (Luna) পালোহি। ঘৰবিলাকৰ আগে আগে পানীত পোতা ৰং লগোৱা খুটা কেইটামান থাকে, এই খুটাতে আহি নাও বান্ধে, এয়ে জানিবা ইয়াৰ পদূলি মুখ। নাৱৰ পৰা আমি হোটেলৰ বাৰাণ্ডালৈ উঠি গ'লো। হোটেলটো ডাঙ্গৰ আৰু সজোৱা খটাবোৰত নানাৰকমৰ মাৰ্বল শিল লগোৱা। আমি দ্বিতীয় মহলত কোঠালি পালো। হোটেলৰ কৰ্ম্মচাৰী আৰু কেইজনমান বন্ধুৱাই মাত্ৰ ইংৰাজী ভাষা জানে। গা পা ধুই আমি ৰাতিপুৱাৰ আহাৰ খালো। খোৱাৰ পাছত আমি হোটেলৰ বাহিৰলৈ ওলাই গ'লো। অলপ আগবাঢ়ি ঘৰৰ মাজে এটি সৰু পকা বাট দেখিলো। সেই বাটে এনেকুৱা ঠেক যেন সাধুকথাৰ দৰে এখন ৰাজ্য দেখিবলৈ পালো। এতিয়াহে জানিব পাৰিলো, আমি থকা ঠাইডোখৰেই ভেনিচৰ মাজ ঠাই, চাবলগীয়া আৰু দোকান-পোহাৰ ইয়াতে বেছি। উৰাজাহাজৰ অফিচঘৰো হোটেলৰ দুৱাৰ মুখতে। এই ঠাইডোখৰত মাজে মাজে মানুহ অহা-যোৱা কৰা বাট আৰু দুয়োফালে দোকান-বজাৰ আদি আছে। তলমহলত দোকান

বজাৰ পত। ঘৰবোৰেই ৪।৫ মহলীয়া একোটা ডাঙৰ ঘৰ। এতিয়া এইবোৰ বাটে জাকে জাকে মানুহ অহা যোৱা কৰিছে। ইয়াৰ বাটত চাইকেল, ঘোঁৰাগাড়ী, মটৰগাড়ী একো নাই, এইবিলাক চলিব পৰা বাটো নাই। আমি লাহে লাহে ঘূৰি-ফুৰি ঠাইখন চাই চাই দুপৰীয়া আহাৰৰ সময়ত হোটেললৈ ঘূৰি আহিলো। খোৱাৰ পাছতে আকৌ ওলাই গ'লো, বৰুৱাই বেমেৰাটোও হাতত ল'লে। কাৰণ আজি বতৰ ভাল। এই জলকুঁৱৰীৰ ৰাজ্যত বতৰ সদায় ভাল হেনো নেথাকে। আমি "চেইণ্ট মাৰ্ক" (St. Mark) বা (San Marco) গীৰ্জাটো



চেইণ্ট মাৰ্ক (St Mark [illegible]
[illegible]

দেখিলো। এই গীৰ্জাটোৰ বাহিৰৰ বেৰত কেইখনমান সোণ ৰূপ আৰু আন আন দুষ্প্ৰাপ্য বাখৰৰ টুকুৰাৰে তৈয়াৰ কৰা ডাঙৰ "ম'জেইক" ছবি আছে, বাখৰৰ টুকুৰাৰে সোণ ৰূপ লগাই কৰা কাৰণে ছবিবিলাক চিক্‌চিকাই আছে। গীৰ্জাটো বৰ ডাঙৰ আৰু গহীন। এইটো হেনো এহেজাৰ বছৰৰো আগৰ ৰোমান কেথলিক গীৰ্জা। এইবেলা আমি

ইযাত সোমাবলৈ নহ'ল, ভিতৰত বহুত মানুহে "অৰগেন" বজাই গান গাই থকা শুনিলো, গম-গমাই আছে। আমি ফ'ট লৈ লৈ খোজকাঢ়ি গৈ চুবুৰীৰ আন এটা পাৰে সেই ডাঙৰ খালটো (Grand Canal) পালোগৈ। ইয়াৰ পাৰ বন্ধোৱা, পকা বেৰা দিয়া, ঠায়ে ঠায়ে একোটা শিলৰ মূৰ্ত্তিও আছে। খালত সৰু জাহাজ, ব'ট আদিয়ে মানুহ ভৰাই লৈ দমদমাই ঘূৰি ফুৰিছে। এফালে পাৰত এটা স্তম্ভৰ ওপৰত এটা পাখী লগা সিংহ (Winged Lion)ৰ মূৰ্ত্তি আছে। এইটো ভেনিচৰ প্ৰাচীন জাতীয় চিন। ডাঙৰ খালৰ পৰা সোমাই সোমাই যোৱা সৰু খালৰ ওপৰৰ কুজা দলঙেদি আমি যিমান পাৰিলো দূৰৈ লৈ গৈ চাই ফুৰিলো। কোনো চিনাকী নাই, সকলো অচিনাকী, আবেলি হোটেলবোৰৰ বাহিৰতে চকি মেজ লৈ মানুহ-বিলাকে খাইছে, ঘৰবিলাক কেৰা মতলৰো। খালৰ দাঁতিৰ ঘৰবোৰৰ ভেটীৰ এডোখৰলৈকে পানীত সদায় তলগৈ থকা দেখিলে থকি পাৰিব যেন লাগে। শুনিলো ইযাৰ এই ঘৰসজা মিস্ত্ৰিবিলাক বৰ পাকৈত আছিল। তেওঁলোকে পানীৰ মাজতেই ঘৰ সুন্দৰ কৰি সাজিব জানিছিল। সৰু সৰু দ্বীপ কিছুমান গোট খুৱাই এই ৰাজ্যখন হৈছে; ই এসময়ত গণতন্ত্ৰবাদী (Republic) ৰাজ্য আছিল, নগৰখনকে এখন স্বতন্ত্ৰীয়া ৰাজ্য (City State) কৰি চলাইছিল। আগত ই বৰ ডাঙৰ বন্দৰ আছিল। উত্তমাশা অন্তৰীপে (Cape of Good Hope) দি জাহাজ আদি যোৱাৰ আগেযে, পূবৰ দেশবিলাকৰ জাহাজ এই ভেনিচ হৈ গৈছিল, সেই কাৰণেই প্ৰাচীন কালত ভেনিচেই এটা ডাঙৰ বন্দৰ আছিল। তেতিয়া ইয়াৰ নিয়ম আছিল যে শুল্ক হিচাবে তেওঁলোকে যেই সেই কোনো বস্তুকেহে লৈছিল, কাৰণ তেতিয়া ইয়াত এটা "আইন" আছিল যে যেয়ে ভেনিচেদি বেহা কৰিবলৈ যায়, ভেনিচক সজাবলৈ কোনো বস্তু লৈ যাব লাগে; সেইবাবে নানাদেশৰ

নানা বস্তু নি ইযাত দিছিলেহি। নানান দেশৰ বস্তু পাই দেশখন চহকি হ'ল।

আমি ফুৰি ফুৰোঁতে গধূলি হৈ গ'ল। ডাঙৰ খালৰ এটা পাৰৰ ঘৰবোৰত চাকিবোৰ জ্বলি উঠিল, আমিও লাহে লাহে আমাৰ হোটেললৈ ঘূৰি আহিলো।

১৮ নবেম্বৰ ভেনিচ।

আজি আমি ৰাতিপুৱা "টমাচ কুক" কোম্পানীৰ অফিচলৈ খোজকাঢি যাবলৈ ওলালো, কাৰণ আজি আমাৰ মালবস্তুখিনি আহি পোৱাৰ কথা। হোটেলৰ এটি লৰাই আমাক অফিচঘৰ দেখুৱাবলৈ নিলে। অফিচলৈ ইযাৰ পৰা বেচি দূৰ নহয়। পিচে সাগৰত জোৱাৰ উঠি পানী বাঢি খোজকঢা বাটবিলাকতো এহাত দেৰহাতমান পানী হৈ গ'ল। খুব অলপ সময়ৰ ভিতৰতে কাঠৰ দলং পানী হোৱা ঠাইৰ ওপৰত পাতি পাতি দিলে, আৰু এতিয়া তাৰ ওপৰেৰে মানুহ অহা-যোৱা কৰিবলৈ ধৰিলে। এই দলঙৰ ওপৰে আমিও যাবলগা হোৱাত অফিচ-ঘৰ কিছু দূৰ পৰিল। চেঁচা দেশ, তাতে চাৰিউফালে কেবল পানীৰেই লীলা, তথাপিও এই বাঢি অহা পানীতে সৰু সৰু লৰাছোৱালীবোৰে ৰবৰৰ জোতা পিন্ধি লৈ খেলি ফুৰা দেখিছো। পানীৰ দেশৰ লৰাছোৱালীয়ে পানীযেই ভাল পায হবলা। আমি দলঙেদি অফিচ-ঘৰ পালোগৈ, তেওঁলোকে দুপৰীয়া আমাৰ মাল আনিবগৈ বুলি খবৰ দিলে। আমাৰ বাকচৰ চাবি আৰু আমাৰ পাৰপত্ৰখন তেওঁলোকক গতাই দিলো, কাৰণ এতিয়া আমি ঠাই চাবলৈ যাম। ইযাৰ পাছত আমি গৈ ঠাই চাবলৈ যোৱাৰ টিকট কিনিলো, আৰু এজন গাইডৰ লগত ওলালো। আজি এইবেলা আমাক খোজকঢ়াই হে ফুৰাব। প্ৰথমেই গাইডে আমাক সেই প্ৰসিদ্ধ

গীৰ্জাটোলৈ নিলে। লাহে লাহে পানী আকৌ শুকাই গ'ল। মাজে মাজে মাটিত থকা লোহাৰ ফুটাবোৰে পানী সোমায় গ'ল। গীৰ্জাটোৰ ওপৰত গম্বুজ পাঁচটামান আছে আৰু বাহিৰৰ আকৃতি মছজিদৰ লগত কিছু মিলে, তাকে আমি কোৱাত গাইডে কলে এইটো "বাইজেন্‌টাইন্ ধৰণ"ৰ (Byzantine Style) এই আহিটো চিৰিয়া আৰু তুৰস্কৰ পিনৰ পৰা অনা, তাৰ মানে বুজিলো, আহিটো আমাৰ পুব পিনৰ পৰাঃ অহা। এই গীৰ্জাৰ বাহিৰৰ সোণ, ৰূপ আৰু আইনাৰ টুকুৰা লগাই কৰা ছবিবিলাকেই চকুত লগা।



"চেইণ্ট মাক (St Mark) গীজাৰ সম্মুখত বৰফ"

সোমোৱা দুৱাৰৰ ওপৰত ব্ৰঞ্জ ধাতুৰ ডাঙৰ ডাঙৰ চাৰিটা ঘোৰাৰ মূৰ্ত্তি আছে; এই ঘোৰা কেইটাও "কন্‌ষ্টান্‌টিনেপোল" (Constantinople) দেশৰ পৰা পোৱা। এসময়ত হেনো এই ঘোৰা চাইটা ৰোমদেশৰ 'নিৰ' (Nero) ৰজাৰ তোৰণৰ ওপৰত আছিল। আমি গীৰ্জালৈ সোমাই গ'লো। ভিতৰৰ মজিয়াখন নানাৰকম শিলগুটি লগাই মিলাই কৰা কাম। একো একোডোখৰ ছহাতমান চাৰি-

কোণাঁয়া ঠায়ে ঠায়ে বেলেগ বেলেগ নমুনাৰ বিখ্যাত খনিকৰৰ কাম, চাবলগীয়া। ইয়াৰ ভিতৰখনতো দেশ-বিদেশৰ পৰা পোৱা ভাল ভাল বস্তুৰে সজোৱা। ঘাই বেদীটো সোণৰে তৈয়াৰী ; এই বেদীৰ তলতে মহাত্মা "মাৰ্ক"ৰ (St. Mark) সমাধি আছে, এই "মাৰ্ক"ৰ সমাধি প্ৰায় হাজাৰ বছৰৰো আগতে মিছৰ দেশৰ পৰা আনি ইয়াত প্ৰতিষ্ঠা কৰেহি। আন এফালে "মেৰী" (যীশুখৃষ্টৰ মাক)ৰ আধাৰৈকে মূৰ্ত্তি এটা আছে, মূৰ্ত্তি সোণৰ। হীৰা, মুক্তা আদি বহুমূলীয়া বাখৰৰ অলঙ্কাৰবিলাক জিলিকি আছে। বেলেগ বেলেগ ঠাইৰ পৰা চালে বাখৰৰ ৰং বেলেগ যেন দেখা যায়। এওঁৰ আগত মমবাতি জ্বলাই থৈছে, আৰু দাঁতিতে কেৱল কিছুমান ফুল আছে সৰু সৰু ৰূপৰ, সোণৰ "হৰ্টণ"ৰ (Heart) নমুনাৰ। এই ফুলবোৰ কোনো কোনো মানুহে হেনো আগকৰা যেনেকৈ আমি গোঁসাই গোঁসানীলৈ ফুল আগকৰো তেনেকুৱাই কথা! গাইডে কলে "এই গীৰ্জাৰ ওপৰত মানুহৰ বৰ বিশ্বাস আছে, ইয়াত যি আৰাধনা কৰে সেয়ে সিদ্ধি হয়।" গীৰ্জাৰ ঘণ্টা বাজি আছে, আৰু বহুত মানুহে গান গাই আছে। ইয়াৰ বহুত ভক্তই আন ঠাইৰ পৰা অহা।

এই গীৰ্জা চাই আমি ওলালো, আৰু চাবলগীয়া "ডজ পেলেচ" (Doge Palace) চাবলৈ বুলি খোজ ললো। এই পেলেচক "ডিউকেল পেলেচো" বোলে। এই হাউলীৰ বাহিৰৰ গড় বগা আৰু ৰঙচুৱা মাৰ্ব্বল শিল লগাই চাৰি গোথনীৰ দৰে সজাই কৰা কাম। এই বাহিৰৰ গড় পাৰহৈ গলে ভিতৰৰ থকা ঘৰবিলাক চকুত পৰে। এই ঠায়ে যে এসময়ত নানা দেশৰ বস্তু পাইছিল তাক বহুত ঠাইত বুজিব পাৰি। গড়ৰ ভিতৰফালে বহুত ঠাইত শিলত কটা ছবি, শিলৰ মূৰ্ত্তি আদি লোহাৰ ডাঙ্গৰ গজাল লগাই বহুত ঠাইত থোৱা আছে। এটা প্ৰাসাদৰ খটখটি বা সোপানৰ দুয়ো মূৰে দুটা মাৰ্ব্বল শিলৰ মূৰ্ত্তি

ঠিয় হৈ আছে। এই মূৰ্ত্তি-হেনো মঙ্গল (Mars) আৰু বৰুণ (Neptune) দেৱতাৰ মূৰ্ত্তি। সোমোৱা দুৱাৰৰ সো-মাজতে ওপৰত এটা পাখীলগা সিংহৰ মূৰ্ত্তি সাজি থোৱা আছে। এই উঠি যোৱা সোপানক দৈত্যৰ সোপান (Giants Staircase) বোলে। এই প্ৰাসাদবিলাকত ডজবিলাক থকা ঠাই আৰু দেশ চলোৱা কামৰ অফিচৰ ঠাই আৰু বিচাৰালয় আছে। ডজবিলাকেই সেই দেশৰ তেতিয়া শাসন-কৰ্ত্তা আছিল। তেওঁলোকে ৰজাৰ দৰেই দেশ চলাইছিল। এওঁলোকৰ ৰাজত্ব এঘাৰ শ বছৰ চলিছিল। ডজৰ থকা ঘৰৰ কোঠালিবিলাক অতিকৈ সজোৱা। ভাৰচাইৰ ৰাজকাৰেঙত দেখা দৰেই বেৰবিলাকত আৰু ওপৰত অকা ৰঙীন ছবিবোৰ আৰু সোণ চৰোৱা কামবোৰ। কিন্তু সোণৰ কাম ইয়াত বৰ বেছি, সোণ জানিবা ঢালিহে লৈছিল। এই শিল্পৰ কামবিলাক ইউৰোপৰ দেশবিলাকত প্ৰায় হেনো একেটা সময়তে হৈছিল। আৰু এই কাৰুকাৰ্য্যবিলাক প্ৰায় একে ধৰণৰ। সিও এটা যুগ! কৰ্ম্মযুগ।

এই ঘৰবিলাকৰ ভিতৰত এটা তেতিয়াৰ ৰাজকাৰ্য্য চলোৱা ঘৰ (কাউঞ্চিল ঘৰ) আছে। ইয়াত ১১৭ খন বহা আসন আছে। তেতিয়াৰ দিনতো এই সভ্যবিলাক জনসমাজে বাচি দিয়া আছিল। ওপৰৰ বেদীত থাই ছ জন ডজ আৰু ওপৰৰ বিষয়া কেইজন বহাৰ ঠাই। এই ঘৰ আমাৰ দেশৰ উচ্চ আৰু নিম্ন পৰিষদৰ ঘৰৰ ভিতৰখনৰ নিচিনা অৰ্থাৎ বহা আসনবিলাক কাঠৰ আৰু বেৰৰ বাৰ ফুট মানলৈকে কাঠ লগোৱা। এই সকলোবিলাক এতিয়াও বৰ ভাল হৈ আছে। ইমান দিনীয়া বুলি বুজিব নোৱাৰি। এটা সৰু কোঠালি আছে তাত দহজনৰ বহা আসন আছে। ওপৰ বিষয়া দহজন বহি তাত কোনো দৰকাৰী কথা আলোচনা কৰিছিল। এনেকুৱা বহা কোঠালি চাৰিটা-মান দেখিলো। ১১৭ খন আসন থকা ঘৰটোত এটা সোণপানী

চৰোৱা ঘড়ী আৰু এখন মেষ, বৃষ থকা ৰাশিচক্ৰ সোণচলা পানীৰে জিলিকি আছে। এইবিলাক এতিয়া একো নচলে, বন্ধ হৈ আছে। আন এটা ডাঙৰ চ'ৰালৈ সোমালো। বেৰতে ছবিবিলাক আঁকি থোৱা আছে, একোখন কুৰি ফুটমান ডাঙৰ ছবিও দেখিলো। এখন পুৰণি আঁকা ছবিত এগৰাকী মানুহৰ পোচাকটো চা'দৰ ওলোমাই লোৱাৰ দৰে আছে, ছবিবিলাকৰ বেছি অৰ্থ নেপালো। এই বিৰাত চ'ৰাটোত বোলে তেতিয়া তিনি হাজাৰ মান মানুহ মাজে মাজে গোটখাইছিল, আৰু



ভেনিচৰ ডজ্‌ৰ প্ৰাসাদ (Doge's Palace)

মাজে মাজে ইয়াত নাচ আদি হৈছিল। ইমান ডাঙৰ এটা কোঠালি একেবাৰেই উদং হৈ আছে, কোনো বস্তু নাই, কেনেবাখন লাগি যায়। এই ঘৰ-বাৰীবিলাক এতিয়াও বৰ ভাল অৱস্থাত আছে। ইয়াক আৰু যে কত বছৰ এই গাইডবিলাকৰ বংশধৰবিলাকে এইটো সেইটো বুলি দেখুৱাই জীৱীকা অৰ্জ্জন কৰিব পাৰিব, তাৰ ঠিক নাই। এই চ'ৰাৰ বেৰৰ ওপৰত ডজসকলৰ ছবিবিলাক অঁকা আছে। এঠাইত এজন ডজৰ ঠাইখন সুদা হৈ আছে; তেওঁ বোলে কিবা ডাঙৰ অপৰাধ

কৰিছিল, আৰু সেইবাবে তেওঁক বলি দি বধ কৰিছিল, আৰু সেই-বাবেই তেওঁৰ ছবিও ৰখা নাছিল। শেষৰ জন ডজৰ পাছত আৰু বহুতখিনি ঠাই সুদা হৈ থাকিল, অৰ্থাৎ ডজৰ শাসন সেইখিনিতে অন্ত পৰিল! আৰু ডজ নহ'ল। এই প্ৰকাণ্ড ঘৰটোৰ তলৰ চাৰিউফালে শকত খুটা (Pillar) আছে। মাজ ডোখৰত বোলে কোনো খুটা নাই। গাইডে সেই মিস্ত্ৰিসকলক আকৌ শলাগি শুনালে। ডজৰ বিচাৰালয় দেখিলো, বন্দীথোৱা ঘৰো চালো। এই ঘৰলৈ যোৱা এখন সাঁকো আছে নাম "হুমুনিয়াহ সাঁকো" (Bridge of Sighs)। এই বন্দী অনা-নিয়া কৰা সাঁকোখনকে শিতান কৰি কবি "টমাচ হুডে" (Thomas Hood) এটা হুমুনিয়াহৰ কবিতা লিখি গৈ গৈছে। কবি "বাইৰণে"ও (Byron) এই সাঁকোৰ বৰ্ণনা কৰি কবিতা লিখি গৈছে। এই সাঁকোৰ তলে এটা খাল পানী ভৰি আছে। এই সাঁকোৰ ওপৰে বন্দী থোৱা ঘৰৰ পৰা বন্দীবিলাকক বিচাৰৰ কাৰণে বিচাৰালয়লৈ অনা-নিয়া কৰিছিল। সেই ঘৰটোতে ফাটেক ঘৰ আৰু নিজান ফাটেকৰ ঠাই আছে। ফাটেক ঘৰবিলাক একোটা চাপৰ কোঠালি। পোহৰ বেছি নাই, খিৰিকিবিলাকত লোহাৰ মাৰি লগোৱা। নিজান ফাটেকবোৰ যেন একোটা গঁৰাল। লোৰ দুৱাৰ আৰু ভিতৰত শিলৰ খাট, এই নিজান ফাটেক ঘৰ তলৰ মহলত, ৰ'দ বতাহ নোপোৱা ঠাইত। এই বন্দীবিলাক চাবলৈ ওপৰৰ কৰ্ম্মচাৰী-সকল মাজে মাজে অহা-যোৱা কৰা এটা বাটো আছে। সাগৰত জোৱাৰ উঠাৰ লগে লগে এই তলৰ কোঠালিবিলাকত পানী সোমায় যায়। কত বন্দীৰ হা হুমুনিয়াহ ভৰা এই উদং কোঠালিবিলাক দেখিলে এতিয়াও দুখ লাগে।

ডজৰ কাৰেঙৰ ভিতৰত কেবা ঠাইতো বেৰত সিংহৰ মুখ কৰি থোৱা আছে, তাত কোনো লোকৰ বেয়া কাম কৰা বুলি মনে মনে

নাম লিখি পেলাই থলে হেনো সেই অপৰাধীজনৰ ৰক্ষা নাই। সিংহৰ মুখত নাম পৰিলে সেই লোকৰ খুব ভাল বিচাৰ হয়, আৰু প্ৰমাণ পালে উগ্ৰ শাস্তি দিয়ে।

কেইটামান কোঠালিত সেইদিনৰ অস্ত্ৰ-শস্ত্ৰ, বন্দুক-বৰটোপ, ৰিভলভাৰ আদি আৰু সৈনিকে পিন্ধা সাজ-পাৰবিলাক সুন্দৰ কৰি সজায় থৈছে।



' চইণ্ট মাৰ্ক" (St Mark)ৰ উদ্যানৰ বৰুৰ

ডজ্‌বিলাকে এঘাৰ শ বছৰ মহা পৰাক্ৰম আৰু পযোভৰেৰে ৰাজ্য শাসন কৰিছিল, পাছত নেপ'লিয়ানে এই শাসনৰ ওৰ পেলাইছি।

এইবিলাককে চাই মেলি আমি তাৰপৰা ওলাই আগৰ গীৰ্জাটোৰ ওচৰলৈ ঘূৰি আহিলো। গীৰ্জাৰ বাওঁফালে এটা ওখ টাৱাৰ স্তম্ভ আছে; কুতুব মিনাৰৰ দৰে কিন্তু চাৰিকোণীয়া আৰু তাতকৈ চাপৰ। ইযাৰ পৰা আগৰ দিনত শত্ৰু অহা দেখিলে ঘণ্টা বজাইছিল, আৰু তাৰ ওপৰত পহৰা দি আছিল। এই গীৰ্জা আৰু ঘণ্টা-ঘৰ থকা ঠাই

ডোখৰেই ভেনিচৰ প্ৰসিদ্ধ ঠাই। এই গীৰ্জাৰ সমুখত এখন ডাঙৰ মুকলি চোতাল। এই চোতালৰ তিনিউফালে লগালগি ঘৰ আৰু তাৰ তলমহলৰ আগ বাৰাণ্ডাটো পেৰিচৰ দৰেই মানুহ অহা-যোৱা বাট, আৰু দোকান আদি আছে। ঘণ্টা-ঘৰৰ বিপৰীত ফালে গীৰ্জাৰ সোঁহাতলৈ এটা ঘণ্টা-ঘৰৰ প্ৰায় সমান "ঘড়ী-ঘৰ" আছে। তাৰ ওপৰত দুটা প্ৰকাণ্ড ব্ৰঞ্জ ধাতুৰে তৈয়াৰী "মূৰ" জাতীয় মানুহৰ মূৰ্ত্তি আছে, মাজত এটা টিলিঙাৰ আকৃতিৰ ঘণ্টা আছে। এই মূৰ্ত্তিৰ কেইহাতমান তলত এটা ডাঙৰ ঘড়ী আছে। ঘড়ীটো চলা অৱস্থাত আছে, ঘড়ীতে জোনৰ হিচাবো ওলায়, পূৰ্ণিমাত এটা বলৰ দৰে ওলায়, জোন টুটাৰ লগে লগে এই ঘূৰণীয়াটোৱেও সেই হিচাবে আঁৰ লয়। বিশেষ চাবলগীয়া এইটোৱেই যে ঘণ্টাই ঘণ্টাই ঘড়ী বজাৰ লগে লগে সেই ওপৰত থকা ধাতুৰ মূৰ্ত্তি দুটিয়ে ইটিৰ পাছত সিটিকৈ এটা হাতুৰি লৈ ঘণ্টাতো কোবায, দিনে ৰাতিযে এই আত্মাহীন মূৰ্ত্তি দুটায়ে এইদৰেই অতীজৰে পৰা কাম কৰি আছে। আহোঁতে যাওঁতে কেবাবাৰো এই নিৰ্জীৱ কৰ্ম্মীকেইটিৰ কাম চালো। ঘড়ীটোৰ কেই-হাতমান তলত এখন ৰাশী চক্ৰ ( আমাৰ ৰাশী চক্ৰৰ দৰে ) আছে। ৰাশী চক্ৰ আৰু ঘড়ীৰ মাজত পাখি থকা সিংহৰ মূৰ্ত্তি আছে।

ইয়াত আমি এতিয়ালৈকে এজনো ভাৰতীয় মানুহ দেখা নাই। আমাক বিশেষকৈ মোক মানুহে ৰবকৈ চোৱা দেখিছো। সকলোকে মই ভদ্ৰভাবেই চোৱা দেখিছো—কোনো অৱজ্ঞাৰ ভাব মই অলপো দেখা নাই বৰং সম্মানৰ চকুৰে চোৱা গেনেই পাইছো। কোনো কোনো বযসস্থ মানুহে তেওঁলোকৰ ভাষাৰে বোধকৰো কোন দেশৰ মানুহ বুলিয়েই সোধে। আমি একো বুজি নেপালেও তাকেই যে শুধিছে অনুমান কৰি "ইণ্ডিযা"ৰ মানুহ বুলি কৈছো। তেওঁলোকে "ইণ্ডিয়ানা" বুলি কৈ মূৰ দুপিয়ায়। তেওঁলোকে মোৰ ৰিহা মেখেলা

ওৰণীৰ ফালে বৰ চকু দিছিল, এনেকুৱা আমি আন কোনো ঠাইত পোৱা নাছিলো। ইয়াৰ মানুহবিলাক শিল্পী আৰু ধৰ্ম্মপ্ৰাণ (কেথলিক্) এওঁলোকে কিজানি যীশুখৃষ্টৰ মাক মেৰীৰ পোচাক আমাৰ ভাৰতীয় পোচাকৰ লগত মিলে বাবেই ইমানকৈ তাকে চাইছে, কাৰণ কেবা ঠাইতো গীৰ্জাত সোণৰ মেৰীৰ ওৰণীৰে সৈতে পোচাক একেবাৰে ভাৰতীয় মানুহৰ দৰেই দেখিলো। অৱশ্যে এওঁলোকৰ আচৰণৰ পৰা বুজা এইটো মোৰ নিজৰ মনৰ ভাব।

আজি বতৰ সিমান মুকলি নহয়, ঠায়ে ঠায়ে ডাবৰৰ কণা পৰি ধুৰলি কুৰলি হৈ আছে। কোবা শুনিলো আজি বতৰ মুকলি নোহোৱাত এই দেশলৈ উৰা-জাহাজ আহিব পৰা নাই।

আমি আজি থাকোতে গাইডে এইবাৰ আমাক আইনাৰ বস্তু সজা কাৰখানা দেখুৱাবলৈ নিলে। এই আইনাৰ কাৰখানাৰ (Glass Factory) আচল ঠাইখন হৈছে "মুৰাণ" (Murano) ইয়াৰ পৰা এমাইলমান দূৰ হব। এই কাৰখানা তাৰেই শাখা। আমি ডাঙৰ বাটে গৈ আকৌ সৰু সৰু পৰা বাটেৰে কিছু সময় গ'লো। এই ডোখৰ ঠাইৰ ঘৰবাৰীবোৰ বৰ পুৰণি, আৰু থেপ্‌থেপায়া। কিছুমান ঠাই কলিকতাৰ গলি বাটৰ নিচিনা যেন লাগিল। আমি গৈ কাৰখানা সোমালো, ইয়াত সৰু সৰু বিজুলী জুইৰ সহায়েৰে শাৰী পাতি বহি কিছুমান পুৰুষ মহিলাই পুতলা, মণি আৰু আইনাৰ সুন্দৰ সুন্দৰ বাচন-বৰ্ত্তন গঢ়ি আছে। চাওঁতে চাওঁতেই একোটা বস্তু তৈয়াৰ হৈ গৈছে। ভিতৰখনত বহুত আইনাৰ বস্তু সজাই ৰমকজমক্ কৰি থৈছে। এই বস্তুবোৰৰ যদিও এই ঠায়েই থলি, তথাপিও দাম যথেষ্ট আৰু গধুৰ। দুই এটা সৰু বস্তু কিনি আমি তাৰপৰা ওলাই আহিলো। আইনাৰ কাৰখানা ইযাত বহুত আছে, এই বস্তুবোৰ বহুত দেশলৈ ইয়াৰ পৰা পঠায়।

এই বেলাৰ চোৱা আমাৰ ইমানতে শেষ হ'ল, আৰু আমি হোটেললৈ ঘূৰি আহিলো। আমাৰ মালবস্তুখিনিও এতিয়া দি গ'লহি।

দুপৰীয়াৰ খোৱাৰ পাছত আমি এখন নাৱত ( গণ্ডোলা ) আকৌ ঠাই চাবলৈ ওলালো। ইয়াত গাড়ী মটৰৰ কোনো শব্দ শুনিবলৈ নাই। কেবল ব'ঠাৰ চপাং চপাং মাত আৰু পাৰত কোবোৱা পানীৰ চটপ্ চটপ্ শব্দহে মাত্র শুনিবলৈ পাইছো।

এইবাৰ নাৱে আমাক কুঁজা কুঁজা সাঁকোৰ তলে দি নি সেই ডাঙৰ খালটো পোৱালে! সাঁকোৰ ওপৰৰ পৰা কিছুমান মানুহৰ বৰষি-বিলাক ওলমি থকা আৰু বৰষি বাই থকা দেখিলো, দুই এটা মাছো তোলা দেখিলো। ঘৰবিলাক আৰু গীৰ্জা আদি দেখি দেখি গৈছো। দূৰৈত প্ৰকাণ্ড "চেণ্টা মেৰাযা" (Church of Santamaria) গীৰ্জাটো দেখিবলৈ পালো, সোমাই চাবলৈ নহ'ল। কিছু সময় এইদৰে যোৱাৰ পাছত এঠাইত নাও ৰখাই আমাক নমালে, আৰু এটি পুৰণি-কলীয়া ঘৰ আঙুলীয়াই দেখুৱালে ক'লে যে সেইটিযেই "ডেচডিমোনা"ৰ বাসস্থান আছিল। "চেক্সপিয়েৰে" লিখা "অথেল'" নামৰ নাটকৰ নায়িকা। সিদিনা লণ্ডনত "অথেল" থিয়েটাৰত নকলি "ডেচ্-ডিমোনাক" দেখি আহিলো। আজি আকৌ আচল ডেচ্‌ডিমোনাৰ ঘৰেই দেখিবলৈ পালো। সিদিনা দেখি অহা "ডেচ্‌ডিমোনা"ৰ কথাবিলাক মনত পৰিবলৈ ধৰিলে।

আকৌ নাৱত উঠি যাবলৈ ধৰিলো। আমাৰে নিচিনা দেশ-চোৱা মানুহ পানীৰ বাটত পাই গৈছো। সৰু সৰু জাহাজবোৰ মানুহ ভৰাই ভৰাই পানী দুফাল কৰি ঘূৰি ফুৰিছে। আমি কিছু সময় যোৱাৰ পাছত প্ৰসিদ্ধ সাঁকো "ৰিয়াল্টো" (Rialto Bridge) দেখুৱালে, এই সাঁকোখন বৰ ডাঙৰ, তলৰ ঘেৰটোৱেই ৯০ নব্বৈ ফুট

হেনো। মাৰ্বল শিলৰে তৈযাৰী। সাঁকোৰ ওচৰত দোকান বজাৰ আছে, ঠাইখন'বৰ সুন্দৰ কৰি ৰাখিছে। এই সাকোৰ পাৰতেই হেনো "ভেনিচৰ সাউদ" (Marchant of Venice)ৰ নাযক কৃপণ ইহুদি "চাইলক্" জন বসতি কৰিছিল "চেক্সপিয়েৰে" তেওঁক লৈযেই এই বিখ্যাত পুথিখন লিখিছিল।



[illegible] The Rialto Bridge)

এইখিনি চোৱাৰ পাছত আমাক আৰু কিছুদূৰ নিছিলে, পিচে, ডাবৰ আহি ধুৰ্মা-ধুবলি কৰি এখন যেন সপোন ৰাজ্য হে গঢ়ি পেলালে, বেজিনা জলকুৱৰীৰ কাম। পাৰত আৰু একো নেদেখা হ'ল। গণ্ডলিও হে আহিল, চেঁচা বতাহ বৰলৈ ধৰিলে, আমি আকৌ হোটেললৈ উলটিলো। প্ৰায় ৫॥ টাৰে পাঁচ বজাৰাচ পাছত আহি হোটেল সোমালে।

চাহ খোৱাৰ পাছত খোজকাঢ়ি আকৌ ওলাই গ'লো। ৰাতিলৈৰ ভাগৰি-জুগৰি হোটেললৈ ঘূৰি আহিলো।

১৯ নবেম্বৰ ভেনিচ।

আজি ৰাতিপুৱা আমি প্ৰথমে উৰাজাহাজৰ অফিচলৈ গ'লো ; কাইলৈ ইয়াৰ পৰা যোৱাৰ বন্দৱস্ত কৰিবৰ কাৰণে। তেওঁলোকে খবৰ কৰি কলে যে বতৰ ভাল থাকিলে উৰাজাহাজ ভেনিচলৈ আহিব। ৰোম নগৰলৈ যাবলৈ টিকট লবৰ কাৰণে আৰু পোন্ধৰ জনমান মানুহ অফিচলৈ আহিছে, তাৰে এগৰাকী তিৰুতাই হাঁহি হাঁহি মোৰ ওচুৰ চাপি আহিল ; তেওঁ যেন মোৰ আগৰ হে চিনাকী, তেওঁ আং বাং কৰি কথা পাতিবলৈ ধৰিলে, মই তেওঁৰ কথা এষাৰো বুজি নাপাই মাত্ৰ হাহিলো। মোৰ আঙঠিটো আৰু ডিঙিৰ মণিধাৰ চাই "বেলে" "বেলে" বুলিলে, "বেলে" মানে হেনো সুন্দৰ। অফিচঘৰৰ পৰা ওলাই মোৰ লগতে অলপ ফুৰিলে, অঙ্গীভঙ্গীৰে সৈতে দুযো কথা পাতিলো, মাত্ৰ ইযাকে বুজিলো তেওঁলোকৰ ঘৰ ভেনিচতে, ৰোমলৈ কাইলৈ ফুৰিবলৈ যাব, আৰু তেওঁলোকৰ লৰাছোৱালী নাই। দুযো আকাৰে ঈঙ্গিতে কাইলৈ লগ পাম বুলি বিদায় ল'লো।

কাইলৈ ৰাতিপুৱা ন' বজাতে আমি এই ঠাই এৰি যাব লাগিব। এইবেলা আমি এখন ঠাই চাম বুলি যাবলৈ ভাবিলো, ঠাইডোখৰৰ নাম "লিডো", এটি সৰু দ্বীপ। ইযাৰ পৰা প্ৰায় দুমাইল দূৰ, ইযাৰ পৰা ঠাইখন ৰিণিকি ৰিণিকি দেখিবলৈ পাইছো।

আমি ঘাটলৈ খোজ ললো, আৰু "লিডো" লৈ যোৱা এখন সৰু জাহাজত উঠি বহিলো। জাহাজ পানী ফালি "লিডো" লৈ যাত্ৰা কৰিলে।

"লিডো" নামৰ এখন ঠাই আমাৰ উজনি অসমত আছে, আগতেই কোৱা শুনিছিলো সেই "লিডো"ৰ নাম সেই সময়ত ডিব্ৰুসদিয়া ৰেল কোম্পানীত ইঞ্জিনিযাৰ হৈ থকা এজন ইটালীয় মানুহে দিছিল

সেইজনেই হেনো উজনি অসমৰ "মাৰঘেৰীটা"ৰ নামকৰণো কাৰছিল। কিন্তু আমাৰ "লিডো" এইদৰে পানীয়ে ঘেৰি থকা নহয়। সি যি হওক আমি এই "লিডো"ত নামিলোগৈ। ইয়াৰ ঘৰবাৰীবিলাক পাছত মুছলিনীয়ে বৰ সুন্দৰ কৰি কৰোৱা। নগৰখন বৰ চাফচিকুণ। ঘৰ আৰু হোটেলবোৰ বৰ চকুত লগা। ফুলনিবিলাকো সুন্দৰ কৰি সজাই থোৱা আছে। মানুহে ধেমালি কৰিব পৰা বহুত যোগাৰ কৰি থোৱা আছে, গা ধোৱা ঘাটো আছে। আমি প্ৰায় এঘণ্টামানেই "লিডো"খন ঘূৰি-ফুৰি চালো। তাৰ পাছত তাৰপৰা আকৌ সেই সৰু জাহাজখনিতে উভতিলো। জাহাজৰ পৰা পাৰৰ ঘৰবাৰীবোৰ চকুত পৰে, কিন্তু কোনো ফাল আকৌ ধুৰঁলি-কুৰঁলি কে দেখিবলৈ পোৱা যায়। আমি আমাৰ ঘাটত আহি নামিলো। আৰু দুপৰীয়াৰ আহাৰৰ কাৰণে হোটেললৈ খোজ ললো।

পিচবেলা সোনকালেই আকৌ ওলালো। দুখনমান ফ'ট লোৱাৰ মন আছে। অলপ খোজকাঢ়ি ফুৰাৰ পাছতে এটা খালৰ নাৱৰ পৰা নাৱৰীয়া দুটিয়ে নাওখন দেখুৱাই কিবা বিং বিংবিঙাই মতা যেন পাই আমিও গৈ নাৱতে উঠিলোগৈ, আৰু সিহঁতৰ লগতে যাবলৈ ধৰিলো। অচিনাকী ঠাইবিলাক অচিন ভাবেই চালো, গাইড্ লগত নাই। নাৱৰীয়াই আমাৰ কথা নুবুজে, আমিও তেওঁলোকৰ মাত বুজি নেপাও। তেওঁলোকে কিন্তু বহুত কিবাকিবি কৈ কৈ গৈছে, আমি ইঁহাৰ বাহিৰে আন একো উপাই নাই। ইয়াকে কয় বোলে "অকৰাই কথা কয়, কলাই বোলে হয় হয়।" ফ'ট দুখনমান বতৰ ভাল থকাত লব পাৰিলে। এই অচিনাকী ঠাইবিলাক কিছু সময় চাই আমি নাৱৰীয়াক ইঙ্গিত দি ঘাটলৈ ঘূৰি আহিলো। আমাৰ এতিয়া চোৱাই কাম, অন্য একো কাম নাই। এটা চাপৰীত কেইজনীমান ডাঙৰ ছোৱালীয়ে দৌৰাদৌৰি খেল কৰা আৰু হাঁহিৰ কিৰিলি শুনিছো। এইডোখৰ

এডোখৰ সৰু উদ্যান। তাতে লৰাছোৱালী গোটখাই সদায় খেল ধেমালি কৰা দেখো। খালটোৱেদি নাও অহা-যোৱা কৰিয়েই আছে। ব'ঠাবিলাকৰ মাত চপাং চপাং হে শুনিবলৈ পোৱা যায়, লাগী নাই, কেৱল ব'ঠা।

আমি দোকানৰ বাটটোলৈ গ'লো, মন্ত্ৰমুগ্ধৰ দৰে ইখনৰ পাছত সিখনকৈ নানাতৰহৰ দোকানৰ বস্তুবোৰ চাই ফুৰিলো। দোকান বিলাক বৰ ঘন, কলিকতাৰ "নিউ মাৰ্কেট" বজাৰখনৰ দৰে। দোকানত নানাৰকমৰ "ক্ৰচ" চিন থকা মণিৰমালা বিক্ৰী হয়। আমি সৰু সুৰা দুই এটা বস্তু কিনিলো, বিদেশী মানুহে কিনিব পৰা সৰু সুৰা নানাৰকমৰ বস্তু আছে। এখন ডাঙৰ দোকানত ঘাঁহ-পাতেৰে তৈয়াৰ কৰা জোতাৰ পৰা ডাঙৰ বাকচলৈকে সুন্দৰ সুন্দৰ বস্তু দেখিবলৈ পালো। দোকানীয়ে ভাষা বুবুজিলেও দাম দৰ ঠিক-মতে লয়। বৰুৱাই এখন দোকানৰ পৰা ফুলগছৰ আলু কেইটামান কিনিলে। শাক-পাচলিৰ দোকানবোৰত আমি নেদেখা দুটামান পাচলি দেখিলো। এই ঠাইত তেনে এৰে শাকপাচলি নহয়, খেতি কৰিব নোৱাৰে, সকলো শস্য দূৰ ঠাইৰ পৰাহে আহে। "কফি"-ঘৰ বহুত দেখিছো, বাটৰ পৰাই ভজা কফিৰ গোন্ধ পায়। কিন্তু "চাহ ঘৰ" নাই বুলিবই পাৰি। চাহ খাই আমি ইয়াতো সুখ পোৱা নাই। চাহবোৰ চোক নোহোৱা, পনীয়া চাহ। আমি গ'তে ত'তে আৰু দুটামান চাহপাত খুজি চাহত পেলাই লৈহে চাহখোৱাৰ হুটাহ মাৰিছো।

আবেলি সেই বহল চোতালখনত মানুহ ভৰি পৰে, আজিও বহুত মানুহ জমা হৈছে। এটা বেণ্ডৰ দলে বেণ্ড বজাই আছে। আমিও তালৈকে গ'লো। এই চোতালত অসংখ্য পাৰ চৰাই পৰি আছে,

ইতঁতৰ খোৱাবস্তুও ইযাতে বিক্ৰী হয়। পাৰবিলাকে অকণো ভয় নকৰে, মানুহৰ গাই পাই পৰেহি। পাৰবিলাক আমাৰ পাৰৰ দৰেই; ডাঙৰ মণিপুৰী পাৰৰ দৰে মই এইফালে ক'তো দেখা নাই। ইযাত ছবিৰ কিতাপ, খেলাবস্তু মানুহে বিক্ৰী কৰি ফুৰিছে। 'ফ'ট" তোলা মানুহবিলাকো ঘূৰি ফুৰিছে। পুলিচো আছে। ইযাৰ পুলিচবিলাকে ভাল এটা ক'লা পোচাক পিন্ধি মূৰত এটা ধুনিযা টুপিৰে



[illegible] চৰাইৰ মাজত [illegible]

সৈতে দুজন দুজন গোটখাই লাহে লাহে ঘূৰি ফুৰে। গতি-গোত্ৰ লণ্ডনৰ পুলিচৰ ওলোটা। তাত পুলিচক কামত চত্‌ফটাই ফুৰা দেখা যায়। ইযাত নো দুজন গোট খাই কেলেই ফুৰে বুজিব নোৱাৰিলো। বাটদেখুৱা পুলিচ ইযাত নায।

ৰাতি হ'লত আমি লাহে লাহে হোটেললৈ খোজ ল'লো।

ইয়াত আমাৰ আজিযেই শেষ ৰাতি।

২০ নবেম্বৰ ভেনিচ।

ডোক্‌মোকালিতে উঠি আগফালৰ দুৱাৰখন মেলি অকণমান বাৰাণ্ডাখনত ঠিয় হৈ আজি বতৰ কেনে হব চাইছো ; কাৰণ আজি আমি যাব লাগিব। বতৰ ভাল থাকিলেহে বোলে উৰাজাহাজ এই দেশলৈ আহিব। আজি বতৰটো ভাল হব যেনেই লাগিছে, যদিও নিয়ৰত গোটেই ধোঁৱা-কোঁৱা। তলৰ খালত দেখিছো নাওবোৰ শাৰী পাতি বন্ধা আছে, আৰু নাচনী পানীত পৰি নাচি আছে। দুই এটি নাৱৰীয়াও দেখিছো, বৰ চেঁচা। ৰ'ব নোৱাৰি।

ভিতৰলৈ আহি গা ধুই প্ৰস্তুত হ'লো। বৰুৱাই হোটেলৰ বিলৰ টকাৰ লেঠা মাৰি আহিল। আজি আমি সোনকালে ৰাতিপুৱাৰ আহাৰ খাবলৈ গ'লো। খোৱা-ঘৰত এতিয়া বেচি মানুহৰ ভীৰ নাই ; আমাৰে দৰে যাবলগীয়া কেইজনমানে মাত্ৰ কফি আদি খাই আছে। আমি প্ৰায় ন মান বজাত হোটেলৰ পৰা ওলালো। ওলাবৰ সময়ত হোটেলৰ কৰ্ম্মচাৰী কেইজন আৰু বণুৱা কেইটিমানে অ'ত ত'ত ঠিয় হৈ আমাৰ বিদায়কে চাবলৈ আহিল। মোৰ এই হোটেলটো এৰিবৰ সময়ত মনটো বেয়া লাগিল, কৰ্ম্মচাৰীসকলক মাত লগোৱাৰ পাছত মই সকলোটি বণুৱাকে বুজক ৰুবুজক মাত লগালো, মই মাত লগোৱাত যেন তেওঁলোক আৰু নম্ৰ হৈ পৰিল তাৰ পাছত আমি আহি অফিচ ঘৰ পালোহি। ইয়াত আহি কিছুপৰ ৰ'বলগীয়া হ'ল। এতিয়া মই কালৈ লগপোৱা বান্ধৱীক আকৌ লগ পালো। তেওঁ হাঁহি হাঁহি মোৰ ওচৰ চাপি আহিল। আমি অফিচৰ পৰা প্ৰায় দহমান বজাত এখন মটৰ ব'টত উৰাজাহাজ বন্দৰলৈ যাত্ৰা কৰিলো। আৰোহীৰে ব'টখন ভৰি গৈছে। ভালেখিনি পৰ আমি নিয়ৰৰ মাজে আৰু পানীৰ ওপৰে ওপৰে গ'লো, নিয়ৰ আৰু পানীৰ ভাপৰ কাৰণে পাৰৰ ঘৰ-বাৰী অদৃশ্য হৈ পৰিল, একো দেখিবলৈ আৰু নেপালো।

ইয়াৰ পাছত আমি গৈ এটা নিজান নিতাল উৰাজাহাজ বন্দৰত উপস্থিত হ'লোগৈ। ইয়াত মানুহ বেছি নাই, বতৰৰ কাৰণে উৰা-জাহাজ অহাও বেলি হৈছে, বৈ বৈ আমনি লাগিল। মই মোৰ কথা পাতিব নোৱাৰা বান্ধৱীৰ সৈতে ঘূৰা-পকা কৰি ইফালে সিফালে এনেয়ে ঘূৰি ফুৰিলো। এই সময়ত মই মোৰ তেওঁৰে সৈতে এখন ফ'টো তুলিলো। ইয়াত চাবলগীয়া একোৱেই নাই, ঘূৰি-পকি ফুৰোঁতে দেখিলো অফিচৰ ওপৰ মহলাৰ পৰা এটা ডাঙৰ বেলুন উৰাই দিলে, একো অৰ্থ নেপালো, তেওঁক আঙুলিয়াই দেখুৱাই সুধিলো, তেওঁ কিবা কিবি কলে, কিন্তু মই একো নুবুজিলো।

কিছু পৰৰ পাচত উৰাজাহাজখন জানিবা আহি পালেহি। আমি সকলো যাত্ৰীয়ে কামবিলাক কৰি আগতে আজুৰি হৈ আছিলো। অহাৰ অলপ সময়ৰ পাছতে চাৰে বাৰমান বজাত আমি "ৰোম" নগৰলৈ যাত্ৰা কৰিলো। ইহঁতৰ মানুহে "ভেনিচ"ক ভিনিচিয়া বোলাৰ দৰে ৰোমকো "ৰোমা" হে বোলে। আমি প্ৰথমে আধাঘণ্টামান সাগৰৰ ওপৰে আৰু চপৰা-চপৰি হাল ধৰা মেঘ ডাৱৰৰ মাজে মাজে আহিলো। কিছু পৰৰ পাছত মাটি দেখিবলৈ পালো। এই ঠাইখন পৰ্বতীয়া, ওখ চাপৰ পৰ্বতৰ মাজে মাজে গছ গছনি আৰু একোখন নগৰ পাই পাই আহিছো। এতিয়া ডাৱৰ নাই, ৰ'দ ওলাইছে। এতিয়া দেখিছো ডাঙৰ ডাঙৰ টকলা শিলৰ পৰ্বতবিলাক। পন্ধৰ মিনিটমানৰ পাছত গছ গছনি দেখিবলৈ পালো। আলধৰা গৰাকীয়ে চচ্‌ৰীয়াকৈ আমাক দুপৰীয়াৰ আহাৰেই দিলেহি, কাৰণ আমি পাওঁতে আজি বেলি ভাটিয়েই দিবগৈ। সি সি হওক খাই লৈ আমিও সুস্থিৰ হ'লো।

এতিয়া আমি সুইজাৰলেণ্ডত দেখাৰ নিচিনা এশাৰী দীঘল বৰফেৰে ঢাকি থোৱা পৰ্ব্বত দেখিবলৈ পালো। ৰ'দ পৰি চিক্ মিকাই আছে।

চাই থাকোতেই যেন হঠাতে আকৌ চপৰা চপৰি ডাৱৰ ওলাই চকু পচাৰতে পৃথিবীখন ওৰণী টনা দি টানি ঢাকি নেপালে, এঘণ্টাৰ পাছত সমান ঠাই, খেতি পথাৰ, ঘৰ-বাৰীবোৰ দেখিবলৈ পালো। লাহে লাহে উৰাজাহাজ আহি ৰোম নগৰৰ ওচৰ পালেহি। চাওঁতে চাওঁতে ৰোম নগৰৰ উৰাজাহাজ বন্দৰত আহি জাহাজ নামিলেহি, আমিও আকৌ দ্বিতীয় বাৰ ৰোমত নামিলোহি। এইখন ভেনিচলৈ অহা গোৰা কৰা ইটালীয় উৰাজাহাজ, সেইবাবে একেখন পথাৰতে আজি আন এডোখৰ ঠাইত জাহাজ নমালে। ইযাৰ পৰা অফিচলৈ পোন্ধৰ মাইল দূৰ। এই উৰাজাহাজ বন্দৰটোৰ নাম "চিয়াম্পিনো" (Ciampino)। বাটত যাওঁতে দূৰৈত "এলবান" পৰ্ব্বত (Alban Hills) দেখিবলৈ পালো; আৰু ৰোমৰ প্ৰাচীন "এক্ৱেডাক্টচ" (Aqueducts)ও চকুত পৰিল। এইটো বৰ দীঘল এতিয়া চিগি-ভাগি লঙ্কাৰ সেতুৰ দৰে ( অৱশ্যে বাম ঠাইত ) ঠায়ে ঠায়ে আছে। এইটো ৰোমানবিলাকে সেইদিনত "এলবান" পৰ্ব্বতৰ জুৰাৰ পৰা পানী অনা ওখকৈ দলং দি কৰা নলাটোৰ ভগ্নাৱশেষ।

আমি আহি অফিচ ঘৰ পালোহি। ইযাৰ পৰা আমাৰ হোটেল "বাৰ্নিনি বৃস্টল (Bernani Bristol Hotel) ওচৰ। আমি মুটিয়াৰে সৈতে মালখিনি ঠেলা গাড়ীত লৈ খোজ কাঢ়িয়েই আহিবলৈ ওলালো। মোৰ খন্তেকীয়া বান্ধৱী এতিয়া মোৰ ওচৰৰ পৰা তেওঁৰ গৈ তেওঁৰ গিৰিহঁতক লৈ আহি দুয়ো হাত মোহ'ৰি আমাৰ পৰা বিদায় ললে। এওঁলোক আন এটা হোটেললৈ যাব। তেওঁ বিদাই লওঁতে মোৰ বেয়াও লাগিল। আজি দিনৰ বেছি ভাগ সময়েই মোৰ তেওঁৰ লগতে কাটিলে, এওঁ কিজানি মোৰ পূৰ্ব্বজন্মৰ কোনোবা আপোন মানুহ আছিল, এই জন্মত মোৰ আৰু তেওঁৰ লগত দেখাও নহ'ব পোজকাঢ়ি যাওঁতে লগত অহা আন কেগৰাকীমান মহিলাইও বিদাই

বিদাই বুলি কৈ গ'ল। আমি যাত্ৰীখিনি এতিয়া ৰোম নগৰত মিহলি হৈ পৰিলো।

হোটেল পাই আমাৰ কোঠালিলৈ গৈ বস্তু-বাহানিবিলাক ঠিক কৰি হাত মুখ ধুই আবেলিৰ চাহ খাওঁতেই সন্ধ্যা লাগিল। লাহে লাহে আমি খোজকাঢ়ি অলপ ফুৰিবলৈ ওলাই গ'লো; অলপ ঘূৰা-পকা কৰি কাইলৈ ঠাই চাবলৈ গোৱাৰ বন্দবস্ত কৰি ৰাতি হোটেললৈ ঘূৰিলো। ইয়াৰ ট্ৰামগাড়ীবোৰতকৈ আমাৰ কলিকতাৰ ট্ৰামগাড়ী বহুত ভাল। ইয়াৰ ট্ৰামগাড়ীবোৰ দেখাত ভাল নহয়, মানুহো বহি ঠিয়হৈ ভৰি ভৰি যায়।

২১ নবেম্বৰ ৰোম।

আজি আমি ৰাতিপুৱাৰ আহাৰৰ পাছত নগৰ চাবলৈ যাবলৈ প্ৰস্তুত হ'লো। ঠিক সময়ত কালি কৰা বন্দবস্ত মতে ইয়াৰ পৰা এখন বাচে আমাক তুলি নিলেহি। বাচত এজনী গাভৰু ছোৱালীয়ে মানুহ গোটাই ফুৰিছিল, আমাৰ লগত বহুত যাত্ৰী আৰু এজন "গাইড" আছিল।

ৰোমনগৰখন সাতোটা ওচৰা ওচৰিকৈ থকা পৰ্ব্বত জুৰি কৰা এখন মহানগৰী। ৰোম নগৰ "টাইবাৰ" নৈৰ পাৰত, আৰু ই ইটালীৰ ৰাজধানী। ৰোমতেই ধৰ্ম্মযাজক "প'প" (Pope)ৰ মূলসত্ৰ আৰু ৰোমান কেথলিক ধৰ্ম্মৰ কেন্দ্ৰস্থান। ৰোমনগৰক Eternal city অৰ্থাৎ যুগমীয়া মহানগৰী বোলে। কাৰণ ইয়াৰ বুৰঞ্জী যুগ-যুগান্ত বিয়াপি আছে।

খৃষ্ট জন্মৰ সাত শ পঞ্চাচ বছৰৰ আগেযে ৰজা "ৰমিউলাচে" পত্তা নগৰ, সেই কাৰণেই ইয়াক ৰোম বোলে। প্ৰবাদ আছে "ৰমিউলাচ" আৰু তেওঁৰ ভাযেক "ৰিমাচ"ক এজনী কুকুৰনেচীযা বাঘিনীয়ে

কেচুৱাতে গাখীৰ খুৱাই তোলে আৰু এই প্ৰবাদৰ কাৰণেই বোধকৰো আজিও জীযাই থকা কুকুৰনেচীয়া বাঘিনী এজনী লোহাৰ গৰালত ভৰাই থোৱা বাটে দি যাওঁতে আমাক গাইডে দেখুৱাই দিযাত দেখিবলৈ পালো।

আমি এতিযা বাচত গৈ "পিয়াজা এচেড্ৰা" (Piazza Esedra) নামৰ ঠাইডোখৰ পালো। ইযাতে বহুত যাত্ৰী অহা-যোৱা কৰা বাচ-বিলাক জমা হৈ আছে, আৰু গাইডো ভাগে ভাগে বৈ আছে। গাইডে এতিযা ইংৰাজী বা আন ভাষা জনা মানুহবিলাক ভাগ ভাগ কৰি ঠিক কৰি ললে, আমিও এজন ইংৰাজী ভাষা জনা গাইডৰ দলটোত সোমাই পৰিলো।

আমাক প্ৰথমেই ৰোমানবিলাকে চুকিযা চুকিকৈ শিল লগাই তৈযাৰ কৰা বিখ্যাত বাট "এপিযান বে" (Appian Way) টোৰেদি লৈ গ'ল। এই বাট অতি পুৰণিকলীয়া যদিও আজিও ইযাক বৰ ভাল অৱস্থাত থকা দেখিলো। বাটটো খৃষ্টজন্মৰ আগেযে তৈযাৰ কৰা, এই বাট গৈ দক্ষিণ ইটালী আৰু গ্ৰীচদেশৰ সৈতেও লগ লাগিছে। বৰ দীঘল লেজুৰা বাট।

তাৰ পাছত আগৰ দিনীযা নগৰৰ গড আৰু নাগৰীক দুৰ্গৰ ভগা অৱস্থাত থকা চিন দেখিলো তাৰ পৰা পি আমাক মুচলিনীযে কৰোৱা সুন্দৰ সুন্দৰ ঘৰ-দুৱাৰবোৰ দেখুৱালে, তাৰ পাছত তেওঁ বক্তৃতা দিয়া ঠাইখনলৈ আমাক লৈ গ'ল। ঠাইখনৰ নাম "পিযাজা ভেনিজিযা' (Piazza Venezia)। ইযাত এটা ডাঙৰ প্ৰাসাদ আছে নাম "পালাজো ভিনিজিযা" (Palazzo Venizia) বা "পেলেচ অফ ভিনিজিযা" (Palace of Venizia)। এই প্ৰাসাদ অতীজত ৰোম দেশৰ প্ৰধান ধৰ্ম্মযাজকৰ অধীনত থকা ভেনিচৰ "চেণ্টমাৰ্ক" (St Mark) গীৰ্জাৰ ধৰ্ম্মযাজকসকলৰ বাসস্থান আছিল বাবে এই প্ৰাসাদ

নাম ভেনিচৰ কাৰেং দিয়া হৈছিল। এই প্ৰাসাদৰ ওপৰ মহলৰ সৰু "বালাখানা" (Balcony) এটাত মাত্ৰ দুদাল ৰঙীন পতাকাৰ মাৰি লগাই থোৱা আছে, তাতে থিয় হৈ মুছলিনীয়ে সময়ে সময়ে বক্তৃতা দিছিল। আৰু আগত থকা কেইবাটাও বাটৰ মাজৰ মুকলি আহল বহল ঠাইখিনিত বৈ হাজাৰে হাজাৰে মানুহে তেতিয়া তেওঁৰ বাণী শুনিছিল।

ইয়াৰ পাছত আমাক এটি গীৰ্জা দেখুৱাবলৈ নিলে নাম "চেইণ্ট মেৰী মেজৰ" (St Marry Mejor) এওঁলোকৰ ধৰ্ম্মসম্পৰ্কীয় কথা আমি বিশেষ নাজানো, ইমান দিনীয়া পুৰণি গীৰ্জাৰ কাৰুকাৰ্য্যবিলাকেই আমি চালো। কেথলিক ধৰ্ম্মৰ মানুহবিলাকে আঁঠু ভাঙি ভাঙি সেৱা কৰিছে। ইয়াতো আন আন গীৰ্জাৰ দৰেই বেদী সজাই মমবাতি জ্বলাই থৈছে। এই গীৰ্জা চোৱা হ'লত আকৌ কিছু বাট বাচেৰে গ'লো, আৰু এটা সুন্দৰ পানীৰ উঁহ বা ফোঁৱাৰাৰ ওচৰত আমাৰ বাচ ৰখালেগৈ। এই ঠাইডোখৰত তিনিটা বাট একেঠাই হৈছে, তিনি আলি। ৰোমান ভাষাত "ট্ৰিভিয়াম" (Trivium) বোলে। আৰু সেইবাবেই এই উঁহৰ নাম "ফাউনটেইন অৱ ট্ৰেভি (Fountain of Trevi)। এই উঁহটো বোলে দুশ বছৰৰ আগেয়ে ওঠৰ শতাব্দীত তৈয়াৰ কৰিছিল। ইয়াত নানাৰকমৰ পত্থৰ মূৰ্ত্তি সাজি থোৱা আছে, ধুনীয়াকৈ ৰকমে ৰকমে পানী ওপৰলৈ উঠি ছৰছৰাই শব্দ কৰি শোভা হৈ আছে, খন্তেক বৈ ইয়াৰ লীলা চালো। সঁচাকৈয়ে ইমান ধুনীয়া পানীৰ উঁহ আগেয়ে দেখা নাই!

ইয়াৰ পাছত বাচত উঠি আমি আকৌ যাবলৈ ধৰিলো, আৰু গৈ "চেইণ্ট পিটাৰ ইন চেইনচ" (St Peter in Chains) নামৰ গীৰ্জাৰ আগত নামিলোগৈ। এই গীৰ্জাৰ ভিতৰলৈ গৈ "মাইকেল এঞ্জেল" (Michel angelo) ই কৰা বগা শিলৰ "ম'জেচৰ" (Moses) মূৰ্ত্তিটো

দেখিবলৈ পালো। এই মূৰ্ত্তি গীৰ্জাৰ বেদীৰ আন কাষে বহুৱাই থোৱা আছে। এই বিখ্যাত মূৰ্ত্তিটোৰ বিষয়ে এয়ে যে এওঁৰ গাত থকা স্নায়ু, পেশী, শিৰবিলাক হুবহু জীয়াই থকা বলিষ্ঠ মানুহৰ গাত থকা যেন দেখুৱাইছে ; দেখিলেই জীৱিত শক্তি আছে যেন লাগে। এওঁৰ গাত এটি ছুটী চোলা, আৰু এখন কাপোৰ। ককালৰ পৰা আঠুলৈ ঠিক কাপোৰৰ দৰেই সোঁত মোছ কৰি দেখুৱাইছে। এটা কথা দেখিহে আচৰিত হ'লো যে এওঁৰ মূৰত শিং গজাই দেখুৱাইছে। কোনোৰ



"ফাউন টেইন অব্ ট্রেভি" (Fountain of Travi)
ধনীয়া পানীৰ উঁহ

যুগতো যে মূৰত শিং থকা পুৰুষ আছিল, আমি কব নোৱাৰো, এওঁৰ হেনো যীশুখৃষ্টক লগ পাই ধৰ্ম্ম লৈ অহাৰ পাছত জ্ঞান শিং গজিলে বুলি বিশ্বাস কৰি শিল্পীয়ে এইদৰে তেওঁক তৈয়াৰ কৰিছিল। এই গীৰ্জাটোৰ য'তে ত'তে সোণ-ৰূপৰ কাম আছেই, শিলত কাটি কৰা কাম-বিলাকো বৰ চকুত লগা। এই গীৰ্জা চোৱা হ'লত আমি আন এট

বাটে আহিবলৈ ধৰিলো। ইযাৰ পাচত 'নাভনা স্কোযাৰ (Navana Square)ত থকা এটি পানীৰ উঁহ দেখিবলৈ পালো। ইযাৰ মাজত শামুক এটটাৰ ওপৰত বৰুণ দেবতা (Neptune)ৰ মূৰ্ত্তি আছে। শামুকৰ ৰগখন পানীঘোৰাই টনা দৰে সাজি থৈছে। আকৌ আমি যাবলৈ ধৰিলো—গাইডে চিঞৰি চিঞৰি ঠাইবিলাকৰ নাম কাটি গ'ল। লাহে লাহে বাচখনে আনি আমাক সেই "পিযাজা এচৈদ্ৰা" নামৰ ঠাই পোৱালে, ইযাতে গাইডে সকলো যাত্ৰীৰ পৰা অলপ অলপ বটা লৈ নামি গ'ল, বহুত যাত্ৰীও ইযাত নামিল। আমি অলপ পৰ বৈ তাৰ পৰা হোটেললৈ ঘূৰি আহিলে।



"নাভনা স্কোযাৰ (Navana Square)ত থকা পানীৰ উঁহ

দুপৰীযা আহাৰৰ পাছত আকৌ আমি বাচৰ কাৰণে বাট চালো, কাৰণ এই বেলাও আমি ঠাই চাবলৈ যোৱাৰ বন্দবস্ত আছে।

দুটা বজাত বাচ আহি সেই ঠাইলৈ আমাক লৈ গল, ইয়াত বাচ দলনি কৰি এজন ইংৰাজী জনা গাইডৰ লগত আমি যাত্ৰা কৰিলো। প্ৰথমেই আমাক "কলিচিযাম্" (Coliseum) দেখুৱাবলৈ নিলে, এইটো

আমি পুৰণি কলীয়া ৰং ঘৰো বুলিব পাৰো। এটা পৰ্ব্বতৰ সমান ডাঙৰ ঘূৰণীয়া খেমালি কৰা ঘৰ আৰু দৰ্শক বহা ঠাই, অতি পুৰণি ৰং ঘৰ। ইয়াত পঞ্চাশ হাজাৰ দৰ্শক বহি সেইদিনত খেল ধেমালি আদি চাইছিল। খেল ধেমালিবিলাক তলৰ মাজ ঠাই ডোখৰত হৈছিল, আৰু দৰ্শকবিলাক হেনো বিধ বিধ ৰকমে নিজৰ নিজৰ বহিব পৰা ঠাইতহে বহিব পাৰিছিল। ইয়াত হোৱা খেলবিলাকৰ বিষয়ে যি শুনিলো তাৰপৰা এয়ে বুজিলো যে আমাৰ সৰু সৰু লৰাছোৱালীয়ে নাচনী পকৰাৰ ভৰি চিঙ্গি ধৰফৰাই ফুৰা অৱস্থাটোকে নাচিছে বুলি চাই চাই আনন্দ কৰাৰ নিচিনা কথা। কাৰণ ইয়াত মানুহৰ সৈতে মানুহৰ যুজ হৈছিল আৰু জন্তুৰ সৈতেও মানুহৰ যুজ লাগিছিল। হৰাজনে প্ৰাণো দিবলগীয়া হৈছিল, আৰু তেতিয়াৰ দৰ্শকে তাকে চাই আনন্দ উপভোগ কৰিছিল। এই ৰাইজৰ আনন্দৰ অৰ্থে প্ৰাণ উচৰ্গা কৰোৱা এই বিৰাট ফোপোলা ঘৰটোৱে শাপত পৰি আজি যেন হাঁয় হাঁয় কৰি আছে। ইয়াৰ লোহাবিলাক কোনোবা সময়ত একুৰাই নিলে, শিলৰ খোলাটো আধাভঙ্গা অৱস্থাত হৈ আছে। এই "কলিচিয়াম" ঘূৰি পকি চাই আমি তাৰপৰা ওলালো আৰু তাৰ ওচৰত থকা "আৰ্চ অব কঞ্চষ্টেন্‌টাইন্‌ (Arch of Constantine) বিজয় তোৰণখন চ লোগৈ। এই তোৰণখন পেৰিচত দেখা বিজয় তোৰণখনৰ নিচিনা। এই তোৰণৰ ওচৰেদি দুটা বিখ্যাত আহল বহল বাট গৈছে, এই দুটা মুছলিনীৰ দিনত তৈয়াৰ কৰোৱা এটা ডাঙৰ কাম। এটা বাট "ভায়া ডেল্‌ ইম্পাৰো" (Via dell Impero) এইটো বাট "কলিচিয়াম"ক "ইমানুৱেল মনুমেণ্ট"ৰ লগত লগ লগাইছে। আৰু আনটো বাটৰ নাম "ভায়া ডি ট্ৰায়াম্‌ফি" (Via dei Triomfi) ই "কলিচিয়ামৰ পৰা "কঞ্চষ্টেন্‌টাইন্‌ তোৰণৰ দাঁতিয়েদি গৈছে, এই বাটটো অতি পুৰণি আছিল, পাছত মুছলিনীয়ে তাক সংস্কাৰ কৰিলে।

এই বাটেদিয়েই অতীজৰ ৰোমানবিলাকে মাজে মাজে বোলে জয়যাত্ৰা "ট্ৰায়মফ্" (Triumph) কৰিছিল।

ইয়াৰ পাছত আকৌ বাটলৈ আহি আমি যাত্ৰা কৰিলো। গাইডৰ মুখৰ ক্ষতি নাই, এওঁলোকে যাত্ৰীৰ মন ভাল লগাবলৈ ফুচুৰি কথাও কয়। এই গাইডজন বয়সীয়া, তেওঁ কিন্তু ফুচুৰী কথাত বেচিকৈ তেওঁৰ বুঢ়িৰ কথাই কয়। যি হওক তেওঁৰ ফুচুৰি কথা আৰু অঙ্গীভঙ্গীত হাঁহি উঠে।

বাচ এতিয়া গৈ আকৌ এটি পুৰণি গীৰ্জাৰ ওচৰত ৰ'লগৈ। এই গীৰ্জাৰ নাম "পেনথিয়ন" (Pantheon)। প্ৰাচীন ৰোমৰ এইটোৱেই খুব ভাল অৱস্থাত থকা এটা চিন। ইয়াতে ইটালীৰ আগৰ ৰজা দ্বিতীয় ভিক্টৰৰ কবৰ আছে। এই ঘৰটো প্ৰায় তিনি হাজাৰ বছৰৰ আগেয়ে তৈয়াৰ কৰা, সেই সময়ত যুদ্ধ জয় কৰা স্মৃতিস্বৰূপে এই ঘৰ তৈয়াৰ কৰিছিল আৰু ইয়াক তেতিয়া দেৱতাসকলৰ নামত বিশেষকৈ বৃহস্পতি (Jupiter), মঙ্গল (Mars), শুক্ৰ (Venus) আদি দেৱতা-সকলক উচৰ্গা কৰে। খৃষ্টধৰ্ম্ম গ্ৰহণ কৰাৰ পাছত এই মন্দিৰটো বন্ধ কৰি দিছিল, তাৰ পাছতহে ইয়াক পুনৰ খৃষ্টৰ মাক মেৰীৰ নামত উচৰ্গা কৰি গীৰ্জা স্থাপন কৰে, সেইবাবে এই গীৰ্জাৰ এছোৱা খৃষ্টজন্মৰ আগৰ আৰু এছোৱা খৃষ্টজন্মৰ পাছত কৰা। ঘৰটোত ঘূৰণীয়া এশ পঞ্চাচ ফুট দীঘল বহলৰ এটা মাজত ডাঙৰ ঘূৰণীয়া কোঠালি। ইয়াৰ ওপৰৰ ডুমটো একেচটা শিলৰ বুলি ক'লে। ডুমটোৰ সো-মাজতে এটা ঘূৰণীয়া ফুটা আছে, সেই ফুটাৰ ঠিক মাজতে তলত হেনো পুৰণি কালত জন্তু বলি দিছিল, আৰু জীৱ ওপৰলৈ যাবলৈ ওপৰত ফুটাতো কৰিছিল। এই ফুটাই সোমোৱা বৰষুণৰ পানী যাবলৈ মাটিৰ তলত সৰু সুৰুং বিন্ধা কৰি থোৱা আছে, বলি দিয়া আদি কাম খৃষ্টজন্মৰ আগত চলিছিল। খৃষ্টজন্মৰ পাছত কৰা ভোখৰত যীশুখৃষ্টৰ মাক মেৰীৰ

সোণৰ মূৰ্ত্তি কৰি থোৱা আছে। আৰু কোনো কোনো প্ৰসিদ্ধ ধৰ্ম্মযাজকৰ কবৰো ইয়াত দিয়া আছে। এই গীৰ্জা সোণৰূপ ঢলা কাম কৰাৰ আগৰ কৰা কাম কাৰণেই সোণৰূপৰ জিলিকনি নাই যদিও বৰ গহীন যেন লাগিল। ঘূৰি-পকি শিলৰ পুৰণি কাৰুকাৰ্যবিলাক চালো। গাইডে শেষত কথা শেষ হলত কলে এই গীৰ্জাত মানুহে মেকুৰি এৰি যায়। কথাষাৰ শুনি "পাণীৰ পিঠাত মন"ৰ দৰে ঘূৰি ঘূৰি মেকুৰি চাবলৈ ধৰিলো। কিন্তু মাত্ৰ এটা মেকুৰিহে এজন মানুহৰ ওচৰত বহি থকা দেখিলো।

এই ফালৰ মেকুৰিবিলাক কিন্তু আমাৰ দেশৰ দৰেই দেখিছো, ইয়াৰ মানুহে মেকুৰি বৰ আটোল্ টোল্ কৰি ৰাখে। আজি গাইডে আমাক কথা কৈ থাকোতে যাত্ৰীবিলাকৰ চকু বাটৰ এটা মেকুৰিত পৰিছিল; মেকুৰিটো এগৰাকীয়ে এটা ভাল চোলা পিন্ধাই শিকলীৰে বান্ধি লৈ গৈছিল, যাত্ৰীসকলৰ চকু মুখুৰাত উপাই নেপাই গাইডে হাঁহি কলে "যাত্ৰীসকল মই মেকুৰিৰ কথা কিজানি আপোনালোকক কোৱা নাই" সকলোৱে গিজনি মাৰি হাঁহিলে, গি হওক গীৰ্জা চোৱা হ'লত আমি তাৰপৰা ওলাই আহিলো।

ইয়াৰ পাছত অলপ ওচৰতে থকা মিচৰ দেশৰ এটা পুতি থোৱা স্তম্ভ দেখিবলৈ পালো, যেনেকুৱা আমি পেৰিচত দেখি আহিছিলো; গছ চৰাই, জন্তু আদিৰে আখৰ কৰি কিবাকিবি লিখা আছে। এই স্তম্ভটো পেৰিচৰটোতকৈ সৰু, গাইডে এইটো কোনোবা যুদ্ধত পোৱা বুলি কলে।

ইয়াৰ পাছত আমি "ফ'ৰাম" (Forum) চাবলৈ গলো। ইয়াত ৰোমানবিলাকৰ বজাৰ আদি কাৰবাৰৰ ঠাই আছিল কাৰণেই ঠাই-ডোখৰক "ফ'ৰাম" বুলিছিল। তেতিয়া ইয়াতে দেশৰ নেতা আৰু বীৰসকলে ৰাজনৈতিক বক্তৃতা আদিও দিছিল, আৰু ইয়াত দেৱদেৱীৰ মন্দিৰো স্থাপন কৰিছিল। সেই দিনৰ বিচাৰালয়ো ইয়াতে আছিল

এই ঠাইডোখৰৰ ঘৰবাৰীবোৰ এতিয়া বৰ ঘন, থেপ্‌থেপীয়া, সেই প্ৰাচীন মন্দিৰ আৰু ঘৰবিলাকৰ ভগ্নাৱশেষ পৰি আছে।

ইয়াৰ পৰা নি গাইডে আমাক এটা চাহ কফিৰ হোটেলৰ মুখত এৰি দিলে। হোটেল সোমাই যাৰ যি ইচ্ছা খোৱা হলত গাইডে নি ওচৰতে থকা সৰু সৰু ধুনীয়া ধুনীয়া বস্তু বেচা দোকান এখনত সুমুৱাই দিলে। সকলোৱেই বস্তু পিটিকিবলৈ লাগিল, আৰু প্ৰায়ে দুই এটা বস্তুও কিনিলে। আমিও এই দেশৰ চিন থকা বস্তু দুটামান কিনি ওলাই আহিলো।

যোৱা বাটেই সেইদৰে বাচখনে আমাক লৈ আহিল, আৰু আন্ধাৰৰ পাছত আমি আহি হোটেল সোমালোহি।

ৰোমনগৰখন নানাৰকমৰ মূৰ্ত্তি আদিৰেই ভৰা দেখিছো। প্ৰাচীন ৰোমত বোলে তিনি শ মানেই মূৰ্ত্তি আছিল; কোন যুগত এই দেশ কোনে গঢ়ি গ'ল, আজিও মানুহ তাকে লৈযেই ব্যস্ত। এইবিলাককে চাবলৈ তীৰ্থযাত্ৰীৰ দৰে হেজাৰে হেজাৰে মানুহ আহিব লাগিছে, পুৰুষানুক্ৰমে গাইডে গাইডগিৰি কৰিয়েই জীৱন নিযাইছে, ফ'টগ্ৰাফাৰ-বিলাকে ফ'ট তুলি তুলি বেচিছে, শিল্পীয়ে তাকেই আঁকি আঁকি দেশ-বিদেশক দিছে, নানাৰকমৰ বস্তু-বাহানিত সেই প্ৰাচীন দৃশ্যবিলাক তুলি তুলি খনিকৰবিলাকে দোকান পাতি বহি আছে, আনফালে ৰোমনগৰ খৃষ্টান (কেথলিক্)ৰ মহাতীৰ্থ ঠাই। হৰিদ্বাৰলৈ গলে যেনেকৈ বাটে পথে য'তে ত'তে গেৰুৱা কাপোৰৰ ব্ৰহ্মচাৰী, সন্যাসীসকল দেখিবলৈ পোৱা যায়, সেইদৰে ইয়াতো য'তে ত'তে ধৰ্ম্মযাজকসকল ক'লা বা বগা দীঘল চোলাৰে দেখিবলৈ পোৱা যায়, এওঁলোকে পৃথিবীৰ নানা ঠাইৰ শিষ্যবিলাক ভাগে ভাগে গীৰ্জ্জালৈ নি তাত সকলো দেখুৱাই বুজাই ধৰ্ম্মকথা কয়, ঠিক আমাৰ সত্ৰৰ ৰাজমেধি-সকলৰ দৰেই। ডাঙৰ গীৰ্জাত এই ভক্তসকল বহুত গোটখায়, গান উঁতেও কাৰো মাত ক'তো শুনা হয়।

২২ নবেম্বৰ                    ৰোম।

আজি ৰাতিপুৱা আমি কালিৰ দৰেই ঠাই চাবলৈ যাবলৈ 'ওলালো, ঠিক সময়তে বাচখন আহি আমাক সেই "পিযাজা এচেড্ৰা" নামৰ ঠাইলৈ নিলে তাত কালিৰ দৰেই এজন ইংৰাজী জনা গাইডে আমাক তেওঁৰ ভাগত ধৰি ললে আৰু আমি তেওঁৰ লগতে বাচত যাত্ৰা কৰিলো। বাটতে ৰোমৰ বিচাৰালয (Palace of Justice) দেখি গলো।



ৰোমৰ বিচাৰালয (Palace of Justice)

প্ৰথমেই আমাক এটা প্ৰাসাদৰ ; ওচৰলৈ নিলে এইটো প্ৰাসাদৰ নাম "কুইৰিনেল্ পেলেচ্" (Quirinal Palace)। এইটো আগতে ধৰ্ম্মযাজক (Pope)ৰ বাসস্থান আছিল, তাৰ পাছত ৰজাই এই প্ৰাসাদত থাকিয়েই দেশ চলাইছিল। বৰ্ত্তমান ইযাত "প্ৰেচিডেণ্ট" অৰ্থাৎ ৰাষ্ট্ৰপতি থাকে।

বাহিৰৰ পৰা এই কাৰেং চাই আমি তাৰ পৰা গ'লো, আৰু এটি সুন্দৰ প্ৰাসাদৰ আগত আমাৰ বাচ ৰখালেগৈ। এইটো ইটালীৰ ৰজা দ্বিতীয় "ভিক্তৰ ইমানুৱেল্" (Victor Emmanual)ৰ দিনত তৈয়াৰ কৰা বিৰাট জাতীয় স্মৃতি-প্ৰাসাদ। ইয়াৰ নাম "নেচনেল্ মনুমেণ্ট" (National Monument) বা "ভিক্তৰ মনুমেণ্ট" বা "ভিতৰিযানো" (Vittoriano) বোলে। এই "মনুমেণ্ট"টো ইটালীয় এক ৰজাৰ তলত এক ৰাজ্য হোৱাৰ স্মৃতি-চিন। এই প্ৰাসাদটো জোনবিৰিৰ দৰে অৰ্থাৎ অৰ্ধচন্দ্ৰৰ দৰে সজা, ইয়াৰ ওপৰত দুফালে ঘোৰা আৰু পাখীলগা সাৰথিৰে ৰথ চলোৱা মূৰ্ত্তি আছে। সমুখৰ এটা স্তম্ভৰ ওপৰত দ্বিতীয় ভিক্তৰ ইমানুৱেলৰ ঘোৰাৰ ওপৰত উঠা এটা মূৰ্ত্তি আছে। এই মূৰ্ত্তিৰ তলত ইটালীৰ অজান সৈনিকৰ সমাধি আছে। এই প্ৰাসাদ বগা মাৰ্ব্বল শিলেৰে তৈযাৰী, সাজোৰা প্ৰায় চল্লিচ বছৰ মানহে হৈছে, একেবাৰেই যেন নতুন। এই প্ৰাসাদৰ বিষযে কোনো কোনো শিল্পীযে হেনো কয় "বৰ বেছি ৰকমৰ জাক-জমকোৱা প্ৰাসাদ", কিন্তু কোনো কোনো শিল্পীৰ বোলে মত যে আগৰ ৰোমত থকা ঘৰবিলাকৰ লগত এই প্ৰাসাদৰ মিল আছে"। বাহিৰৰ বৰণ ইযাৰ তাজমহলৰ সৈতে মিলে।

আমাৰ বাচ আকৌ চলি গ'ল, আগৰ দিনীযা পুৰণি নগৰৰ দেৱালখন দেখি গৈছো, এই দেবালখনৰ এডোখৰত এটা সৰু "পিৰামিড" দেখিলো, শুনিলো যে ইযাত কোনোবা এজন ৰজাক কবৰ দি ওপৰত মিছৰ দেশৰ অনুকৰণত এই পিৰামিড্ সাজি দিছিল। এই পিৰামিড্টোৰ ওচৰতে বিখ্যাত ইংৰাজ কবি "কীটচ্" (Keats) আৰু "শেলী" (Shelliy)ৰ সমাধি আছে, এওঁলোকৰ এই দেশতেই মৃত্যু ঘটিছিল।

ইয়াৰ পৰা যোৱাৰ বাটত গাইডে 'ক' ভেডিচ চেপল্" (Quo

Vadis Chapel)টো দেখুৱালে। এই ঠাইডোখৰতে হেনো যীশু খৃষ্টৰ প্ৰধান শিষ্য "চেণ্ট পিটাৰে" যীশুখৃষ্টৰ ৰূপ দৰ্শন পাইছিল, পাছত তাতে এই গীৰ্জা স্থাপন কৰে।

"ক' ভেডিচ"ৰ (Quo Vadis) অৰ অৰ্থ হেনো "কোনটো বাট" (কঃ পন্থা)। অৰ্থাৎ আগৰ দেৱ দেৱীক পূজা সেৱা কৰাটোৱেই বাট নে ? যীশুখৃষ্টই প্ৰচাৰ কৰা নতুন ধৰ্ম্মটোৱেই বাট ! মনত পৰিল "ধৰ্ম্মৰ কোন পথ" কথাৰ উত্তৰত ৰামকৃষ্ণ পৰমহংস দেৱে এদিন কৈছিল "যত মত, তত পথ"।

বাচ চলি গৈ আছে, লগতে গাইডৰ মুখো চলিবই লাগিছে। এতিয়া গাইডে গহীনভাবে আমাক কলে যে "আচল চাবলগীয়া আৰু কথা জানিবলগীয়া পবিত্ৰ ঠাইলৈ মই তোমালোকক এতিয়াহে আনিছো" আমি এতিয়া "চেইণ্ট পিটাৰচ" (St. Peters)টো দেখিবলৈ পালো। এয়েই পৃথিৱীবিখ্যাত অতি পুৰণি গীৰ্জা। গাইডে বৰ উৎসাহেৰে কথাবোৰ কৈ কৈ গ'ল; আমি পুৰোহিতৰ মন্ত্ৰ শুনাৰ দৰে শুনি যাবলৈ ধৰিলো।

এই গীৰ্জা থকা ঠাইডোখৰ "ভেটিকান" নগৰত। "ভেটিকান"খন এখন নগৰ ৰাজ্য (City State)। এসময়ত ধৰ্ম্মযাজক (Pope) জনেই ইটালীৰ মধ্যখণ্ডৰ ৰাজ্যবিলাক চলাইছিল। পাছত যেতিয়া ইটালী এক হৈছিল তেতিয়া ধৰ্ম্মযাজকৰ ৰাজ্যও তাৰ ভিতৰত সুমুৱাইছিল, ইয়াৰ কাৰণে তেতিয়া বহুতৰ মনত অশান্তি হৈছিল। পাছত যেতিয়া মুছলিনী প্ৰধান মন্ত্ৰী হয়, তেতিয়া ভেটিকান আৰু তাৰ ওচৰৰ কিছু ঠাই এৰি দি এখন নগৰ-ৰাজ্য পাতি দিলে। এই নগৰখন বোলে এশ আঠ একৰ মাটীৰ ওপৰত। ইয়াৰ ভিতৰত ভেটিকান প্ৰাসাদ চেইণ্ট পিটাৰচ গীৰ্জা, "চেইণ্ট পিটাৰচ উদ্যান" (St. Peter

Square) আৰু ভেটিকানৰ যাদুঘৰ (Musium) আছে। এই খণ্ডত প্ৰায় এহেজাৰ মানুহ বাস কৰে। ইয়াৰ বেলৰ ষ্টেচনো সুকীয়া, প'ষ্ট, টেলিগ্ৰাফৰ অফিচ আৰু বেতাৰ কেন্দ্ৰও নিজৰ। ইয়াত এই ধৰ্ম্ম-যাজকৰ নিজৰ মুদ্ৰা প্ৰচলন হয়। "চেইণ্ট পিটাৰচ আৰু ভেটিকানতেই যেনো ৰোমৰ সুকুমাৰ কলাৰ গাম্ভীৰ্য্য আৰু ইতিহাস সোমাই আছে।

• এই গীৰ্জাটো ভেটিকান প্ৰাসাদৰ ওচৰতে। ইয়াক চেইণ্ট পিটাৰচৰ সমাধিৰ ওপৰতে স্থাপন কৰে। "চেইণ্ট পিটাৰচ" যীশু-খৃষ্টৰ এজন প্ৰধান শিষ্য আছিল। ইয়াৰ ওপৰৰ গম্বুজটো বৰ ওখ; লণ্ডনৰ ওৱেষ্ট মিনিষ্টাৰ আবিৰ গম্বুজতকৈও বহুত ওখ বুলি কলে। শিল্পী "মাইকেল এঞ্জেল" ই এই গম্বুজটো তৈযাৰ কৰা বুলি শুনিলো। নামথকা শিল্পী "ৰেফেযেলে" (Rephael) ইয়াৰ বহুত কাম কৰে। এই গীৰ্জাৰ সন্মুখৰ চোতালৰ দুয়োফালে বেকা-বকমৰ ঘৰে অৰ্ধচন্দ্ৰটোৰ দৰে গীৰ্জাৰ গাত লাগি আছে। মাজত পানীৰ উঁহ। ঠাইখন দেখাত শুৱনি। গীৰ্জা সচাকৈয়ে বৰ গহীন, সোমালেই গাতো একৰকম লাগি যায়। ভিতৰখন অতিকৈ সজোৱা, ইয়াত সোণৰ ঘূৰণীয়া চাকিত শলাকানী দি অসংখ্য লগাই থৈছে, এই চাকি যাই ঠাইৰ দাঁতিত আছে, বাকীবিলাক ঠাইত দীঘল মমবাতিবিলাক জ্বলি আছে। যাই বেদীৰ আগত এজন ভক্তৰ আঠুকাঢ়ি হাতজোৰ কৰি থকা বগা শিলৰ মূৰ্ত্তি আছে। সকলো ভক্তই বৰ ভাব-ভক্তিৰে আঠু লৈ তেওঁলোকৰ নিয়ম-খিনি পালন কৰিছে। এঠাইত এজন ধৰ্ম্মযাজকৰ কবৰত প্ৰদক্ষিণ কৰি আঠুলোৱাও দেখিছো। ইটোৰ পাছত সিটোকৈ গানবিলাক গাই আছে। যাত্ৰীসকলৰ মাত আৰু "অৰগেন"ৰ শব্দ কাণ তাল মাৰি গৈছে, দেশ দেশান্তৰৰ পৰা অহা ইমানবোৰ ভক্ত ঘূৰি-পকি ঠায়ে ঠায়ে বৈ ঠিয় হৈ একেলগে গানবোৰ অতি ভক্তিভাবে গাইছে;

মনটো কেনেবা লাগি যায়। চাই থাকি থাকি মই মোৰ মনকে প্ৰশ্ন কৰিলো এই দেশ বিদেশৰ ভক্তবিলাক আহি ব্যাকুল হৈ কাক ভাবিছে, সিদিনা "কাইৰ"ত দেখি অহা মহম্মদ আলি মছজিদত ভক্তবিলাকে দেহে কেহে কাক প্ৰাৰ্থনা কৰি আছিল, আমিয়েই বা কাক ভাবো, কোনেও নেজানে "তেওঁ" কাৰ! তেওঁ সকলো জীৱ জাতিৰ উদ্ধাৰ কৰোতা বিশ্বনিয়ন্তা পৰম ঈশ্বৰ, সেই একেজনেই। ময়ো সেই পৰম পুৰুষ ভগৱানক মোৰ মতেই ইয়াতো এবাৰ ভাবিবলৈ চেষ্টা কৰিলো। আকৌ সেই ৰামকৃষ্ণ পৰমহংস দেৱৰ কথাষাৰ মনত পৰিল, "যত মত, তত পথ", বেলেগ বেলেগ ধৰ্ম্মৰ একো একোটা বেলেগ বেলেগ পথ হে, যাই ঠাই সেই এক।

সি যি হওক কথা ভাবিবলৈ সময় নাই, গাইডৰ কথাই কাণ ঘোলা হে হ'ল। দুপৰীয়াৰ আহাৰৰ সময়ো হৈ আহিল, আজি ঘূৰি হোটেল পাওঁতে বেলি হে হ'বগৈ। আজি পিচবেলা ঠাই চাবলৈ নেগাওঁ বুলি ইয়াতে ভাবি থলো। ইয়াৰ পাছত আমাৰ প'পৰ ৰাজ্যৰ পয়োভৰ চাবলৈহে বাকী আছে। গাইডে কলে "প'পৰ কাৰেং তিনদিনেহে চাই অন্ত কৰিব পাৰিবা"। আমি কাইলৈ আগবেলাটোতে গৈ যি পাৰো চাম বুলি ভাবি আজি ভাৰ পৰা সেইদৰেই ঘূৰি আহি হোটেল পালোহি।

আজি আমাৰ দুপৰীয়াৰ আহাৰ খোৱাও কিছু বেলি হে হ'ল, বৰ ভাগৰ লাগিল। আমি অলপ জিৰালো; ঘৰলৈ চিঠি দুখনমান লিখিলো। গধূলি হ'লত খোজকাঢ়ি ফুৰিবলৈ ওলায় গ'লো, ঘূৰি-পকি লাহে লাহে ৰাতি আহি হোটেল সোমালোহি। কাইলৈ ৰাতি পুৱা ভেটিকান চাবলৈ যাম।

২৩ নবেম্বৰ ৰোম।

আঁজি ৰাতিপুৱা খোৱাৰ পাছত আমি নিজে নিজে ভেটিকান চাবলৈ ওলালো। আজি বন্ধুৱাই "ফ'ট" কিছুমানো তুলিম বুলি ভাবিলে, এই কিদিন বাটত উৰাই লৈ ফুৰাওঁতে ভালকৈ ফ'ট তুলিব পৰা নাই; সেইবাবে আজি এখন ঘোৰা গাড়ীত যাম বুলি ভাবিছো।

হোটেলৰ আগৰ চাৰি আলিটোৰ মাজতে সদায় মটৰ আৰু ঘোৰা গাড়ীবোৰ বৈ থাকে। আমি গৈ তাৰে এখন ঘোৰাগাড়ীত উঠি বহিলো। পিচে, আগতে ভাবিবলৈকে নহ'ল যে কাচোৱানে আমাৰ কথা নুবুজে, তাতে আজি ফ'ট লোৱাৰ কথা! যি হ'ক উঠি বহিলো যেতিয়া উপাই নাই। ভেটিকান বুলি ক'লত ঘোৰা দৌৰাই লৈ গৈছে।

কচোৱানটি বুঢ়া, কিনো কেচুৱা লৰাই কোৱা দি কথা কয বুজিব নোৱাৰো, আং বাং কৰি বহুত কথা কৈ আমাক লৈ গৈছে। আজি কি দেখুৱাই গৈ কব পৰা নাই, আমি জানিবা এতিয়া "বুঢ়াৰ হাতত চেংেলী" পৰিছো। অলপ দূৰ নিলত সেই মুছলিনীয়ে বক্তৃতা দিয়া ঠাইখন দেখিলো, বুঢ়াইও নিজে নিজে গাড়ীখন ৰখাই কিবা বিং বিঙাবলৈ ধৰিলে, আমি এতিয়া বুজিলো বুঢ়া ঘাগু, কেমেৰাটো দেখি ফ'ট লোৱাৰ কথাও বুজিলে, আৰু ঘাই ঘাই ঠাই আৰু প্ৰাসাদৰ আগত নিজে নিজে গাড়ী ৰখাই ফ'ট লোৱাৰ সুবিধা কৰি দি শেষত আমাক ভেটিকান পোৱাই দিলে। ই ৰোমৰ সাতোটা পৰ্ব্বতৰ ভিতৰৰ এটা পৰ্ব্বতৰ ওপৰত এশ আশী একৰ মাটিত থকা ধৰ্ম্মযাজকৰ বহল সত্ৰ।

বাহিৰ দুৱাৰৰ মুখত প্ৰহৰী ঠিয় হৈ আছে, প্ৰহৰীৰ পোচাক বেলেগ ধৰণৰ। ই এই ৰাজ্যৰ পুলিচ। ইয়াৰ দুৱাৰে সোমাই মুখৰ

কোঠালিতে আমি টিকট কিনিলোঁ ; গাইডো এজন তাতে ললো। গাইডক আমি ক'লো "আমি ওপৰে ওপৰে হে এই বেলাটো মাত্ৰ চাই যাম।"

এই ভেটিকানতেই ধৰ্ম্মযাজক (Pope)ৰ ঘাই প্ৰাসাদ আছে, কিন্তু প'প তাৰ এচুকৰ কোঠালিত হে সোমাই থাকে ; আটাইবোৰ ব্যৱহাৰ নকৰে। এই প্ৰাসাদটো হেনো কোনো এটা সময়ত কৰা নহয়, কেবা শতাব্দীৰো গত্বত তৈয়াৰী। ভেটিকানৰ এই প্ৰাসাদৰ "চেইণ্ট পিটাৰ"তে লাগি থকা প্ৰথম চোৱা পোন্ধৰ শ বছৰৰ আগেয়ে সজা. বেলেগ বেলেগ "প'প"ৰ দিনত ইয়াক লাহে লাহে বঢ়াই যোৱা হয়। এই প্ৰাসাদত প্ৰায এহেজাৰটা কোঠালি আছে। এই প্ৰাসাদটো এতিয়া সুকুমাৰ শিল্পকলাৰ এটা ভড়াল বুলি কব পাৰি। পুৰণা শিলাকুটি কামৰো পৃথিবীৰ ভিতৰতে ই বিখ্যাত ভড়াল।

এই ধৰ্ম্মযাজকৰ সত্ৰ "তিনদিনেহে চাই অন্ত কৰিব পাৰিবা" বুলি কালি গাইডে কোৱা কথা সচা। আমি মাত্ৰ চকু ফুৰাই যাবলৈ ধৰিলো। সুন্দৰ সুন্দৰ শিলৰ মূৰ্ত্তি, আঁকা পুৰণি ছবিবিলাক আৰু বাখৰৰ টুকুৰাৰে কৰা কামবিলাক বৰ চকুত লগা। দীঘল দীঘল একোটা কোঠালি, তাৰ বেৰ আৰু ওপৰবোৰত নানাৰকমৰ কাৰুকাৰ্য্য আৰু ভিতৰৰ দুইকাষে হৰেকৰকম বস্তুৰ পোহাৰ। যাদুঘৰৰ কোঠাই পঞ্চাচ কি ষাঠিটামান হব, সেইদৰেই বস্তু ভৰাই সজাই থৈছে। শিল, বাখৰৰ টুকুৰা লগাই অতীজত কৰা ছবিবিলাক বং দি আঁকাৰ নিচিনাহে দেখি। শিল্পী ইমান নিপুণ আছিল যে পুৰণি দলিছাবিলাক আমাৰ কথাৰে কবলৈ গলে "কৌটি-কলীয়া", যদিও আজিও সুন্দৰ হৈ আছে। দলিচাৰ ওপৰত যীশুখৃষ্টৰ সকলো জীৱনী লিখা থকা দেখুৱালে. গাইডে কলে "এইবিলাক তৈয়াৰ কৰোতে পঞ্চাচজন মানুহৰ দহ বাৰ বছৰ লাগিছিল।

ইয়াৰ পাছত দেখিলো গ্ৰন্থাগাৰ। ইয়াত অতি পুৰণিকলীয়া পুথিবিলাক আইনাৰ বাকচত থোৱা আছে। ধৰ্ম্মপুথিবিলাকো অতি যত্ন কৰি শাৰীপাতি সজাই থৈছে।

কাৰেণ্ডৰ ভিতৰৰ বেছিভাগ বস্তুৱেই ধৰ্ম্মসম্পৰ্কীয়, বহুত ধৰ্ম্ম-দাতকৰ বস্তুত তেওঁলোকৰ নাম লিখি থোৱা আছে।

আমি বেগাবেগি কৰি চাই ফুৰি এটা ওলোৱা বাট পাই সেইপিনেই ওলাই আহিলো। গাইডকো ইয়াতে পাবলগা খিনি দি বিদায় ললো।

বাহিৰলৈ ওলাই দেখিলো বুঢ়াই শান্ত-শিষ্ট হৈ বহি আমালৈ বাট চাই আছে। লৰালৰি কৰি গাড়ীত বহিলোহি, আৰু বাটত ক'তো নোৰোৱাকৈ আহি হোটেল পালোহি। বুঢ়াটিক আমি ভাল পালো, আবেলি ওলাই যাবলৈ বৰুৱাই হাত, মূৰ, আঙ্গুলীৰে যিমান পাৰে অঙ্গীভঙ্গী কৰি বুজাই মাতিলে, বুঢ়াইও খুব মূৰ দুপিয়ালে, কাণ্ডখন দেখি হাঁহিয়েই উঠিল! মই ক'লো "তেওঁ কি বুজিছে গধূলিহে চিন ওলাব"।

আজি বৰ বেলি কৰি দুপৰীয়াৰ আহাৰ খোৱা হ'ল। অলপ জিৰালো।

আবেলি পৰত বাটৰ ফালে থকা খিৰিকিখনে ভুমুকি মাৰি দেখিলো। গাড়ীখন ৰৈ আছে, মই কলো "বুঢ়া এলাপেচা নহয়, সময়মতে আহি ৰৈ আছেহি"।

আমি গৈ গাড়ীত উঠিলো; এইবাৰ নগৰৰ আন এটা বাটে আমাক লৈ গ'ল। কিছু সময় ফুৰি ঘূৰি আমি উৰাজাহাজৰ অফিচৰ আগত নামিলোহি, এতিয়া আন্ধাৰ হ'ল, ইয়াতে কচোৱান বুঢ়াক টকা আৰু বটা দি বিদায় দিলো।

আমি কাইলৈ ইয়াৰ পৰা বম্বেলৈ ৰাৱনা হ'ম, অফিচত খবৰ কৰি

জানিব পাৰিলো যে কাইলৈ আমি এক বজাতে ইয়াত আহি উপস্থিত হ'ব লাগিব। আমাৰ নাম লিখাই তাৰপৰা ওলালো। ৰাতি সাত বজালৈকে বাটত দোকান বজাৰ চাই ফুৰি হোটেললৈ ঘূৰি আহিলো।

২৪ নবেম্বৰ ৰোম।

আজি ৰাতিপুৱা আমি ওচৰতে থকা দোকান কেইখনমানত ঘূৰি আহি আজি ইয়াৰ পৰা যাবলৈ প্ৰস্তুত হ'লো।

দুপৰীয়াৰ আহাৰ সোনকালে খোৱা হ'ল; আৰু বিলৰ টকা কড়ি দি আজৰি হ'লো। বস্তুবিলাক এখন ঠেলাগাড়ীত তুলি আমি চিনাকী কেইজনক মাত লগাই উৰাজাহাজৰ ওচৰতে থকা অফিচটোলৈ খোজ ললো। আমি এক বজাত সেইখিনি পালোগৈ।

আমি আজি "এয়াৰ ইণ্ডিয়া ইনটাৰ নেচনেল্ "(Air India International) উৰাজাহাজত যোৱাৰ বন্দবস্ত আছে, অফিচত আহি দেখিলো কেইবাজনো আমাৰ ভাৰতীয় নানাঠাইৰ মানুহ গোটখাই আছেহি, এজন পঞ্জাব দেশৰ বয়সস্থ মানুহ লগ পালো; তেওঁ গোটেই জীৱন পানামা দেশত চৰকাৰী কাম কৰি পেঞ্চন লৈ দেশলৈ ঘূৰি আহিছে। পানামাৰ পৰা আৰু দুজন ভাৰতীয় মানুহ আহিছে। গুজৰাটৰো এটি পৰিয়াল লগ পাইছো। সকলো যাত্ৰীৰে মালবস্তু ওজন কৰোৱাৰ পাছত আমি বাচেৰে উৰাজাহাজ বন্দৰলৈ যাত্ৰা কৰিলো।

বন্দৰৰ বাটত আকৌ সেই "একুৱাডক্টচ্" (Aqueducts) দেখিবলৈ পালো। ৰোমানবিলাকে কত শতাব্দীৰ আগতো বুজিছিল যে এখন ভাল নগৰ পাতিবলৈ হলে ভাল পানী, ভাল বাট, আৰু তাৰ দলং আদি বিশেষ দৰকাৰ।

সময় মতে আমি বন্দৰ পালোগৈ; ইয়াতো আৰু কেইজনমান

ভাৰতীয় মানুহ লগ পালোহি। ভাৰতীয় মহিলা সাত গৰাকী লগ পালো। *দিল্লী পৰিষদৰ আগৰ মন্ত্ৰী শ্ৰীবাস্তৱকো লগ পালো।

আজি উৰাজাহাজ চাৰি বজাতে উৰাৰ কথা আছিল, কিন্তু চাৰে চাৰিৰ পাছতো উৰাৰ কোনো উমঘামেই নাই, জাহাজখন হাতী পৰাদি পৰি আছে। পাঁচ বজাত ইয়াত থকা আমাৰ পৰিচাৰিকা গৰাকীয়ে ইয়াত লাগি থকা হোটেলটোলৈ আমাক নি তাতে চাহ আদি খুৱালে। আজি জাহাজ উৰা কি কাৰণে নো বেলি হৈছে কোনেও যেন একো কবই নোৱাৰে। যাত্ৰীবিলাকে পৰিচাৰিকা গৰাকীক প্ৰশ্ন কৰি হাইৰাণ কৰিছে।

আমি তাতে ইফাল-সিফাল কৰি যিমান পৰা যায় ঘূৰি-পকি ফুৰিবলৈ ধৰিলো। ইযাতো এই দেশৰ বহুত বস্তু বিক্ৰীৰ কাৰণে দোকান পাতি মানুহ বহি আছে।

আমাৰ হাতত ইটালীৰ "লাৰা"ৰ কেইখন মান "নোট" আছে, মই ভাল ভাল সৰু বস্তুবোৰ দেখি সেইখিনি পইচা ইয়াতে খৰচ কৰো বুলি ভাবি বস্তুত চকু ফুৰাবলৈ ধৰিলো। পিচে, বস্তুৰ দাম চাই আমাৰ ধনেৰে আমি দিয়াশলাই এটাও নেপাওঁ বুলি জানি দোকানৰ পৰা আঁতৰি আহিলো।

বৈ বৈ বৰ আমনি লাগিল। পাছত গমুলি সাত বজাত উৰাজাহাজৰ গা লৰিল বুলি খবৰ পালো। আমি সকলো যাত্ৰী গৈ উঠি বহিলো। চাওঁতে চাওঁতেই জাহাজ গৰজি আকাশলৈ উঠিল।

বাহিৰত আন্ধাৰ। একো নেদেখি। জাহাজো খুব ওপৰত উৰিছে। আজি প্ৰায়বিলাকেই ঘৰলৈ ঘূৰি অহা দেশৰ মানুহ। সকলোৰে খুব স্ফূৰ্ত্তি, হাঁহি মাতি তাচ খেলৰ আৰম্ভ কৰি দিছে। ইংলণ্ডৰ যাত্ৰী মাত্ৰ দুজন আৰু চাৰিজন কুটীয়া দেশৰ তিনিটি সৰু সৰু লৰা ছোৱালীও আহিছে।

এতিয়া আমাক গধূলিৰ খোৱা দিলে; বস্তুখিনি ভালেই লাগিছে। খোৱাৰ পাছত আজি মছলা চোপাৰিও খাবলৈ পালো। 'বাহিৰত চাবলৈ আৰু একো নাই। ভিতৰতে বহি মই যাত্ৰীসকলৰ আলেখ্ লেখ্ চাই আছো, কিনো জানো ফুচুৰী কথা ওলাইছে খিল্-খিলাই হাঁহি আছে।

এতিয়া আমাক শুনাই দিলে যে জাহাজ এতিয়া বহুত ওপৰত গৈছে। আৰু বেছি জোৰেৰে গৈছে। আজি ৰাতিতেই বেলি হোৱাৰ সময়ৰ কেইঘণ্টা হেনো পুৰাব।

ভয়ো লাগে। কিছু সময় এনেয়ে বহি যোৱাৰ পাছত ভিতৰৰ চাকি কেইটামান নুমাই দিলে, বহা আসনবিলাকো অলপ হাওলাই শুবলৈ সুবিধা কৰি দিলে আৰু পৰদাবিলাকো খিৰিকিত ওলমাই দি গ'ল।

তলে সাগৰ ওপৰে আকাশ, তাতে ৰাতি মোৰ চাৰে বাৰমান বজালৈকে চকু মুদ যোৱা নাই। আকাশ পাতালৰ কথা ভাবি পৰি গৈছো।

লাহে লাহে গম পালো জাহাজৰ গতিৰ বেগ কমি আহিল আৰু প্ৰায় ৰাতি এক বজাত "কাইৰ" চহৰত আহি জাহাজ গম্ গম্ কৰি নামিলেহি।

আন্ধাৰ ৰাতি। অলপ জাৰ। এতিয়া আমাক নমাই ওচৰৰ হোটেলটোলৈ নিলে। আৰু তাত চাহ, ৰুটি আদি খাবলৈ দিলে। যাৰ যি ইচ্ছা খোৱাৰ পাছত আমি আকৌ আহি জাহাজত উঠিলোহি।

যাওঁতে আমি "বি, অ', এ, চি" ( B. O. A. C. ) বৃটিচ আৰু অষ্ট্ৰেলীয়াৰ জুটীয়া কোম্পানীৰ উৰাজাহাজখনত গৈছিলো, ৰাতি একো একো ঠাইত সময় মতে থাকি গৈছিলো, মোৰ কোনো ৰকমৰ আহুকাল লগা নাছিল। এইখন ৰাতি-উৰাজাহাজ বাবে মই ভালপোৱা নাছিলো।

সি যি হওক যেনে তেনে টোপনীয়ে তন্দ্ৰাই ৰাতিটো কটাই যাবলৈ চেষ্টা কৰিলো।

২৫ নবেম্বৰ, আকাশী পথত।

ময়েই প্ৰথমে সাৰ পালো ; সকলো যাত্ৰীৰে দোৰ্ঘোৰ টোপনী।

পোহৰ হোৱাৰ লগে লগে মই আঁটিমুটিকৈ বহি পৰদাখন ডাঙ্গি পৃথিবীখন চাবলৈ লাগিলো। এতিয়া চঁযা মৰ্যাকৈ টকলা শিলৰ পৰ্ব্বত আৰু মৰুভূমি দেখিবলৈ পাইছো। এইদৰে বহুত সময় যোৱাৰ পাছত যাত্ৰীবিলাক এজন এজনকৈ গা মুৰি দি উঠিল, আৰু হাত মুখ ধোৱাত লাগি গ'ল।

ৰাতিপুৱাৰ আহাৰ খোৱা হ'ল।

জাহাজ আজি দুপৰীয়া বম্বে পাবগৈ বাবে এতিয়া জাহাজ বম্বেৰ ফাললৈ আকাশী পথ লৈছে।

ৰাতিৰত টো টোৱা ব'দ, গৰমো লাগি আহিছে। ৰাতিও ভাল টোপনী নাথ। মোৰ গাটো ৰাঁই-জাই লাগিবলৈ ধৰিছে।

তলত সাগৰ দেখিবলৈ পালো। দুপৰীয়াৰ আহাৰ দি গ'ল, খোৱা-বোৱাত অলপ সময় সকলো ব্যস্ত হৈ পৰিল।

খোৱাৰ পাছত আকৌ সাগৰেই দেখিবলৈ পাইছো। কিছুমান পৰ এইদৰেই গৈ থকাৰ পাছত সাগৰত পখিলা একোটাৰ দৰে দেখিবলৈ পালো। লাহে লাহে পখিলাবোৰ ঘন ঘন দেখিছো। চাই চাই পাছত বুজিব পাৰিলো সেইবোৰ পাল তৰা নাও।

গৈ গৈ কিছু সময়ৰ পাছত দূৰৈত মাটি দেখিবলৈ পালো, আৰু লাহে লাহে প্ৰায় দুইমান বজাত জাহাজ বম্বেৰ "চেণ্টাক্ৰুজ" ( Santa Cruz ) উৰাজাহাজ বন্দৰত নামিলেহি।

জাহাজৰ পৰা নামি সকলোৱে শাৰীপাতি আহিছো। আমি পুলিচ কৰ্ম্মচাৰী স্বাস্থ্যবিভাগৰ কৰ্ম্মচাৰীৰ হাত সৰাৰ পাছত শুল্কবিভাগৰ কৰ্ম্মচাৰীৰ ওচৰত অলপ সময় কটাব লগা হ'ল। আমাৰ বাকচ আদি ভালকৈ খুলি দেখুৱাব লগা হ'ল। পাছত "ঘড়ী কিটা বাকচৰ পৰা উলিয়াম নে ?" বুলি সোধাত "ঠিক আছে" বুলি কৈ সেই দুৱাৰ জানিবা মুকলি কৰি দিলে।

এতিয়া আমাৰ মালবস্তুৰে পিচফালে বাচ থকা ঠাইলৈ আমি আহিলো। আৰু আমাৰ বাচখনত আহি বহিলোঁ। ইয়াতে আমি অলপ পৰ বহিব লগা হ'ল, এজন এজন কৈ আমাৰ সহযাত্ৰীসকল আহিবলৈ ধৰিলে। কেজনমানে বিশেষকৈ পানামাৰ পৰা অহা দুজনে হেনো শুল্কবিভাগৰ কৰ্ম্মচাৰীৰ ওচৰত সময় কিছু কটাব লগা হৈছিল। বাচত বহি বহি দেখিলো আমাৰ লগত অহা যাত্ৰী কেইজনমানক আগবঢ়াই নিবলৈ অহা আত্মীয়-স্বজনৰ সৈতে ফ'ট তোলা, তাতোকৈ কেবাজনো উভতি অহা ভদ্ৰলোকক ফুলৰ মালাৰে ডিঙি ভৰাই দিয়া দেখিবলৈ পালো।

এতিয়া লাহে লাহে বাচে আমাক তাজমহল হোটেললৈ লৈ গ'ল। যাওঁতে বাটৰ দাঁতিত অসংখ্য ভগনীয়া মানুহৰ থকা ঠাই-বোৰ দেখিবলৈ পালো। দূৰৈত মালাৱাৰ পৰ্ব্বতো দেখিবলৈ পালো। হোটেল পালোগৈ। আমাৰ লগত অহা ইংৰাজ যাত্ৰী দুজন এই হোটেলত উঠিলেহি। বাকীবোৰ যাত্ৰী চেদেলি-ভেদেলি হ'ল।

এই হোটেলৰ সাজ-কাজ প্ৰায় সিফালৰ হোটেলৰ লগত মিলে। আমাৰ কোঠালিত সোমায়েই এখন জাননী দেখিবলৈ পালো যে "পানী যেন বেছি খৰছ নকৰে"। আচৰিত লাগে, নিচেই পাৰতে সাগৰখন জুৰি পানী আছে। অৱশ্যে সাগৰৰ লুনীয়া পানী ব্যৱহাৰ কৰিব নোৱাৰি বুলি জানো।